सत्यमेव जयते

ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ প্ৰতিবেদন
সামাজিক, অৰ্থনৈতিক (অনা-ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহ) আৰু সাধাৰণ খণ্ডৰ ওপৰত

2019 চনৰ 31 মাৰ্চত সমাপ্ত বছৰটোৰ বাবে

लोकहितार्थ सत्यनिष्ठा

Dedicated to Truth in Public Interest

অসম চৰকাৰ

(2021 ৰ প্ৰতিবেদন নং 1)

ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ প্ৰতিবেদন

সামাজিক, অৰ্থনৈতিক (অনা-ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহ) আৰু সাধাৰণ খণ্ডৰ ওপৰত

2019 চনৰ 31মাৰ্চত সমাপ্ত হোৱা বছৰটোৰ বাবে

অসম চৰকাৰ

(2021 ৰ প্ৰতিবেদন নং 1)

সূচীপত্ৰ		
	দফা	**পৃষ্ঠা**
পাতনি	-	iii
দৃষ্টিপাত	-	v
অধ্যায় - I		
সামাজিক খণ্ড		
সূচনা	1.1	1
পৰিকল্পনা আৰু হিচাপ পৰীক্ষা পৰিচালনা	1.1.1	2
সন্মতিসূচক হিচাপ পৰীক্ষা		
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ		
অফলপ্ৰসু ব্যয়	1.2.1	3
অপচয়মূলক ব্যয়	1.2.2	6
অফলপ্ৰসু ব্যয়	1.2.3	8
ধনৰ সন্দেহজনক আত্মসাৎকৰণ	1.2.4	10
উচ্চ শিক্ষা বিভাগ		
সন্দেহজনক আত্মসাৎকৰণ	1.2.5	11
সংখ্যালঘু আৰু উন্নয়ন কল্যাণ বিভাগ		
হিতাধিকাৰীক বঞ্চিত কৰি ছাত্ৰ-বৃত্তিৰ ধন বিতৰণত অনিয়ম	1.2.6	13
অধ্যায়-II		
অৰ্থনৈতিক খণ্ড		
সূচনা	2.1	17
হিচাপ পৰীক্ষাৰ পৰিকল্পনা আৰু পৰিচালনা	2.1.1	18
কাৰ্য সম্পাদন হিচাপ পৰীক্ষা		
জলসিঞ্চন বিভাগ		
অসমত ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প সমুহৰ পৰা ভূ- পৃষ্ঠৰ জলসিঞ্চন আঁচনিৰ ফলাফল সমুহ	2.2	18
সন্মতিসূচক হিচাপ পৰীক্ষা		
কৃষি বিভাগ		
চৰকাৰৰ অতিৰিক্ত ক্ৰয় মূল্য	2.3.1	55
জলসিঞ্চন বিভাগ		
জেদ শ্বীট পাইলচৰ নিস্ক্ৰীয়তা	2.3.2	58

অধ্যায়-III

সাধাৰণ খণ্ড

সূচনা	3.1	61
পৰিকল্পনা আৰু হিচাপ পৰীক্ষাৰ পৰিচালনা	3.1.1	62

সন্মতিসূচক হিচাপ পৰীক্ষা

কৰ্মচাৰী বিভাগ আৰু পেঞ্চন আৰু ৰাজহুৱা ওজৰ আপত্তি

ক্ষতিপুৰণ নিয়োগৰ সলনি ক্ষতিপুৰণ পৰিয়াল পেঞ্চন আঁচনি	3.2	62

মুদ্ৰন আৰু লেখন বিভাগ

নিস্ফল ব্যয়	3.3.1	73

অধ্যায়-IV

সাধাৰণ

চুৰি, আত্মসাৎ আৰু ক্ষতিৰ বিষয় সমূহ	4.1	75
হিচাপ পৰীক্ষাৰ প্ৰতিবেদন সমুহৰ অনুগমন	4.2	76
পি এ চিৰ চুপাৰীছসমূহৰ ওপৰত হাতত লোৱা কাৰ্য ব্যৱস্থা	4.3	76
হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণলৈ সঁহাৰি আৰু সেই সমূহৰ অনুপালনত জেষ্ঠ বিষয়াসকলৰ সন্মতি	4.4	77

পৰিশিষ্ট

পৰিশিষ্ট নং	শিৰোনামা	দফা	পৃষ্ঠা
পৰিশিষ্ট -2.1	প্ৰকল্পৰ নমুনা আৰু শ্ৰেণী বিভাজন	2.2.4.4	81
পৰিশিষ্ট -2.2	প্ৰকল্পৰ ভিত্তিত মূল্যায়ন আৰু জেদ-শ্বীট পাইলচৰ যোগান প্ৰবিৰৰণ	2.3.2	82
পৰিশিষ্ট -3.1	এচ এল চি ৰ অনুস্থিত বৈঠক, পুনৰীক্ষণৰ বিষয়, নিযুক্তিৰ বাবে অনুমোদিত বিষয় আৰু এচ এন চি ৰ দ্বাৰা নাকচ কৰা বিষয়ৰ বিভাগ অনুযায়ী বিতং সংখ্যাৰ বিৰৰণ	3.2.5.3 (ii)	85
পৰিশিষ্ট -3.2	বিভাগ অনুযায়ী চি.এফ.পি.ৰ অধীনত থকা হিতাধিকাৰীৰ তালিকা	3.2.6.2	87
পৰিশিষ্ট -4.1	পুঁজিৰ আত্মসাৎ, অপব্যৱহাৰ আদি বিষয়সমুহ বিভাগ ভিত্তিক/ সময়ভিত্তিক শ্ৰেণী বিভাজন (যিবোৰ ঘটনা 31 মাৰ্চ 2019 ৰ শেষলৈকে যি সমুহৰ বিষয়ৰ ক্ষেত্ৰত চূড়ান্ত কাৰ্য্য ব্যৱস্থা গ্ৰহন কৰিবলৈ বাকী আছিল)	4.1	88
সংক্ষিপ্তকৰণৰ পৰিভাষিক শব্দ তালিকা			93

পাতনি

পাতনি

1. ভাৰতীয় সংবিধানৰ 151 অনুচ্ছেদৰ অধীনত ৰাজ্যিক বিধান মণ্ডলত উপস্থাপন কৰিবৰ বাবে ৰাজ্যপালৰ ওচৰত দাখিল কৰাৰ কাৰণে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে।
2. এই প্ৰতিবেদনে সামাজিক, সাধাৰণ আৰু অৰ্থনৈতিক (অনা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান) খণ্ডৰ অধীনত অসম চৰকাৰৰ বিভাগসমূহৰ হিচাপ পৰীক্ষাৰ ফলাফল সমূহ প্ৰদৰ্শন কৰে।
3. এই প্ৰতিবেদনত 2018-19 বৰ্ষত সম্পন্ন বাছনি পৰীক্ষাত দৃষ্টিগোচৰ হোৱা বিষয়সমূহ তথা পূৰ্বৰ বছৰ সমূহত দৃষ্টিগোচৰ হোৱা কিন্তু পূৰ্বৰ প্ৰতিবেদনত সন্নিবিষ্ট কৰিব নোৱাৰা বিষয় সমূহো উল্লেখ কৰা হৈছে।
4. ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকে জাৰি কৰা হিচাপ পৰীক্ষাৰ আদৰ্শ মানৰ লগত সংগতি ৰাখি হিচাপ পৰীক্ষা সম্পাদন কৰা হৈছে।
5. মূল ইংৰাজী প্ৰতিবেদন “Report of the Comptroller and Auditor General of India on Social, Economic (Non-PSUS) and General Sectors for the year ended 31 March 2019 Government of Assam (Report No. – 1 of 2021) ” ৰ অসমীয়ালৈ ভাষান্তৰ কৰি এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে।
6. অনুদিত সংস্কৰণত কোনো সন্দেহ থাকিলে ইংৰাজী সংস্কৰণটোৰেই প্ৰামাণিক বুলি বিবেচিত হ'ব।

দৃষ্টিপাত

দৃষ্টিপাত

এই হিচাপ পৰীক্ষা প্ৰতিবেদনখন চাৰিটা অধ্যায়ত প্ৰস্তুত কৰা হৈছে। অধ্যায় I ৰ পৰা III লৈ যথাক্ৰমে সামাজিক শাখা, অৰ্থনৈতিক শাখা, (ৰাজহুৱা খণ্ডৰ প্ৰতিস্থান সমূহৰ বাদ দি) আৰু সাধাৰণ শাখাৰ লগত জড়িত। অধ্যায় IV আত্মসাৎকৰণ / চুৰি আৰু হিচাপ পৰীক্ষা প্ৰতিবেদনৰ অনুপালন/ অনুধাৱনৰ সৈতে জড়িত।

এই প্ৰতিবেদনত **"অসম ক্ষুদ্ৰ ভূ-পৃষ্ঠৰ জলসিঞ্চন আচঁনিৰ ফলাফল"**ৰ ওপৰত কাৰ্য্য সম্পাদন হিচাপ পৰীক্ষাৰ উপৰিও 10 টা সন্মতিসূচক হিচাপ পৰীক্ষাৰ দফা আছে। সংশ্লিষ্ট বিভাগৰ প্ৰধান সচিব/ আয়ুক্তলৈ ছয় সপ্তাহৰ ভিতৰত উত্তৰ সমূহ দাখিলৰ বাবে এক অনুৰোধৰ সৈতে এই খৰচৰ হিচাপ পৰীক্ষাৰে দফা আৰু কাৰ্য্যসম্পাদন হিচাপ পৰীক্ষাৰ খচৰা প্ৰতিবেদন প্ৰেৰণ কৰা হৈছিল। চৰকাৰৰ পৰা লাভ কৰা মতামত সমূহক ইয়াতে সন্নিবিষ্ট কৰা হৈছে। অসম চৰকাৰৰ প্ৰতিনিধিৰ সৈতে হোৱা সামৰণি বৈঠকত হিচাপ পৰীক্ষাৰ ফলাফল সমূহ আলোচনা কৰা হৈছিল আৰু তেওঁলোকৰ মতামত সমূহক এই প্ৰতিবেদনত নিৰ্দিষ্টকৈ স্বীকৃত কৰা হৈছে। প্ৰতিবেদনত থকা প্ৰয়োজনীয় ফলাফল সমূহৰ এক সাৰাংশ তলত উপস্থাপন কৰা হ'ল।

সামাজিক খণ্ড

সন্মতিসূচক হিচাপ পৰীক্ষা

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

প্ৰয়োজনীয় কৰ্মচাৰী নিয়োগ নকৰাৰ বাবে ভাৰত চৰকাৰৰ দ্বাৰা যোগান ধৰা পুঁজিৰে হ'ব লগা দুৰ্ঘটনাত আঘাত প্ৰাপ্তক জৰুৰীকালীন সেৱাৰ বাবে পাঁচখন চিকিৎসালয় (বঙাইগাওঁ, হাফলং, ডিফু, নলবাৰী আৰু নগাওঁ) আঠ বছৰলৈ কাৰ্যকৰী নহ'ল, ফলস্বৰূপে যোজনাটো উদ্দেশ্যত উপনীত হ'ব পৰা নাছিল আৰু 7.32 কোটি টকাৰ নিস্ফল ব্যয় হৈছিল। গুৱাহাটী আৰু শিলচৰ চিকিৎসালয়ত টি.চি.চি. সমূহ চুক্তিবদ্ধ কৰ্মচাৰীৰ দ্বাৰা কাৰ্য্যচালন কৰা হৈছিল।

(দফা 1.2.1)

ৰাষ্ট্ৰীয় স্বাস্থ্য মিচন (এন এইচ এম) আৰু অসমৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মাজত সমন্বয়ৰ অভাৱৰ ফলত ধুবুৰীৰ মেডিকেল কলেজ আৰু হস্পিটালৰ বাবে প্ৰস্তাৱিত স্থানত এন এইচ এম ৰ দ্বাৰা 2.36 কোটি টকাত নিৰ্মাণ কৰা চাৰিটা ভৱন ভাঙিব লগা হৈছিল। তাৰোপৰি 13 লাখ টকা ভৱনটো ভাঙাৰ বাবদ অসম চৰকাৰে ব্যয়ো বহন কৰিবলগীয়া হৈছিল।

(দফা 1.2.2)

স্বাস্থ্য যত্ন সেৱা যোগনৰ বাবে ভাৰত চৰকাৰৰ যোগান ধৰা পুঁজিৰ এটি অভিনৱ প্ৰকল্প "ব্ৰহ্মপুত্ৰ নদীত জাহাজ হস্পিটাল স্থাপন" যোজনাত 2.20 কোটি টকা খৰচ কৰাৰ পিছত, যোজনাটো অসম্পূৰ্ণ আৰু অফলপ্ৰসু হৈ ৰ'ল।

(দফা 1.2.3)

তদাৰকী পদ্ধতিত থকা সুৰুঙাৰ সুবিধা লৈ শিলচৰ মেডিকেল কলেজ হস্পিটালৰ চুক্তিবদ্ধ ভিত্তিত নিয়োগ কৰা নগদ সংগ্ৰাহকে তেওঁ সংগ্ৰহ কৰা ধন কোষাধ্যকক কম জমা দিয়াৰ দ্বাৰা 30.54 লাখ টকাৰ আত্মসাৎ কৰিছিল। নগদ সংগ্ৰহ, বিশেষভাৱে চুক্তিবদ্ধ কৰ্মচাৰীৰ ওপৰত তত্বাবধানৰ অভাৱ আৰু যথোপযুক্ত নিৰীক্ষণৰ অভাৱে নগদ আত্মসাৎকৰণত সুবিধা দিছিল।

(দফা 1.2.4)

উচ্চ শিক্ষা বিভাগ

বি.আৰ.এম. চৰকাৰী আইন মহাবিদ্যালয়ৰ অধ্যক্ষই ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা মাচুল আৰু তাৰ পৰা কৰা ব্যয়ৰ বিস্তৃত বিৰৰণ নগদ বহীত নথিভুক্ত কৰা নাছিল । মাচুলসমূহ চৰকাৰী হিচাপত জমা নিদিয়াৰ বাবে 74.04 লাখ টকা আত্মসাৎকৰণ অভিমুখে গৈছিল।

(দফা 1.2.5)

সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ

অসম সংখ্যালঘু উন্নয়ন পৰিষদ (এ এম ডি বি) ৰ সঞ্চালকজনে পূৰ্ব মেট্ৰিক ছাত্ৰ-বৃত্তি অনিয়মিত ভাৱে প্ৰত্যক্ষভাৱে হিতাধিকাৰীৰ বেংকৰ হিচাপত হস্তান্তৰ কৰি জমা কৰাৰ পৰিবৰ্তে এটা ব্যক্তিগত বেংকৰ প্ৰত্যক্ষ পৰিশোধ কাৰ্ডৰ জৰিয়তে বিতৰণ কৰিছিল। তাৰোপৰি 18.60 কোটি টকাৰ পুঁজি বেংকত নিষ্ক্ৰীয়ভাৱে পৰি থাকিল আৰু 13.34 কোটি টকা পৰিষদত নিষ্ক্ৰীয়ভাৱে পৰি থাকিল।

(দফা 1.2.6)

অৰ্থনৈতিক খণ্ড

কাৰ্য্য সম্পাদন হিচাপ পৰীক্ষা

"অসমত ক্ষুদ্ৰ ভূ- পৃষ্ঠৰ জলসিঞ্চন আঁচনিৰ ফলাফলসমূহ"ৰ ওপৰত কাৰ্য্যসম্পাদন হিচাপ পৰীক্ষা

অসম চৰকাৰে উন্নত কৃষিৰ বিকাশ, কৃষিকাৰ্য্যৰ প্ৰসাৰতা বৃদ্ধি, ফচলৰ উৎপাদনশীলতা বৃদ্ধি আৰু দাইল আৰু তেলৰ বীজ সমুহৰ বহুমুখীকৰণ আৰু কৃষি জীৱি সকলৰ জীৱন-ধাৰণৰ মানদণ্ড উন্নত কৰণত ফলাফল লাভ কৰা আদিৰ দৰে লক্ষ্য সমুহত উপনীত হোৱাৰ বাবে জলসিঞ্চন আঁচনি সমুহ ৰূপায়ণ কৰি আহিছে। ৰাজ্যখনে 3.86 লাখ হেক্টৰ জলসিঞ্চনৰ সম্ভাৱনীয়তাৰ সৈতে 1,144 টা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প সম্পূৰ্ণ কৰিছিল। 246.08 কোটি টকাৰ মুঠ বিনিয়োজন থকা 62 টা জলসিঞ্চন প্ৰকল্প অকাৰ্য্যকৰী / অস্বাভাৱিক হৈছিল।

জানুৱাৰী 2011 ৰ পৰা 31 মাৰ্চ 2017 সময়ছোৱাত সম্পূৰ্ণ কৰা ক্ষুদ্ৰ ভূ-পৃষ্ঠৰ জলসিঞ্চন প্ৰকল্পৰ এটা কাৰ্য্যসম্পাদন হিচাপ পৰীক্ষাত প্ৰকাশ পায় যে নমুনাকৃত 73 টা প্ৰকল্পৰ 25 শতাংশ (18 টা প্ৰকল্প) বিভিন্ন কাৰণৰ বাবে অকাৰ্য্যক্ষম হৈ আছিল, তাৰ দ্বাৰা এই আঁচনি সমূহৰ সম্ভাৱনীয়তা হ্ৰাস কৰি 74.74 কোটি টকাৰ বিনিয়োজন লোকচান কৰিছে।

জলসিঞ্চন আঁচনি সমূহৰ কাৰ্য্যচালনত কৃষকৰ অংশ গ্ৰহণ আৰু সেই সমূহৰ পৰিপালনৰ নিশ্চিত কৰণৰ দায়িত্বত থকা পানী ব্যৱহাৰকাৰী সংস্থাটো অকাৰ্য্যকৰী আছিল। এই আঁচনি সমূহৰ পৰিপালনত প্ৰভাৱ পেলোৱা জলসিঞ্চনৰ সেৱা মূল্যৰ অৱশিষ্ট দেয় সমীক্ষা কৰিবলৈ ৰাজ্য চৰকাৰে কোনো ব্যৱস্থা লোৱা নাছিল।

সৃষ্ট (63 শতাংশ) জলসিঞ্চন সম্ভাৱনীয়তা বৃহৎ পৰিমাণে খাৰিফ ঋতুৰ বাবে ব্যৱহৃত হৈছিল আৰু প্ৰায় 9 শতাংশহে পূৰ্ব খাৰিফ / ৰবিশস্যত ব্যৱহৃত হৈছিল, যেতিয়া বতৰ খৰাং আছিল আৰু জলসিঞ্চনৰ পানীৰ প্ৰয়োজনীয়তা / চাহিদা আছিল।

হিচাপ পৰীক্ষাৰ দ্বাৰা কৰা হিতাধিকাৰী সমীক্ষাত গুৰুত্বপূৰ্ণ বিষয়সমূহ প্ৰকাশ পাইছিল যেনে সমীক্ষা কৰা কৃষক সকলৰ ভিতৰত কেৱল 23.2 শতাংশই জনাইছিল যে তেওঁলোকে খৰাং বতৰতো জলসিঞ্চনৰ পানী লাভ কৰিছে, সমীক্ষাকৃত হিতাধিকাৰী কৃষকৰ 88.4 শতাংশই কৈছিল যে তেওঁলোকে একাধিক শস্যৰ কৃষি কাৰ্য্য কৰিবলৈ আগ্ৰহী কিন্তু প্ৰকল্প সমূহৰ পৰা যথেষ্ট পানীৰ অভাৱৰ বাবে কৰিব পৰা নাছিল।

(দফা 2.2)

সন্মতিসূচক হিচাপ পৰীক্ষা

কৃষি বিভাগ

অসমৰ কৃষি সঞ্চালকে 2016-17 আৰু 2017-18 ৰ সময়ছোৱাত মাটি মাহৰ বীজ আহৰণৰ বাবে মাত্ৰাধিক নিৰিখত ক্ৰয়ৰ দ্বাৰা অসম চৰকাৰৰ অতি কমেও 5.80 কোটি টকাৰ অতিৰিক্ত মূল্যত ক্ৰয়ৰ পথ প্ৰশস্ত কৰে।

(দফা 2.3.1)

জলসিঞ্চন বিভাগ

বড়োলেণ্ড প্ৰদেশীয় পৰিষদে প্ৰকৃত প্ৰয়োজনতকৈ অধিক 6.06 কোটি টকা মূল্যৰ 524.06 এম টি জেদ শ্বীট পাইলচ সংগ্ৰহ কৰাত জেট-শ্বিট পাইলচসমূহ অব্যৱহৃত হৈ থাকিল।

(দফা 2.3.2)

সাধাৰণ খণ্ড

সন্মতিসূচক হিচাপ পৰীক্ষা

কৰ্মচাৰী বিভাগ আৰু পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগ

প্ৰাক্ 2017 কালত কৰ্মৰত অৱস্থাত মৃত্যু বৰণ কৰা / স্বাস্থ্য জনিত কাৰণত বাধ্যতামূলক অৱসৰ লোৱা কৰ্মচাৰী যোগ্য উত্তৰাধিকাৰী সকলক নিয়োগ কৰাত পলম কৰাৰ বাবে অসম চৰকাৰৰ দ্বাৰা ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলৰ বাবে প্ৰণয়ন কৰা অনুকম্পামূলক নিয়োগ আঁচনি (চি.এ.) ফলপ্ৰসু ভাৱে পৰিচালিত হোৱা

নাছিল। চি এ আঁচনিৰ নথি-পত্ৰ জমাকৰণতো সম্পূৰ্ণভাৱে আৰু পূৰ্ণতাৰে কৰা নাছিল। এই ত্ৰুটিসমূহৰ শুধৰণীৰ পৰিবৰ্তে, ৰাজ্য চৰকাৰে তেওঁলোকৰ কৰ্মচাৰীৰে বাবে যি সকল কৰ্মৰত অৱস্থাত মৃত্যু বৰণ কৰিছিল তেওঁলোকৰ বাবে এক জন কল্যাণমূলক ব্যৱস্থা হিচাপে পৰিয়াল পেঞ্চন আঁচনিৰ (চি.এফ.পি.) প্ৰবৰ্তন কৰে। এই নতুন পৰিয়াল পেঞ্চন আঁচনিৰ অধিকাৰ মূলক বৈশিষ্ট আছে, যিয়ে ৰাজ্যৰ দ্বাৰা প্ৰতিস্থিত কৰা ক্ষতিপূৰণ নিয়োগৰ বিধিসন্মত আদৰ্শ সমূহ উলাই কৰাই নহয় আনহাতে ৰাজকোষত বিত্তিয় বোজাও বহন কৰিছিল।

অসম চৰকাৰে এপ্ৰিল 2017 ৰ পাছত কৰ্মৰত অৱস্থাত মৃত্যু হোৱা চৰকাৰী কৰ্মচাৰীৰ ওপৰত নিৰ্ভৰশীল সদস্যক অনুকম্পামূলক পাৰিবাৰিক পেঞ্চনৰ অধীনত, অৱসৰৰ সময়ত শেষৰ দৰমহাৰ 100 শতাংশ মূল্যৰ সমানে পৰিয়াল পেঞ্চন আগবঢ়োৱাৰ বাবে ৰাজ্যৰ ৰাজকোষত এক অতিৰিক্ত পৰিহাৰ্য্য বিত্তীয় বোজাৰ হেঁচা দিছে। এই প্ৰকল্পৰ অধীনত এতিয়ালৈকে 171.55 কোটি টকা অধিক বিত্তীয় বৰ্হিগমন হৈছিল আৰু হিচাপ পৰীক্ষাই ৰাজ্যৰ বাজেটত বছৰি 156.91 কোটি টকাৰ অতিৰিক্ত বিত্তীয় বোজাৰ প্ৰাক্‌কলন কৰিছিল।

ইয়াৰ উপৰি, ৰাজ্যচৰকাৰে এই আঁচনিখনৰ সুবিধা সৰ্বভাৰতীয় সেৱাৰ পদাধিকাৰী সকললৈও ভাৰত চৰকাৰৰ লগত আলোচনা নকৰাকৈ প্ৰদান কৰিছিল, যাৰ পেঞ্চন/ পৰিয়াল পেঞ্চনৰ দায়িত্ব ভাৰত চৰকাৰৰ ওপৰত ন্যস্ত।

ৰাজ্যখনে চি এফ পি আঁচনিৰ বাবে পৃথক বাজেট আৱন্টন বিচৰা নাছিল আৰু ইয়াৰ বাবে সকলো ব্যয় ‘পেঞ্চন’ ৰ অধীনত লিপিবদ্ধ কৰাৰ দ্বাৰা এটা নতুন আঁচনিৰ বাজেট আৰু হিচাপ ৰক্ষণৰ নিয়মাৱলী উলংঘন কৰিছিল।

ৰাজ্যই চি এফ পি আঁচনি অব্যাহত ৰখাটোৰ বিষয়ে সমীক্ষা কৰাৰ প্ৰয়োজন আছে।

(দফা 3.2)

মুদ্ৰন আৰু লেখন বিভাগ

যোৰহাট পি ডব্লিউ ডি (গৃহ)বিভাগৰ কাৰ্য্যবাহী অভিযন্তা আৰু সঞ্চালক, মুদ্ৰন আৰু লেখন (পি এচ) প্ৰয়োজনীয় আগ্ৰহৰ অভাৱৰ বাবে 80.45 লাখ টকা খৰচ কৰাৰ পাছত যোৰহাটৰ তিতাবৰত নিৰ্মাণ কৰিবলৈ লোৱা চৰকাৰী ছপাশাল চাৰি বছৰ ধৰি অসম্পূৰ্ণ হৈ আছে। তাৰোপৰি ছপাশালৰ বাবে ভাড়ালৈ লোৱা ভৱন নবীকৰণৰ বাবে 45.82 লাখ টকা ব্যয় হৈছিল।

(দফা 3.3.1)

অধ্যায় -I

সামাজিক খণ্ড

সন্মতিসূচক হিচাপ পৰীক্ষা

অধ্যায়-I

সামাজিক খণ্ড

1.1 সূচনাঃ

সামাজিক খণ্ডৰ অধীনৰ ৰাজ্য চৰকাৰৰ বিভাগ কাৰ্যালয়সমূহৰ হিচাপ পৰীক্ষাৰ ভিত্তিত লাভ কৰা উদঘাটন সমূহ এই অধ্যায়ত প্ৰকাশ পাইছে।

2018-19 ৰ সময়ছোৱাত 57,418.03 কোটি টকাৰ মুঠ বাজেট ব্যৱস্থাৰ বিপৰীতে, ষষ্ঠ অনুসুচী এলেকাৰ অৰ্ন্তগত তিনিখন পৰিষদ,অৰ্থাৎ ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ (ডব্লিউ. পি. টি আৰু বি.চি.) বিভাগৰ অধীনত বড়োলেণ্ড স্বায়ত্ব পৰিষদ (বি.টি.চি.); পাৰ্বত্য এলেকা বিভাগৰ অৰ্ন্তগত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ (এন. চি.এইচ.এ.চি.) আৰু কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ সামৰি 19 টা বিভাগৰ দ্বাৰা 40,301.23 কোটি টকা ব্যয় কৰা হৈছিল।

সাৰণী 1.1 ত বিভগ অনুযায়ী বাজেট ব্যৱস্থা আৰু তাৰ বিপৰীতে 19 টা বিভাগৰ দ্বাৰা কৰা ব্যয়ৰ সবিশেষ দিয়া হৈছে।

সাৰণী-1.1:- 2018-19 ৰ সময়ছোৱাৰ বিভাগ অনুসৰি কৰা বাজেট ব্যৱস্থা আৰু ব্যয়

(কোটি টকাত)

বিভাগ	অনুদান নং আৰু নাম	বাজেট ব্যৱস্থাপনা		ব্যয়	
		ৰাজহ	মূলধন	ৰাজহ	মূলধন
সমবায়	43- সমবায়	107.42	51.29	87.80	13.85
সাংস্কৃতিক পৰিক্ৰমা	27- কলা আৰু সংস্কৃতি	101.03	63.35	70.60	15.59
	28-ৰাজ্যিক মহাপেচ খানা	2.23	0.13	1.43	0.10
উচ্চ শিক্ষা	26- শিক্ষা (উচ্চ শিক্ষা)	3233.23	163.40	2342.42	36.93
খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা	46- ওজন আৰু জোখা মাপ	19.75	0.86	12.78	0.20
	37 – খাদ্য সংৰক্ষণ পণ্যাগাৰ আৰু অসামৰিক যোগান	823.33	59.79	682.88	0.47
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ	29-চিকিৎসা আৰু ৰাজহুৱা স্বাস্থ্য	6138.65	818.42	3985.49	380.43
	24- সাহায্য সামগ্ৰী	0.00	--	--	--
শ্ৰম আৰু নিয়োগ	36- শ্ৰম আৰু নিয়োগ	319.71	67.44	226.72	21.45
নগৰ উন্নয়ন	31- নগৰ উন্নয়ন(চহৰ আৰু গাঁও পৰিকল্পনা)	692.47	--	124.31	--
	32- গৃহ নিৰ্মাণ আঁচনি	4.36	1.68	4.61	0.79
	34- নগৰ উন্নয়ন(পৌৰ প্ৰশাসন)	1110.16	3.96	409.21	1.75
পঞ্চায়ত আৰু গ্ৰামোন্নয়ন	56- গ্ৰামোন্নয়ন(পঞ্চায়ত)	2169.51	--	837.89	--
	57- গ্ৰাম উন্নয়ন	3700.95	--	1106.36	--
জনস্বাস্থ্য কাৰিকৰী	30- পানীযোগান আৰু অনাময়	709.25	2608.02	498.09	1378.84
সমাজ কল্যাণ	39- সামাজিক সুৰক্ষা কল্যাণ আৰু পৰিপুষ্টি	2559.69	2.00	1465.67	--
	40- সামাজিক সুৰক্ষা আৰু জনকল্যাণ (স্বাধীনতা সংগ্ৰামী)	84.76	--	30.06	--
সংখ্যালঘুৰ কল্যাণ আৰু উন্নয়ন	42- অন্যান্য সামাজিক সেৱা	339.35	1.50	118.45	0.43
ক্ৰীয়া আৰু যুৱ কল্যাণ	74- ক্ৰীয়া আৰু যুৱ কল্যাণ	158.70	34.47	98.25	14.07
ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ	38- অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ	1452.34	177.83	711.83	10.28
	78- ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ(বিটিচি) কল্যাণ	2976.48	414.76	2909.27	804.17

বিভাগ	অনুদান নং আৰু নাম	বাজেট ব্যৱস্থাপনা		ব্যয়	
		ৰাজহ	মূলধন	ৰাজহ	মূলধন
চাহ জনজাতিৰ কল্যাণ	78- ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ(বিটিচি) কল্যাণ	0.12	--	0.05	--
	38- অনুসূচিত জাতি জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ	26.02	--	21.80	--
গুৱাহাটী উন্নয়ন	73- নগৰ উন্নয়ন (জি অ' ডি)	601.28	923.56	106.78	216.20
মাধ্যমিক শিক্ষা প্ৰাথমিক শিক্ষা	71- শিক্ষা (প্ৰাথমিক মাধ্যমিক ইত্যাদি)	13593.39	674.00	11315.17	0.62
পেঞ্চন আৰু ৰাজহুৱা ওজৰ আপত্তি	23- পেঞ্চন	8005.79	--	8104.08	--
পাৰ্বত্য অঞ্চল	70- পাৰ্বত্য অঞ্চল	5.50	5.24	1.94	--
	76-পাৰ্বত্য অঞ্চল উন্নয়ন (কাৰ্বিআংলং স্বায়ত্ব পৰিষদ)	1315.43	335.33	998.72	586.74
	77-পাৰ্বত্য অঞ্চল উন্নয়ন (উত্তৰ কাছাৰ পাহাৰ স্বায়ত্ব পৰিষদ	652.38	107.72	449.92	95.74
মুঠ		**50903.28**	**6514.75**	**36722.58**	**3578.65**
সৰ্বমুঠ (ধাৰ্য্য অৰ্ন্তভূক্ত)			**57418.03**		**40301.23**

উৎসঃ বিনিয়োজন হিচাপ *2018-19*

1.1.1 পৰিকল্পনা আৰু হিচাপ পৰীক্ষা পৰিচালনা

এই খণ্ডৰ হিচাপ পৰীক্ষা বাৰ্ষিক হিচাপ পৰীক্ষাৰ পৰিকল্পনা অনুসৰি কৰা হয়। সংশয় নিৰ্ধাৰণৰ ভিত্তিত বিভাগ / কাৰ্যালয় সমুহ বাচনি কৰা হয়। ব্যয়ৰ ধাৰাসমূহ বিগত হিচাপ পৰীক্ষাত পোৱা গুৰুতৰ আপত্তিসমূহ, মিডিয়া ৰিপৰ্টি, ৰূপায়ন কৰা প্ৰধান কাৰ্যকলাপ/ আঁচনি ইত্যাদিৰ নিচিনা ভৰযুক্ত স্থিতি মাপসমূহৰ ওপৰত ভিত্তি কৰি বিভাগ / কাৰ্যালয় সমুহ "অধিক" সংশয়, "মধ্যম" সংশয় আৰু 'নিম্ন' সংশয় হিচাপে শ্ৰেণীভূক্ত কৰা হয়। হিচাপ পৰীক্ষা সমাপ্ত হোৱাৰ পিছত পৰিদৰ্শন প্ৰতিবেদনবোৰ কাৰ্য্যলয় সমুহৰ মূৰব্বীলৈ আৰু বিভাগসমূহৰ মূৰব্বীলৈ প্ৰেৰণ কৰা হয়। প্ৰাপ্ত হোৱা উত্তৰবোৰৰ ভিত্তিত হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণবোৰ নিস্পত্তি কৰা হয় নাইবা অনুপালনৰ বাবে আগলৈ কাৰ্য্যব্যৱস্থা ল'বলৈ উপদেশ দিয়া হয়। গুৰুত্বপূৰ্ণ হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণবোৰ ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ প্ৰতিবেদনত অৰ্ন্তভূক্তিৰ বাবে কাৰ্যব্যৱস্থা লোৱা হয়।

2018-19 ৰ সময়ছোৱাত সামাজিক খণ্ডৰ অধীনত 2,066 টা হিচাপ পৰীক্ষা কৰিবলগীয়া গোটৰ ভিতৰত, 19,423.77 কোটি টকা জড়িত (পূৰ্বৰ বছৰবোৰত কৰা ব্যয় সামৰি) 476 টা গোট[1]ৰ বছৰটোত হিচাপ পৰীক্ষা কৰা হয়। এই অধ্যায়ত ছটা সন্মতিসূচক হিচাপ পৰীক্ষাৰ দফা সন্নিবিষ্ট আছে।

2018-19 বৰ্ষৰ সময়ছোৱাত হিচাপ পৰীক্ষাৰ প্ৰধান পৰ্য্যবেক্ষণ সমূহ পৰৱৰ্তী দফাবোৰত আলোচনা কৰা হৈছে।

[1] অধিক সংশয়ৰ গোটঃ92 মধ্যম সংশয়ৰ গোট ঃ180 আৰু নিম্ন সংশয়ৰ গোট ঃ204

সন্মতিসূচক হিচাপ পৰীক্ষা

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

1.2.1 অফলপ্ৰসু ব্যয়

প্ৰয়োজনীয় কৰ্মচাৰী নিয়োগ নকৰাৰ বাবে ভাৰত চৰকাৰৰ দ্বাৰা যোগান ধৰা পুঁজিৰে হ'ব লগা দুৰ্ঘটনাত আঘাত প্ৰাপ্তক জৰুৰীকালীন সেৱাৰ বাবে পাঁচখন চিকিৎসালয় (বঙাইগাওঁ, হাফলং, ডিফু, নলবাৰী আৰু নগাওঁ) আঠ বছৰলৈ কাৰ্যকৰী নহ'ল, ফলস্বৰূপে যোজনাটোৰ উদ্দেশ্যত উপনীত হ'ব পৰা নাছিল আৰু 7.32 কোটি টকাৰ নিস্ফল ব্যয় হৈছিল। গুৱাহাটী আৰু শিলচৰ চিকিৎসালয়ত টি.চি.চি. সমূহ চুক্তিবদ্ধ কৰ্মচাৰীৰ দ্বাৰা কাৰ্য্যচালন কৰা হৈছিল।

ভাৰত চৰকাৰে (জি অ' আই) ৰাষ্ট্ৰীয় ঘাইপথত অৱস্থিত চৰকাৰী হস্পিটালত আঘাত প্ৰাপ্তৰ যত্ন লোৱাৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনাপ্ৰৱণ এলেকাত অৱস্থিত নিৰ্বাচিত চৰকাৰীৰ হস্পিটালত দুৰ্ঘটনা আৰু জৰুৰীকালীন যত্নৰ সেৱাৰ উন্নীতকৰণৰ উদ্দেশ্যৰে 11 তম পৰিকল্পনাৰ সময়ছোৱাত 100 শতাংশ কেন্দ্ৰীয় পুঁজিৰ যোজনা আৰম্ভ কৰিছিল। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল আঘাত প্ৰাপ্তই সৰ্বাধিক গুৰুত্বপূৰ্ণ সময়ৰ ভিতৰত নিশ্চিত চিকিৎসা পোৱা। এই যোজনাটো 12 তম (2007-12) পৰিকল্পনাৰ সময়লৈ(2012-17) আৰু বৃদ্ধি কৰা হৈছিল।

ৰাজ্য চৰকাৰৰ প্ৰস্তাৱৰ ওপৰত ভিত্তি কৰি জি অ' আই ৰ দ্বাৰা অনুমোদিত উপযুক্ত পৰ্য্যায়ৰ[2] আন্তঃগাঁথনি, সা-সজুলি আৰু কৰ্মচাৰীৰ সৈতে আঘাতপ্ৰাপ্তৰ যত্নৰ যোগান দিব পৰা সাতখন চিকিৎসালয়লৈ[3] উন্নীত কৰিবলৈ জি অ' আই য়ে অনুমোদন দিছিল। অনুদান সমূহ বিভিন্ন উপাদান যেনে অসামৰিক কামসমূহ, সা-সজুলি, কৰ্মচাৰী[4], যোগাযোগ ব্যৱস্থা, প্ৰশিক্ষণ, আইন সহায়ক ইত্যাদি নিৰ্দিষ্ট এখন হস্পিটালৰ উন্নীতকৰণৰ পৰ্য্যায়ৰ ওপৰত নিৰ্ভৰ কৰি সামৰি লয়। জি.অ'.আইৰ পৰা অনুদান প্ৰা প্তিৰ 12 মাহৰ ভিতৰত টি.চি.চি. সমূহ কাৰ্য্যকৰী হ'ব বুলি আশা কৰা হৈছিল।

জি অ' আই য়ে প্ৰত্যক পৰ্য্যায় II ৰ বাবে 9.63কোটি টকা (টি চি চি ভৱন নিৰ্মাণৰ বাবে 0.80 কোটি টকা, সা-সজুলিৰ বাবে পাঁচ কোটি টকা , নিয়োগ কৰিব লগা ব্যক্তি সকলৰ বাবে 3.80 কোটি আৰু অন্যান্যৰ বাবে 0.03 কোটি টকা) আৰু পৰ্য্যায় III টি চি চি ৰ বাবে 4.78 কোটি টকা (টি চি চি ভৱন নিৰ্মাণৰ বাবে 0.65 কোটি টকা, সা-সজুলিৰ বাবে 2 কোটি টকা, নিয়োগ কৰা কৰ্মচাৰীসকলৰ 2.10 কোটি টকা আৰু অন্যান্যৰ বাবে 0.03 কোটি টকা) অনুমোদন কৰিছিল।

জি অ' আই য়ে সংশ্লিষ্ট সাতখন হস্পিটালৰ বেংকৰ হিচাপত প্ৰত্যক্ষ ভাৱে 22.96 কোটি টকা ডিমাণ্ড ড্ৰাফ্ট আৰু হিচাপত হস্তান্তৰৰ জৰিয়তে মুকলি কৰি দিছিল (এপ্ৰিল 2009 পৰা জুলাই 2013 লৈ) যাৰ পৰা হস্পিটাল সমূহৰ দ্বাৰা 16.40 কোটি টকা **সাৰণী 1.1A** ত বিস্তৃত ভাৱে দিয়া ধৰণে ব্যৱহাৰ কৰিছিল। 10.03 কোটি টকা[5] (সুদৰ সৈতে) সংশ্লিষ্ট হস্পিটালৰ বেংক হিচাপত জমা আছিল।

---

[2] পৰ্য্যায় I ঃ কঠিন আঘাত পোৱা ৰোগীৰ বাবে উচ্চ পৰ্য্যায়ৰ নিৰ্দিষ্ট আৰু বিস্তৃত যত্নৰ বাবে 30 খন বেড (10 খন আই চি ইউ বেড আৰু 20 খন সাধাৰণ ট্ৰমা বেড)
পৰ্য্যায় II ঃ সংকয়জনক ট্ৰমা ৰোগীৰ বাবে নিৰ্দিষ্ট সেৱা যোগানৰ বাবে 20 খন বেড (10 খন আই চি ইউ বেড আৰু 10 খন সাধাৰণ ট্ৰমা বেড)
পৰ্য্যায় III ঃ ট্ৰমা ৰোগীলৈ প্ৰাৰম্ভিক পৰীক্ষা আৰু সুস্থিৰতাৰ বাবে 10 খন বেড (10 খন আই চি ইউ বেড আৰু 5 খন সাধাৰণ ট্ৰমা বেড)
পৰ্য্যায় IV ঃ উপযুক্ত সা-সৰঞ্জাম আৰু কৰ্মচাৰী থকা হস্পিটাল / এম্বুলেঞ্চ

[3] চাৰিটা টি.চি.চি. পৰ্য্যায় III শ্ৰেণীৰ আৰু তিনিটা পৰ্য্যায় II শ্ৰেণীৰ।

[4] চুক্তিবদ্ধ কৰ্মচাৰীসকলৰ বাবে বিত্তীয় সাহাৰ্য্য মাত্ৰ তিনি বছৰৰ বাবে, তিনি বছৰৰ পিছত সেইয়া ৰাজ্য চৰকাৰ / চিকিৎসালয় ব্যৱস্থাপনা সমিতিয়ে বহন কৰিব লাগিব।

[5] ডিফু(মে' 2017), হাফলং আৰু বঙাইগাওঁ(মাৰ্চ 2017), নগাওঁ, শিলচৰ আৰু নলবাৰী (ডিচেম্বৰ 2019), গুৱাহাটী (জুন 2017) - লেনদেন নোহোৱাৰ বাবে বেংকৰ একউন্টসমূহ নিস্ক্ৰিয় ঘোষণা কৰা হৈছিল আৰু সেয়ে বাকী থকা পৰিমাণৰ শেহতীয়া স্থিতি দেখা পোৱা নাছিল।

সাৰণী - 1.1 A

(কোটি টকা)

উপাদান		পৰ্য্যায় III				পৰ্য্যায় II			
		বঙাইগাওঁ আসামৰিক চিকিৎসালয়	হাফলং আসামৰিক চিকিৎসালয়	ডিফু আসামৰিক চিকিৎসালয়	নলবাৰী আসামৰিক চিকিৎসালয়	নগাওঁ আসামৰিক চিকিৎসালয়	শিলচৰ মেডিকেল কলেজ হস্পিটাল	গুৱাহাটী মেডিকেল কলেজ হস্পিটাল	**মুঠ**
নিমাৰ্ণ	A	0.650	0.650	0.650	0.650	0.800	0.800	0.800	**5.00**
	R	0.650	0.650	0.650	0.290	0.800	0.800	0.800	**4.64**
	E	0.630	0.710*	0.670*	0.290	0.640	0.000	0.790	**3.73**
সা-সজুলি	A	2.000	2.000	2.000	2.000	5.000	5.000	5.000	**23.00**
	R	1.500	0.000	1.900	0.400	5.000	2.500	3.500	**14.80**
	E	1.480	0.000	1.890	0.390	0.000	2.700*	3.450	**9.91**
কৰ্মচাৰী	A	2.100	2.100	2.100	2.100	3.800	3.800	3.800	**19.80**
	R	0.040	0.000	0.105	0.280	0.760	1.340	0.760	**3.29**
	E	0.140*	0.000	0.000	0.000	0.000	1.340	1.140	**2.62**
অন্যান্য	A	0.025	0.025	0.025	0.025	0.030	0.030	0.030	**0.19**
	R	0.010	0.000	0.025	0.130	0.030	0.020	0.020	**0.24**
	E	0.020*	0.020*	0.090*	0.000	0.000	0.010	0.000	**0.14**

A: অনুমোদিত; R: মুকলিকৃত; E: ব্যয়; সৰ্বমুঠ অনুমোদিত = ₹ 47.99 কোটি টকাত, সৰ্বমুঠ মুকলিকৃত = ₹ 22.96 কোটি টকাত, সৰ্বমুঠ ব্যয় = ₹ 16.40 কোটি টকাত * বেংকৰ সুদৰ সৈতে ব্যয়।

উৎস ঃ বিভাগীয় নথি

হিচাপ পৰীক্ষত পোৱা গৈছিল যে নলবাৰী টি চি চি আৰু আন ছয়টা টি চি চি নিৰ্মাণ সম্পূৰ্ণ হৈছিল[6] সা-সজুলিও ক্ৰয় কৰিছিল কিন্তু এই টি.চি.চি. সমূহত কোনো কৰ্মচাৰীৰ ব্যৱস্থা কৰা নাছিল।

এনেদৰে নিৰ্মাণ কৰা টি.চি চি সমূহৰ ব্যৱহাৰৰ স্থিতি তলত দিয়া ধৰণৰ আছিলঃ

ডিফু অসামৰিক চিকিৎসালয়ৰ টি.চি.চি. বিল্ডিঙত অব্যৱহৃত সা-সজুঁলিৰ আলোকচিত্ৰ **(13 জুন 2019)**

বঙাইগাওঁ অসামৰিক চিকিৎসালয়ত থকা আঘাতপ্ৰাপ্ত যত্নৰ অ.টি. কোঠা আৰু পুণৰজীৱন এলেকা তলা বন্ধ অৱস্থাত থকা আৰু বন্ধ ভৰাঁলকোঠাত সা-সজুলি সমূহ নিস্ক্ৰীয় ভাৱে পৰি থকা দৃশ্য। **(11 ফেব্ৰুৱাৰী 2020)**

অতিৰিক্ত চি.এম. আৰু এইচ.ওৰ দ্বাৰা ব্যৱহৃত নলবাৰীৰ টি.চি.চি. বিল্ডি। বন্ধ কোঠাত থকা সা-সজুলিসমূহ

[6] নলবাৰী টি.চি.চি. ঃ জুন 2005; আন ছয়টা টি.চি.চি. ঃ অক্টোবৰ 2010 ৰ পৰা জুলাই 2014 লৈ সময়ছোৱাত

(24 আৰু 27 জানুৱাৰী 2020 ত লোৱা আলোকচিত্ৰ)

জি.এম.চি.এইচ.ৰ টি.চি.চি. বিল্ডিংটো অৰ্থপেডিক আৰু জৰুৰী ৱাৰ্ড হিচাপে ব্যৱহৃত হৈছে। (29 জানুৱাৰী 2020)

শিলচৰৰ টি.চি.চি. ড্ৰেচিং ৰুমটো কেজুৱেলিটি ৱাৰ্ড হিচাপে ব্যৱহৃত হৈছিল। অ'.টি. ৰুমটো তলা বন্ধ আছে আৰু ব্যৱহাৰ হৈ থকা নাই (05 ফেব্ৰুৱাৰী 2020)

ওপৰৰ আলোকচিত্ৰৰ পৰা এইটো প্ৰমাণিত হয় যে নিৰ্মাণকৃত ভৱনসমূহ আন উদ্দেশ্য যেনে বহিঃৰোগী বিভাগ, ভৰাল ৰুম, জৰুৰীকালীন ৱাৰ্ড ইত্যাদিত ব্যৱহৃত হৈছিল। সা-সজুলি সমূহো বৃহৎ পৰিমাণে অব্যৱহৃত হৈ আছিল।

2014-18 বৰ্ষ সমূহৰ সময়ছোৱাত ৰাষ্ট্ৰীয় অপৰাধ নথি বিউৰো, গৃহ মন্ত্ৰালয়ৰ প্ৰতিবেদনৰ পৰা আমি লক্ষ্য কৰিছিলো যে 2014-18 বৰ্ষৰ সময়ছোৱাত অসমে পথ দুৰ্ঘটনাৰ 35,358 টা বিষয় দেখিছিল য'ত 12,816 টা জীৱনৰ মৃত্যু হৈছিল আৰু 30,711জন ব্যক্তি আঘাত প্ৰাপ্ত হৈছিল। পথ দুৰ্ঘটনাৰ বাবে মৃত্যুৰ হাৰ 29.4 শতাংশ আছিল।

সাতখনৰ হস্পিটালৰ গোটেই কেইজন অধীক্ষকে হিচাপ পৰীক্ষাক উল্লেখ কৰিছিল (জনুৱাৰী-ফেব্ৰুৱাৰী 2020) যে টি চি চি সমূহ ৰাজ্যৰ দ্বাৰা কৰ্মচাৰী নিয়োগ নকৰাৰ বাবে অকাৰ্যকৰী হৈ আছিল। সাতটা টি চি চি ভিতৰত মাত্ৰ গুৱাহাটীৰ আৰু শিলচৰৰ মেডিকেল কলেজ আৰু হস্পিটালত দুটা টি চি চি জানুৱাৰী 2011 ৰ পৰা নৱেম্বৰ 2012 আৰু মে 2011 ৰ পৰা জুলাই 2019 লৈ চুক্তিবদ্ধ কৰ্মচাৰী নিয়োগ কৰি আছে আৰু আভ্যন্তৰীণ ভাৱে ব্যৱস্থাৰ দ্বাৰা কাৰ্য্যচালনা কৰি আছিল।

চিনাক্ত কৰা হস্পিটালত কৰ্মচাৰী নিয়োগ নকৰাৰ বাবে আঘাত প্ৰাপ্তৰ যত্নৰ সুবিধা উপলব্ধতা অকাৰ্য্যকৰী হৈ থাকিল আৰু জড়িত 7.32 কোটি টকা (সংশ্লিষ্ট হস্পিটালে খৰচ কৰা 5.97 কোটি টকা আৰু ডি এইচ এচৰ দ্বাৰা খৰচ হোৱা 1.35 কোটি টকা) নিষ্ফল কৰি যোজনাটোৰ উদ্দেশ্যত বৃহৎভাৱে উপনীত নোহোৱাকৈ থাকি গ'ল। সেই উদ্দেশ্যত জি অ' আই ৰ দ্বাৰা মুকলি কৰা সুদৰ সৈতে 10.18 কোটি টকা (হস্পিটালৰ সৈতে 10.03 কোটি টকা আৰু ডি এইচ এচ সৈতে 0.15 কোটি টকা) পুঁজি অব্যৱহৃত হৈ থাকিল। কৰ্মচাৰী নিয়োগ নকৰাৰ কাৰণ (জানুৱাৰী 2020 আৰু ফেব্ৰুৱাৰী 2020) হিচাপ পৰীক্ষাই যদিও সুধিছিল এই ক্ষেত্ৰত কোনো সহাঁৰিৰ প্ৰাপ্তি হোৱা নাছিল।

বিষয়টো চৰকাৰক অৱগত কৰা হৈছিল (মাৰ্চ 2020)। এইচ এণ্ড. এফ. ডব্লিউ ৰ আয়ুক্তত সচিবজনে উল্লেখ কৰিছিল যে (ছেপ্তেম্বৰ 2020) ডিফু টি চি চি চিকিৎসালয়সহ চিকিৎসা মহাবিদ্যালয়ত একত্ৰিত হৈ গৈছিল।

মানৱ সম্পদৰ নাটনিৰ বিষয়ত এইচ এণ্ড. এফ. ডব্লিউ ৰ প্ৰধান সচিবজনে মানৱ সম্পদৰ সমৰ্থনৰ বাবে অসম সংকটজনক যত্নৰ আঁচনি[7] অনুসৰণ কৰাৰ আশ্বাস দিছিল।

1.2.2 অপচয়মূলক ব্যয়

ৰাষ্ট্ৰীয় স্বাস্থ্য মিচন (এন এইচ এম) আৰু অসমৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মাজত সমন্বয়ৰ অভাৱৰ ফলত ধুবুৰীৰ মেডিকেল কলেজ আৰু হস্পিটালৰ বাবে প্ৰস্তাৱিত স্থানত এন এইচ এম ৰ দ্বাৰা 2.36 কোটি টকাত নিৰ্মাণ কৰা চাৰিটা ভৱন ভাঙিব লগা হৈছিল। তাৰোপৰি 13 লাখ টকা ভৱনটো ভাঙাৰ বাবদ অসম চৰকাৰে ব্যয়ো বহন কৰিবলগীয়া হৈছিল।

অসম চৰকাৰ (জি অ' এ) য়ে (জানুৱাৰী 2011) ধুবুৰী জিলাত এখন মেডিকেল কলেজ আৰু হস্পিটাল স্থাপন কৰিবলৈ স্থিৰ কৰিছিল। ধুবুৰীৰ উপায়ুক্তক নিৰ্ণয়টো জনোৱা হৈছিল আৰু তাৰ প্ৰতিলিপি ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনলৈও পঠোৱা হৈছিল। এই যোগাযোগ পত্ৰত চলি থকা অসামৰিক হস্পিটালখন প্ৰস্তাৱিত মেডিকেল কলেজ হিচাপে লোৱা হ'ব বুলি কোৱা হৈছিল। তাৰোপৰি পৰিকল্পিত স্থানৰ সৈতে প্ৰস্তাৱটোৰ প্ৰতিলিপি ডি চি ৰ দ্বাৰা জি অ' এ ৰ অতিৰিক্ত প্ৰধান সচিব, মেডিকেল শিক্ষাৰ সঞ্চালক (ডি এম ই), ধুবুৰীৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক (জে. টি. ডি এইচ এচ) আৰু এম ডি, এন এইচ এম লৈ প্ৰেৰণ কৰা হৈছিল (জানুৱাৰী 2012).

হিচাপ পৰীক্ষাৰ সময়ত (জুলাই 2018) আৰু পৰৱৰ্তী সময়ত নথিপত্ৰৰ পৰীক্ষাত আমি লক্ষ্য কৰিছিলো যে একে সময়ছোৱাত (ডিচেম্বৰ 2010 ৰ পৰা মাৰ্চ 2016 লৈ) অসমৰ এন এইচ এম, এম ডি য়ে ধুবুৰী অসামৰিক হস্পিটালত চাৰিটা স্বাস্থ্য আন্তঃগাঁঠনিৰ ভৱন নিৰ্মাণৰ কাম তলৰ **সাৰণী 1.2** ত দিয়া ধৰণেৰে আৰম্ভ কৰিছিল**:**

সাৰণী ঃ 1.2

ক্ৰ. নং.	কামৰ নাম	অনুমোদন তাৰিখ	কামটো আৰম্ভণিৰ তাৰিখ	কায়িক প্ৰগতি (মাৰ্চ ২০১৭ লৈ	ব্যয় (লাখত)
1.	গ্ৰামীন স্বাস্থ্য খণ্ড পুলিং ক্ষেত্ৰ (দুটা শাখা)	14.12.2010	01.03.2012	62 শতাংশ	158.26
2.	৬১- খন বিচনাযুক্ত পুৰুষ আৰু মহিলা ৱাৰ্ড	30.12.2014	24.02.2015	প্ৰযুজ্য নহয়	35.98
3.	ৰাজ্যিক আগতীয়া হস্তক্ষেপ কেন্দ্ৰ	10.04.2015	01.11.2016	43 শতাংশ	24.51
4.	10-খন বিছনাযুক্ত বৃদ্ধ লোকৰ শাখা	09.03.2016	24.11.2016	50 শতাংশ	17.54
মুঠ					**236.29**

জি অ' এ ৰ এইচ এণ্ড এফ ডব্লিউ বিভাগৰ আয়ুক্ত ও সচিবে সম্ভৱত (26 মাৰ্চ 2017) এই সমূহ নিৰ্মাণকাৰ্য্য বিভিন্ন সময়ত বিভিন্ন অভিকৰণ সমূহৰ দ্বাৰা লোৱা বিভিন্ন কাৰ্যসূচীৰ প্ৰকাশ আৰু সৰ্বাত্মক দৃষ্টিভঙ্গীৰ অভাৱ উল্লেখ কৰি ডি চি এইচ ৰ এলেকাৰ ভিতৰত সকলো ধৰণৰ নিৰ্মাণৰ কাম বন্ধ কৰিবলৈ আদেশ জাৰি কৰিছিল। পৰৱৰ্তীকালত অসমৰ এন এইচ এম, এম ডি, জনে "আপত্তিবিহীন প্ৰমাণ পত্ৰ" পোৱাৰ পিছত ওপৰত উল্লেখ কৰা চাৰিওটা নিৰ্মাণ কাৰ্য ভাঙি পেলোৱা হৈছিল (14 আগষ্ট 2017)। যাহঁওক এম ডি জনে ওপৰোক্ত নিৰ্মাণ কাৰ্য্যত এন এইচ এম য়ে কৰা খৰচ 2.36 কোটি টকা ঘূৰাই দিবলৈ দাবী কৰিছিল (27

[7] স্বাস্থ্য সেৱাৰ সঞ্চালকৰ দ্বাৰা যোগান দিয়া তথ্য অনুসৰি আই.চি.ইউ. স্থাপন আৰু প্ৰয়োজনীয় কৰ্মচাৰী সকলৰ বাবে কভিড-19 ৰ মহামাৰীৰ ঠিক পাছতে অসম সংকটজনক যত্নৰ আঁচনি প্ৰস্তুত কৰা হৈছিল।

অক্টোবৰ 2017)। জি অ' এ ৰ এইচ এফ ডব্লিউ বিভাগে পৰিমানটো জি আই এ হিচাপে 31 মাৰ্চ 2018 ত মঞ্জুৰী দিছিল আৰু এম ডি, এন এইচ এম, অসমৰ দ্বাৰা উলিওৱা হৈছিল। মেডিকেল কলেজ আৰু হস্পিটালৰ নিৰ্মাণ কাৰ্য্য ফেব্ৰুৱাৰী 2017 ত আৰম্ভ হৈছিল। অনুমোদিত মূল্য 189 কোটি টকা জি অ' আই আৰু জি অ' এ ৰ মাজত 90:10 অংশৰ অৱদানেৰে নিৰ্মাণ কাৰ্য্য চলি আছিল।

অসমৰ এম ডি, এন এইচ এম য়ে হিচাপ পৰীক্ষক উল্লেখ কৰিছিল মে' 2019 যে ডি চি এইচ চৌহদত মেডিকেল কলেজৰ নিৰ্মানৰ বিষয়ে আগতীয়া তথ্য এন এইচ এম ত উপলব্ধ নাছিল আৰু এনে প্ৰস্তাৱনাৰ বাবে সেই স্থানত কোনো কৰিব নালাগে বুলি চৰকাৰ বা আন কৰ্তৃপক্ষৰ পৰা কোনো নিৰ্দেশো নাছিল। যাহওঁক উত্তৰটো গ্ৰহণযোগ্য নাছিল যিহেতু ডি চি আৰু যুটীয়া ডি এইচ এচ দুয়োজন যথাক্ৰমে জিলা স্বাস্থ্য কমিতি (ডি এইচ এচ), এন এইচ এম ৰ সভাপতি আৰু সদস্য সচিব আছিল। এন. এইচ. এম.ৰ ডি এইচ এচ জনে মেডিকেল কলেজৰ স্থান বাচনি বিষয়টো জ্ঞাত (জানুৱাৰী 2011) হোৱা স্বত্বেও, একে স্থানত এন এইচ এম ৰ এম ডি ৰ দ্বৰা প্ৰদান কৰা নিৰ্মাণৰ কামত আগবাঢ়িছিল। এইটো আশা কৰিব পাৰি যে এন এইচ এম ৰ এম ডি ক এন এইচ এম ৰ ডি এইচ এচ য়ে সকলো প্ৰাথমিক বিষয়ক অৱগত কৰিছিল।

ওপৰৰ পৰ্যবেক্ষণে এন.এইচ.এম.ৰ এম.ডি. আৰু ৰাজ্যিক স্বাস্থ্য বিভাগৰ মাজত সমন্বয়ৰ অভাৱৰ দিশ আঙুলিয়াছে যি অৱশেষত মাজ বাটতে ভাঙিব লগা হোৱা স্বাস্থ্য আন্তঃগাঁঠনিৰ নিৰ্মাণৰ ওপৰত ব্যয় হোৱা 2.49[8] কোটি টকাৰ অপচয়মূলক ব্যয়ত পৰিণত হৈছিল। তাৰোপৰি নিৰ্মাণটো ভাঙাৰ বাবদ জি.অ.এ. ব্যয় বহন কৰিব লগা হৈছিল।

বিষয়টো চৰকাৰক ডিচেম্বৰ 2019 ত অৱগত কৰা হৈছিলঃ প্ৰধান সচিবজনে উল্লেখ কৰিছিল (ছেপ্তেম্বৰ, 2020) যে ধুবুৰী অসামৰিক হস্পিতালখন চিকিৎসা মহাবিদ্যালয়লৈ উন্নীতকৰণৰ বাবে অস্তিত্ব থকা গঠনটো মহাবিদ্যালয় হিচাপে ব্যৱহাৰৰ বাবে উপযুক্ত নাছিল আৰু চিকিৎসা মহাবিদ্যালয়ৰ পৰা লাভ কৰিব পৰা অধিক সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এই চাৰিটা ভৱন ভাঙি পেলোৱাৰ বাহিৰে আন বিকল্প নাছিল ।

চুপাৰিচসমূহঃ দফা 1.2.1 আৰু 1.2.2 ত দুয়োটাৰ বিষয়ে জি অ' আই ৰ দ্বাৰা যোগান দিয়া পুঁজিৰ কাৰ্যসুচী সমূহ আৰু প্ৰকল্পসমূহৰ প্ৰতি উদাসীন আগ্ৰহ আৰু মনোযোগ আঙুলিয়াই দিছিল যদিও এই সমূহ ৰাজ্যৰ নাগৰিকৰ সুবিধাৰ অৰ্থে আছিল। জি অ' এ যে পদ্ধতি সমূহ মুলসুতিলৈ অনা আৰু সকলো অভিকৰণৰ মাজত সমন্বয় ৰক্ষা কৰাই নহয় এইটো নিশ্চিত কৰিবলৈ যে যিসকল কৰ্মচাৰীৰ কাৰ্যই চৰকাৰৰ পুঁজিৰ অপচয় আৰু এই সমূহৰ দ্বাৰা সৃষ্ট সুবিধা সমূহ অপব্যৱহাৰ কৰে তেওঁলোকৰ ওপৰত দায়বদ্ধতা স্থিৰ কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা লব পাৰে।

[8] নিৰ্মাণত 2.36 কোটি টকা আৰু ভঙাত 0.13 কোটি টকা

1.2.3 অফলপ্ৰসু ব্যয়

স্বাস্থ্য যত্ন সেৱা যোগনৰ বাবে ভাৰত চৰকাৰৰ যোগান ধৰা পুঁজিৰ এটি অভিনৱ প্ৰকল্প “ব্ৰহ্মপুত্ৰ নদীত জাহাজ হস্পিটাল স্থাপন” যোজনাত 2.20 কোটি টকাৰ খৰচ কৰাৰ পিছত, যোজনাটো অসম্পূৰ্ণ আৰু অফলপ্ৰসু হৈ ৰ'ল।

ভাৰত চৰকাৰ (জি অ' আই), উত্তৰ পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰালয়ে (ডি অ এন ই আৰ) “ব্ৰহ্মপুত্ৰ নদীত উত্তৰ পূব অধ্যয়ন আৰু নীতি সমীক্ষা (চি - এন ই এচ)[9] কেন্দ্ৰৰ দ্বাৰা জাহাজত হস্পিটাল স্থাপন কৰাত সাহায্য” যোজনাৰ বাবে অসম চৰকাৰলৈ স্থাপনৰ (জি অ' এ) চাৰি কোটি টকাৰ (জাহাজ বনাবলৈ তিনি কোটি আৰু সা-সজুলি আৰু যন্ত্ৰপাতিৰ বাবে এক কোটি) প্ৰশাসনিক অনুমোদনৰ চুক্তি কৰিছিল (নৱেম্বৰ 2009)। এই যোজনাৰ উদ্দেশ্য আছিল নদী সম্বন্ধীয় আৰু চৰ এলেকাত[10] সকলো সময়তে মেডিকেল আৰু পেথলজী সম্বন্ধীয় সুবিধাসমুহৰ সৈতে উন্নত যত্নৰ সেৱা সমুহৰ যোগান দিয়া। জি অ' আই ৰ দ্বাৰা 3.60 কোটি টকা আৰু জি অ' এ ৰ দ্বাৰা 0.40 কোটি টকাৰ বৰঙণিৰ সৈতে জি অ' আই আৰু জি অ' এ য়ে 90:10 অনুপাতত পুঁজি সমুহৰ বৰঙণি যোগাব লগা আছিল আৰু প্ৰকল্পটো সম্পূৰ্ণ কৰিবলগীয়া তাৰিখ আছিল 31 ডিচেম্বৰ, 2011 । জি অ' আই য়ে নিজৰ অংশ 2.40 কোটি টকা জি অ' এ লৈ দুটা কিস্তিত নৱেম্বৰ 2009 ত (0.40 কোটি টকা) আৰু অক্টোবৰ 2012 (দুই কোটি টকা) মুকলি কৰি দিছিল। অসমৰ মেডিকেল শিক্ষা সঞ্চালকে (ডি এম ই) ডিচেম্বৰ 2011 আৰু এপ্ৰিল 2015 চি - এন এচ লৈ যোজনাটো ৰূপায়নৰ বাবে 2.20 কোটি টকা মুকলি কৰিছিল।

অসমৰ মেডিকেল শিক্ষাৰ সঞ্চালকৰ (ডি এম ই) নথিপত্ৰৰ এটা পৰীক্ষা (অক্টোবৰ 2018) আৰু চি- এন ই এচ ৰ পৰা সংগ্ৰহ কৰা তথ্যৰ পৰা হিচাপ পৰীক্ষাৰ পৰিনিৰিক্ষণত প্ৰকাশ পাইছিল যে চি- এন ই এচ য়ে জি অ' আই ৰ দ্বাৰা যোজনাটো অনুমোদন কৰাৰ পৰা নিবিদা চূড়ান্ত কৰিবলৈ প্ৰায় দুবছৰ সময় লৈছিল আৰু অক্টোবৰ 2011 ত কামৰ আদেশ জাৰি কৰিছিল। চি - এন ই এচ য়ে উল্লেখ কৰা মতে পলম হোৱাৰ কাৰণ আছিল পৰিকল্পিত নক্সা সমুহ আৰু কাৰীকৰী বিস্তৃত নিৰ্দেশনা কলকাতাত নৌবাহিনীৰ স্থপিতৰ আধাৰত আছিল আৰু প্ৰথম ৰাউণ্ডত প্ৰাৰম্ভিক নিবিদা দাতা সকলৰ দ্বাৰা পিছ হুহুকি অহাৰ বাবে নিবিদা চূড়ান্তকৰণত পলমৰ বাবে। এইদৰে পৰিকল্পিত প্ৰাক্কলন আৰু নিবিদাৰ চূড়ান্তকৰণত চি - এন ই এচ ৰ ফালৰ পৰা তৎপৰতাৰ অভাৱত কামটো আৰম্ভ কৰাত পলম হৈছিল।

চি-এন. ই. এচ. য়ে হিচাপ পৰীক্ষা কৰা তাৰিখলৈ (অক্টোবৰ 2018) 62 শতাংশ কায়িক প্ৰগতিৰ সৈতে 2015-16 লৈ তলৰ আলোকচিত্ৰ সমূহ দেখুৱাৰ দৰে 2.20 কোটি টকাৰ ব্যৱহাৰ কৰিছিল।

---

[9] চি-এন.ই.এচ. (এটা এন.জি.অ'.) ৰ উৱেব ছাইট অনুসৰি, ইয়াৰ লক্ষ্য আছিল স্বাস্থ্য, শিক্ষা, পৰিবেশ, আন্তঃগাথনি, সংযোগীতা, সংঘাট, লিংগ, অসামৰিক সমিতি, সংস্কৃতি আৰু পম্পৰা, যোগাযোগ আৰু আঞ্চলিক সহযোগিতাত এটা বহল পৰিষৰৰ এলেকা সাঙুৰি উত্তৰ-পূব সম্বন্ধীয় বিষয়ক কৰ্মনীতি আৰু ধাৰণাৰ প্ৰভাৱ পেলাবলৈ আৰু ৰাজহুৱা মত প্ৰচাৰ কৰি কৌশল আৰু কৰ্মনীতি উন্নত কৰা।

[10] এটা নদী সম্বন্ধিয় দ্বীপক স্থানীয়ভাৱে চৰ এলেকা বুলি কোৱা হয়।

অসম্পূৰ্ণ চিকিৎসালয় জাহাজৰ আলোকচিত্ৰ (*26* জুলাই, ***2018)***

যোজনাটোৰ সম্পূৰ্ণ কৰাত পলম হোৱা বুলি উল্লেখ কৰি জি অ' আই য়ে যোজনাটো “যিমানলৈ সম্পূৰ্ণ হৈছিল সিমানতে” ফেব্ৰুৱাৰী 2018 ত সমাপ্ত বুলি ঘোষণা কৰিছিল। ৰাজ্য চৰকাৰে তাৰ পিছত প্ৰকল্পটো সম্পূৰ্ণ কৰি ব্যৱহাৰ কৰিবলৈ কোনো ব্যৱস্থা লোৱা নাছিল।

প্ৰধানকৈ যোগ্যতা নিৰ্ণয় কৰাৰ অবিহনে এটা এন. জি.অ. লৈ কাম প্ৰদান কৰাৰ জি.অ.আই ৰ সিদ্ধান্ত আৰু প্ৰকল্পটোক সম্পূৰ্ণ কৰিবলৈ জি.অ.আই ৰ পৰা মনোযোগৰ অভাৱৰ বাবে নৱেম্বৰ 2009 অনুমোদিত হোৱা হস্পিতাল জাহাজৰ কাম প্ৰায় 10 বছৰৰ (ডিচেম্বৰ 2019) বাবে অসম্পূৰ্ণ হৈ ৰৈছিল । 2.20 কোটি টকা ব্যয় কৰাৰ স্বত্বেও নদী সম্বন্ধীয় আৰু চৰ এলেকাৰ পৰিকল্পিত হিতাধিকাৰী সকল প্ৰকল্পটো সম্পূৰ্ণকৰণত আশা কৰা স্বাস্থ্য যত্ন সেৱাসমূহৰ পৰা বঞ্চিত হৈ ৰৈছিল ।

ডি.ই.এম. য়ে কৈছিল যে (অক্টোবৰ 2018) যিহেতু ৰূপায়ণকাৰী অভিকৰণ এটা এন.জি.অ., কাৰ্যকৰীকৰণৰ পদক্ষেপ পৰীক্ষা কৰা টান আছিল আৰু ডি.এম.ই.ৰ তেওঁলোকৰ ওপৰত বহু কম নিয়ন্ত্ৰণ আছিল । উত্তৰটো বিশ্বাসযোগ্য নাছিল যিহেতু যদিও ৰূপায়ণকাৰী অভিকৰণ জি.অ.আই.ৰ ৰ দ্বাৰা বাছনি কৰিব পাৰে আৰু তেওঁলোকৰ আদেশত বিশেষভাৱে এইটো উল্লেখ কৰা আছিল যে প্ৰকল্পটো জি.অ.এ.ৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দ্বাৰা তদাৰক কৰা হ'ব।

বিষয়টো ডিচেম্বৰ 2019 ত চৰকাৰলৈ অৱগত কৰা হৈছিল, এইচ এণ্ড এফ ডব্লিউ ৰ আয়ুক্ত ও সচিবে মন্তব্য কৰিছিল যে (চেপ্তেম্বৰ 2020), চিকিৎসালয় জাহাজৰ পৰিচালনাৰ বিষয়টো যথেষ্ঠ ব্যয় বহুল আৰু সেয়েহে চিকিৎসালয় জাহাজৰ ধাৰণাটো পৰিবৰ্তন কৰা হৈছে। যি কি নহওক, বিষয়টো পৰীক্ষা কৰা হৈছে আৰু এই অসম্পূৰ্ণ প্ৰকল্পটোৰ বিষয়ে চি - এন ই এচৰ সৈতে পৰামৰ্শ কৰি চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হব।

চুপাৰিচঃ জি অ আই ৰ নিৰ্দেশনাৱলী ৰক্ষা কৰি, ৰাজ্য চৰকাৰে প্ৰকল্পটো ক্ষিপ্ৰগতিত সম্পূৰ্ণ কৰিবলৈ পদক্ষেপ লব পাৰে।

1.2.4 ধনৰ সন্দেহজনক আত্মসাৎকৰণ

তদাৰকী পদ্ধতিত থকা সুৰুঙাৰ সুবিধা লৈ শিলচৰ মেডিকেল কলেজ হস্পিটালৰ চুক্তিবদ্ধ ভিত্তিত নিয়োগ কৰা নগদ সংগ্ৰাহকে তেওঁ সংগ্ৰহ কৰা ধন কোষাধ্যকক কম জমা দিয়াৰ দ্বাৰা 30.54 লাখ টকাৰ আত্মসাৎ কৰিছিল। নগদ সংগ্ৰহ, বিশেষভাৱে চুক্তিবদ্ধ কৰ্মচাৰীৰ ওপৰত তত্বাবধানৰ অভাৱ আৰু যথোপযুক্ত নিৰীক্ষণৰ অভাৱে নগদ আত্মসাৎকৰণত সুবিধা দিছিল।

অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ, (আগষ্ট 2002) হস্পিটাল স্বায়ত্বশাসনৰ দায়িত্ব আঁচনিৰ নিয়ম 15 (পৰিশিষ্ট III) ৰ উপবিধি য়ে ব্যৱস্থা কৰে যে হস্পিটাল ব্যৱস্থাপনা সমিতি (HMS) ৰ দ্বাৰা সংগ্ৰহ কৰা সকলো ৰাজহ সমিতিৰ বেংক হিচাপত সংগ্ৰহৰ পিছ দিনাখন জমা কৰা উচিত আৰু এইচ এম এচ আৰু ৰ সদস্য সচিবৰ এইটো দায়িত্ব।

এ এফ আৰ ৰ নিয়ম 95 (2) ত কোৱা হৈছে যে নগদ বহীত প্ৰত্যক প্ৰবিষ্টীৰ প্ৰত্যক দিনে কাৰ্য্যালয়ৰ মূৰব্বী বা তেওঁৰ দ্বাৰা কতৃত্ব প্ৰদান কৰা ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা সত্যাপন কৰা উচিত। প্ৰতি ক্ষেত্ৰত কাৰ্য্যালয়ৰ মূৰব্বীজন নগদ বহী সত্যতা আৰু নগদ উদ্ধত্তৰ বাবে দায়বদ্ধ।

শিলচৰ মেডিকেল কলেজ আৰু হস্পিটালে ৰোগীৰ পৰা পেথলজিকেল পৰীক্ষা আৰু মেডিকেল পত্ৰিয়া, বেড মাচুল, কেবিন মাচুল,আই চি ইউ মাচুল ইত্যাদিৰ দৰে সেৱাৰ, বিপৰীতে সেৱা মূল্য হিচাপে ৰাজহ সংগ্ৰহ কৰিছিল। সাতটা মুখ্য নগদ কাউন্টৰ[11] যোগেদি ৰাজহ সংগ্ৰহ কৰা হৈছিল। কাউন্টাৰ কেইটাত চফ্টৱেৰ[12] (ডিচেম্বৰ 2010 ৰ পৰা কাৰ্যকৰী) সংস্থাপন থকা কম্পিউটাৰ পদ্ধতিৰ ব্যৱস্থা আছিল। প্ৰত্যেক কাউন্টাৰৰ সংগ্ৰাহকক এটা একক কাম আৰম্ভ কৰাৰ ID দিয়া হৈছিল। সংগ্ৰাহক সকলে সংগ্ৰহ কৰা নগদ ধন প্ৰত্যেক দিনে কোষাধ্যক্ষক জমা দিব লাগিছিল, যিজনে পৰিমানটো নগদ বহীত লিপিবদ্ধ কৰিব লগা আছিল,আৰু পৰবৰ্ত্তী সময়ত পিছ দিনাখন এইচ এম এচ ৰ বেংক একাউন্টত জমা দিব লাগিছিল।

সাতজন সংগ্ৰাহকৰ গোটেইকেইজনৰ দ্বাৰা সংগ্ৰহ আৰু জমা কৰা ব্যৱহাৰকাৰীৰ মাচুলৰ নথিপত্ৰ এটা মাহৰ বাবে বাচনি কৰি হিচাপ পৰীক্ষাত (ছেপ্তেম্বৰ 2018) এইটো দেখা গৈছিল যে এজন সংগ্ৰাহক, (শ্ৰী পাপু ৰবিদাস, এজন চুক্তিবদ্ধ কৰ্মচাৰী) ৰ বাহিৰে, যি জনে গোটেই কেইদিনৰ বাবে সংগ্ৰহ কৰা পৰিমান জমা দিয়া নাছিল, ছয়জন সংগ্ৰাহকৰ দ্বাৰা সংগ্ৰহ কৰা মাচুল সমূহ কোষাধ্যক্ষলৈ জমা কৰা হৈছিল। এজন বিশেষ সংগ্ৰাহকৰ দ্বাৰা ব্যৱহাৰকৰীৰ মাচুলৰ কম হোৱাটো লক্ষ্য কৰাৰ পাছত, তেওঁৰ দ্বাৰা সংগ্ৰহিত জমা সম্বন্ধিয় নথিপত্ৰত বিস্তৃত পাইছিল যে উল্লেখিত সংগ্ৰহকজনে এপ্ৰিল 2014 ৰ পৰা আগষ্ট 2018 ৰ সময়ছোৱাত 2.88 কোটি টকা সংগ্ৰহ কৰিছিল কিন্তু মাত্ৰ 2.58 কোটি টকাহে কোষাধ্যক্ষক জমা দিয়াৰ ফলত 30.54 লাখ টকা কম জমা হৈছিল।

এই ক্ষেত্ৰত হিচাপ পৰীক্ষাই নগদ সংগ্ৰহৰ ওপৰত তত্বাৱধানৰ পৰীক্ষা আৰু নিৰীক্ষণৰ কৌশলত বিভিন্ন ঘাটি পৰ্যবেক্ষণ কৰিছিলঃ

- নিৰ্দিষ্ট এটা নগদ কাউন্টাৰৰ নগদ সংগ্ৰাহকে সংগ্ৰহীত বিৱৰণৰ সৈতে দিনটোৰ মুঠ সংগ্ৰহ জমা নিদিয়ালৈ কোষাধ্যক্ষ্যজনে নগদ কাউন্টাৰত ব্যক্তিজনে সংগ্ৰহ কৰা ধনৰ দৈনিক কম্পিউটাৰত কাম

[11] চেপ্তেম্বৰ 2017 লৈ পাঁচটা কাউন্টাৰ আৰু চেপ্তেম্বৰ 2017 ৰ পাছত সাতটা কাউন্টাৰ আছিল।

[12] সমন্বিত চিকিৎসালয় ব্যৱস্থাপনা প্ৰণালী

কৰাৰ বিৰৰণ জানিব নোৱাৰিছিল। কোষাধ্যক্ষ্যজনে মাত্ৰ 15 নৱেম্বৰ 2018 ৰ পৰা অৰ্থাৎ হিচাপ পৰীক্ষাই আঙুলিয়াই দিয়াৰ পিছতহে দৈনিক সংগ্ৰাহৰ বিৰৰণ সৈতে সমিল মিল কৰাত ন্যস্ত হৈছিল।

- অধিকাংশ নগদ সংগ্ৰাহকৰদ্বাৰা পুঁজিৰ জমা দিয়াত বিলম্ব আৰু নগদ ধন তেওঁলোকৰ লগত ৰাখি থোৱাত কোষাধ্যক্ষজনে কেতিয়াও আপত্তি কৰা নাছিল। যদিও নগদ বহীয়ে স্পষ্টভাৱে এনে অনিয়মবোৰ দেখুওৱাইছিল, কোষাধ্যক্ষজনে চিকিৎসালয়খনৰ চিকিৎসা অধীক্ষক জনৰ মনোযোগ অনাত অসমৰ্থ হৈছিল।
- একেজন সংগ্ৰাহকৰ ধন পৰিচলনাত 2014-15 ৰ সময়ছোৱাতো অনিয়ম দেখা গৈছিল, কিন্তু একেজন চুক্তিবদ্ধ কৰ্মচাৰীকে নগদ সংগ্ৰহৰ কামটো কৰি থকিবলৈ অনুমতি দিয়া হৈছিল।

ওপৰৰ পৰা এইটো প্ৰমাণিত হয় যে কোষাধ্যক্ষ্য বা অধীক্ষকৰ দ্বাৰা তদাৰকী কৌশলত দক্ষতা নাছিল। তাৰোপৰি 2014-15 সময়ছোৱাত অতীতৰ পৰিচালনাত বিসংগতি জনাৰ পাছত একেজন সংগ্ৰাহকৰ নিযুক্ত কৰাটোৱে দুৰ্বল বিত্তীয় ব্যৱস্থাপনা দেখুওৱাইছে।

এইদৰে উপযুক্ত তদাৰকীৰ অবিহনে ধন জমা আৰু ধন সংগ্ৰহৰ বিৰৰণ দাখিলকৰণৰ কাম চুক্তিবদ্ধ কৰ্মচাৰীৰ হাতত এৰি দিয়াত 30.54 লাখ টকাৰ ৰাজহুৱা ধন হস্তগত কৰণ সহজ সাধ্য কৰি তুলিছিল।

বিষয়টো চৰকাৰলৈ নবেম্বৰ 2019 ত অৱগত কৰা হৈছিল; এইচ্ আৰু এফ ডব্লিউৰ আয়ুক্ত আৰু সচিবজনে কৈছিল (চেপ্তেম্বৰ 2020) যে হিচাপ পৰীক্ষা পৰ্যবেক্ষণ পোৱাৰ পিছত নগদ সংগ্ৰাহকৰ বিৰুদ্ধে এটা এফ.আই.আৰ. দাখিল কৰিছিল। নগদ সংগ্ৰাহক জনক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু অভিযোগ নামা দাখিল কৰা হৈছিল। আয়ুক্তজনে তাৰোপৰি কৈছিল যে কোষাধ্যক্ষজনকো একেই কাৰণত গ্ৰেপ্তাৰ কৰা হৈছিল। বৰিষ্ঠ উপ অধীক্ষকজনক দৈনিক নগদ সংগ্ৰহৰ দায়িত্ব ন্যস্ত কৰা হৈছিল আৰু তেওঁ নবেম্বৰ 2018 ৰ পৰা হিচাপ পৰীক্ষাৰ সময়ত প্ৰতিবেদন দি আহিছে।

উচ্চ শিক্ষা বিভাগ

1.2.5 সন্দেহজনক আত্মসাৎকৰণ

বি.আৰ.এম. চৰকাৰী আইন মহাবিদ্যালয়ৰ অধ্যক্ষই ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা মাচুল আৰু তাৰ পৰা কৰা ব্যয়ৰ বিস্তৃত বিৰৰণ নগদ বহীত নথিভুক্ত কৰা নাছিল । মাচুলসমূহ চৰকাৰী হিচাপত জমা নিদিয়াৰ বাবে 74.04 লাখ টকা আত্মসাৎকৰণ অভিমুখে গৈছিল।

কোষাগাৰ নিয়ম (অসম) 7(1) য়ে চৰ্ত আৰোপ কৰে যে চৰকাৰী কৰ্মচাৰীৰ দ্বাৰা লোৱা সকলো চৰকাৰী ধন কোষাগাৰ বা বেংকত পলম নকৰাকৈ জমা থ'ব লাগে আৰু ৰাজহুৱা হিচাপত অন্তৰ্ভূক্ত কৰিব লাগে। এনেদৰে প্ৰাপ্ত হোৱা ধনসমূহ বিভাগীয় ব্যয়ৰ বাবে বিনিয়োজন কৰিব নালাগে, অন্যথাই ৰাজহুৱা হিচাপৰ বাহিৰতো ৰাখিব নালাগে।

অসম বিত্তীয় নিয়মসমূহ (এ এফ আৰ) ৰ নিয়ম 95 য়ে ব্যৱস্থা কৰিছে যে কৰ্মসূত্ৰে থকা দক্ষতা অনুসৰি চৰকাৰী কৰ্মচাৰীৰ দ্বাৰা প্ৰাপ্ত হোৱা সকলো ধন পৃথক কলমত নথিভুক্ত কৰিবলৈ আৰু পৰবৰ্ত্তী সময়ত কোষাগাৰ বা বেংকলৈ প্ৰেৰণ আৰু বিল বা চেকৰ দ্বাৰা কোষাগাৰ বা বেংকৰ পৰা নগদ উলিওৱা আৰু সেইসমূহৰ পৰৱৰ্তী সময়ত বিতৰণৰ সবিশেষ নথিভুক্ত কৰিবলৈ সকলো বিভাগে নগদ বহী পৰিপালন কৰা উচিত। নগদ বহীত কৰা সকলো প্ৰবিষ্টিৰে কাৰ্য্যালয়ৰ মুৰব্বী বা তেওঁৰ দ্বাৰা কতৃত্ব দিয়া ৰাজপত্ৰিত বিষয়াৰ

দ্বাৰা দৈনিক সত্যাপন কৰা উচিত। প্ৰতিটো ক্ষেত্ৰত কাৰ্য্যালয়ৰ মুৰব্বীজন নগদ বহী আৰু নগদ উদ্বৃত্তৰ যথাৰ্থতাৰ বাবে দায়বদ্ধ হ'ব।

বিষ্ণু ৰাম মেধি (বি আৰ এম) চৰকাৰী আইন মহবিদ্যালয়ৰ অধ্যক্ষৰ নথিপত্ৰৰ 2013-14 ৰ পৰা 2017-18 লৈ হিচাপ পৰীক্ষা (মে'-জুন 2018) ই দেখুওৱাইছিল যে ছাত্ৰ ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা মাচুল জমা কৰাত ত্ৰুটি আছিল। এইটো লক্ষ্য কৰা হৈছিল যে যদিও বছৰ জুৰি মহাবিদ্যালয়ৰ দ্বাৰা মাচুল সংগ্ৰহ কৰা হৈছিল, চৰকাৰী হিচাপত আংশিক পৰিমানহে জমা কৰিছিল। 2013-18 ৰ পাঁচ বছৰৰ সময়ছোৱাত মাত্ৰ তিনিবাৰহে জমা দিয়া হৈছিল।

সংগ্ৰহ কৰা মাচুলৰ পৰিমান আৰু চালানৰ দ্বাৰা কোষাগাৰত জমা দিয়াৰ পৰিমান তলত ***সাৰণী 1.3*** ত দেখুওৱা হৈছে।

সাৰণী - 1.3

(টকাত)

বিত্তীয় বৰ্ষ	সংগ্ৰহীত মাচুল	মাচুল সমূহৰ অৱৰোধ		কোষাগাৰত জমা দিয়া মাচুল	বাকী থকাৰ বিস্তৃত বিৱৰণ		কোষাগাৰত জমা কৰা তাৰিখ আৰু প্ৰণালী
		বেংকত	নগদ		বেংকত	নগদ	
2013-14	31,88,100	নাই	31,88,100	18,00,000	নাই	13,88,100	08/11/14 নগদ
2014-15	33,69,250	নাই	33,69,250	17,00,000	নাই	16,69,250	
2015-16	35,63,300	নাই	35,63,300	14,00,000	নাই	21,63,300	11/02/16 নগদ.
2016-17	35,24,650	23,90,200[13]	11,34,450	12,00,000	11,90,200	11,34,450	15/12/16 বেংকৰ পৰা
2017-18	37,27,750	28,41,414[14]	8,86,336	নাই	28,41,414	8,86,336	নাই
মুঠ	**1,73,73,050**	**52,31,614**	**1,21,41,436**	**61,00,000**	**40,31,614**	**72,41,436**	

ওপৰোক্তৰ বাহিৰেও 72.41 লাখ বাকী থকা নগদ উদ্বৃত্তৰ 2.38 লাখ গুৱাহাটী বিশ্ববিদ্যালয়ক বিশ্ববিদ্যালয়ৰ সভ্য আৰু পঞ্জীয়ন মাচুল হিচাপে পৰিশোধ কৰিছিল আৰু বাকী থকা 70.03 লাখ টকা জমা কৰা হিচাপে বা নগদৰ বক্সত উপলব্ধ নাছিল। তাৰোপৰি ওপৰত দেখুওৱাৰ দৰে 40.32 লাখ[15] টকাৰ বেংকৰ জমাৰ পৰা বিভিন্ন চেল্‌ফ চেকৰ[16] জৰিয়তে উলিওৱা (আগষ্ট 2017 ৰ পৰা ফেব্ৰুৱাৰী 2018) 4.01 লাখ টকাৰ কোনো হিচাপ পৰিপালন কৰা হোৱা নাছিল।

বি আৰ এম চৰকাৰী আইন মহাবিদ্যালয়ৰ প্ৰিঞ্চিপালে উল্লেখ কৰিছিল যে (নৱেম্বৰ 2019) সেই সময়ত সংগ্ৰহ কৰা 43.63 লাখ টকাৰ এটা পৰিমান কাৰ্য্যলয় খৰচৰ বাবে মহাবিদ্যালয়ৰ দ্বাৰা ৰাখা হয়। যাহওঁক উত্তৰটো গ্ৰহণযোগ্য নাছিল যিহেতু মহাবিদ্যালখনে ৰাখি থোৱা মাচুলৰ পৰিমানৰ পৰা খৰচৰ কোনো সমৰ্থিত নথি যোগান দিবপৰা নাছিল। তাৰোপৰি কাৰ্য্যলয়ে খৰচৰ বাবে মহাবিদ্যালয়খনে 2013-18 সময়ছোৱাত চৰকাৰৰ পৰা 27.23 লাখ টকা লাভ কৰিছিল যাৰ 23.10 লাখ টকা সেই সময়ছোৱাত খৰচ কৰিছিল।

---

[13] চিণ্ডিকেট বেংকৰ A/c No. xxx013. ত মহাবিদ্যালয়ৰদ্বাৰা জমা কৰা হৈছিল।

[14] চিণ্ডিকেট বেংকৰ A/c No. xxx013 ত 1,96,000 টকা মহাবিদ্যালয়ৰদ্বাৰা জমা কৰা হৈছিল আৰু পি.অ.এচ. মেচিনৰ জৰিয়তে সংগ্ৰহ কৰে / ছাত্ৰ-ছাত্ৰীয়ে ছিণ্ডিকেট বেংকৰ একাউন্টত A/c No. xxx181 জমা কৰে 26,45,414 টকা।.

[15] 26,45,414 টকা চিন্দিকেট বেংকৰ একাউন্ট নম্বৰ xxx181 ত জমা কৰিছিল আৰু 13,86,200 চিন্দিকেট বেংকৰ একাউন্ট নম্বৰ xxx013 ত জমা কৰা হৈছিল।

[16] বেংকৰ একাউন্ট নম্বৰ xxx181 ৰ পৰা

এইদৰে বক্সত নগদৰ উপলব্ধ নোহোৱা আৰু 74.04 লাখ টকা (4.01 লাখ টকাৰ লগত 70.03 লাখ টকা) ৰ কোনো বিস্তৃত বিৰৰণ নথকাৰ বাবে, পৰিমাণটো আত্মসাৎ কৰা অস্বীকাৰ কৰিব নোৱাৰি।

অসম বিত্তীয় নিয়মসমূহৰ নিয়ম 95 ৰ উলংঘন কৰি মহাবিদ্যালয়খনৰ কর্তৃপক্ষৰদ্বাৰা অদক্ষ নগদ বহী পৰিপালনেৰে সকলো প্ৰাপ্তি আৰু ব্যয় নথিভুক্ত নকৰাৰ বাবে সন্দেহ জনক আত্মসাৎ কৰণত সুবিধা হৈছিল। এইদৰে মহাবিদ্যালয়খনত নগদ সত্যাপনৰ কোনো পদ্ধতি নাছিল।

অধ্যক্ষজনে উল্লেখ কৰিছিল (নৱেম্বৰ 2019) যে গাণনিক ও কোষাধ্যক্ষ পদটো মাৰ্চ 2014 ৰ পৰা খালী হৈ আছিল আৰু জ্ঞানৰ অভাৱৰ বাবে নগদ বহী পৰিপালন কৰা হোৱা নাছিল। হিচাপ পৰীক্ষাই আঙুলিয়াই দিয়াৰ পিছত এতিয়া মাচুল সংগ্ৰহ আৰু জমাৰ বিৰৰণ নগদ বহীত নথিভুক্ত কৰা হৈছে (নৱেম্বৰ 2019) আৰু বৰ্তমান সময়ত নগদৰ সত্যাপন আৰম্ভ কৰা হৈছে।

বিষয়টো চৰকাৰলৈ অৱগত কৰা হৈছিল। (নৱেম্বৰ 2019) উচ্চ শিক্ষা বিভাগৰ সচিবজনে, হিচাপ পৰীক্ষা পৰ্যবেক্ষণ সমৰ্থন কৰি কাৰ্যব্যৱস্থা গ্ৰহণৰ প্ৰতিবেদন দাখিল কৰিছিল আৰু কৈছিল (চেপ্তেম্বৰ 2020) যে (কাৰণ দৰ্শোৱাৰ জাননী) দুজন প্ৰাপ্ত মহাবিদ্যালয়খনৰ ভূতপূৰ্ব প্ৰিঞ্চিপাল যি দুজন এতিয়াও চৰকাৰী সেৱাত নিবৃত্ত আছিল তেওঁলোকক কাৰণ দৰ্শোৱা জাননি জাৰি কৰিছিল আনহাতে এজন ভূতপূৰ্ব প্ৰিঞ্চিপালক যি জন 2015 ত অৱসৰ লৈছিল তেওঁৰ বাবে পেঞ্চন আৰু ৰাজহুৱা অভিযোগ পৰা বিভাগৰ মন্তব্য বিচাৰিছিল। তাৰোপৰি, সচিব জনে সকলো চৰকাৰী মহাবিদ্যালয়ৰ দ্বাৰা চৰকাৰৰ কোষাগাৰলৈ 70 শতাংশ মহাবিদ্যালয় মাচুল জমা সম্পৰ্কে নিৰ্দেশৰ প্ৰতিলিপিৰ সৈতে শেহীয়া লিখিত উত্তৰ আগবঢ়াৰ লগা আছিল।

চুপাৰিচ ঃ আঙুলিয়াই দিয়া ক্ৰুতিসমূহ বাবে অনুশাসন সম্বন্ধীয় ব্যৱস্থা লোৱাৰ উপৰিও চৰকাৰে নগদ সম্বন্ধীয় বিষয়সমূহৰ সম্বন্ধত বহু সময়লৈ ব্যৱস্থা নোলোৱাকৈ ৰাখি নোথোৱাটো নিশ্চিত কৰিব পাৰে।

সংখ্যালঘু আৰু উন্নয়ন কল্যাণ বিভাগ

1.2.6 হিতাধিকাৰীক বঞ্চিত কৰি ছাত্ৰ-বৃত্তিৰ ধন বিতৰণত অনিয়ম

অসম সংখ্যালঘু উন্নয়ন পৰিষদ (এ এম ডি বি) ৰ সঞ্চালকজনে পূৰ্ব মেট্ৰিক ছাত্ৰ-বৃত্তি অনিয়মিত ভাৱে প্ৰত্যক্ষভাৱে হিতাধিকাৰীৰ বেংকৰ হিচাপত হস্তান্তৰ কৰি জমা কৰাৰ পৰিবৰ্তে এটা ব্যক্তিগত বেংকৰ প্ৰত্যক্ষ পৰিশোধ কাৰ্ডৰ জৰিয়তে বিতৰণ কৰিছিল। তাৰোপৰি 18.60 কোটি টকাৰ পুঁজি বেংকত নিস্ক্ৰীয়ভাৱে পৰি থাকিল আৰু 13.34 কোটি টকা পৰিষদত নিস্ক্ৰীয়ভাৱে পৰি থাকিল।

সংখ্যালঘু সকলৰ কল্যাণৰ অৰ্থে প্ৰধান মন্ত্ৰীৰ নতুন 15-দফীয়া কৰ্মসূচী জুন 2006 ত ঘোষণা কৰিছিল য'ত সংখ্যালঘু সম্প্ৰদায়ৰ মেধাৱী শিক্ষাৰ্থীৰ বাবে প্ৰাক-মেট্ৰিক ছাত্ৰ-বৃত্তি আঁচনিৰ ব্যৱস্থা কৰিছিল। 2013-14 চনলৈ আঁচনিখনৰ পুঁজিৰ যোগান 75:25 অনুপাত কেন্দ্ৰ আৰু অসম চৰকাৰৰ মাজত ভাগ কৰা হৈছিল। অৱশ্যে, 2014-15 বৰ্ষৰ পৰা 100 শতাংশ পুঁজি যোগানেৰে কেন্দ্ৰৰ আঁচনি হিচাপে পৰিগণিত হৈছে।

বে-চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত শিক্ষাৰ্থী সৈতে যি সকলে পূৰ্বৰ চূড়ান্ত পৰীক্ষত অতি কমেও 50 শতাংশ নম্বৰ অৰ্জন কৰিছে আৰু যি সকলৰ পিতৃ-মাতৃ/অভিভাৱকৰ সকলো উৎসৰ পৰা বছৰি আয় একলাখতকৈ বেছি নহয়, সেই সকল শিক্ষাৰ্থীক ছাত্ৰ-বৃত্তি আগবঢ়াব লাগিছিল। তলত দিয়া হাৰত ভৰ্তিমাচুল, শিক্ষাদানৰ মাচুল আৰু তত্বাৱধান ভাত্তাৰে ছাত্ৰ-বৃত্তিৰ পৰিমান গঠিত।

সাৰণী- 1.4

শ্ৰেণী	পৰিপালন ভাট্টা	নামভৰ্ত্তি মাচুল	শিক্ষণ মাচুল	মুঠ
I পৰা V	এটা শিক্ষাবৰ্ষত দহ মাহৰ বাবে প্ৰতি মাহত 100 টকা নিৰিখত	নাই	নাই	প্ৰতি বছৰ 1,000 টকা
VI পৰা X	এটা শিক্ষাবৰ্ষত দহমাহৰ বাবে প্ৰতি মাহত 100 টকা নিৰিখত	প্ৰতি মাহত 500 টকা অথবা প্ৰকৃত মাচুল	প্ৰতি মাহত 350 টকা অথবা প্ৰকৃত মাচুল	প্ৰতি বছৰ 5,700 টকা

জিলা পৰ্যায়ৰ হিতাধিকাৰী সমিতিৰ[17] পৰামৰ্শ অনুসৰি অসম সংখ্যালঘু উন্নয়ন নিগমৰ সঞ্চালকে 2014-15 শিক্ষাবৰ্ষৰ 1,32,981 গৰাকী শিক্ষাৰ্থীৰ বাবে 51.34 কোটি টকা প্ৰাক-মেট্ৰিক ছাত্ৰ-বৃত্তিৰ বাবে এক প্ৰস্তাৱ দাখিল কৰিছিল (ডিচেম্বৰ 2014)। প্ৰস্তাৱৰ ভিত্তিত, ভাৰত চৰকাৰ (জি অ' আই)ৰ সংখ্যালঘূ পৰিক্ৰমা মন্ত্ৰালয়ে 1,32,981 গৰাকী শিক্ষাৰ্থীৰ বাবে সহায়ক অনুদান হিচাপে অসম চৰকাৰ (জি অ' এ) লৈ দুটা কিস্তিত[18] (জুলাই 14 পৰা জানুৱাৰী 15 লৈ) 51.54[19] কোটি টকা আৱন্টন কৰিছিল আৰু মোকলাই দিছিল। জি.অ.এ. পৰৱৰ্তী সময়ত (ছেপ্তেম্বৰ 2014 মাৰ্চ 2015) গোটেই পৰিমানটো দুটা কিস্তিত[20] সঞ্চালক, অসম সংখ্যালঘূ উন্নয়ন নিগম (এ এম ডি বি) লৈ মোকলাই দিছিল।

জি অ' আই য়ে অনুদান অনুমোদনৰ সময়ত, ৰাজ্য চৰকাৰক পুঁজি প্ৰাপ্তিৰ এক মাহৰ ভিতৰত শিক্ষাৰ্থীৰ বেংক একাউন্টত অনুমোদিত পৰিমানটো যাতে বিতৰণ কৰা হয় সেইটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। অসম চৰকাৰেও নিৰ্দেশ দিছিল যে ধন সমূহ প্ৰকৃত প্ৰাপক সকলৰ পক্ষে একউন্টৰ জৰিয়তে পাব পৰা চেক যোগে আদায় দিব লাগিব। চেপ্তেম্বৰ 2015 ত অনুষ্ঠিত এখন সভাত অসম চৰকাৰৰ মূখ্য সচিবে 15 অক্টোবৰ 2015 ৰ ভিতৰত ছাত্ৰ-বৃত্তিৰ ধন সমূহ শিক্ষাৰ্থীৰ একাউন্টলৈ বিতৰণ শেষ কৰিবলৈ এ.এম.ডি.বি.ৰ সঞ্চালকজনক নিৰ্দেশ দিছিল।

সঞ্চালক, এ এম ডি বি য়ে অৱশ্যে অধ্যক্ষ, এ এম ডি বি ক অৱগত কৰিছিল (10 অক্টোবৰ 2015) যে জিলা সমূহে শাখা বেংকৰ য'ত শিক্ষাৰ্থীৰ বেংক একাউন্ট আছিল তাৰ আই এফ এচ কোড যোগান নিদিয়াৰ বাবে মুঠ 1,32,981 জন শিক্ষাৰ্থীৰ বেংক একাউন্টলৈ স্থানান্তৰ কৰিব পৰা নাছিল আৰু তাৰ পৰিৱৰ্তে সঞ্চালক, এ এম ডি বি য়ে আই চি আই চি আই বেংক, গুৱাহাটীৰ দ্বাৰা প্ৰত্যক্ষ পৰিশোধ কাৰ্ড[21] (পি ডি চি)ৰ মাধ্যমেৰে ছাত্ৰ-বৃত্তিৰ ধন বিতণৰ বাবে দাখিল কৰা এক প্ৰস্তাৱ দাখিল কৰিছিল। অধ্যক্ষ, এ এম ডি বি য়ে প্ৰস্তাৱটো গ্ৰহণ কৰে আৰু সেই অনুসৰি, প্ৰয়োজনীয় কাগজ-পত্ৰ[22] জমা দিয়াৰ 45 দিনৰ ভিতৰত হিতাধিকাৰী সকলক কাৰ্ড সমূহ প্ৰদান কৰাৰ বাবে চুক্তিবদ্ধ হৈছিল (7 নৱেম্বৰ 2015)।

হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল (জুন 2018) যে সঞ্চালক, এ এম ডি বি য়ে অক্টোবৰ 2015 ৰ পৰা মাৰ্চ 2018 ৰ সময়ছোৱাৰ ভিতৰত এ এম ডি বি ৰ আই চি আই চি আই বেংকৰ চেভিংকচ্ একাউন্টলৈ 38 কোটি

[17] উপ আয়ুক্তজন অধ্যক্ষ আৰু বিদ্যালয় পৰিদৰ্শক, জিলা প্ৰাথমিক শিক্ষা বিষয়া, সংখ্যালঘু উন্নয়ন পৰিষদৰ উপ সংমণ্ডলীয়া অধ্যক্ষ সমিতিৰ সদস্য আছিল।

[18] জুলাই 2014 ত 24.91 কোটি টকা আৰু 2015 ত 16.07 কোটি টকা আৰু 10.56 কোটি টকা পৰিমাণৰ 2013-14 ৰ খৰচ নকৰা অৱশিষ্ট।

[19] 20 লাখ টকা প্ৰশাসনীয় ব্যয় অৰ্ন্তভূক্তিৰে।

[20] ছেপ্তেম্বৰ 2014 ত 24.91 কোটি টকা আৰু মাৰ্চ 2015 ত 16.07 কোটি টকা আৰু খৰচ নকৰা অৱশিষ্ট।

[21] এইখন পূৰ্ব পৰিশোধিত কাৰ্ড যাৰ দ্বাৰা জমা থকা পৰিমানৰ বিপৰীতে এ টি এম ৰ জৰিয়তে ধন উলিয়াব পাৰি। এই কাৰ্ডখন দুবছৰৰ বাবে বৈধ হ'ব।

[22] দৰকাৰী নথিপত্ৰ আছিল নাম, আলোকচিত্ৰ, স্বামী/ পিতৃৰ নাম, ঠিকনা, জন্মৰ তাৰিখৰ অন্তভূৰ্ত্তিৰে গ্ৰাহকৰ পৰিচয় লওক (কে. ৱাই. চি.)আৰু তথ্যৰ বিশুদ্ধতাৰ এখন প্ৰমাণপত্ৰ আৰু এ.এম.ডি.বি. ৰ পৰা হিতাধিকাৰী পৰিচয়ৰ চিঠিৰ সৈতে ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা চিনাক্তকৰণ প্ৰমাণ পত্ৰ।

টকা[23] এ জি ভি বি ৰ পৰা স্থানান্তৰ কৰিছিল। বেংকৰ বিৱৰণ অনুসৰি মাৰ্চ 2016 ৰ পৰা মাৰ্চ 2018 ৰ ভিতৰত পি ডি চি ৰ জৰিয়তে 19.40 কোটি টকা বিতৰণ কৰা হৈছিল। আৰু বাকী থকা 18.60 কোটি টকা পৰিষদৰ ছেভিং একাউন্টত নিষ্ক্ৰীয় ভাবে পৰি আছিল। তাৰোপৰি 13.34 কোটি টকাৰ বাকী থকা পুঁজি অসম গ্ৰামীণ বিকাশ বেংকত এ. এম. ডি.বি.ৰ ছেভিংচত পৰি আছিল।

এনেদৰে ছাত্ৰবৃত্তি আচঁনিটো কঠোৰভাৱে জি.অ.আই.ৰ নিৰ্দেশাৱলী অনুযায়ী ৰূপায়িত কৰা হোৱা নাছিল; যিহেতু ছাত্ৰবৃত্তিসমূহ প্ৰত্যক্ষভাৱে ছাত্ৰৰ বেংক একাউন্টলৈ বিতৰণ কৰা হোৱা নাছিল। তাৰোপৰি মন্ত্ৰালয়লৈ আগবঢ়োৱা 1,32,981 জন যোগ্য ছাত্ৰ-ছাত্ৰীৰ পৰা বৃহৎ প্ৰচাৰৰ স্বত্বেও পি.ডি.চিৰ বাবে মাত্ৰ 71,851 খন আবেদন পত্ৰ প্ৰাপ্তি হৈছিল। যিটোৱে আভাষ দিছিল যে পৰিষদে জিলাসমূহৰ পৰা প্ৰাপ্ত সংখ্যা হিচাপত হিতাধিকাৰী সংখ্যাৰ পৰীক্ষা কৰা নাছিল।

নিৰ্দ্ধাৰিত মাত্ৰ এমাহ সময়ৰ বিপৰীতে জি অ' আই য়ে পুঁজি মোকলাই দিয়া তাৰিখৰ পৰা ছাত্ৰ-বৃত্তি বিতৰণৰত চাৰি বছৰ বিলম্ব হৈছিল। তাৰোপৰি যদিও বেংকে 71,851 খন কাৰ্ড প্ৰদান কৰিছিল। কিন্তু, বেংকে মাত্ৰ 63,220 কাৰ্ডৰ বিপৰীতে টকাসমূহ প্ৰদান কৰিছিল আৰু বাকী থকা পুঁজি বেংকৰ ছেভিংচ একাউন্টত পৰি আছিল।

পি.ডি.চি.ৰ জৰিয়তে ছাত্ৰবৃত্তি প্ৰদানৰ ফলত কাৰ্ড প্ৰদানত হোৱা ব্যয় ছাত্ৰ-ছাত্ৰীয়ে বহন কৰিবলগীয়া হৈছিল। (150 টকা আৰু প্ৰযোজ্য কৰ সমূহ)

এনেদৰে, যদিও 19.40 কোটি টকা ছাত্ৰবৃত্তি হিচাপে (63,220 জন শিক্ষাৰ্থী হিতাধিকাৰীলৈ) বিতৰণ কৰা হৈছিল। এই বিতৰণ নিৰ্দেশনাৱলী পৰা ফালৰি কাটি আহিছিল যিহেতু পুঁজি সমূহ বেংকৰ হিচাপত বিতৰণ কৰাৰ বিপৰীতে পূৰ্বতে ভৰি থকা কাৰ্ডত বিতৰণ কৰা হৈছিল। তাৰোপৰি, আঁচনিটোৰ ৰূপায়নৰ অসফল তদাৰকীৰ ফলত 31.94 কোটি টকা পৰিসদৰ বেংকৰ হিচাপ নিস্ক্ৰীয়ভাৱে পৰি আছিল।

সঞ্চালজনে কৈছিল (ডিচেম্বৰ 2019) যে জৰুৰীকালীন কাৰণৰ বাবে ছাত্ৰবৃত্তি বিতৰণ বাবে পি ডি চি ৰ আৰম্ভনি কৰা হৈছিল কিন্তু দৰকাৰী তথ্যপাতি আৰু শিক্ষাৰ্থীৰ কে ওৱাই চি দাখিলৰ বাবে প্ৰয়োজনীয় সময় তেওঁলোকৰ দ্বাৰা বিবেচনা কৰা হোৱা নাছিল।

চৰকাৰে তেওঁলোকৰ উত্তৰত কৈছিল (চেপ্তেম্বৰ 2020) যে এতিয়া আঁচনিটোৰ প্ৰকৃত অৱশিষ্ট সত্যাপনৰ পিছত অৱশিষ্ট পৰিমানটো ভাৰত চৰকাৰক ঘূৰাই দিয়া হ'ব। উত্তৰটো গ্ৰহণ কৰা বিতৰণৰ পদ্ধতি সম্পৰ্কে মৌন আছিল।

চুপাৰিচ ঃ বিভাগে অৱশিষ্ট পুঁজিসমূহ জি অ' আই লৈ ঘূৰাই দিব পাৰে আৰু হিতাধিকাৰীসমূহৰ বেংকৰ হিচাপত ছাত্ৰ বৃত্তি বিতৰণ কৰাটো নিশ্চিত কৰিব পাৰে।

[23] 10 কোটি টকা (29 অক্টোবৰ 2015); 10 কোটি টকা (8 ডিচেম্বৰ 2015); পাঁচ কোটি টকা (31 ডিচেম্বৰ 2015)ঃ10 কোটি টকা (28 মাৰ্চ 2017) আৰু তিনিকোটি টকা (31 মাৰ্চ 2018)

অধ্যায় -II

অৰ্থনৈতিক খণ্ড

“অসমত ক্ষুদ্ৰ ভূ-পৃষ্ঠৰ জলসিঞ্চন আঁচনিৰ ফলাফল সমূহ”ৰ ওপৰত কাৰ্য্য সম্পাদন হিচাপ পৰীক্ষা

সন্মতি সূচক হিচাপ পৰীক্ষা

অধ্যায়-II
অৰ্থনৈতিক খণ্ড

2.1 সূচনা

অৰ্থনৈতিক খণ্ডৰ অধীনৰ ৰাজ্য চৰকাৰৰ বিভাগ/ কাৰ্যাকাল সমূহৰ হিচাপ পৰীক্ষা ভিত্তিক ফলাফল সমূহ এই অধ্যায়ত সন্নিবিষ্ট কৰা হৈছে। 2018-19 ৰ সময়ছোৱাত ধাৰ্য্য কৰা মুঠ 34,213.72 কোটি টকা বাজেটৰ বিপৰীতে 18 টা বিভাগে 21,581.14 কোটি টকা ব্যয় কৰিছিল। 2018-19 ৰ সময়ছোৱাত অৰ্থনৈতিক খণ্ডৰ অধীনত বিভাগ অনুযায়ী ধাৰ্য্য কৰা বাজেটৰ সৰিশেষ আৰু তাৰ বিপৰীতে18 টা বিভাগে কৰা এনে ব্যয় সমূহ সাৰণী *2.1* ত দিয়া হৈছে।

সাৰণী *2.1:* বিভাগ অনুযায়ী *2018-19* ৰ বাজেট ব্যৱস্থা আৰু ব্যয়ৰ বিস্তৃত বিৱৰণ

(কোটি টকাত)

বিভাগ	অনুদান নং আৰু নাম	বাজেট ব্যৱস্থা		ব্যয়	
		ৰাজহ	মূলধনী	ৰাজহ	মূলধনী
কৃষি	48- কৃষি	1463.67	462.51	833.73	24.02
	67-উদ্যান শস্য	105.47	8.00	55.41	--
বিত্ত	10- অমান্য বিত্তীয় সেৱা সমূহ	3.00	--	2.07	--
	5- বিক্ৰীকৰ আৰু অন্য কৰ সমূহ	582.88	51.79	375.88	10.43
	13- কোষাগাৰ আৰু হিচাপ নিকাচ প্ৰশাসন	124.98	22.35	88.48	6.52
	66- স্থানীয় নিকায় আৰু পঞ্চায়তীৰাজ প্ৰতিস্থান সমূহলৈ ক্ষতিপুৰণ আৰু হস্তান্তৰ।	448.67	--	273.89	--
	7- মোহৰ আৰু পঞ্জীয়ন	49.11	--	29.15	--
	68- চৰকাৰী কৰ্মচাৰীলৈ ঋণ	--	75.99	--	70.00
	8- আবকাৰী আৰু নিবাৰণ	74.65	0.50	56.54	--
	ৰাজহুৱা ঋণ আৰু ঋণ সেৱা	4422.40	6330.31	4073.43	3589.36
মীন	54- মীন	76.24	85.18	55.15	60.25
জলসম্পদ	63- জলসম্পদ	338.78	802.14	261.62	449.16
বন আৰু পৰিৱেশ	55- বনানিকৰণ আৰু বন্যপ্ৰাণী	590.25	10.39	425.54	0.57
হস্ততাঁত, বস্ত্ৰ শিল্প আৰু ৰেচম	59- গাঁও, ক্ষুদ্ৰ উদ্যোগ ৰেচম আৰু বয়ন শিল্প	359.96	30.38	221.51	9.69
উদ্যোগ আৰু বানিজ্য	58- উদ্যোগ	379.16	392.63	154.92	228.65
	60- কুটিৰ শিল্প	90.86	0.42	53.48	--
জলসিঞ্চন	49- জলসিঞ্চন	567.06	1143.71	453.56	83.73
খনিজ আৰু খনিজাত	61- খনিজ আৰু খনিজাত	20.98	1.14	11.94	0.15
শক্তি	62- শক্তি(বিদ্যুৎ)	4053.61	898.58	1646.31	499.14
গড়কাপ্তানি	64- পথ আৰু দলং	2130.41	6055.16	1082.92	5129.96
বিজ্ঞান আৰু প্ৰযুক্তি	69- বৈজ্ঞানিক সেৱা আৰু গৱেষণা	40.60	12.40	30.76	3.07
ভূমি সংৰক্ষণ	51- ভূমি আৰু জলসংৰক্ষণ	60.66	137.11	52.62	87.29
পৰিবহন	9- পৰিবহন সেৱা	280.83	268.62	247.79	187.69

বিভাগ	অনুদান নং আৰু নাম	বাজেট ব্যৱস্থা		ব্যয়	
		ৰাজহ	মূলধনী	ৰাজহ	মূলধনী
পৰ্যটন	65- পৰ্যটন	82.40	21.36	71.86	12.50
পশুপালন আৰু পশুচিকিৎসা	52- পশুপালন	413.47	94.57	269.23	35.59
	53- দুগ্ধ উন্নয়ন	32.68	2.89	20.94	1.84
তথ্য প্ৰযুক্তি	75- তথ্য প্ৰযুক্তি	72.99	1.00	15.95	--
গড়কাপ্তানি (গৃহ)আৰু ৰাষ্ট্ৰীয় ঘাই পথ	17- প্ৰশাসনিক আৰু কাৰ্যকৰী ভৱন	290.66	80.66	181.05	19.31
	21 - অতিথি ভৱন, চৰকাৰী আৱাস ইত্যাদি	61.26	--	23.63	--
	33 - আৱাসিক ভৱন	4.24	2.00	2.57	0.29
মুঠ		**17221.93**	**16991.79**	**11071.93**	**10509.21**
সৰ্বমুঠ (ধাৰ্য্য অৰ্ন্তভুক্ত)			**34213.72**		**21581.14**

উৎসঃ বিনিয়োজন হিচাপ ***2018-19***

2.1.1 হিচাপ পৰীক্ষাৰ পৰিকল্পনা আৰু পৰিচালনা

2018-19 ৰ সময়ছোৱাত অৰ্থনৈতিক খণ্ড (অনা- ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহ) ৰ অন্তৰ্গত হিচাপ পৰীক্ষণ যোগ্য 603 টা গোটৰ ভিতৰত বছৰটোত সংশয় নিৰূপনৰ আধাৰত 17,604.18 কোটি টকা (পূৰ্বৰ বছৰ সমূহৰ ব্যয়সহ) ব্যয় সম্বলিত 199 টা গোট[24] ৰ হিচাপ পৰীক্ষা কৰা হৈছিল। এই অধ্যায়ত **"অসমৰ ক্ষুদ্ৰ ভূ-পৃষ্ঠৰ জলসিঞ্চন আঁচনিসমূহৰ ফলাফল"** ৰ এটা কাৰ্য্য- সম্পাদন হিচাপ পৰীক্ষা (পি এ) আৰু সন্মতিসুচক হিচাপ পৰীক্ষাৰ দুটা দফা আছে।

2018-19 বৰ্ষৰ সময়ছোৱাত হিচাপ পৰীক্ষাত পৰিলক্ষিত হোৱা মূখ্য পৰ্যবেক্ষন সমুহ পৰৱৰ্ত্তী দফা সমুহত আলোচনা কৰা হৈছে।

কাৰ্য সম্পাদন হিচাপ পৰীক্ষা

জলসিঞ্চন বিভাগ

2.2 অসমত ক্ষুদ্ৰ ভূ- পৃষ্ঠৰ জলসিঞ্চন আঁচনিৰ ফলাফল সমুহৰ ওপৰত কাৰ্য্যসম্পাদন হিচাপ পৰীক্ষা

অসম চৰকাৰে উন্নত কৃষিৰ বিকাশ, কৃষিকাৰ্য্যৰ প্ৰসাৰতা বৃদ্ধি, ফচলৰ উৎপাদনশীলতা বৃদ্ধি আৰু দাইল আৰু তেলৰ বীজ সমুহৰ বহুমূখীকৰণ আৰু কৃষি জীৱি সকলৰ জীৱন-ধাৰণৰ মানদণ্ড উন্নত কৰণত ফলাফল লাভ কৰা আদিৰ দৰে লক্ষ্য সমুহত উপনীত হোৱাৰ বাবে জলসিঞ্চন আঁচনি সমুহ ৰূপায়ণ কৰি আহিছে।

'অসমত ক্ষুদ্ৰ ভূ-পৃষ্ঠৰ জলসিঞ্চন আঁচনিৰ ফলাফল সমুহ' ৰ সম্পৰ্কে কাৰ্যসম্পাদনৰ হিচাপ পৰীক্ষাত দেখা গৈছিল যে -ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প ৰূপায়নৰ প্ৰত্যাশিত ফলাফল এতিয়াওঁ সম্পূৰ্ণৰূপে লাভ কৰিব পৰা নাই। ইয়াৰ ফলত কৃষিকাৰ্যৰ সম্প্ৰসাৰণ, উৎপাদনশীলতা আৰু কৃষকৰ কৃষি আয়ৰ কোনো ধৰণৰ উল্লেখযোগ্য বৃদ্ধি হোৱা নাছিল। অ-কাৰ্যকৰী প্ৰকল্প সমুহ থকাৰ লগতে কাৰ্যকৰী প্ৰকল্প সমুহো আসোঁৱাহপূৰ্ণ

[24] অতি স্পৰ্শকাতৰ গোটঃ 69 মধ্যমীয়া স্পৰ্শকাতৰ গোটঃ 119 আৰু কম স্পৰ্শকাতৰ গোটঃ11

আছিল ফলত জলসিঞ্চনৰ কৰ্ম সম্ভাৱনীয়তা সৃষ্টি আৰু ব্যৱহাৰৰ পথ প্ৰশস্ত হৈছিল আৰু বহুমূখী শস্যৰ সুবিধাৰ বাবে বিশেষকৈ খৰালি কালত জলসিঞ্চন নিশ্চিতভাৱে যোগান ধৰিব পৰা নাছিল।

মূখ্যাংশ সমুহ

অসমত মাৰ্চ 2017 ৰ শেষত জলসিঞ্চনৰ সম্ভাৱনীয় 9,53,540 হেক্টৰ উপনীত হৈছিল, যাৰ ভিতৰত ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে হৈছিল 6,74,117 হেক্টৰ (70.6 শতাংশ) আই 2010-11 ৰ পৰা 2016-17 লৈ সময়ছোৱাত ক্ষুদ্ৰ জলসিঞ্চনৰ জৰিয়তে সৃষ্ট মুঠ আই পি আছিল 1,37,442 হেক্টৰ যিটো এই সময়ছোৱাত অসমত সৃষ্ট মুঠ আই পি 77.4 ৰ শতাংশ। 2010-17 সময়ছোৱাত বৃদ্ধি সম্বন্ধীয় সৃষ্ট আই পি বৃহৎ জলসিঞ্চনৰ প্ৰকল্পৰ বাবে আছিল 14.4 শতাংশ আৰু ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ বাবে আছিল 20.4 শতাংশ।

জানুৱাৰী 2011 ৰ পৰা মাৰ্চ 2017 লৈ 3,273.58 কোটি টকা ব্যয়ৰে সম্পূৰ্ণ হোৱা 1,144 টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ ভিতৰত হিচাপ পৰীক্ষাই প্ৰায় 300 কোটি টকা ব্যয়েৰে সম্পূৰ্ণ হোৱা 73 টা ভু-পৃষ্ঠৰ ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ বাচনি কৰিছিল এই আঁচনিসমূহ বৃহৎ ব্যয়ৰ অতিমাত্ৰা লক্ষ্য কৰা নাছিল আৰু প্ৰতিটোৰ আঁচনিৰ নমুনাত 4.11 কোটি টকাৰ গড় ব্যয় গণনা উলিওৱা হৈছিল।

বাচনিকৃত, কাম সম্পূৰ্ণ হোৱা 73 টা প্ৰকল্পৰ ভিতৰত, 18 টা প্ৰকল্প (25 শতাংশ) ত্ৰুতিপূৰ্ণ নিমাৰ্ণ, ক্ষতি আৰু মেৰামতিৰ অভাৱ আদিৰ বাবে অ-কাৰ্যকৰী হৈ আছিল। ইয়াৰ উপৰিও, দুটা প্ৰকল্প অনা- জলসিঞ্চনৰ উদ্দেশ্যত ব্যৱহৃত হোৱাটো পৰিলক্ষিত হৈছিল আৰু তিনিটাৰ নিৰ্মাণ ত্ৰুটিপূৰ্ণ আছিল, ফলত জলসিঞ্চনৰ সম্ভাৱনীয়তা যথেষ্ঠ পৰিমানে হ্ৰাস পাইছিল।

অৱশিষ্ট অন্য 14 টা প্ৰকল্প নলা আৱদ্ধ হোৱাৰ ফলত ক্ষতিগ্ৰস্ত হৈছে আৰু 25 টাত নলাৰ বেৰ ভঙা দেখা গৈছিল যাৰ ফলস্বৰূপে জলসিঞ্চনৰ জলপ্ৰৱাহত বিৰূপ প্ৰভাৱ পৰিছে। 62 টা অকাৰ্য্যকৰী / অস্বাভাৱিক প্ৰকল্পসমূহত মুঠ বিনিয়োগ আছিল 246.08 কোটি টকা।

(দফা 2.2.5.2 আৰু 2.2.5.3)

নিদৰ্শনৰ ভিতৰত 18 টা অকাৰ্যকৰী প্ৰকল্প আছিল যাৰ ভিতৰত সাতটা প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পিছৰ পৰাই অকাৰ্যকৰী হৈ আছিল আৰু 11টা প্ৰকল্প ক্ষতিগ্ৰস্ত হোৱা বাবে আৰু বিগত তিনি-চাৰি বছৰ ধৰি মেৰামতিৰ অভাৱত অকাৰ্য্যকৰী হৈ আছে। এই অকাৰ্য্যকৰী প্ৰকল্প সমূহত 74.74 কোটি টকা ব্যয় হৈছে আৰু 7,529 হেক্টৰ জলসিঞ্চনৰ সম্ভাৱনীয়তা হেৰুৱাইছে।

{দফা 2.2.5.2(i) আৰু (iii)}

2014-19 সময়ছোৱাত বিভাগটোৱে জলসিঞ্চন প্ৰকল্পসমূহৰ পৰিপালনত 37.91 কোটি টকা খৰচ কৰিছিল আৰু গোটেই কেইটা বাচনিকৃত বিভাগত প্ৰকল্পসমূহৰ তদাৰকৰ বাবে পুঁজি যথেষ্ঠ নাছিল, যিটো অস্বাভাৱিক প্ৰকল্পত পৰিণত হোৱাতো হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল।

{দফা 2.2.5.2 (ii)}

জলসিঞ্চন বিভাগৰ মাহেকীয়া প্ৰতিবেদনসমূহে নিৰ্দেশ কৰিছিল যে নমুনাকৃত প্ৰকল্পসমূহত আই পি প্ৰাথমিকভাৱে খাৰিফ বতৰত ব্যৱহৃত হৈছিল যি সময়ত মৌচুমী ঋতুৰ পানীও বহু পৰিমানে উপলব্ধ আছিল আনহাতে প্ৰাক খাৰিফ-ৰবিৰ শুকান বতৰত ব্যৱহাৰ বহু কম, অৰ্থাৎ মাত্ৰ 10

শতাংশৰো কম। খাৰিফ বতৰ বাদ দি আন সময়ত কম ব্যৱহাৰ হোৱাৰ প্ৰধান কাৰণ আছিল পানীৰ চাহিদা থকা স্বত্বেও যথেষ্ট জলসিঞ্চনৰ পানী উপলব্ধ নাছিল।

(দফা 2.2.7.1)

বিভাগৰ দ্বাৰা আই পি সৃজন আৰু ব্যৱহৃতকৰণ তদাৰকৰ বাবে মাহেকীয়া প্ৰতিদেনসমূহ গতানুগতিকভাৱে প্ৰস্তুত কৰা হৈছিল, বহু কেইটা প্ৰকল্প মূল্য/মূল্যহীন হিচাপে দেখুওৱাৰ সৈতে, বা একে সমূহ সংখ্যাৰেই মাহৰ পিছত মাহ ধৰি পুনৰাবৃত্তিৰ সৈতে আৰু অকাৰ্যকৰী প্ৰকল্পৰ বিপৰীতে আই পি ব্যৱহৃতকৰণ দেখুওৱা প্ৰতিবেদন পোৱা গৈছিল।

(দফা 2.2.7 আৰু 2.2.7.2)

1,135 জন হিতাধিকাৰীৰ হিচাপ পৰীক্ষাৰ দ্বাৰা কৰা হিতাধিকাৰী সমীক্ষাত পোৱা গৈছিল যে জলসিঞ্চনৰ পানী খাৰিফ শস্যৰ বাবে ব্যৱহাৰৰ পৰিমান 90.4 শতাংশৰ বিপৰীতে ৰবিশস্যৰ বাবে ব্যৱহাৰৰ পৰিমান আছিল 12.4 শতাংশ মাত্ৰ। 15 শতাংশ কৃষকেগোটেই বছৰ ধৰি একাধিক শস্যৰ সৈতে এক ধৰণৰ কৃষি পদ্ধতি অনুসৰণ কৰিছে আনহাতে 68 শতাংশ হিতাধিকাৰীয়ে জলসিঞ্চন প্ৰকল্পৰ পৰা পানী পাইছিল। যাহওঁক, মাত্ৰ সমীক্ষাকৃত কৃষকৰ 23 শতাংশই উল্লেখ কৰিছিল যে তেওঁলোকে শুকান বতৰ সময়ছোৱাতো জলসিঞ্চনৰ পানী পাইছিল। (অক্টোবৰৰ পৰা মাৰ্চলৈ)

শালিধানৰ গড় বৃদ্ধি 18 শতাংশ আৰু বৰোধানৰ উৎপাদন 37 শতাংশৰ সৈতে ধান খেতিত বৰ্দ্ধিত শস্যৰ উৎপাদন দেখা গৈছিল। 60 শতাংশ কৃষকে জলসিঞ্চনৰ পিছত তেওঁলোকৰ আয় বিগত পাছ বছৰত বৃদ্ধি হৈছে বুলি জনাইছিল। গৰিষ্ঠসংখ্যক কৃষকে জনাইছিল যে কৃষিকাৰ্যৰ পৰা অৰ্জন কৰা আয় তেওঁলোকৰ জীৱন নিৰ্বাহৰ বাবে পৰ্য্যাপ্ত নহয় ই জলসিঞ্চনৰ প্ৰকল্পৰ সফল ৰূপায়নৰ প্ৰয়োজনীয়তাৰ গুৰুত্ব আৰোপ কৰে।

(দফা 2.2.7.2)

পুঁজি সমূহৰ আৰু জল ব্যৱহাৰকাৰীৰ সংস্থাৰ অভাৱৰ বাবে প্ৰকল্পটোৰ পৰিকল্পনাত প্ৰভাৱ পৰিছিল যাৰ ভূমিকা আছিল জলসিঞ্চন আঁচনিৰ সঞ্চালনত কৃষকৰ অংশগ্ৰহণৰ নিশ্চিতি আৰু ফলত প্ৰকল্পসমূহৰ পৰিপালন কাৰ্যকৰী নাছিল। ৰাজ্য চৰকাৰে বাকী থকা দেয়সমূহৰ জলসিঞ্চনসেৱা মাচুলৰ সমীক্ষা কৰিবলৈ কোনো ব্যৱস্থা লোৱা নাছিল যিটোৱে প্ৰকল্পসমূহৰ পৰিপালনত প্ৰভাৱ পেলাইছিল।

(দফা 2.2.8.3)

2.2.1 সূচনা

অসমত প্ৰচুৰ পৰিমানে বৃষ্টিপাত হয়,তথাপিতো বাৰিষাৰ পিছত যথেষ্ঠ পৰিমানৰ পতিত ভূমি দেখা যায়। ৰাজ্যখনত বছৰি গড়ে 2,000 মি.মি তকৈয়ো বেছি পৰিমানৰ বৰষুণ হয়। ৰাজ্যখনত বৃষ্টিপাতৰ তীব্ৰতা এপ্ৰিলৰ পৰা অক্টোবৰলৈ স্বাভাৱিক ভাৱে খুব বেছি হয়। শস্যৰ শ্ৰীবৃদ্ধিৰ প্ৰথম অৱস্থাত যদি পানীৰ নাটনি হয়, শস্য পূৰঠ হোৱাত বিলম্ব হয় আৰু উৎপাদনত ঋণাত্মক প্ৰভাৱ পেলায়। একেধৰণে শেষৰ ফালে আৰ্দ্ৰতা কম হ'লে উৎপাদনৰ গুণগত মানদণ্ডত যথেষ্ঠ পৰিমাণে প্ৰভাৱিত কৰে। বৃহৎ পৰিমানৰ পতিত ভূমি আৰু

অনিয়মীয়া বৃষ্টিপাতৰ বাবে কম উৎপাদনশীলতা, এই দুয়োটা প্ৰত্যাহ্বানৰ নিশ্চিত জলসিঞ্চনৰ মাধ্যমেৰে মেকাবিলা কৰিব পৰা যায় যিটো অসমৰ ক্ষেত্ৰত কৃষক সকলক দুটা / বহুমুখী কৃষিকাৰ্যত জড়িত কৰাৰ কাৰণেও অতিকে দৰকাৰী।

মাৰ্চ 2019 পৰ্যন্ত অসমৰ ভৌগলিক এলেকা হৈছে 78.44 লাখ হেক্টৰ (হেঃ) আৰু জলসিঞ্চনৰ চূড়ান্ত সম্ভাৱনীয়তা (আই পি) 27 লাখ হেঃ নিৰ্দ্ধাৰিণ কৰা হৈছে। আই পি ৰ 27 লাখ হেঃ ৰ ভিতৰত 17 লাখ হেঃ য'ত 10 লাখ হেঃ ভূ- গৰ্ভস্থ জল আৰু 7 লাখ হেঃ ভূ-পৃষ্ঠীয় ক্ষুদ্ৰ জলসিঞ্চন আঁচনি যোগেদি সামৰি লোৱাৰ কথা ভৰা হৈছিল। অৱশিষ্ট 10 লাখ হেঃ ভূ- পৃষ্ঠৰ জলৰ উৎসৰ পৰা বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্পৰ যোগেদি সামৰি লোৱাৰ পৰিকল্পনা কৰা হৈছিল।

মাৰ্চ 2019 পৰ্যন্ত, আই পি ৰ 10.07 লাখ হেঃ প্ৰকৃততে সৃষ্টি কৰা আই পি ৰ ভিতৰত ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ যোগে সৃষ্টিকৰাৰ পৰিমান আছিল 7.34 লাখ হেক্টৰ (সৃষ্টি কৰা সৰ্বমুঠ আই পি ৰ 78 শতাংশ)। ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প সমুহৰ এক উৎস হিচাপে ভূ-পৃষ্ঠৰ জলক চূড়ান্ত জলসিঞ্চনৰ সম্ভাৱনীয়তা মূল্যায়নৰ ক্ষেত্ৰত প্ৰায় সম্পূৰ্ণৰূপে অৱজ্ঞা কৰা হৈছে। ভূ- পৃষ্ঠীয় জলৰ ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সমুহৰ প্ৰকৃততে সৃষ্টি হোৱা আই পি ৰ পৰিমাণ হ'ল 6.45 লাখ হেক্টৰ, যিটো চূড়ান্ত ভাৱে নিদ্ধাৰণ কৰা আই পি ৰ 92 শতাংশ, সেয়েহে অসমত ভূ-পৃষ্ঠীয় জলৰ ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সমুহৰ ফলাফল নিৰ্ণয় কৰাৰ এইটোৱেই সঠিক সময়।

তাৰোপৰি উত্তৰ পূব আৰু পাৰ্বত্য অঞ্চলত পি এম কে এচ ওৱাই (2017)ৰ উপাংশ নিম্নতম পানীৰ প্ৰয়োগেৰে অধিক শস্য (ক্ষুদ্ৰ জলসিঞ্চনৰ) ৰ পৰিধি দুৰ্বল আন্তঃগাথনি আৰু কঠিন ভূ-পৃষ্ঠৰ বাবে কম পৰিমানৰ আছিল। 2020-21 ৰ বাবে বাৰ্ষিক কাৰ্যব্যৱস্থা পৰিকল্পনা অনুসৰি পি এম কে এচ ওৱাই ৰ অধীনত নিম্নতম পানীৰ প্ৰয়োগেৰে অধিক শস্য (পি ডি এম চি) ৰ ক্ষুদ্ৰ জলসিঞ্চন উপাংশৰ বাবে চৰকাৰে প্ৰধানকৈ উদ্যানমূলক শস্য যেনে- ষ্ট্ৰবেৰী, শাক-পাচলি, কুঁহিয়াৰ, কল, অমিতা, অসমৰ নেমু, লিচু, প্লাম,তেল, কাজুবাদাম, ফুল, সৰিয়হ, মাহ আৰু চাহপাতৰ বাবে ড্ৰীপ জলসিঞ্চন আৰু স্পীকলাৰ জলসিঞ্চনৰ পৰিকল্পনা কৰিছিল। অসমত, ধানৰ দৰে প্ৰধান শস্যৰ পৰিকল্পনা ক্ষুদ্ৰ জলসিঞ্চনত নাছিল। আমাৰ হিচাপ পৰীক্ষাৰ বিষয় আছিল ভূ-পৃষ্ঠৰ জলভাগৰ ওপৰত ভিত্তি কৰি সুক্ষ্ম জলসিঞ্চন প্ৰকল্প য'ত ক্ষুদ্ৰ জলসিঞ্চন আঁচনি ৰূপায়িত কৰা নাই।

ৰাজ্যখনে 2022 ৰ ভিতৰত কৃষকৰ আয় দুগুণ কৰিবলৈ আৰু 2030 ৰ ভিতৰত জলসিঞ্চনৰ সম্ভাৱনীয়তা 27 লাখ হেক্টৰলৈ বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা কৰিছে।

2.2.2 জলসিঞ্চনৰ তথ্যৰ পটভূমি

জলসিঞ্চনৰ উৎস সমুহ হ'ল (i) ভূ-পৃষ্ঠীয় জল (নদী আৰু ইয়াৰ উপনদী সমুহ) (ii) ভূ-গৰ্ভস্থ জল আৰু (iii) বৃষ্টিপাত বা ওপৰৰ উৎস সমুহৰ সংমিশ্ৰণ। বৰষুণৰ পানী নিৰ্ভৰশীল কৃষি; য'ত জলসিঞ্চনৰ ব্যৱহাৰ নহয়, বৃষ্টিপাতৰ তাৰতম্যতা অনুযায়ী পৰিৱৰ্তনৰ ক্ষেত্ৰত অধিক সংবেদনশীল হয়। ভূ-গৰ্ভস্থ জল বা বৰষুণৰ পানীৰ সৈতে ভূ-গৰ্ভস্থ জলৰ সংমিশ্ৰণৰ ওপৰত সম্পূৰ্ণভাৱে নিৰ্ভৰশীল জলসিঞ্চন বিশ্বাস যোগ্য নহয় কাৰণ ভূ-গৰ্ভস্থ জলৰ স্তৰ যদি বেছিকৈ নামি যায় তেতিয়া কুঁৱা সমূহ শুকাই যাব পাৰে। আনহাতে ভূ-পৃষ্ঠীয় জলসিঞ্চন ব্যৱস্থা বেছি নিৰ্ভৰযোগ্য কাৰণ ইয়াৰ উৎস হিচাপে প্ৰাকৃতিক নদীসমুহ বা খাল / জলাশয় সমুহৰ

পৰা পানী আহৰণ কৰে। জলসিঞ্চন নেটৰ্ৱকত মূলত প্ৰধান খাল, ক্ষুদ্ৰ আৰু উপগৌণ খাল আৰু বিতৰণকাৰী নেটৱৰ্ক (পথাৰৰ নলা পৰ্যন্ত) অন্তৰ্ভূক্ত হব। ৰাজ্যখনৰ, পৃষ্ঠীয় জলসিঞ্চন দুই ধৰণৰ প্ৰকল্পৰে গঠিত-

i. **ভূ-পৃষ্ঠীয় প্ৰৱাহিত জলসিঞ্চন আঁচনি (এফ.আই.এচ.)** হৈছে ভূ-পৃষ্ঠীয় মধ্যাকৰ্ষণৰ প্ৰৱাহৰ যোগে নলা পদ্ধতিৰে জলবিতৰণৰ বাবে নদীৰ দুয়োপাৰ সংযোগী বান্ধ[25] নিৰ্মাণেৰে সোঁত সলনিৰ কাৰ্যকৰী কৰা এক ধৰণৰ জলসিঞ্চন আঁচনি।

ii. **ভূ-পৃষ্ঠীয় উত্তোলক জলসিঞ্চন আঁচনি (এল.আই.এচ.)** ৰ ক্ষেত্ৰতো জল উত্তোলন (পাম্পছেটৰ যোগেদি) ৰ দ্বাৰা নদী, হ্ৰদ বা জলাশয় ইত্যাদি ভূ-পৃষ্ঠীয় জল উৎস সমূহৰ পৰা জল আহৰণ কৰা হয় আৰু নলা ব্যৱস্থাৰে জল বিতৰণ কৰা হয়।

2.2.3 জলসিঞ্চন বিভাগ- গঠন আৰু কাৰ্য-প্ৰণালী

অসম চৰকাৰ জি অ' এ ৰ জলসিঞ্চন বিভাগে জলসিঞ্চন প্ৰকল্পই সামৰি লোৱা এলেকাৰ[26] ওপৰত ভিত্তি কৰি বৃহৎ, মজলীয়া আৰু ক্ষুদ্ৰৰ জলসিঞ্চন আঁচনি হিচাপে শ্ৰেণী বিভাজন কৰা জলসিঞ্চন আঁচনি সমুহৰ পৰিকল্পনা আৰু চোৰাচিতাৰ বাবেও দায়বদ্ধ। বিভাগটোৰ প্ৰাথমিক লক্ষ্য হৈছে কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবে সৃষ্টি কৰা জলসিঞ্চনৰ সম্ভাৱনীয়তা সমুহৰ ব্যৱহাৰ সুনিশ্চিত কৰা আৰু লগতে পথাৰ সমুহত সময়মতে আৰু নিশ্চিত জলসিঞ্চনৰ ব্যৱস্থা কৰি বহুমূখী কৃষিৰ বাবে কৃষকক উৎসাহিত কৰা। বিভাগে হাতত লোৱা কাম সমুহ কাৰ্যকৰী কৰণৰ ক্ষেত্ৰত **চিত্ৰ তালিকা** *2.1.*ত দেখুওঁৱা ধৰণে বিভিন্ন স্তৰত বিভিন্ন বিষয়া সকলে মূখ্য অভিযন্তাক সহযোগিতা কৰে।

চিত্ৰ তালিকা 2.1: জলসিঞ্চন বিভাগৰ সাংগঠনিক গাঁথনিৰ চিত্ৰ তালিকা



25 এটি পথালি বান্ধ বা কম উচ্চতাৰ বান্ধ হৈছে নদীৰ প্ৰস্থক সামৰি লোৱা এক বাধা যিয়ে পানীৰ প্ৰৱাহৰ বৈশিষ্ট্য সমুহক পৰিবৰ্তন কৰে আৰু সাধাৰনতে নদীৰ উচ্চতাৰ স্তৰ সলনি হয়।

26 বৃহৎঃ 10,000 হেক্টৰ (হেঃ) ৰ অধিক, মজলীয়া ঃ2,000 আৰু 10,000 হেঃ ৰ ভিতৰত, ক্ষুদ্ৰঃ 2,000 হেঃ তলত

2.2.4 হিচাপ পৰীক্ষাৰ গাঁথনি

2.2.4.1 হিচাপ পৰীক্ষাৰ উদ্দেশ্য সমূহ

ভূ-পৃষ্ঠীয় জলসিঞ্চনৰ ফলাফলৰ হিচাপ পৰীক্ষাই এইটো নিশ্চিত কৰিব বিছাৰিছিল যাতেঃ

- জলসিঞ্চন আঁচনি সমূহ মিতব্যয়ী আৰু কাৰ্যকৰী ভাৱে পৰিকল্পনা আৰু ৰূপায়ন কৰা হৈছিল;
- আঁচনিসমূহ যথাযথভাৱে চোৱাচিতা কৰা হৈছিল আৰু সৃষ্টি আৰু জলসিঞ্চনৰ সম্ভাৱনীয়তা সমূহ পাৰদৰ্শিতাৰে ব্যৱহাৰ কৰা হৈছিল।
- লক্ষ্য নিৰ্দ্ধাৰিত হিতাধিকাৰী সকললৈ জলসিঞ্চন আঁচনিৰ লাভ সমূহ স্থায়ীভাৱে প্ৰসাৰণ কৰিবলৈ সকলো স্তৰৰ অংশীদাৰী সকলৰ সৈতে সু- সমন্বয় নিশ্চিত কৰা হয়।
- আই পি সৃষ্টিৰ পৰ্যবেক্ষণ আৰু ইয়াৰ ব্যৱহাৰ কাৰ্যকৰী ধৰণে কৰা হৈছে।

2.2.4.2 হিচাপ পৰীক্ষাৰ মাপকাঠী

হিচাপ পৰীক্ষাৰ মাপকাঠী নিম্নলিখিত সমুহৰ পৰা প্ৰস্তুত কৰা হৈছিল

- অসমৰ গড়কাপ্তানি বিভাগৰ হাতপুথি, এ পি ডব্লিউ দি নিয়মাৱলী;
- অসম জলসিঞ্চন আইন, 1983 আৰু অসম জলসিঞ্চন বিধি, 1997;
- অসম জলসিঞ্চন জল ব্যৱহাৰ আইন, 2004;
- অসম বিত্তীয় বিধি ;
- জলসিঞ্চন আঁচনিৰ বিভিন্ন নীতি- নিৰ্দেশনাৱলী;
- অৰ্থনৈতিক জৰীপৰ প্ৰতিবেদন সমুহ, আসম চৰকাৰৰ পৰিসংখ্যা হাত-পুথি সমূহ ;
- অসম চৰকাৰ, জলসম্পদ মন্ত্ৰালয় (এম অ' ডব্লিউ আৰ), আৰু কেন্দ্ৰীয় জল আয়োগ (চি ডব্লিউ চি) ৰ দ্বাৰা জাৰি কৰা আন্যান্য সম্পৰ্কিত বিজ্ঞপ্তি / নিৰ্দেশনাৱলী।

2.2.4.3 হিচাপ পৰীক্ষাৰ পৰিসৰ আৰু পদ্ধতিতত্ব

ভূ-পৃষ্ঠীয় জলসিঞ্চনৰ ক্ষেত্ৰত প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পিছতহে ফলাফল অৰ্জন কৰিব পৰা যায় আৰু সেয়েহে লাভ অৰ্জনৰ মূল্যায়ন কৰিবলৈ 01 জানুৱাৰী 2011 আৰু 31 মাৰ্চ 2017 ৰ ভিতৰত সম্পূৰ্ণ হোৱা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি[27] সমুহ সামৰি লোৱা হৈছিল।

ৰাজ্য চৰকাৰৰ জলসিঞ্চন আৰু কৃষি বিভাগৰ প্ৰতিনিধি সকলৰ সৈতে এখন প্ৰাৰম্ভিক বৈঠক অনুষ্ঠিত হৈছিল (05- নৱেম্বৰ-2019) য'ত হিচাপ পৰীক্ষাৰ পদ্ধতিতত্ব, হিচাপ পৰীক্ষাৰ পৰিসৰ, হিচাপ পৰীক্ষাৰ লক্ষ্য আৰু হিচাপ পৰীক্ষাৰ মাপকাঠী সমুহ ব্যাখ্যা কৰা হৈছিল। পৰৱৰ্ত্তী দফা সমুহত উল্লেখ কৰা নমুনাকৰণ পদ্ধতিতত্ব অনুসাৰে বাচনি কৰা ছটা জলসিঞ্চন সংমণ্ডলৰ মূখ্য অভিযন্তা (চি ই), জলসিঞ্চন আৰু কাৰ্যবাহী অভিযন্তা (ই ই এচ) সকলৰ কাৰ্য্যালয়ৰ 2011-19 ৰ সময়ছোৱাৰ নথি-পত্ৰৰ বাচনি পৰীক্ষা আগষ্ট 2019 আৰু মাৰ্চ 2020 ৰ ভিতৰত সম্পন্ন কৰা হৈছিল।

[27] বৃহৎ, মজলীয়া আৰু ক্ষুদ্ৰ আঁচনি সমুহৰ ভিতৰত 01.01.2011 ৰ পৰা 31.03.2017 লৈকে সময়ছোৱাত কেৱল ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সমুহে সম্পূৰ্ণ হৈছিল

জলসিঞ্চন বিভাগৰ বাহিৰেও শস্যৰ প্ৰকাৰ নিৰ্বাচন, কৃষি কাৰ্যৰ আহিলা-পাতি যোগান, কৃষি উৎপাদন, কৃষকলৈ আগবঢ়োৱা সেৱাৰ সম্প্ৰসাৰণ আৰু বিপনন সম্পৰ্কত কৃষি সঞ্চালক আৰু জিলা কৃষি বিষয়া[28] সকলৰ কাৰ্য্যালয় সমূহকো হিচাপ পৰীক্ষাত সামৰি লোৱা হৈছিল। তৃণমূল পৰ্যায়ত প্ৰত্যাশিত ফলাফল অৰ্জনৰ মাত্ৰা নিৰ্দ্ধাৰণৰ বাবে সংশ্লিষ্ট এলেকাৰ কৃষক সকলৰ হিতাধিকাৰীৰ সমীক্ষাৰ লগতে বাচনিকৃত প্ৰকল্প সমূহৰ যৌথ ক্ষেত্ৰ পৰিদৰ্শন কৰা হৈছিল।

সামৰণি বৈঠকৰ চৰকাৰ সৈতে খচৰা পি এ সম্বন্ধে আলোচনা কৰা হৈছিল (11 আগষ্ট 2020) আৰু সামৰণি বৈঠকত জি অ' এ ৰ প্ৰতিনিধি সকলে আগবঢ়েৱা মতামত সমূহ যথা স্থানত সন্নিবিষ্ট কৰা হৈছে।

2.2.4.4 নমুনাকৰণ আৰু হিচাপ পৰীক্ষাই সামৰিলোৱা বিষয়

01 জানুৱাৰী 2011 ৰ পৰা 31 মাৰ্চ 2017 লৈকে সময়ছোৱাত সম্পূৰ্ণ হোৱা জলসিঞ্চন প্ৰকল্প সমূহ হিচাপ পৰীক্ষাত সামৰি লোৱা হৈছিল। 2,134 টা ক্ষুদ্ৰ ভূ-পৃষ্ঠৰ জলসিঞ্চন আঁচনিৰ ভিতৰত হিচাপ পৰীক্ষাৰ এই সময়ছোৱাত 3,86,009.18 হেক্টৰ আই পি সৃষ্টি কৰি 3,273.58 কোটি টকা[29] ব্যয় সপেক্ষে 1,144 টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সম্পূৰ্ণ হৈছিল। এই সমুহৰ ভিতৰত পৰ্যায়ক্ৰমে যাদৃশ্বিক নমুমাকৰণ পদ্ধতিৰ ভিত্তিত বাচনি কৰা 73 টা প্ৰকল্পৰ হিচাপ পৰীক্ষা কৰা হৈছিল।

প্ৰকল্প সমূহৰ এক প্ৰতিনিধিত্ব মূলক নমুনাকৰণৰ উদ্দেশ্যত উপনীত হ'বলৈ নমুনাকৰণ পৰিকল্পনা প্ৰস্তুত কৰা হৈছিল, যিয়ে অসমৰ ভৌগলিক আৰু কৃষি জলবায়ুৰ বৈচিত্ৰতাক প্ৰতিফলিত কৰিব পাৰে। যিহেতু প্ৰত্যকটো ক্ষুদ্ৰ জলসিঞ্চন আঁচনিয়ে কেইখনমান সৰু গাঁৱতহে যোগান ধৰা হয় আৰু সেয়ে হিচাপ পৰীক্ষাৰ পাৰদৰ্শিতাৰ বাবে স্তৰীকৃত-শ্ৰেণীবিভাজন পদ্ধতি অনুসৰণ কৰা হৈছিল। নমুনাৰ আকাৰ তলৰ **সাৰণী *2.1A*** ত সংক্ষিপ্ত ভাৱে দিয়া হ'লঃ

সাৰণী 2.1A: নমুনাৰ আকাৰৰ সবিশেষ

অসমত মুঠ জলসিঞ্চন সংমণ্ডল	বাচনি কৰা জলসিঞ্চন সংমণ্ডল	হিচাপ পৰীক্ষাৰ সময়ছোৱাৰ সম্পূৰ্ণ হোৱা প্ৰকল্প সমূহ	সম্পূৰ্ণ হোৱা প্ৰকল্পৰ সমুহৰ হিচাপ পৰীক্ষাৰ নমূনা	সৃষ্টি কৰা মুঠ আই পি		বাচনিকৃত 73টা প্ৰকল্পৰ ব্যয় (কোটি টকাত)
				1144 টা প্ৰকল্পত	বাচনিকৃত 73 টা প্ৰকল্প	
46	6	1,144	73	3,86,009 হেক্টৰ	29,497 হেক্টৰ	299.70

ছয় টা কাৰ্যকৰী সংমণ্ডলৰ পৰা বাছনি কৰা প্ৰকল্প সমূহৰ ভিতৰত **পৰিশিষ্ট 2.1** ত প্ৰদৰ্শিত মান চিত্ৰত উল্লেখিত 33 খন জিলাৰ ভিতৰত সাত খন জিলা (কোকৰাঝাৰ, চিৰাং, ওদালগুৰি, কাৰ্বিআংলং, মৰিগাঁও যোৰহাট, কাছাৰ)ক সামৰি লোৱা হৈছিল।

[28] ডি এ ও, কাছাৰ, চিৰাং, যোৰহাট, কাৰ্বিআংলং, কোকৰাঝাৰ, মৰিগাওঁ আৰু ওদালগুৰি

[29] মাৰ্চ 2019 পৰ্যন্ত 2,743.58 কোটি টকা আদায় দিয়া হৈছিল, বাকী পৰিমানটো আদায় দিবলগীয়া আছিল।

2.2.4.5 হিচাপ পৰীক্ষাৰ সীমাবদ্ধতা

জলসিঞ্চন প্ৰকল্পৰ প্ৰস্তাৱ সম্ভাৱনীয়তা অধ্যয়ন আৰু ক্ষেত্ৰ সমীক্ষাৰ ওপৰত ভিত্তি কৰি মূল্যায়ন কৰিব লগা আছিল। নিয়ন্ত্ৰিত এলেকাৰ মানচিত্ৰ অংকন, ভূ-কাৰীকৰী অনুসন্ধান ইত্যাদিৰ পিছত, বিস্তৃত নমুনাৰ প্ৰাক্কলন প্ৰতিবেদন, সেই অনুসৰি মঞ্জুৰীৰ বাবে প্ৰস্তুত কৰা হৈছিল।

জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তা (আৰ.আৰ.) য়ে বিস্তৃত প্ৰকল্প প্ৰতিবেদন (ডি.পি.আৰ) সম্ভাৱনীয়তাৰ অধ্যয়নৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰিব লগা আছিল আৰু ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প প্ৰণামনিক অনুমোদন (এ.এ.) আৰু কাৰিকৰী মঞ্জুৰীৰ (টি.এচ.) বাবে প্ৰস্তাৱ। 73 নমুনাকৃত প্ৰকল্পৰ জি.পি.আৰ সমূহৰ আমাৰ সমীক্ষাই বৰ্ণনা কৰিছিল যে ওপৰোক্ত সম্ভাৱনীয়তা অধ্যয়ন কৰা হৈছিল যাৰ ওপৰত ভিত্তি কৰি জি.অ'. আই য়ে এম. আই. প্ৰকল্পসমূহ অনুমোদন কৰিছিল। যাহওঁক সম্ভাৱনীয়তা অধ্যয়ন আৰু ক্ষেত্ৰ সমীক্ষা সম্বন্ধীয় সমৰ্থিত নথিপত্ৰ[30] লিপিবদ্ধ নথিত পোৱা হোৱা নাছিল বা হিচাপ পৰীক্ষালৈ যোগান দিয়া নাছিল। এনেদৰে পূৰ্ব প্ৰকল্প অধ্যয়নৰ সম্বন্ধে তথ্যৰ অবিহনে প্ৰকল্পসমূহৰ কাৰিকৰী সম্ভাৱনীয়তা হিচাপ পৰীক্ষাৰ সময়ত পৰীক্ষা কৰিব পৰা নাছিল।

2.2.5 হিচাপ পৰীক্ষাৰ উদ্‌ঘাটন সমূহ

2.2.5.1 জলসিঞ্চন আঁচনি সমূহলৈ পুঁজিৰ যোগান

2014-19 সময়ছোৱাত জলসিঞ্চনৰ ওপৰত মুঠ ব্যয়[31] আছিল 2,967.80 কোটি টকা (2,043.30কোটি টকা ৰাজহুৱা অধীনত আৰু 924.46 কোটি টকা মুলধনৰ অধীনত) অসম চৰকাৰে ৰাজ্যখনৰ জলসিঞ্চন সম্ভাৱনা বিকাশৰ বাবে আৰু উপৰোক্ত লক্ষ্যসমূহত উপনীত হোৱাৰ বাবে একাধিক পুঁজিৰ উৎস সমূহৰ সন্ধান কৰিছে। ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প সমূহ ত্বৰান্বিত জলসিঞ্চন লাভ আঁচনি (এ আই বি পি), পি এম কৃষি সিচাঁই যোজনা (পি এম কে এচ ওৱাই), তামাদি বিহীন কেন্দ্ৰীয় পুঁজিৰ উৎস (এন এল চি পি আৰ), ৰ পৰা সাহাৰ্য, কৃষি আৰু গ্ৰামোন্নয়ণৰ ৰাষ্ট্ৰীয় বেংক (নাবাৰ্ড) ৰ গ্ৰাম্য আন্তঃগাথনি উন্নয়ণ পুঁজি (আৰ আই দি এফ) প্ৰভৱিত এলেকা উন্নয়ণ আৰু জলসিঞ্চন ব্যৱস্থাপনা (চি এ দি ডব্লিউ এম) আঁচনি, উত্তৰ পূৰ্ব্বাঞ্চল পৰিষদ (এন ই চি) আঁচনি আৰু বিশ্ব বেংকৰ সাহাৰ্যপ্ৰাপ্ত কৃষি সেৱাৰ বাবে অসম আন্তঃগাথনি (এ আৰ আই এ এচ) আঁচনি আদিৰ দৰে আঁচনি সমুহৰ লগতে ৰাজ্যিক পৰিকল্পনা আঁচনিৰ যোগেদি পুঁজিৰ যোগান ধৰা হয়। মজলীয়া জলসিঞ্চন ক্ষুদ্ৰ জলসিঞ্চন আৰু প্ৰভাৱিত এলেকা উন্নয়ন (চি এ ডি)ৰ অধীনত 2014-15 ৰ পৰা 2018-19 ৰ সময়ছোৱাত ধাৰ্য্য কৰা মুঠ বাজেটৰ পৰিমান আছিল 7,219.48 কোটি টকা আৰু মুঠ খৰচৰ পৰিমান আছিল 2,922.97কোটি টকা আৰু আঁচনিসমূহৰ সবিশেষ ***সাৰণী 2.2*** ত দিয়া হ'লঃ

[30] জৰীপৰ তাৰিখ, নদীৰ পানীৰ তথ্যৰ উৎস, বৰষুণৰ তথ্য, জৰীপ কাৰ্য্যৰ বাবে নিয়োজিত ব্যক্তি ইত্যাদি

[31] অনুদান নং 49 আৰু 44 ৰ আধাৰত ব্যয়ৰ ৰাশি।

সাৰণী 2.2: বাজেট ব্যৱস্থাপনা আৰু ব্যয়

(কোটি টকাত)

বছৰ			2014-15	2015-16	2016-17	2017-18	2018-19	Total
মধ্যম	ৰাজহ	আৱন্টন	120.38	121.89	112.74	117.32	120.72	**593.05**
		ব্যয়	78.63	73.02	79.20	84.77	92.78	**408.40**
	মূলধন	আৱন্টন	115.80	100.18	114.20	39.05	95.45	**464.68**
		ব্যয়	69.67	55.02	7.09	1.36	2.94	**136.08**
ক্ষুদ্ৰ	ৰাজহ	আৱন্টন	432.80	421.58	376.92	446.65	441.00	**2118.95**
		ব্যয়	308.55	292.56	315.22	343.24	356.78	**1616.35**
	মূলধন	আৱন্টন	600.02	803.12	940.14	387.99	967.71	**3698.98**
		ব্যয়	283.04	96.78	197.71	74.47	70.65	**722.65**
চি.এ.ডি.	ৰাজহ	আৱন্টন	4.09	4.42	4.09	5.16	5.33	**23.09**
		ব্যয়	3.37	3.25	3.53	4.40	4.00	**18.55**
	মূলধন	আৱন্টন	41.60	81.50	77.09	39.99	80.55	**320.73**
		ব্যয়	1.79	0	6.27	2.73	10.15	**20.94**

ওপৰোক্ত তথ্য সমূহৰ উপৰিও 2014-19 অৱধিৰ সময়ছোৱাত এ.ই.চি. পুঁজি সমূহৰ পৰা 44.76 কোটি টকা (মূলধনী ব্যয়) খৰচ কৰা হৈছিল।

উৎস ঃ বিস্তৃত বিনিয়োজনৰ হিচাপ সমূহ

73 টা নমুনাকৃত প্ৰকল্পৰ বাবে আঁচনি অনুসৰি ব্যয় তলৰ **সাৰণী** *2.3* ত দিয়া হ'ল

সাৰণী 2.3: বাচনিকৃত আঁচনি সমূহৰ আঁচনি অনুসৰি ব্যয়

নমুনাকৃত প্ৰকল্পসমুহ	পুঁজিৰ উৎস	আঁচনিৰ নাম/ পুঁজি যোগানকাৰী অভিকৰণ	প্ৰকল্পৰ সংখ্যা	ব্যয় (কোটি টকাত)
সম্পূৰ্ণ হোৱা 73 টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি	কেন্দ্ৰ	এ আই বি পি	52	246.42
		এন ই চি,	1	4.18
		এন এল চি পি আৰ	1	19.14
	প্ৰতিস্থান	নাবাৰ্ড	5	21.70
	ৰাজ্য	এচ চি উপ আঁচনি	11	6.76
		জনজাতি উপ আঁচনি	3	1.51
		মুঠ	**73**	**299.71**

উৎস ঃ বিভাগীয় তথ্য সমূহ

ওপৰৰ তথ্যৰ পৰা দেখা যায় যে নাৰ্বাডৰ দ্বাৰা পৰৱৰ্ত্তী স্থানত পুঁজি যোগানেৰে চি এচ অ' ৰ পৃষ্ঠপোষকতা কৰা এ আই বি পি আঁচনিৰ পৰা সৰ্বাধিক পুঁজি যোগান হৈছিল। 73 টা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ গড় মুল্য আছিল প্ৰতিটোত 4.11 কোটি টকা। নিৰ্ধাৰিত মুল্যতকৈ কোনো প্ৰভেদ নাছিল। নমুনাকৃত প্ৰকল্পৰ মুল্য 0.22 কোটি টকাৰ পৰা 19.14 কোটি টকা পৰিষৰলৈ প্ৰভেদ আছিল। মুল্য অনুযায়ী প্ৰকল্প সমূহৰ স্তৰীকৰণ কাষত দিয়া সাৰণী ত দেখুওৱা হ'ল।

প্ৰকল্পৰ ব্যয়ৰ স্তৰ	প্ৰকল্পৰ সংখ্যা
2 কোটি টকা পৰ্য্যন্ত	26
2-4 কোটি টকা	11
4-6 কোটি টকা	19
6-8 কোটি টকা	8
8-10 কোটি টকা	8
10 কোটি টকাৰ অধিক	1
মুঠ	**73**

2.2.5.2 প্ৰকল্প সমূহৰ কাৰ্যকৰীকৰণ

জলসিঞ্চন বিভাগৰ দ্বাৰা চৰকাৰী জলসিঞ্চন আঁচনিৰ জৰিয়তে সৃষ্টি কৰা আই পি তলত দিয়া দৰে আছিলঃ

পৰিমাণ হেক্টৰত

বছৰ	বৃহৎ আৰু মধ্যম জলসিঞ্চন	ক্ষুদ্ৰ জলসিঞ্চন	মুঠ
2010-11	4,426	16,456	20,882
2011-12	10,678	15,029	25,707
2012-13	270	9,485	9,755
2013-14	8,000	11,713	19,713
2014-15	16,170	38,774	54,944
2015-16	-	24,935	24,935
2016-17	640	21,050	21,690
6 বছৰৰ সময়ছোৱাত সৃষ্টি হোৱা বৃদ্ধি সম্বন্ধীয় আই পি	**40,184**	**1,37,442**	**1,77,626**
মাৰ্চৰ সমাপ্তিত সৃষ্টি কৰা মুঠ আই পি	**2,79,423**	**6,74,117**	**9,53,540**
মাৰ্চ 2017 পৰ্যন্ত মুঠ আই পি ৰ আংশিক বৃদ্ধি সম্বন্ধীয় সৃজন (2010-11 ৰ পৰা 2016-17 লৈ সময়ছোৱাত)	**14.4 শতাংশ**	**20.4 শতাংশ**	**18.6 শতাংশ**

অৰ্থনৈতিক সমীক্ষা অসম 2017-18 (সাৰণী 6.1, আৰু 6.2)

ওপৰৰ সাৰণীৰ পৰা প্ৰমাণ হয় যে অসমত মুঠ জলসিঞ্চন সম্ভাৱনীয়তা মাৰ্চ 2017 লৈ 9,53,540 হেক্টৰলৈ প্ৰাপ্ত হ'ব, যাৰ ভিতৰত 6,74,117 হেক্টৰ (70.6 শতাংশ) ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে। 2010 -11 ৰ পৰা 2016-17 লৈ সময়ছোৱাত ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে মুঠ আই পি আছিল 1,37,442 হে. যিটো এই সময়ছোৱাত অসমত সৃষ্টি কৰা মুঠ আই পি ৰ 77.4 শতাংশ। 2010-17 ৰ সময়ছোৱাত বৃদ্ধি সম্বন্ধীয় আই পি বৃহৎ জলসিঞ্চন প্ৰকল্পৰ বাবে 14.45 আৰু ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ বাবে 20.4 শতাংশ আছিল।

জলসিঞ্চন বিভাগে দাখিল কৰা তথ্য অনুসৰি, জানুৱাৰীৰ 2011 পৰা মাৰ্চ 2017 ৰ ভিতৰত 1,144 টা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প সম্পূৰ্ণ হৈছিল, যাৰ ভিতৰত 73 টা সম্পূৰ্ণ হোৱা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প নমুনা মূলকভাৱে হিচাপ পৰীক্ষাৰ বাবে বাচনি কৰা হৈছিল। কিন্তু যৌথ ক্ষেত্ৰ পৰিদৰ্শনৰ সময়ত দেখা গৈছিলযে 73 টা প্ৰকল্পৰ ভিতৰত মাত্ৰ 52 টা প্ৰকল্পহে কাৰ্যকৰী আছিল আৰু 18 টা প্ৰকল্প অ- কাৰ্যকৰী হৈ আছিল। তদুপৰি দুটা প্ৰকল্প[32] জলসিঞ্চনৰ সৈতে জড়িত নাছিল যিহেতু সেইসমূহ বান নিয়ন্ত্ৰণ আৰু নদীৰ দিশ সলনিৰ বাবেহে নিৰ্মাণ কৰা হৈছিল। অৱশিষ্ট এটা প্ৰকল্প[33] যদিও কায়িকভাৱে মাৰ্চ 2016ত সম্পূৰ্ণ হোৱা দেখুৱাইছিল প্ৰকৃততে, জুন 2019 ত হে সম্পূৰ্ণ হৈছিল আৰু পথৰ কালভাৰ্ট নিৰ্মাণ নোহোৱা হেতুকে জানুৱাৰী 2020 ৰ পৰাহে ব্যৱহাৰ হৈছিল।

অকাৰ্যকাৰী 18 টা প্ৰকল্পৰ ভিতৰত, সাত টা প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পিছৰ পৰাই . অ-কাৰ্যকৰী হৈ আছে আৰু 11 টা প্ৰকল্প ক্ষতিগ্ৰস্ত হোৱা বাবে আৰু বিগত তিনি-চাৰি বছৰ ধৰি মেৰামতিৰ অভাৱত অ-কাৰ্যকৰী হৈ আছে। এই অ- কাৰ্যকৰী প্ৰকল্প সমূহত 74.74 কোটি টকা ব্যয় হৈছে আৰু 7,529 হেক্টৰ জলসিঞ্চনৰ সম্ভাৱনীয়তা হেৰুৱাইছে, যিবিলাকৰ সৱিশেষ পৰৱৰ্ত্তী দফা সমূহত আলোচনা কৰা হৈছে।

[32] বেগা এফ আই এচ, টংলা আৰু খাৰজান শ্লুইচগেট, যোৰহাট

[33] মহামায়া এফ আই এচ, কাৰ্বিআংলং

(i) সম্পূৰ্ণ হোৱাৰ পিছৰ পৰাই অ-কাৰ্যকৰী হৈ থকা প্ৰকল্প সমূহ

<table>
<tr>
<td>1. ভোৰাচৰা এফ আই এচ (কোকোৰাঝাৰ জিলা আৰু কোকোৰাঝাৰ সংমণ্ডল) : 1986 চনত চেইনেজ 130 মিটাৰত উজনিৰ সোঁফালৰ এফ্লাক্স বান্ধটো[34] ভাঙি গৈছিল। ভগ্ন অংশটো বন্ধ কৰাৰ লগতে এটা নতুন প্ৰকল্প পুনৰ নিৰ্মাণ কৰা হৈছিল আৰু 8.83 কোটি টকা ব্যয় সাপেক্ষে ডিচেম্বৰ 2013ত নিৰ্মাণ সম্পূৰ্ণ হৈছিল। কিন্তু, আগষ্ট 2014ত অৰ্থাৎ পৰৱৰ্ত্তী বৰ্ষকালত নতুনকৈ নিৰ্মিত বাওঁফালৰ এফ্লাক্স বান্ধটো পুনৰ একেস্থানতে ভাঙিছিল আৰু নলাৰ তলেৰে পানী প্ৰৱাহিত হৈছিল। সংলগ্ন আলোক চিত্ৰত শুকান নলা আৰু তলেৰে প্ৰৱাহিত নদী দেখুওৱা হৈছে।</td>
<td>
</td>
</tr>
<tr>
<td>2. জয়পুৰ এফ আই এচ (কোকোৰাঝাৰ জিলা আৰু কোকোৰাঝাৰ সংমণ্ডল) : আঠটা পথালি নিয়ন্ত্ৰক আৰু এটা নলাৰ মূল নিয়ন্ত্ৰক সহ 2.43 কোটি টকা ব্যয় সাপেক্ষে 29 মাৰ্চ 2012 ত মূল কাম সম্পূৰ্ণ হৈছিল। খাল নিয়ন্ত্ৰকৰ বাহিৰে খালৰ আন্তঃগাথনি নিৰ্মাণ কৰা নাছিল। উজনিৰ বাওঁফালৰ এফ্লাক্স বান্ধটো ভগ্ন অৱস্থাত দেখা গৈছিল আৰু নদীৰ ভগ্ন অংশটোৰে নদীৰ দিশ সলনি হৈছিল যাৰ ফলত প্ৰকল্পটো অ-কাৰ্যকৰী হৈ আছিল।</td>
<td>
</td>
</tr>
<tr>
<td>3. শ্যামদাসগুৰি এফ আই এচ (কোকোৰাঝাৰ জিলা আৰু কোকোৰাঝাৰ সংমণ্ডল) : 6.66কোটি টকা ব্যয় সাপেক্ষে 31. মাৰ্চ 2012 ত প্ৰকল্পটো সম্পূৰ্ণ হৈছিল। উজনিৰ এফ্লাক্স বান্ধৰ উচ্চতা কম হোৱা বাবে সংলগ্ন গাওঁ সমূহ পানীত দুব হৈছিল আৰু সেয়েহে গাওঁবাসীয়ে মূল বান্ধৰ ছাটাৰ গেট বন্ধ কৰিব দিয়া নাছিল।</td>
<td>
</td>
</tr>
<tr>
<td>4. দাদৰা এফ আই এচ (চিৰাং জিলা আৰু কোকোৰাঝাৰ সংমণ্ডল): 2.00 কোটি টকা ব্যয় সাপেক্ষে 31 মাৰ্চ 2012 ত প্ৰকল্পটো সম্পূৰ্ণ হৈছিল। যুটীয়া ক্ষেত্ৰ পৰিদৰ্শনত দেখা গৈছিল যে প্ৰকল্পটোৰ নক্সা অনুসৰি মূল খালৰ নিয়ন্ত্ৰক বাওঁফালৰ পৰিবৰ্তে সোঁ-ফালেহে নিৰ্মাণ কৰিছিল। হিচাপ পৰীক্ষাত দেখা গৈছিল যে নদীটোৰ সোঁ-ফালৰ সৈতে সংলগ্ন কোনো ধৰণৰ সামৰি লবলগীয়া এলেকা নাছিল। ফলস্বৰূপে অনুমোদিত আৰ্হি উলংঘা কৰি প্ৰকল্পটো কাৰ্যকৰী কৰা বাবে প্ৰকল্পটো অ-কাৰ্যকৰী হৈ আছিল।</td>
<td>
</td>
</tr>
</table>

[34] দলং/ কাঠামো নিৰ্মাণৰ ফলত সৃষ্টি বানপানীৰ পৰা নামনি এলেকা সমূহক সুৰক্ষিত কৰাৰ বাবে উজনি আৰু নামনি অঞ্চলত এফ্লাক্স বান্ধ সমূহ দিয়া হয়।

<table>
<tr>
<td>5. ঝাৰগাওঁ এফ আই এচ (ওদালগুৰি জিলা আৰু টংলা সংমণ্ডল): 6.80 কোটি টকা ব্যয় সাপেক্ষে 31 মাৰ্চ 2013 ত প্ৰকল্পটো সম্পূৰ্ণ হৈছিল। প্ৰকল্পটোৰ দুটা প্ৰধান নলা আছিল অৰ্থাৎ বাওঁফালৰ প্ৰধান খাল (এল এম চি) আৰু সোঁ-ফালৰ প্ৰধান খাল (আৰ এম চি) ক্ষেত্ৰ পৰিদৰ্শনৰ সময়ত দেখা গৈছিল যে খালৰ মথাউৰি সমুহ বালি মাটিৰে নিৰ্মাণ কৰা হৈছিল যাৰ বাবে মথাউৰি সমুহ সঘনে ক্ষতিগ্ৰস্ত হৈছিল আৰু প্ৰকল্পটো অ-কাৰ্যকৰী হৈ আছিল। আলোক চিত্ৰত খালৰ অৱস্থিতি দেখা নগ'ল।</td>
<td>
</td>
</tr>
<tr>
<td>6. চেউনী আই এচ (ওদালগুৰি জিলা আৰু টংলা সংমণ্ডল): প্ৰকল্পটো 1.39 কোটি টকা ব্যয় সাপেক্ষে 31. মাৰ্চ 2010 ত সম্পূৰ্ণ হৈছিল। চাটাৰ গেট সমূহ বন্ধ কৰিলে বাওঁফালৰ এফ্লাক্স বান্ধটোৰ ওপৰেৰে পুখুৰীৰ পানী ওপচি পৰি উজনিৰ গাঁওসমুহ ডুবাই পেলাই বাবে উজনিৰ গাঁওবাসীয়ে মূলবান্ধৰ চাটাৰ গেট বন্ধ কৰিব নিদিয়ে। সেয়েহে মূলবান্ধৰ চাটাৰ গেট বন্ধ কৰিব পৰা নগৈছিল আৰু প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ পিছৰে পৰা অ-কাৰ্যকৰী হৈ আছিল।</td>
<td>
</td>
</tr>
<tr>
<td>7. ফুলুগুৰি এফ আই এচ (ওদালগুৰি জিলা আৰু টংলা সংমণ্ডল): 9.90 কোটি টকা ব্যয় সাপেক্ষে কামটো 31 মাৰ্চ 2013ত সম্পূৰ্ণ হৈছিল। মূলবান্ধৰ চাটাৰ গেটৰ বহল কম আছিল আৰু পানীৰ প্ৰৱাহ নিয়ন্ত্ৰণ কৰিবৰৈলে গেট সম্পূৰ্ণভাৱে বন্ধ কৰিব পৰা নাছিল। গেট বন্ধ নোহোৱা বাবে প্ৰভাৱিত এলেকাত পানী যোগান দিয়া নাছিল। সম্পূৰ্ণ হোৱাৰে পৰা প্ৰকল্পটো অ-কাৰ্যকৰী হৈ আছে।</td>
<td>
</td>
</tr>
</table>

(ii) জলসিঞ্চন প্ৰকল্পৰ পৰিপালন

2014-15 ৰ পৰা 2018-19 লৈ সময়ছোৱাত অসমৰ মুখ্য অভিযন্তা (জলসিঞ্চন) ৰ পৰিপালনৰ অধীনত 37.91 কোটি টকা খৰচ কৰিছিল।

বৰ্ষ	ধাৰ্য্যকৰণ	পুঁজি মুকলিকৰণ	ব্যয়
	(কোটি টকা)		
2014-15	9.19	6.97	6.97
2015-16	2.35	2.35	2.35
2016-17	12.22	12.22	12.22
2017-18	14.00	6.86	6.86
2018-19	18.59	9.51	9.51
মুঠ	**56.35**	**37.91**	**37.91**

উৎস ঃ বিভাগীয় পৰিমাণ

হিচাপ পৰীক্ষাৰ সময়ত বাচনিকৃত ছয়টা বিভাগৰ গোটেই কেইটাই উল্লেখ কৰিছিল যে কাৰ্যচালন আৰু পৰিপালনৰ (অ' এণ্ড এম) পৰিকল্পনাৰ অধীনত পুঁজি প্ৰাপ্তি হোৱা নাছিল। হিচাপ পৰীক্ষাই এইটোও লক্ষ্য কৰিছিল যে বাচনিকৃত বিভাগ সমূহৰ দ্বাৰা পৰিপালনৰ বাবে কোনো ব্যয় কৰা নাছিল। বিভাগ সমূহে

এইটোও উল্লেখ কৰিছিল যে বিভাগ সমূহত অ' এণ্ড এম সূচীও প্ৰস্তুত কৰা হোৱা নাছিল। এইটোও লক্ষ্য কৰা হৈছিল যে 39 টা প্ৰকল্পই (52 টা কাৰ্যকৰী প্ৰকল্পৰ ভিতৰত) ওপৰৰ দফা সমূহত আলোচনা কৰাৰ দৰে নলীৰ গঠনত ভগ্নাংশ আৰু অৱৰোধৰ মেৰামতিৰ দৰকাৰ আছিল বাবে সম্পূৰ্ণ জলসিঞ্চনৰ সম্ভাৱনীয়তা ব্যৱহাৰ কৰিব পৰা নাছিল।

আৰম্ভণি বৈঠকৰ সময়ত চৰকাৰৰ প্ৰতিনিধিয়ে উল্লেখ কৰিছিল যে সম্পূৰ্ণ হোৱা প্ৰকল্প সমূহৰ বহন ক্ষমতা বৃদ্ধিৰ বাবে পৰিপালন আৰু মেৰামতিৰ পুঁজি বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আছে।

(iii) ক্ষতিগ্ৰস্ত হোৱা বাবে অ-কাৰ্যকৰী হৈ থকা প্ৰকল্প সমূহ

1. চন্দনা এফ আই এচ(ওদালগুৰি জিলা আৰু টংলা সংমণ্ডল): প্ৰকল্পটো 4.99কোটি টকা ব্যয়ৰ পিছত 31 মাৰ্চ 2012 ত সম্পূৰ্ণ হৈছিল। যুটীয়া স্থান পৰিদৰ্শনৰ সময়ত নলা সমুহ বানপানীৰ বাবে মাটিৰে পূৰ্ণ হৈ থকাটো দেখা গৈছিল। প্ৰকল্পটো 2017 চনৰ পৰাই অ-কাৰ্যকৰী হৈ আছিল।	
2. ত্ৰি-গংগা এফ আই এচ (কাছাৰ জিলা আৰু শিলচৰ সংমণ্ডল): প্ৰকল্পটো 4.98 কোটি টকা ব্যয়ৰ পিছত 05 ফেব্ৰুৱাৰী 2014 ত সম্পূৰ্ণ হৈছিল। জুন 2014 চনত প্ৰবল বান পানীৰ বাবে মূলবান্ধৰ চাটাৰগেট ক্ষতিগ্ৰস্ত হৈছিল। সোঁ-ফালৰ প্ৰধান নলা যথাক্ৰমে ছেইনেজ 50 মিটাৰ আৰু ছেইনেজ 70 মিটাৰত 10 মিটাৰ 15 মিটাৰ অংশ কাৰ্যকৰী হোৱা নাছিল। বাওঁফালকৰ মূল নলা চেইনেজ 30 মিটাৰ অংশত ভগ্ন অৱস্থাত দেখা গৈছিল।	
3. কাদাবিল এফ আই এচ(কাছাৰ জিলা আৰু শিলচৰ সংমণ্ডল): প্ৰকল্পটো 5.03 কোটি টকা ব্যয়ৰ পিছত 31 মাৰ্চ 2012 ত সম্পূৰ্ণ হৈছিল। মূলবান্ধৰ উজনি অংশত বানপানীৰ ফলত পলসেৰে পৰিপূৰ্ণ হৈ থকাটো দেখা গৈছিল। বিভিন্ন ছেইনেজত নলাৰ মথাউৰিৰ অস্তিত্ব দেখা নগৈছিল আৰু 2017 চনৰপৰা মূল বান্ধেৰে পানী দিয়া নাছিল।	
4. মাইমা বান্ধ এফ আই এচ(কাছাৰ জিলা আৰু শিলচৰ সংমণ্ডল): প্ৰকল্পটো 1.16 কোটি টকা ব্যয়ৰ পিছত 31 মাৰ্চ 2016 সম্পূৰ্ণ হৈছিল। 20 মিটাৰ দৈৰ্ঘ্যৰ সোঁ-ফালৰ সুৰক্ষা বান্ধটো[35] সম্পূৰ্ণ ভাৱে উটি গৈছে / ক্ষতিগ্ৰস্ত হৈছিল যাৰবাবে প্ৰকল্পটো অ-কাৰ্যকৰী হৈ আছিল।	

[35] গতিপথ সলনিৰ গাঁথনিটো আৰু ইয়াৰ সংলগ্ন অঞ্চল বিঘ্নিত নহ'বলৈ নদীৰ সোতক ৰক্ষা কৰিবলৈ গাইড বান্ধ দিয়া হয়।

5. কৈয়াজানিত উলাৰখালৰ পৰা এফ আই এচ(কাছাৰ জিলা আৰু শিলচৰ সংমণ্ডল): প্ৰকল্পটো 4.99 কোটি টকা ব্যয়ৰ পিছত 20 ফেব্ৰুৱাৰী 2011ত সম্পূৰ্ণ হৈছিল। যুটীয়া স্থান পৰিদৰ্শনৰ সময়ত প্ৰকল্পটো অ-কাৰ্যকৰী পোৱা গৈছিল। সোঁ-ফালৰ মূল নলাটোৰ ছেইনেজত 60 মিটাৰৰ পিছত দেখা নগৈছিল আৰু বাওঁফলৰ মূল নলাটো বিভিন্ন ছেইনেজত ক্ষতিগ্ৰস্ত হোৱা দেখা গৈছিল।	
6. ৰোকোপুৰত ৰোকোনালাৰ পৰা এফ আই এচ (কাছাৰ জিলা আৰু শিলচৰ সংমণ্ডল): প্ৰকল্পটো 4.49 কোটি টকা ব্যয়ৰ পিছত 20 জানুৱাৰী 2014 ত সম্পূৰ্ণ হৈছিল । প্ৰবল বানপানীত ক্ষতিগ্ৰস্ত হোৱা বাবে প্ৰকল্পটো আগষ্ট 2015ৰ পৰাই অ-কাৰ্যকৰী হৈ আছে।	
7. চৈত্ৰ চেৰা নলা এফ আই এচ (কাছাৰ জিলা আৰু শিলচৰ সংমণ্ডল): প্ৰকল্পটো 0.40 কোটি টকা ব্যয়ৰ পিছত 30 জুন 2013 ত সম্পূৰ্ণ হৈছিল। নলা ব্যৱস্থাটো বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা বাবে 2015 ৰ পৰাই প্ৰকল্পটো অ-কাৰ্যকৰী হৈ আছে। যুটীয়া স্থান পৰিদৰ্শনৰ সময়ত নলা ব্যৱস্থাটো বিভিন্ন ছেইনেজত অস্তিত্ব নথকাটো পৰিলক্ষিত হৈছিল।	
8. বৈকান্ত্যপুৰৰ সুন্দৰ নলাৰ পৰা এফ আই এচ (কাছাৰ জিলা আৰু শিলচৰ সংমণ্ডল) : প্ৰকল্পটো 0.65 কোটি টকা ব্যয়ৰ পিছত 15 এপ্ৰিল 2013ত সম্পূৰ্ণ হৈছিল। বিভিন্ন ছেইনেজত নলা ব্যৱস্থাপনাটো ভঙা- চিঙা বা ক্ষতিগ্ৰস্ত হোৱা বাবে প্ৰকল্পটো 2016 ৰ পৰা অ-কাৰ্যকৰী হৈ আছিল।	
9. উদৰী ই এল আই এচ [36](মৰিগাওঁ জিলা আৰু মৰিগাওঁ সংমণ্ডল): প্ৰকল্পটো 0.44 কোটি টকা ব্যয়েৰে 31 মাৰ্চ 2011ত সম্পূৰ্ণহৈছিল। নথি পত্ৰ পৰা দেখা গৈছিল যে উৎস সমূহ শুকাই যোৱা বাবে আৰু ট্ৰেন্সফৰ্মাৰ বিকল হোৱা বাবে প্ৰকল্পটো 2016 ৰ পৰা কাৰ্যকৰী হৈ থকা নাছিল।	

[36] বৈদ্যুতিক উত্তোলক জলসিঞ্চন আঁচনি

<table>
<tr>
<td>10. বিকল্প এফ আই এচ লৈ উন্নীতকৰণ (কোকোৰাঝাৰ জিলা আৰু কোকোৰাঝাৰ সংমণ্ডল): প্ৰকল্পটো 8.75 কোটি টকা ব্যয়েৰে 31 মাৰ্চ 2012ত সম্পূৰ্ণ হৈছিল। নথি-পত্ৰৰ পৰা দেখা গৈছিল যে মূল বান্ধটো জুলাই 2018 ত বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈছিল। যুটীয়া স্থান পৰিদৰ্শনৰ সময়ত প্ৰকল্পটো অ-কাৰ্যকৰী পোৱা গৈছিল।</td>
<td>
</td>
</tr>
<tr>
<td>11. ৰাজা গা-ধোৱা ই এল আই এচ (মৰিগাওঁ জিলা আৰু মৰিগাওঁ সংমণ্ডল) : প্ৰকল্পটো 0.85 কোটি টকা ব্যয় কৰাৰ পিছত 31মাৰ্চ 2012ত সম্পূৰ্ণ হৈছিল। স্থান পৰিদৰ্শনৰ সময়ত দেখা গৈছিল যে চাৰিটা পাম্পচেটৰ গোটেই কেইটাই কাৰ্যকৰী অৱস্থাত নাছিল আৰু নলা ব্যৱস্থা বিভিন্ন ছেইনেজত ভাঙি গৈছিল।</td>
<td>
</td>
</tr>
</table>

(iv) প্ৰকল্পসমূহৰ কাৰ্যকৰী অৱস্থা সম্পৰ্কে ভূল প্ৰতিবেদন

জলসিঞ্চন সংমণ্ডল সমুহৰ কাৰ্যবাহী অভিযন্তা (ই ই) গৰাকীয়ে জলসিঞ্চন আঁচনি সমুহৰ এক মাহেকীয়া অগ্ৰগতিৰ প্ৰতিবেদন প্ৰস্তুত কৰে আৰু মূখ্য অভিযন্তা (চি ই), জলসিঞ্চনক দাখিল কৰে য'ত আঁচনিৰ অৱস্থা, ব্যয়ৰ পৰিমাণ আৰু জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টি আৰু ব্যৱহাৰ আদিৰ দৰে বিৱৰণ সমুহ থাকে। হিচাপ পৰীক্ষাত উপলব্ধ মাহেকীয়া অগ্ৰগতিৰ প্ৰতিবেদন[37] অনুসাৰে উপৰোক্ত 18 টা অ-কাৰ্যকাৰী প্ৰকল্পৰ ভিতৰত 12 টাৰ প্ৰতিবেদনত দেখা গৈছিল যে এই প্ৰকল্প সমুহে জলসিঞ্চনৰ সুবিধা প্ৰদান কৰিছে। কিন্তু ওপৰত বৰ্ণনা কৰা অনুসৰি, সেই সমুহে প্ৰত্যাশিত জলসিঞ্চনৰ লাভ আৰু ফলাফল দিব পৰা নাছিল যাৰ বাবে মাহিলী অগ্ৰগতিৰ প্ৰতিবেদন সমুহৰ বৈধতা আৰু উপযোগিতাৰ সন্দৰ্ভত সন্দেহৰ সৃষ্টি হৈছিল। তদুপৰি, সংমণ্ডল আৰু বিভাগ সমুহে ক্ষতিগ্ৰস্ত জলসিঞ্চনৰ সম্ভাৱনা পুনৰুদ্ধাৰ আৰু বিনিয়োগ সমুহ উদ্ধাৰ কৰিবলৈ প্ৰকল্প সমুহ পুনৰউজ্জীৱিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা নাছিল। সংমণ্ডল অনুসৰি অ-কাৰ্যকৰী প্ৰকল্প সমুহৰ ভাগ সমুহ **সাৰণী *2.4*** ত দিয়া হ'লঃ

[37] সকলো মাহেকীয়া প্ৰতিবেদন হিচাপ পৰীক্ষক দাখিল কৰা নাছিল। সংমণ্ডল অনুযায়ী দখিল কৰা নথি-পত্ৰ সমুহ আছিলঃ টংলা- বাচনিকৃত 25 টা প্ৰকল্পৰ আটাইকেইটাৰে মাহিলি প্ৰগতিৰ খতিয়ান(ডিচেম্বৰ2019), কোকৰাঝাৰ - বাচনিকৃত 22 টাৰ ভিতৰত তিনিটা প্ৰকল্প (বান ক্ষতিগ্ৰস্ত প্ৰতিবেদন); মৰিগাওঁ - বাচনিকৃত 6 টা প্ৰকল্পৰ আটাইকেআটাৰে মাহিলি প্ৰগতিৰ খতিয়ান (মাৰ্চ 2019); শিলচৰ - বচনিকৃত 5 টা প্ৰকল্পৰ আটাইকেইটাৰে মাহিলি প্ৰগতিৰ খতিয়ান (জানুৱাৰী 2020); যোৰহাট - বচনিকৃত 3 টা প্ৰকল্পৰ আটাইকেইটাৰে প্ৰগতিৰ খতিয়ান (মাৰ্চ 2019);

সাৰণী 2.4 সংমণ্ডল অনুসৰি অ-কাৰ্যকৰী প্ৰকল্প সমূহ

সংমণ্ডলৰ নাম	মুঠ নমুনাকৃত প্ৰকল্প সমূহ	অ-কাৰ্যকৰী প্ৰকল্প সমূহৰ সংখ্যা			
		সম্পূৰ্ণ হোৱাৰ পৰা	ক্ষতিহোৱাৰ বাবে	মুঠ	শতাংশ
টংলা	25	3	3	6	24.00
কোকৰাঝাৰ	22	4	1	5	22.73
মৰিগাওঁ	6	0	2	2	33.33
শিলচৰ	5	0	5	5	100.00
কাৰ্বিআংলং	12	0	0	0	0.00
যোৰহাট	3	0	0	0	0.00
মুঠ	**73**	**7**	**11**	**18**	**25**

ওপৰৰ সাৰণীত দেখুওৱা অনুসৰি, নমুনাকৃত প্ৰকল্প সমূহৰ এক উচ্চ শতাংশ (25 শতাংশ) অ-কাৰ্যকাৰী হৈ আছিল আৰু বিশেষকৈ শিলচৰ সংমণ্ডলৰ নমুনাকৃত আটাইকেইটা প্ৰকল্পই অ-কাৰ্যকৰী হৈ আছে যিটো উদ্বেগৰ বিষয়।

পৰামৰ্শ আগবঢ়োৱা হয় যে জলসিঞ্চন বিভাগে প্ৰকল্প সমূহ যথা সম্ভৱ পুনৰুজ্জীৱিত কৰণৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিব আৰু সংশ্লিষ্ট সংমণ্ডল সমূহৰ ই ই সকলক জৱাবদিহি কৰিব।

সামৰণি বৈঠকত জলসিঞ্চন বিভাগৰ উপসচিব গৰাকীয়ে বিষয়টো সকলো সংমণ্ডলৰ সৈতে আলোচনা কৰা হ'ব বুলি নিশ্চিতি প্ৰদান কৰিছিল (আগষ্ট 2020)।

2.2.5.3 প্ৰকল্প কাৰ্যকৰী কৰণত অন্যান্য অনিয়ম সমূহ

(i)) নলা ব্যৱস্থাৰ ক্ৰতিপূৰ্ণ নিৰ্মাণ

52 টা কাৰ্যকৰী প্ৰকল্পৰ ভিতৰত 3 টাত নলা সমূহৰ ক্ৰতিপূৰ্ণ নিৰ্মাণ হিচাপ পৰীক্ষাত পৰিলক্ষিত হৈছিল, যি সমূহ তলত আলোচনা কৰা হ'ল:

a. **দলকোনা এফ আই এচ**: সোঁফালৰ মূল নলা (আৰ এম চি) ৰ বেডক্ৰাষ্টৰ উচ্চতা বাওঁফালৰ মূল নলা (এল এম চি) ৰ স্তৰতকৈ ওখ আছিল। তদুপৰি, মূলবান্ধৰ খালৰ পানীৰ স্তৰতকৈয়ো আৰ এম চি ৰ উচ্চতা বেছি আছিল। ফলস্বৰূপে পানী কেৱল এল এম চি ৰে হে প্ৰৱাহিত হৈছিল আৰু আৰ এম চি ৰ অধীনৰ প্ৰভাৱিত এলেকা সমূহে প্ৰকল্পটোৰ পৰা পানী পোৱা নাছিল। 6.52কোটি টকা ব্যয় সাপেক্ষে জুন 2010 আৰু মাৰ্চ 2013 ৰ ভিতৰত প্ৰকল্পটো নিৰ্মাণ কৰা হৈছিল।

b. **কুলশীক এফ আই এচ:** 500 মিটাৰ ছেইনেজ পৰ্যন্ত এল এম চি নলাটো এঢলীয়া নকৰাকৈ নিৰ্মাণ কৰিছিল। গতিকে নলাটোৱে পানী বহন কৰিব পৰা নাছিল আৰু তাৰ ফলত নলাৰে পানী দিব নোৱাৰা বাবে এল এম চি ৰ অধীনত সামৰি লোৱা কৃষক সকল বঞ্চিত হৈছিল। 19.14 কোটি টকা ব্যয় সাপেক্ষে জুন 2012 আৰু ডিচেম্বৰ 2014 ৰ ভিতৰত প্ৰকল্পটো নিৰ্মাণ কৰা হৈছিল।

c. **মহালীয়াপাৰা এফ আই এচ**: মূলবান্ধৰ ছাটাৰ গেট বন্ধ কৰিলে ছাটাৰ গেট পানীৰে উপচি পৰে। পানীৰে উপচি পৰিলেও আৰ এম চি ৰে পানী প্ৰৱাহিত হোৱা নাছিল আৰু যিটো শুকান আৰু

জোপোহা ৰে পৰিপূৰ্ণ হোৱাৰ লগতে পলসেৰে পৰিপূৰ্ণ হোৱাটো দেখা গৈছিল। 7.25কোটি টকা ব্যয় সাপেক্ষে ফেব্ৰুৱাৰী 2010 আৰু মাৰ্চ 2012 ভিতৰত প্ৰকল্পটো নিৰ্মাণ কৰা হৈছিল।

তদুপৰি, হিচাপ পৰীক্ষাত 14 টা প্ৰকল্পৰ[38] (নৱেম্বৰ 2008 আৰু মাৰ্চ 2016 ৰ ভিতৰত 56.71 কোটি টকা ব্যয়ত নিৰ্মাণ কৰা) ক্ষেত্ৰত মাটি, অপতৃণ, আৱৰ্জনা আদিৰে নলা বন্ধ হৈ থকা আৰু 25 টা প্ৰকল্পৰ[39] (ফেব্ৰুৱাৰী 2008 আৰু মাৰ্চ 2017 ৰ ভিতৰত 78.03 কোটি টকা ব্যয়ত নিৰ্মাণ কৰা)ক্ষেত্ৰত মথাউৰিৰ দেৱাল ভঙাটো পৰিলক্ষিত হৈছিল। এই ত্ৰুতি সমুহে জলসিঞ্চিনৰ জলৰ প্ৰৱাহৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলায় আৰু জলসিঞ্চনৰ সম্ভাৱনীয়তাৰ কম ব্যৱহাৰৰ পথ প্ৰশাস্ত কৰে। ত্ৰুতিসমূহ মেৰামতি আৰু জলসিঞ্চনৰ সম্ভাৱনীয়তাৰ ব্যৱহাৰ নিশ্চিত কৰাৰ বাবে বিভাগে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা উচিত।

সামৰণি বৈঠকৰ সময়ছোৱাত জলসিঞ্চন বিভাগৰ উপ-সচিব জনে উল্লেখ কৰিছিল (আগষ্ট - 2020) যে এখন বান আক্ৰান্ত ৰাজ্য হিচাপে এম. আৰু আৰ.ৰ বাবে বহু কম পুজি উপলব্ধ আছিল।

(ii)) জলসিঞ্চনৰ উদ্দেশ্যৰ বিপৰীতে অন্য উদ্দেশ্যত জলসিঞ্চন প্ৰকল্পৰ দিশ সলনি

বাচনিকৃত 73 টা প্ৰকল্পৰ ভিতৰত দুটা প্ৰকল্প জলসিঞ্চন প্ৰকল্প নাছিল কিন্তু জলসিঞ্চন আঁচনিৰ পৰা ব্যয় বহন কৰিছিল। যুটীয়া স্থান পৰিদৰ্শনৰ সময়ত দেখা গৈছিল যে বানপানীৰ পৰা সুৰক্ষাৰ বাবে 390 হেক্টৰ আই পি সৃষ্টিৰ লক্ষ্য নিৰ্দ্ধাৰিত এটা প্ৰকল্প[40] আৰু নদীৰ সোঁত সলনিৰ বাবে আৰু দি পি আৰ ত উল্লেখিত ধৰণে আৰু গাওঁ সমুহক উপকৃত কৰাৰ বাবে 380 হেক্টৰ আই পি সৃষ্টিৰ লক্ষ্য নিৰ্দ্ধাৰিত আন এটা প্ৰকল্প[41] মূল বান্ধৰ পৰা তিনিৰ পৰা চাৰি কি.মি. নামনি অঞ্চলত অৱস্থিত আছিল আৰু য'ত নলা ব্যৱস্থাপনাৰ কাম সমূহ কৰা হোৱা নাছিল। উপৰোক্ত দুয়োটা প্ৰকল্পই প্ৰভাৱিত এলেকাত জলসিঞ্চনৰ সুবিধা প্ৰদানৰ বাবে অনুমোদিত আৰু মঞ্জুৰী প্ৰাপ্ত হলেও সেইসমুহৰ উল্লেখিত লক্ষ্যৰ পৰা ফালৰি কাটি গৈছে।

সামৰণি বৈঠকত কোকৰাঝাৰ জলসিঞ্চন বিভাগৰ চি এইচ ডি এ জনাইছিল (আগষ্ট 2020) যে প্ৰকল্প সমূহ পুনৰ জীৱিত কৰিবলৈ অন্য আঁচনি হাতত লোৱা হৈছিল।

2.2.6 প্ৰত্যাশিত ফলাফল

2.2.6.1 ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প সমুহৰ ফলাফল

ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ প্ৰত্যাশিত ফলাফল সমুহ প্ৰত্যেকটো প্ৰকল্পৰে দি পি আৰ সমূহত বিতংভাৱে দিয়া থাকে যি সমুহ মূলত নতুনকৈ প্ৰভাৱিত এলেকা সৃষ্টি বা পূৰ্বতে সামৰি লোৱা এলেকা বৃদ্ধিৰ জৰিয়তে শস্যৰ উৎপাদন বৃদ্ধি কৰা সকলো বতৰতে জলসিঞ্চনৰ পানীৰ উপলব্ধতা, একাধিক ফচল উৎপাদনেৰে শস্যৰ

---

[38] অমৃত দোং এফ আই এচ, চেলাবৰ আই এচ (পৰ্যায় - *ii*) , দক্ষিণগাওঁ ডাবলি এফ আই এচ, গিলব'ৰ এফ আই এচ,হাস্থাৰলাংচু এফ আই এচ, দংবাৰী পিচি ৰ উন্নীতকৰণ, ক্ষুদ্ৰদল পিচি ৰ উন্নীতকৰণ, পলাশগুৰি এফ আই এচ ৰ উন্নীতকৰণ (পৰ্যায়- *ii*) কাকীজান আই এচ পৰ্যায়- *ii* , কামানদাঙ্গা ইএল আই এচ, কাথিলাংচু আই এচ, লিচিং এফ আই এচ মূৰাখাট এফ আই এচ, সুৰেশ বান্ধ এফ আই এচ

[39] আঠিয়াবাৰী এফ আই এচ (পৰ্যায়- *iii*)বৈৰালি টাবলাইঝাৰা এফ আই এচ, বান্দৰগুৰি এফ আই এচ, ভুটীয়া পুখুৰী এফ আই এচ, বৰজান এফ আই এচ, পৰ্যায় - *ii*. বৰজাৰী- পি চি- 2 , ব্ৰহ্মপাৰী এফ আই এচ, গৰগিলা মাৰবেনচুবা এফ আই এচ, গাৰেবস্তি এফ আই এচ, বাহিবাৰী এফ আই এচ, খাংখ্ৰাইমাৰী এফ আই এচ,খ্ৰীষ্টানপাৰা ডোং বান্ধ আই এচ, লেখনাবাৰী ই এল আই এচ, লংগা এফ আই এচ(পৰ্যায় - *iv*) , মক্ৰাপাৰা ই এল আই এচ,মাউজীঝৰা এফ আই এচ, মিনা এফ আই এচ, পটাকাটা এফ আই এচ, প্ৰচাদ বান্ধ এফ আই এচ, ৰাইজাম পাই এফ আই এচ(পৰ্যায়- *ii*), সাপকাটা এফ আই এচ(পৰ্যায়- *ii*) শিঙিমাৰী এফ আই এচ, স্বপনগাওঁ এফ আই এচ, তামাডিংডিঙা এফ আই এচ, ঠেংভাঙা পিচি নম্বৰ 5 ।

[40] এচ চি এচ পি 2011-12 ৰ অধীনত খাৰজানত শ্লুইচগেট (2.54কোটি টকা ব্যয়েৰে মাৰ্চ 2016 ত সম্পূৰ্ণ হোৱা)।

[41] এ আই বি পি 2008-09 ৰ অধীনত বেগা এফ আই এচ (1.15কোটি টকা ব্যয়েৰে মাৰ্চ 2012 ত সম্পূৰ্ণ হোৱা)

উৎপাদনৰ মাত্ৰা বৃদ্ধি, ফচলৰ উৎপাদনশীলতা বৃদ্ধি আৰু ফলত কৃষকৰ আয় বৃদ্ধি। অন্যান্য ফলাফল সমূহ যেনে কৃষকৰ অৰ্থনৈতিক আৰু প্ৰভাৱিত এলেকাৰ উন্নীতকৰণ, নদীসমূহত থকা পুৰণা অস্থায়ী মাটিৰ বান্ধ সমূহ সলনিকৰণ, পুৰণা প্ৰকল্প সমূহ মেৰামতি কৰা বিষয় সমূহো দি পি আৰ সমূহত উল্লেখ আছিল।

2.2.6.2 উচ্চ লাভ- ব্যয় অনুপাতৰ অনুমান সমূহ

ভাৰত চৰকাৰৰ দ্বিতীয় জল আয়োগে 1972 চনত পোন প্ৰথমে জলসিঞ্চন প্ৰকল্প সমূহৰ অৰ্থনৈতিক স্বচ্চলতা বিচাৰৰ বাবে লাভ ব্যয়ৰ অনুপাত (বি চি আৰ) ব্যৱহাৰ কৰে। এইটো প্ৰকৃত বাৰ্ষিক ব্যয়ৰ দ্বাৰা প্ৰকৃত বাৰ্ষিক লাভ ভাগ কৰি গণনা কৰা হয়। কৃষি উৎপাদনৰ পৰা উৎপাদনৰ ব্যয় বিয়োগ কৰি গণনা কৰা মূল্যৰ ভিত্তিত জলসিঞ্চনৰ পূৰ্বৰ আৰু পিছৰ লাভৰ পাৰ্থক্যই হৈছে প্ৰকৃত বাৰ্ষিক লাভ। বাৰ্ষিক ব্যয়ৰ ভিতৰত জলসিঞ্চন প্ৰকল্পৰ বাৰ্ষিক মুলধনী ব্যয়, মুলধনী ব্যয়ৰ অৱমূল্যায়ন আৰু মেৰামতি-ৰক্ষণা বেক্ষনৰ ব্যয় অন্তৰ্ভূক্ত আছিল। বি চি আৰ একতকৈ[42] বেছি হ'লে তেনে প্ৰকল্পক লাভজনক বুলি বিবেচনা কৰা হয়।

বি চি আৰ গণনাত ব্যৱহৃত উপলব্ধ অনুমান সমূহ পৰীক্ষা কৰিবলৈ নমুনাকৃত 73 টা প্ৰকল্পৰ ভিতৰত 62 টাৰ দি পি আৰ সমূহ হিচাপ পৰীক্ষকে পৰীক্ষা কৰিছিল। পৰিকল্পিত ফলাফল সমূহ কিমান পৰিমাণে বাস্তৱায়িত হৈছিল সেইটো নিৰ্দ্ধাৰণ কৰিবলৈ ক্ষেত্ৰীয় হিচাপ পৰীক্ষা আৰু হিতাধিকাৰী সমীক্ষাৰ মাধ্যমেৰে পৰৱৰ্ত্তী সময়ত এই অনুমান সমূহ বৈধ কৰাৰ লক্ষ্যেৰে এইটো কৰা হৈছিল। প্ৰকল্প অনুমোদনৰ সময়ত প্ৰাক্কলিত বি চি আৰ সমূহৰ দ্বাৰা প্ৰকল্প সমূহৰ শ্ৰেণী বিভাজন তলৰ ***চিত্ৰ তালিকা 2.2*** ত দেখা গৈছে।

চিত্ৰ তালিকা 2.2: বি চি আৰ ৰ দ্বাৰা প্ৰকল্প সমূহৰ শ্ৰেণী বিভাজন



বি চি আৰ ৰ বাবে প্ৰকল্প বাচনিৰ মানদণ্ড 1 (এক) তকৈ বেছি হোৱাৰ পিছতো দেখা যায় যে প্ৰায় 60 শতাংশ প্ৰকল্পৰ বি চি আৰ 2 (দুই) তকৈ বেছি আৰু আনকি 20 শতাংশৰ বি চি আৰ তিনিতকৈয়ো অধিক আছিল।

42 দ্বিতীয় জল আয়োগ, জি ও আই য়ে সাধাৰণ অঞ্চলৰ বাবে বি চি আৰ 1.5 আৰু খৰাং প্ৰৱণ অঞ্চলৰ বাবে 1 অনুমোদন কৰিছে। কিন্তু, এ আই বি পি নিৰ্দেশনাৱলীয়ে1 তকৈ অধিক বি চি আৰ যুক্ত প্ৰকল্প সমূহৰ অনুমোদনৰ চুপাৰিছ কৰিছে।

(i) ডি পি আৰ ত কৰা কৃষকৰ আয় বৃদ্ধিৰ অনুমান

এই জলসিঞ্চন প্ৰকল্প সমূহৰ বিত্তীয় লাভৰ পৰিমানটো উচ্চ BCR হোৱাৰ কাৰণ আছিল কৃষকৰ আয়ৰ আনুমানিক বৃদ্ধি। আমি ডি পি আৰ সমূহত লিপিবদ্ধ কৰা কৃষক সকলৰ আয় বৃদ্ধি প্ৰত্যাশা কৰা প্ৰকল্প সমূহ বিশ্লেষণ কৰিছিলো আৰু লক্ষ্য কৰিছিলো যে গড়ে নমুনাকৃত প্ৰকল্প সমূহত কৃষকৰ আয় 13.78 গুণ বৃদ্ধি পাব বুলি ধৰা হৈছিল অৰ্থাৎ 1378 শতাংশ বৃদ্ধি দেখুওৱা হৈছে। মধ্যম আয় বৃদ্ধি বিবেচনা কৰাৰ সময়ত এই প্ৰত্যাশিত বৃদ্ধি 5.57 গুণ বা 557 শতাংশ আছিল। বাচনিকৃত প্ৰকল্প সমূহত জিলা ভিত্তিক প্ৰত্যাশিত বৃদ্ধি সমূহ তলৰ **সাৰণী *2.5*** ত দিয়া হ'ল:

সাৰণী 2.5: ডি পি আৰ সমূহত প্ৰত্যাশিত আয় বৃদ্ধি

জিলা	প্ৰকল্পৰ সংখ্যা	একাধিক (গড় আয়)	একাধিক (মধ্যম আয়)
কাছাৰ	2	4.70	4.70
যোৰহাট	3	92.60	4.81
কাৰ্বি-আংলং	10	21.06	20.88
কোকৰাঝাৰ	22	6.16	5.62
মৰিগাওঁ	5	4.98	4.84
ওদালগুৰি	17	9.10	4.40
সামগ্ৰীক	**59**	**13.78**	**5.57**

ডি পি আৰ অনুসৰি, কৃষকৰ আয় বৃদ্ধি মূলত প্ৰকল্প সমূহ ৰূপায়ণৰ বাবে নিম্ন লিখিত দুটা আকাংখিত লাভৰ বাবে হৈছিল যেনে-1) কৃষিকাৰ্যৰ এলেকা বৃদ্ধি আৰু 2) কৃষিৰ ফচল উৎপাদন বৃদ্ধিৰ বাবে। ইয়াৰ বাহিৰেও ডি পি আৰ ত ধৰা হৈছিল যে খাদ্যশস্যৰ বাহিৰে অন্য শস্যৰ খেতিও কৰা হব।

(ii) ডি পি আৰ ত কৃষিকাৰ্যৰ অধীনৰ এলেকাত আনুমানিক বৃদ্ধি

সামগ্ৰীকভাৱে ডি পি আৰ সমূহত অনুমান কৰা হৈছিল যে কৃষিকাৰ্যৰ এলেকাধীন এলেকা 125 শতাংশ বৃদ্ধি পাব। ধানৰ ফচলৰ ভিতৰত আহুধান- ৰবিৰ পূৰ্বৰ খাৰিফৰ ক্ষেত্ৰত 147 শতাংশ আৰু ধানৰ বাদে অন্য শস্যৰ ক্ষেত্ৰত 237 শতাংশ সৰ্বাধিক বৃদ্ধি অনুমান কৰা হৈছিল।

সাৰণী 2.6: দি পি আৰ সমূহত প্ৰত্যাশা কৰা ধৰণে শস্যৰ এলেকা বৃদ্ধি

শস্যৰ শ্ৰেণী	শস্যৰ নাম	জলসিঞ্চনৰ পূৰ্বৰ	জলসিঞ্চনৰ পিছৰ	প্ৰত্যাশিত বৃদ্ধিৰ শতাংশ
ধানৰ	আহু ধান	4,095	10,132	147 শতাংশ
	শালী ধান	10,267	19,669	92 শতাংশ
উপ মুঠ		14,362	29,801	107 শতাংশ
ধানৰ বাহিৰে অন্য শস্য	ঘেহুঁ	375	1,457	288 শতাংশ
	মৰাপাট	661	2,168	228 শতাংশ
	সৰিয়হ	503	1,363	171 শতাংশ
	তেলৰ গুটি	547	1,218	123 শতাংশ
	আলু	20	260	1200 শতাংশ
	মাহ	98	845	760 শতাংশ
	শাক- পাচলি	0	126	-
উপ মুঠ		2,205	7,437	237 শতাংশ
সামগ্ৰীক		**16,567**	**37,238**	**125** শতাংশ

চিত্ৰ তালিকা 2.3: দি পি আৰ সমুহত প্ৰত্যাশা কৰা ধৰণে শস্য (প্ৰধান শস্য সমূহ) ৰ এলেকা বৃদ্ধি



সামৰণি বৈঠকত জলসিঞ্চন বিভাগৰ উপসচিবে কোনো ধৰণৰ স্পষ্ট উত্তৰ দিব পৰা নাছিল (আগষ্ট 2020)

(iii)) ডি পি আৰ ত শস্যৰ উৎপাদনশীলতাৰ প্ৰত্যাশিত বৃদ্ধি

কৃষকৰ আয়ৰ প্ৰত্যাশিত বৃদ্ধিৰ দ্বিতীয় কাৰণ আছিল জলসিঞ্চন আঁচনি ৰূপায়ণৰ পিছত হোৱা কৃষিৰ উৎপাদন বৃদ্ধি। আমি নমুনাকৃত প্ৰকল্প সমুহৰ ডি পি আৰ ত প্ৰদত্ত তথ্য সমুহ বিশ্লেষণ কৰিছিলো আৰু তলত উল্লেখ কৰা প্ৰত্যাশিত উৎপাদন বৃদ্ধি সমুহ লক্ষ্য কৰিছিলোঃ

সাৰণী 2.7: ডি পি আৰ ত প্ৰত্যাশিত শস্যৰ উৎপাদন বৃদ্ধি (কুইন্টল প্ৰতি হেক্টৰত)

শস্যৰ শ্ৰেণী	শস্যৰ নাম	উৎপাদনৰ পূৰ্বৰ গড়	উৎপাদনৰ পিছৰ গড়	বৃদ্ধিৰ শতাংশ গড়	উৎপাদনৰ পূৰ্বৰ মধ্যম	উৎপাদনৰ পিছৰ মধ্যম	বৃদ্ধিৰ শতাংশ (মধ্যম)
ধান	শালি ধান	23.3	47.5	**104**	30.0	48.0	**60**
	আহু ধান	20.9	47.2	**126**	20.0	45.0	**125**
ধানৰ বাহিৰে অন্য শস্য	মৰাপাট	16.0	26.5	**66**	20.0	30.0	**50**
	সৰিয়হ	12.0	28.8	**141**	15.0	30.0	**100**
	তেলৰগুটি	3.4	9.3	**173**	1.5	8.0	**433**
	আলু	4.0	130.0	**3150**	0.0	135.0	-
	মাহ	1.5	12.4	**727**	0.0	7.0	-
	শাক-পাচলি	0.0	200.0	-	0.0	200.0	-
	ঘেঁহু	10.8	27.3	**152**	18.0	25.0	**39**

ওপৰৰ **সাৰণী 2.7** ৰ পৰা দেখা গৈছে যে ডি পি আৰ ত উৎপাদনৰ উল্লেখযোগ্য বৃদ্ধি প্ৰত্যাশা কৰা হৈছে। ৰাজ্যখনত উৎপাদন কৰা প্ৰধান শস্যৰ ভিতৰত মাত্ৰ দুবিধ ধানলৈ লক্ষ্য কৰিলে দেখা যায় যে শালি ধানৰ বাবে গড় উৎপাদন বৃদ্ধি 104 শতাংশ আৰু আহু ধানৰ বাবে 126 শতাংশ বিবেচনা কৰা হৈছে। 2009-19 ৰ সময়ছোৱাত সৰ্বভাৰতীয় আৰু অসমৰ বাবে শলিধানৰ ক্ষেত্ৰত ডি পি আৰ ত কৰা অনুমানৰ বিপৰীতে বৰ্দ্ধিত এলেকা আৰু শস্যৰ উৎপাদনশীলতাৰ শতাংশ তলত দিয়া ধৰণৰ আছিল।

সাৰণী 2.8: অসম আৰু সৰ্বভাৰতীয় ক্ষেত্ৰত ডি পি আৰ ত বৰ্ণনা কৰা ধানখেতিৰ এলেকা আৰু ধানৰ উৎপাদনৰ বৃদ্ধিৰ শতাংশ

বিষয়	সৰ্বভাৰতীয়[43]			অসম[44]			ডি পি আৰ (62 টা প্ৰকল্প)		
	2009-10	2018-19	পৰিবৰ্তনৰ শতাংশ	2009-10	2018-19	পৰিবৰ্তনৰ শতাংশ	জলসিঞ্চনৰ পূৰ্বৰ	জলসিঞ্চনৰ পিছৰ	পৰিবৰ্তনৰ শতাংশ
ধানখেতিৰ এলেকা (হাজাৰ হেক্টৰ)	41,920	43,790	**4.5**	2529	2425.18	**-4.1**	10.27	19.67	**92**
ধানৰ উৎপাদনৰ (কুইন্টল/হেক্টৰ)	21.25	26.59	**25.1**	17.66	22.71	**28.6**	23.3	47.5	**104**

অসম আৰু সদৌ ভাৰতত 2009-10 ৰ পৰা 2018-19 ৰ ভিতৰত ডি পি আৰ ত কৰা প্ৰক্ষেপণৰ সৈতে শস্যৰ এলেকা আৰু উৎপাদিত পৰিমাণৰ তুলনা কৰিলে তুলনা কৰিলে দেখা যায় যে ডি পি আৰ ত কৰা প্ৰক্ষেপন্দ সমূহ অবাস্তৱিক আৰু অনুমান সমূহ যিকোনো ধৰণৰ মানদণ্ডতকৈ উচ্চ আছিল।

সামৰণি বৈঠকৰ সময়ত জলসিঞ্চন বিভাগৰ উপ সচিব জনে উল্লেখ কৰিছিল (আগষ্ট 2020) যে জলসিঞ্চন বিভাগৰ দ্বাৰা কৃষি বিভাগৰ মন্তব্য ওপৰত ভিত্তি কৰি ডি পি আৰ প্ৰস্তুত কৰা হৈছিল। যাহওঁক জলসিঞ্চন বিভাগে পৰীক্ষা কৰিব আৰু ডি পি আৰ সমূহ বেছি বাস্তৱ সন্মত কৰিবলৈ সকলোকে নিৰ্দেশ দিছিল।

2.2.7 ফলাফল সমূহৰ মূল্যায়ন

2.2.7.1 জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টি আৰু জলসিঞ্চনৰ সম্ভাৱনীয়তাৰ ব্যৱহাৰ

সৃষ্টি কৰা জলসিঞ্চনৰ সম্ভাৱনীয়তা (আই পি) হ'ল এটা প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পিছত জলসিঞ্চন ব্যৱস্থাই সামৰি লোৱা মুঠ এলেকা আৰু জলসিঞ্চনৰ সম্ভাৱনীয়তাৰ ব্যৱহাৰ হৈছে বিবেচনাধীন সময়ছোৱাৰ ভিতৰত এটা প্ৰকল্পৰ পৰা প্ৰকৃতাৰ্থত জলসিঞ্চন সুবিধা লাভ কৰা এটা এলেকা। 73 টা নমুনাকৃত প্ৰকল্পৰ ডি পি আৰ অনুসৰি প্ৰকল্পসমূহ কাৰ্যকৰীকৰণৰ জৰিয়তে মুঠ 29,497হেক্টৰ প্ৰকৃত জলসিঞ্চন মুক্ত এলেকা সৃষ্টিৰ পৰিকল্পনা কৰা হৈছিল।

সৃষ্টি কৰা জলসিঞ্চনৰ সম্ভাৱনীয়তা আৰু হিতাধিকাৰী কৃষক সকলে বিভিন্ন শস্যৰ উৎপাদনৰ বাবে প্ৰকৃত পক্ষে কিমান খিনি ব্যৱহাৰ কৰিব পাৰিছে সেই সমূহ ছোৱাৰ বাবে এপ্ৰিলৰ 2017 ৰপৰা মাৰ্চ 2019 পৰ্যন্ত দুই বছৰৰ সময়ছোৱাৰ জলসিঞ্চন বিভাগে দাখিল কৰা মাহেকীয়া প্ৰতিবেদন সমূহ হিচাপ পৰীক্ষাত পৰীক্ষা কৰা হৈছিল। দেখা গৈছিল যে মাহেকীয়া প্ৰতিবেদন সমূহ গতানুগতিক ভাৱে প্ৰস্তুত কৰিছিল, যিহেতু বহুকেইটা প্ৰকল্পৰ ক্ষেত্ৰত মান সমূহ শূন্য/মূল্যহীন হিচাপে দেখুওৱা হৈছিল নাইবা একে সমূহ সংখ্যাৰেই মাহৰ পিছত মাহ ধৰি পুনৰাবৃত্তি কৰিছিল। কিন্তু বিশ্লেষণৰ বাবে আমি আই পি সৃষ্টি আৰু ব্যৱহাৰৰ বাবে আমি পৰিমিত[45]

---

43 উৎসঃ চকুৰ পচাৰতে কৃষি পৰিসংখ্যা, 2019 কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়, জি ও আই

44 অসমৰ পৰিসংখ্যা হাতপুথি, অৰ্থনৈতিক আৰু পৰিসংখ্যা সঞ্চালকালয়, জি ও এ

45 সৃষ্টি কৰা IP ৰ বাবে উল্লেখিত সৰ্বাধিক মান (যি সমূহ বেছিভাগ ক্ষেত্ৰত নূন্যতমৰ দৰে একে আছিল) লোৱা হৈছে। IP ব্যৱহাৰৰ বাবে , এইটো সৰ্বাধিক ব্যৱহাৰ যোগ্যমান হিচাপে লোৱা হৈছে যদিও মাজৰ মানটো ইয়াতো উল্লেখ কৰা হৈছে।

সংখ্যা সমুহ লৈছিলো। খৰিফ আৰু ৰবি-প্ৰাক-খৰিফ বতৰত সৃষ্টি কৰা আৰু ব্যৱহাৰ কৰা আই পি ৰ সাৰাংশ তলৰ চিত্ৰ তালিকা *2.4* ত দেখুওৱা হৈছেঃ

চিত্ৰ তালিকা 2.4: আই.পি. সৃষ্টি আৰু ব্যৱহাৰৰ সাৰাংশ



উৎস ঃ বিভাগীয় নথিপত্ৰ

চিত্ৰ তালিকাত দেখা গৈছে যে উল্লেখিত আই পি সৃষ্টিৰ পৰিমাণ খাৰিফৰ ক্ষেত্ৰত এন আই এ ৰ 84.6 শতাংশ আৰু ৰবি-প্ৰাক-খৰিফ বতৰৰ ক্ষেত্ৰত 30.1 শতাংশ। প্ৰকৃততে হোৱা আই পি ব্যৱহাৰৰ প্ৰতি যদি আমি লক্ষ্য কৰো, খাৰিফৰ ক্ষেত্ৰত 63.3 শতাংশৰ এই ব্যৱহাৰৰ পৰিমানটো যথেষ্ট কম আছিল আৰু ৰবি-প্ৰাক-খৰিফৰ ক্ষেত্ৰত উদ্বেগজনক ভাৱে কম 9.1 শতাংশ আছিল। ৰবি-প্ৰাক-খাৰিফ বতৰত আই পি ৰ কম ব্যৱহাৰ হোৱাটো শস্যৰ বৰ্দ্ধিত কৃষিকাৰ্যৰ পৰা লাভ অৰ্জনৰ দিশত প্ৰধান অন্তৰায় আছিল, যিটো সময়ত জলসিঞ্চনৰ পানী আটাইতকৈ বেছি প্ৰয়োজন হয়।

নমুনাকৃত 73 টা প্ৰকল্পৰ ভিতৰত আমি দেখিবলৈ পাইছিলো যে দফা 2.2.5.2 ত বৰ্ণনা কৰা বিভিন্ন কাৰণত 18 টা প্ৰকল্প অ-কাৰ্যকৰী হৈ আছিল।

এনে ধৰণৰ অ-কাৰ্যকৰী প্ৰকল্প সমূহৰ বিপৰীতেও কিন্তু তলৰ ***সাৰণী 2.9*** তদেখুওৱা ধৰণে আই পি সৃষ্টি আৰু ব্যৱহাৰ দেখুওৱা হৈছেঃ

সাৰণী 2.9: অ- কাৰ্যকৰী প্ৰকল্প সমুহৰ ক্ষেত্ৰত দেখুওৱা আই পি সৃষ্টি আৰু ব্যৱহাৰ

প্ৰতিবেদন বতৰ	কাৰ্যকৰীকৰণৰ অৱস্থাৰ শ্ৰেণী	কাৰ্যকৰীকৰণৰ অৱস্থা	প্ৰকল্পৰ সংখ্যা	এন. আই.এ এলেকা	সৃষ্টি কৰা আই.পি. (সৰ্বোচ্চ)	ব্যৱহৃত আই.পি. (সৰ্বোচ্চ)	ব্যৱহৃত আই.পি. (মধ্যম)
খৰিফ	**কাৰ্যকৰী**	**কাৰ্যকৰী (মুঠ)**	**52**	**20,808**	**19,347**	**14,305**	**11,038**
	অ- কাৰ্যকৰী	**অ- কাৰ্যকৰী (মুঠ)**	**21**	**8,689**	**5,618**	**4,379**	**2,941**
		সম্পূৰ্ণ হোৱাৰে পৰা অ- কাৰ্যকৰী	*7*	*4,392*	*1,727*	*1,370*	*695*
		ক্ষতিগ্ৰস্ত হোৱা বাবে অ-কাৰ্যকৰী	*11*	*3,137*	*3,686*	*2,861*	*2,117*
		অন্যান্য(জলসিঞ্চনৰ বাহিৰা কাৰ্যত ব্যৱহাৰ)	*2*	*770*	*205*	*148*	*129*
		সম্পূৰ্ণ হোৱাত বিলম্ব(জুন- *2019*)	*1*	*390*	*0*	*0*	*0*

প্ৰতিবেদন বতৰ	কাৰ্যকৰীকৰণৰ অৱস্থাৰ শ্ৰেণী	কাৰ্যকৰীকৰণৰ অৱস্থা	প্ৰকল্পৰ সংখ্যা	এন. আই.এ এলেকা	সৃষ্টি কৰা আই.পি. (সৰ্বোচ্চ)	ব্যৱহৃত আই.পি. (সৰ্বোচ্চ)	ব্যৱহৃত আই.পি. (মধ্যম)
ৰবি-প্ৰাক-খৰিফ	কাৰ্যকৰী	কাৰ্যকৰী(মুঠ)	**52**	**20,808**	**7,556**	**2,553**	**1,247**
	অ- কাৰ্যকৰী	অ- কাৰ্যকৰী (মুঠ)	**21**	**8,689**	**1,330**	**144**	**52**
		সম্পূৰ্ণ হোৱাৰে পৰা অ- কাৰ্যকৰী	*7*	*4,392*	*578*	*58*	*22*
		ক্ষতিগ্ৰস্ত হোৱা বাবে অ-কাৰ্যকৰী	*11*	*3,137*	*592*	*60*	*18*
		অন্যান্য(জলসিঞ্চনৰ বাহিৰা কাৰ্যত ব্যৱহাৰ)	*2*	*770*	*160*	*26*	*12*
		সম্পূৰ্ণ হোৱাত বিলম্ব(জুন- *2019*))	*1*	*390*	*0*	*0*	*0*

73 টা নমুনাযুক্ত প্ৰকল্পৰ ভিতৰত কাৰ্যকৰী আৰু অ-কাৰ্যকৰী প্ৰকল্প সমূহৰ আই পি ব্যৱহাৰৰ ভাগ সমূহ তলৰ ৰাশি সমূহৰ পৰা দেখা গৈছে। খাৰিফ বতৰত ব্যৱহৃত আই পি ৰ প্ৰায় 76.6 শতাংশ আছিল কাৰ্যকৰী প্ৰকল্প সমূহৰ বাবে আই পি ৰ কম ব্যৱহাৰৰ লিপিবদ্ধ কাৰণ সমূহ হ'ল প্ৰকল্পসমুহৰ সাধাৰণ ক্ষয়-ক্ষতি, প্ৰাকৃতিক দুৰ্যোগ, অনিয়মীয়া বিদ্যুৎ যোগান, নদীৰ গতিপথৰ পৰিবৰ্তন, নলা ব্যৱস্থাৰ ক্ষতি, কৃষকৰ চাহিদাৰ অভাৱ ইত্যাদি।

চিত্ৰ তালিকা 2.5: আই পি ব্যৱহাৰ-প্ৰকল্পৰ কাৰ্যকৰীকৰণ স্থিতিৰ দ্বাৰা



আই পি ব্যৱহাৰৰ প্ৰতিবেদন বিশ্লেষণত দেখা গৈছে যে প্ৰধানকৈ খাৰিফ বতৰত জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্ট আৰু ব্যৱহৃত হৈছে। নমুনাকৃত প্ৰকল্প সমূহত ৰবি-প্ৰাক-খাৰিফ বতৰত আই পি ব্যৱহাৰ 10 শতাংশতকৈয়ো কম আছিল যিয়ে ৰবি-প্ৰাক-খাৰিফৰ শুকান বতৰত সফলতাৰে শস্যৰ উৎপাদনৰ মাধ্যমেৰে শস্যৰ ব্যাপক বৃদ্ধিৰ প্ৰচেষ্টাৰ ক্ষেত্ৰত ক্ষতিকাৰক প্ৰভাৱ পেলাব।

সামৰণি বৈঠকৰ সময়ত জলসিঞ্চন বিভাগৰ মুখ্য অভিযন্তাই কোনো বিশেষ সহাঁৰি দিয়া নাছিল। (আগষ্ট 2020).

2.2.7.2 হিতাধিকাৰী সকলৰ ক্ষেত্ৰত ফলাফলৰ প্ৰভাৱ

মুল্যায়নৰ বাবে বাচনি কৰা 73টা প্ৰকল্পই প্ৰভাৱিত নিয়ন্ত্ৰিত এলেকাৰ আশে-পাশে থকা 415খন গাওঁৰ 20,899 জন কৃষকক লাভ প্ৰদানৰ বাবে 29,497 হেক্টৰৰ প্ৰকৃত জলসিঞ্চনৰ এলেকা সামৰি লৈছিল। অসমৰ সাতখন জিলাৰ[46] মুঠ 1135 জন হিতাধিকাৰীৰ সমীক্ষা চলোৱা হৈছিল য'ত নমুনাকৃত ক্ষুদ্ৰ

[46] নমুনাকৃত প্ৰকল্পসমূহ 6 টা জলসিঞ্চন সংমণ্ডলৰ পৰা বাচনি কৰা হৈছিল যদিও হিতাধিকাৰী সমীক্ষাত 7 খন জিলা অন্তৰ্ভূক্ত কৰা হৈছিল কিয়নো চিৰাং জিলা নমুমাকৃত 6 টা সংমণ্ডলৰ ভিতৰৰ কোকৰাঝাৰ সংমণ্ডলৰ ভিতৰত পৰে।

জলসিঞ্চন প্ৰকল্প সমূহৰ পৰা পানী যোগান ধৰা হৈছিল। সহজে ঢুকিপোৱা আৰু কৃষক সকলৰ উপলব্ধতা আৰু সময়ৰ বাধ্য বাধকতাৰ কাৰণে হিচাপ পৰীক্ষকৰ মতামতৰ ভিত্তিত হিতাধিকাৰী সকলক বাচনি কৰা হৈছিল। অসম চৰকাৰৰ নমুনাকৃত কাৰ্যালয় সমূহত প্ৰকল্প অনুযায়ী আৰু শস্য অনুযায়ী আৱশ্যকীয় তথ্য-পাতি সমূহ নথকা হেতু হিতাধিকাৰীৰ সমীক্ষা, হিচাপ পৰীক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ আছিলা হিচাপে প্ৰমানিত হৈছিল। বিভিন্ন মানদণ্ড আৰু জলসিঞ্চনৰ ফলাফলৰ আধাৰত হিতাধিকাৰী সকলৰ সমীক্ষা কৰা হৈছিল আৰু ফলাফল সমূহ পৰৱৰ্তী দফা সমূহত আলোচনা কৰা হৈছে।

চিত্ৰ তালিকা 2.6: হিতাধিকাৰীৰ সমীক্ষা



(i) হিতাধিকাৰীৰ প্ৰফাইল

সমীক্ষাকৃত হিতাধিকাৰী সকলৰ গড় ভূমিস্বত্ব আছিল 14.4 বিঘা[47]। ওদালগুৰিত গড় ভূমিস্বত্ব সৰ্বাধিক আছিল। সমীক্ষাকৃত প্ৰায় 60 শতাংশ কৃষকৰে দুই হেক্টৰ বা 15 বিঘাতকৈ কম পৰিমাণৰ নগন্য বা কম ভূমিস্বত্ব আছিল। জলসিঞ্চন প্ৰকল্পৰ পানী লাভ কৰা সমীক্ষকৃত হিতাধিকাৰী কৃষক সকলে অধিকৃত ভূমিৰ প্ৰায় 92 শতাংশই কৃষি কাৰ্যত ব্যৱহাৰ কৰিছিল। এই কৃষি ভূমিৰ ভিতৰত খাৰিফ শস্যৰ বাবে ব্যৱহাৰৰ পৰিমাণ 90.4 শতাংশ আৰু ৰবি শস্যৰ বাবে ব্যৱহাৰৰ পৰিমাণ আছিল **সাৰণী 2.10** ত দিয়াৰ দৰে 12.4 শতাংশ মাত্ৰ।

[47] 1হেক্টৰ - 7.475 বিঘা

সাৰণী 2.10: খাৰিফ আৰু ৰবি শস্যৰ অন্তৰ্গত ভূমি

জিলা	হিতাধিকাৰীৰ সংখ্যা	মুঠ ভূমিস্বত্ব	কৃষিকাৰ্যৰ শতাংশ	ব্যৱহৃত জলসিঞ্চন ভূমি (শতাংশ)	
				খাৰিফ শস্যৰ বাবে	ৰবিশস্যৰ বাবে
কাছাৰ	75	837.5	97.4	96.6	6.6
চিৰাং	132	1,667.5	76.3	94.1	6.2
যোৰহাট	58	680.5	99.9	65.6	34.3
কাৰ্বিআংলং	126	1,282.0	98.8	99.1	0.1
কোকৰাঝাৰ	235	2,521.5	88.0	90.7	15.2
মৰিগাওঁ	110	1,402.0	82.2	35.2	94.5
ওদালগুৰি	399	7,982.7	95.7	98.1	0.9
সামগ্ৰীক	**1,135**	**16,373.7**	**91.9**	**90.4**	**12.4**

জিলা আৰু লগতে ভূমিস্বত্বৰ আকাৰ অনুযায়ী খৰিফ আৰু ৰবি শস্যৰ বাবে জলসিঞ্চনৰ মাটিৰ ব্যৱহাৰ তলৰ **চিত্ৰ তালিকা** *2.7* ত দিয়া হ'লঃ

চিত্ৰ তালিকা 2.7: জিলাৰ দ্বাৰা ব্যৱহাৰ কৰা খাৰিফ আৰু ৰবি শস্যৰ মাটি



চিত্ৰ তালিকা 2.8: ভূমিস্বত্বৰ আকাৰ অনুযায়ী ব্যৱহৃত খৰিফ আৰু ৰবি শস্যৰ ভূমি



এনেদৰে, জলসিঞ্চনে ৰবি শস্য উৎপাদনত বেছি অৰিহনা যোগাব পৰা নাছিল, বেছিভাগ জিলাই ৰবি শস্যৰ ভূমিৰ ব্যৱহাৰ 10 শতাংশৰ কম দেখুৱাইছিল আৰু খাৰিফ শস্যই প্ৰধান শস্য হিচাপে বিবেচিত হৈছিল।

(ii) কৃষিকাৰ্য্যৰ পদ্ধতি

জলসিঞ্চন ব্যৱস্থা কৰাৰ অন্যতম লক্ষ্য হ'ল শস্যৰ উৎপাদনশীলতা বৃদ্ধি কৰা, কৃষকে যাতে একে খিনি মাটিতেই একেটা বছৰতে একাধিক কৃষিকাৰ্য কৰিবলৈ সক্ষম হয়, যাৰ ফলত কৃষিৰ উৎপাদন আৰু কৃষকৰ আয় বৃদ্ধি পায়। হিতাধিকাৰীৰ সমীক্ষাৰ জৰিয়তে হিচাপ পৰীক্ষাত দেখা গৈছে যে প্ৰায় 15 শতাংশ কৃষকে গোটেই বছৰ ধৰি একাধিক শস্যৰ সৈতে একে ধৰণৰ কৃষিৰ পদ্ধতিকেই অনুসৰণ কৰিছে। এই সমূহ তলৰ **সাৰণী** *2.11* ত দেখুওৱা হৈছে।

সাৰণী 2.11: সমীক্ষা কৰা হিতাধিকাৰী কৃষক (এচ বি এফ) সকলে অনুসৰণ কৰা কৃষি পদ্ধতি

কৃষিকাৰ্যৰ পদ্ধতি	এচ বি কৃষকৰ সংখ্যা	এচ বি এফ (শতাংশ)
¯ এবাৰ	966	85.1
দুবাৰ	149	13.1
তিনিবাৰ	13	1.1
¯ একাধিক(>3)	7	0.6
মুঠ	**1,135**	**100.0**

এই উৎঘাটনৰ প্ৰকৃত সত্যটো হ'ল যে সমীক্ষা কৰা কৃষক সকলৰ প্ৰায় 84 শতাংশই ছমাহতকৈয়ো কম সময়ৰ বাবে তেওঁলোকে কৃষিকাৰ্য কৰা বুলি জনাইছিল, যি সমূহ তলৰ **সাৰণী** *2.12* ত দেখুওৱা হ'ল।

সাৰণী 2.12: এচ বি এফ ৰ দ্বাৰা কৃষিকাৰ্য কৰা মাহৰ সংখ্যা

কৃষিকাৰ্য মাহ	এচ বি কৃষকৰ সংখ্যা	এচ বি এফ শতাংশ
তিনি মাহ	6	0.5
ছয় মাহ	942	83.0
ন মাহ	97	8.5
বাৰ মাহ	90	7.9
মুঠ	**1,135**	**100.0**

যি সকল কৃষকে কেৱলমাত্ৰ এটা শস্যৰহে কৃষি কাৰ্য কৰে তেওঁলোকে একাধিক শস্যৰ কৃষিকাৰ্য কৰিবলৈ আগ্ৰহীনে বুলি কৰা আমাৰ প্ৰশ্নৰ উত্তৰত এক গৰিষ্ঠ সংখ্যক[48] কৃষকে অৰ্থাৎ প্ৰায় 88.4 শতাংশই জনাইছিল যে তেওঁলোকে সেইটো কৰিবলৈ ইচ্ছুক আৰু একাধিক কৃষিকাৰ্য কৰিবলৈ সক্ষম নোহোৱাৰ কাৰণ সমূহ তলত দিয়া ধৰণৰ বুলি ব্যাখ্যা কৰিছিলঃ

সাৰণী 2.13: বহুমুখী কৃষিকাৰ্য কৰিব নোৱাৰাৰ কাৰণ সমূহ

বহুমুখী কৃষিকাৰ্য কৰিবলৈ অসমৰ্থ হোৱাৰ কাৰণ	এচ বি এফ সংখ্যা	এচ বি এফ শতাংশ
প্ৰকল্পৰ জলসিঞ্চনৰ পানীৰ অভাৱ / যথেষ্ট নাছিল	780	91.3
খৰাং বতৰত জলসিঞ্চন প্ৰকল্পৰ পানী উপলব্ধ নাছিল	775	90.7
কৃষি বিভাগৰ পৰা সাহাৰ্য লাভ কৰা নাছিল	728	85.2

এনেদৰে, 90 শতাংশতকৈয়ো বেছি সংখ্যক কৃষকে জলসিঞ্চনৰ পানীৰ অনুপযুক্ততা আৰু খৰাং বতৰত পানীৰ অ-পৰ্যাপ্ততাকে তেওঁলোকৰ ইচ্ছা থকা স্বত্বেও একাধিক কৃষিকাৰ্য কৰিব নোৱাৰৰ প্ৰধান কাৰণ হিচাপে

[48] একক শস্যৰ সৈতে 966 এচ বি এফ ৰ ভিতৰত 854

অভিহিত কৰিছিল। এই কৃষকসকলৰ বেছি ভাগেই (85.2 শতাংশ, 728 জন উত্তৰদাতা) জনাইছিল যে একাধিক কৃষিকাৰ্য গ্ৰহণৰ বাবে জলসিঞ্চন/কৃষি বিভাগে তেওঁলোকক উদ্‌গনি যোগোৱা নাছিল।

(iii) জলসিঞ্চনৰ পানীৰ উপলব্ধতা

সমীক্ষা কৰা হিতাধিকাৰী কৃষকৰ সকলৰ 68 শতাংশতকৈয়ো বেছি সংখ্যকে জনাইছিল যে তেওঁলোকে প্ৰকল্প সমূহৰ পৰা পানী পাই আছে। তলৰ **সাৰণী *2.14*** ত দিয়া ধৰণে ওদালগুৰিত সৰ্বাধিক 92 শতাংশ আৰু যথাক্ৰমে কাছাৰ আৰু যোৰহাট জিলাত চাৰি শতাংশ আৰু 5.2 শতাংশৰে সৈতে গোটেই জিলা সমূহতে পানীৰ উপলব্ধতাৰ তাৰতম্য আছিল।

সাৰণী 2.14: বাৰিষা বতৰত জলসিঞ্চনৰ পানী প্ৰাপ্তিৰ স্থিতি

জিলা	হয়ঃ পাই আছে	নহয়ঃপোৱা নাই	উত্তৰ দিয়া নাই	মুঠ SB কৃষক	জলসিঞ্চনৰ পানী হোৱাৰ শতাংশ
কাছাৰ	3	72		75	4.0
চিৰাং	76	53	3	132	58.9
যোৰহাট	3	54	1	58	5.3
কাৰ্বিআংলং	98	28		126	77.8
কোকৰাঝাৰ	174	60	1	235	74.4
মৰিগাওঁ	54	56		110	49.1
ওদালগুৰি	367	32		399	92.0
সৰ্বমুঠ	**775**	**355**	**5**	**1,135**	**68.6**

অৱশ্যে সমীক্ষা কৰা কৃষক সকলৰ ভিতৰত কেৱল 23.2 শতাংশই জনাইছিল যে তেওঁলোকে খৰাং বতৰতো (অক্টোবৰৰ পৰা মাৰ্চ লৈ) জলসিঞ্চনৰ পানী লাভ কৰিছে আৰু মৰিগাওঁ জিলাত ইয়াৰ পৰিমান 67.5 শতাংশৰে সৰ্বাধিক আছিল। জিলা অনুযায়ী সহাঁৰি সমূহ তলৰ ***সাৰণী 2.15*** ত দেখুওঁৱা হ'লঃ

সাৰণী 2.15: খৰাং বতৰত জলসিঞ্চনৰ পানী প্ৰাপ্তিৰ স্থিতি

জিলা	হয়ঃ পাই আছে	নহয়ঃ পোৱা নাই	উত্তৰ দিয়া নাই	মুঠ এচ বি কৃষক	পানী পোৱাৰ শতাংশ (খৰাং বতৰত)
কাছাৰ	0	75		75	0.0
চিৰাং	9	121	2	132	6.9
যোৰহাট	0	40	18	58	0.0
কাৰ্বিআংলং	22	93	11	126	19.1
কোকৰাঝাৰ	19	213	3	235	8.2
মৰিগাওঁ	54	26	30	110	67.5
ওদালগুৰি	144	251	4	399	36.5
সামগ্ৰীক	**248**	**819**	**68**	**1,135**	**23.2**

তলৰ *চিত্ৰ তালিকা 2.9* ত জলসিঞ্চনৰ পানী উপলব্ধ বুলি সমীক্ষাত কোৱা কৃষকৰ সকলৰ শতকৰা দেখুওৱা হৈছে।

চিত্ৰ তালিকা 2.9: জলসিঞ্চনৰ পানীৰ উপলব্ধতা জনোৱা কৃষকৰ শতকৰা হাৰ



খাৰিফ আৰু ৰবি-প্ৰাক-খাৰিফ দুটা প্ৰধান শস্যৰ বতৰত সময়মতে আৰু পৰ্যাপ্ত ভাৱে জলসিঞ্চনৰ পানীৰ উপলব্ধতাৰ সন্দৰ্ভত কৰা নিৰ্দ্ধাৰিত প্ৰশ্নৰ উত্তৰত, খৰাং বতৰত জলসিঞ্চনৰ পানী উপলব্ধ নোহোৱাৰ কথাটোও কৃষক সকলে জনাইছিল। আনহাতে, উত্তৰদাতা সকলৰ প্ৰায় আধা সংখ্যকে জনাইছিল যে খাৰিফ বতৰৰ সময়ত পানী সময়মতে আৰু পৰ্যাপ্ত পৰিমানে লাভ কৰিছিল, ৰবি-প্ৰাক-খাৰিফৰ ক্ষেত্ৰত এই পৰিমানটো প্ৰায় 20 শতাংশহে আছিল। জিলাভিত্তিক সহঁাৰিৰ শতকৰা হাৰৰ সংক্ষিপ্তসাৰ তলৰ **সাৰণী *2.16*** ত দিয়া হ'ল।

সাৰণী 2.16: সময়মতে আৰু জলসিঞ্চনৰ পানীৰ পৰ্যাপ্ততা

জিলা	খাৰিফ (শতাংশ)		ৰবি-প্ৰাক- খাৰিফ(শতাংশ)	
	সময়মতে	পৰ্যাপ্ততা	সময়মতে	পৰ্যাপ্ততা
কাছাৰ	2.7	2.7	0.0	0.0
চিৰাং	54.5	40.9	3.8	1.5
যোৰহাট	0.0	0.0	0.0	0.0
কাৰ্বিআংলং	66.7	43.7	14.3	11.1
কোকৰাঝাৰ	63.0	47.2	9.4	5.5
মৰিগাওঁ	36.4	36.4	48.2	46.4
ওদালগুৰি	72.7	49.1	32.8	29.8
সামগ্ৰীক	**56.0**	**40.4**	**20.2**	**17.5**

যদিও জলসিঞ্চনৰ পানীৰ যোগানৰ সময়োপযোগিতা আৰু পৰ্যাপ্ততা কম সন্তোষজনক আছিল, ৰবি-প্ৰাক-খাৰিফ বতৰত এই পৰিস্থিতিৰ আৰু অৱনতি ঘটিছিল, যি সময়ত একাধিক শস্যৰ কৃষি কাৰ্যৰ বাবে পানী প্ৰয়োজন সৰ্বাধিক আছিল।

(iv) জলসিঞ্চনৰ বাবে উৎপাদনশীলতাৰ বৃদ্ধিৰ মূল্যায়ণ

ক্ষুদ্ৰ জলসিঞ্চন আঁচনিসমুহ ৰূপায়ণৰ অন্যতম প্ৰধান লক্ষ্য আছিল শস্যৰ উৎপাদনশীলতা বৃদ্ধি যিয়ে কৃষকৰ আয় বৃদ্ধি কৰে। উৎপাদনশীলতাৰ বৃদ্ধিৰ জৰিয়তে কৃষকৰ আয় বৃদ্ধি, শস্যৰ ঘনত্ব বৃদ্ধি, শস্যৰ বহুমূখীকৰণ

আৰু কৃষিকাৰ্যৰ অধীনৰ এলেকা বৃদ্ধিৰ অনুমানৰ ওপৰত ভিত্তি কৰি বাচনি কৰা প্ৰত্যেকটো প্ৰকল্পৰে বি চি আৰ 1 তকৈ বেছি আছিল।

হিচাপ পৰীক্ষাই কৃষক সকলক প্ৰকল্পৰ পৰা জলসিঞ্চনৰ পানী উপলব্ধ হোৱাৰ পূৰ্বে আৰু পিছত শস্য আৰু সেই সমুহৰ উৎপাদনশীলতা সম্বন্ধে প্ৰশ্ন কৰিছিল। তেওঁলোকৰ উত্তৰ সমুহ বিশ্লেষণ কৰাৰ পিছত নিম্নলিখিত সমুহ পৰিলক্ষিত হৈছিল।

কৃষক সকলে কৰা মিশ্ৰিত শস্যৰ উৎপাদন প্ৰকল্প সমুহৰ পৰা জলসিঞ্চনৰ পানী উপলব্ধ হোৱাৰ পূৰ্বৰ আৰু পিছৰ অৱস্থা কাৰ্যত অপৰিবৰ্তনীয় হৈ আছিল।তলৰ **চিত্ৰ তালিকা** *2.10* ত এইসমুহ দেখুওৱা হৈছে।

চিত্ৰ তালিকা 2.10: এটা নিৰ্দিষ্ট শস্যৰ কৃষি কাৰ্য কৰা বুলি জনোৱা কৃষকৰ শতকৰা হাৰ



ধান কৃষকৰ আৱশ্যকীয় শস্য হোৱাৰ লগতে শালিধান হৈছে প্ৰধান শস্য। খাৰিফৰ বাহিৰে অন্য বতৰত উৎপাদিত বৰো আৰু আহুধানৰ খেতি যিবিলাক জলসিঞ্চন আঁচনি ৰূপায়নৰ জৰিয়তে যথেষ্ঠ পৰিমাণে উৎপাদনৰ আশা কৰা হৈছিল সেই সমুহ তেনেদৰে বৃদ্ধি পোৱা নাছিল। তদুপৰি অন্যান্য শস্য যেনে- সৰিয়হ, মৰাপাট আৰু আলু আদি খেতিৰ উৎপাদন তেনেধৰণৰ উল্লেখযোগ্যভাৱে বৃদ্ধি হোৱা নাছিল।

ধানখেতিৰ ক্ষেত্ৰত, জলসিঞ্চনৰ পিছত উৎপাদন বৃদ্ধি পোৱা বুলি বহুতো কৃষকে জনাইছিল। শালিধানৰ গড় বৃদ্ধিৰ পৰিমান প্ৰায় 18 শতাংশ আছিল, 37 শতাংশ বৃদ্ধিৰ বৰোধানৰ ক্ষেত্ৰত এই বৃদ্ধিৰ[49] পৰিমান আৰু অধিক আছিল

কৃষক সকলে জনোৱা অনুসৰি গড় উৎপাদন (কুইন্টল প্ৰতি হেক্টৰত) আৰু গড় উৎপাদন বৃদ্ধি তলৰ চিত্ৰত দেখুওৱা হৈছে - এনেধৰণৰ উৎপাদন বৃদ্ধি দি পি আৰ সমুহত প্ৰত্যাশা কৰা ধৰণে 100 শতাংশৰ পৰিমানতকৈ যথেষ্ট পৰিমানে কম আছিল।

[49] এনে আহুধানৰ খেতি কৰা উত্তৰদাতাৰ সাধাৰণ উদাহৰণৰ আধাৰত আৰু সাৱধানতা অৱলম্বন কৰিব পাৰে।

চিত্ৰ তালিকা 2.11: ধানৰ উৎপাদন আৰু জলসিঞ্চনৰ পিছত ইয়াৰ পৰিবৰ্তন



তলৰ *সাৰণী 2.17* ত সমীক্ষা কৰা হিতাধিকাৰী কৃষক সকলে জনোৱা জিলা ভিত্তিক উৎপাদনৰ পৰিবৰ্তন দেখুওৱা হৈছেঃ

সাৰণী 2.17: ধানৰ উৎপাদন আৰু জলসিঞ্চনৰ পিছত ইয়াৰ পৰিবৰ্তন (জিলা সমুহৰ দ্বাৰা)

কুইণ্টল প্ৰতি হেক্টৰত

	শালি ধান		বৰো ধান		আহু ধান	
জিলা	প্ৰাক-জলসিঞ্চন	জলসিঞ্চনৰ পিছৰ	প্ৰাক-জলসিঞ্চন	জলসিঞ্চনৰ পিছৰ	প্ৰাক-জলসিঞ্চন	জলসিঞ্চনৰ পিছৰ
কাছাৰ	41.80	44.65			26.31	25.41
চিৰাং	28.37	30.92				
যোৰহাট	33.01	40.79	39.99	62.79	12.96	16.94
কাৰ্বিআংলং	40.69	49.01				
কোকৰাঝাৰ	36.01	40.47	41.86	53.82	29.90	29.90
মৰিগাওঁ	33.66	45.62	51.80	70.31		
ওদালগুৰি	31.63	38.49	89.70	71.76	46.34	
সামগ্ৰীক	34.12	40.14	50.49	68.86	26.91	23.59
সামগ্ৰীক শতাংশৰ পৰিবৰ্তন	**17.63 শতাংশ**		**36.39 শতাংশ**		**-12.35 শতাংশ**	

(v) কৃষকৰ আয়ৰ পৰিবৰ্তন

যদিও কৃষকৰ পৰিবৰ্ত্তন বহুতো পৰিস্থিতি ওপৰত নিৰ্ভৰ কৰে আৰু জলসিঞ্চনৰ সুবিধাৰ উপলব্ধতাৰ ওপৰত প্ৰধানকৈ জড়িত নহয়, আমি জলসিঞ্চনৰ প্ৰকল্পৰ ফলত বিগত পাঁচ বছৰত তেওঁলোকৰ আয়ৰ বৃদ্ধি - হ্ৰাসৰ ওপৰত কৃষকৰ মতামত পাবলৈ আমি চেষ্টা কৰিছিলো। কৃষকৰ আয়ৰ ওপৰত জলসিঞ্চন প্ৰকল্পৰ প্ৰভাৱ মূল্যায়ণ কৰিবলৈ আমি প্ৰশ্ন কৰিছিলো যে বিগত পাঁচ বছৰত কৃষক সকলৰ আয়ৰ পৰিমাণ বৃদ্ধি হৈছিল নে নাই। যদিও প্ৰায় 60 শতাংশ উত্তৰ দাতাই জনাইছিল যে তেওঁলোকৰ আয়ৰ পৰিমাণ বাঢ়িছে, তেনেদৰে আন 30 শতাংশই জনাইছিল যে তেওঁলোকৰ আয় কমিছে। এই সমুহ *চিত্ৰ তালিকা* **2.12** ত দেখুওৱা হৈছে।

চিত্ৰ তালিকা 2.12: সৰ্বমুঠ[50] বিগত বছৰত আয়ৰ স্ব-মূল্যায়নৰ পৰিবৰ্তন



জিলা সমুহৰ কৃষক সকলৰ সহাঁৰি আৰু ভূমি অধিগ্ৰহণৰ প্ৰকাৰৰ সমুহ তলৰ ***সাৰণী 2.18*** ত দেখুওৱা হ'ল। জিলা সমুহৰ ভিতৰত মৰিগাওঁ জিলাৰ কৃষকৰ আয় সৰ্বাধিক 80 শতাংশ হোৱাৰ লগতে কাৰ্বিআংলংত সৰ্বনিম্ন আছিল।

সাৰণী 2.18: জিলা সমুহৰ দ্বাৰা বিগত 5 বছৰত আয়ৰ স্ব-মূল্যায়নৰ পৰিবৰ্তন

জিলা	বৰ্দ্ধিত	একে থকা	হ্ৰাস হোৱা	উত্তৰ নিদিয়া	মুঠ এচ বি এফ	বৃদ্ধি হোৱা আয়ৰ শতাংশ
কাছাৰ	37	13	25		75	49.3
চিৰাং	83	7	38	4	132	64.8
যোৰহাট	33	7	18		58	56.9
কাৰ্বিআংলং	28	22	21	55	126	39.4
কোকৰাঝাৰ	164	18	51	2	235	70.4
মৰিগাওঁ	97	8	5		110	88.2
ওদালগুৰি	188	31	150	30	399	50.9
সামগ্ৰীক	**630**	**106**	**308**	**91**	**1,135**	**60.3**

ভূমি অধিগ্ৰহণৰ সৈতে যেতিয়া সহাঁৰি বিশ্লেষণ কৰা হয়, দেখা যায় যে বৃদ্ধিৰ সৈতে বেছি মাটি অধিগ্ৰহণৰ বিষয়টো সংযুক্ত হৈ থাকে। যি ক্ষেত্ৰত নিম্নতম কৃষক সকলৰ 56 শতাংশই আয় বৃদ্ধি হোৱা বুলি জনাইছিল, মধ্যমীয়া আৰু বৃহৎ ভূমি অধিগ্ৰহনকাৰী কৃষক সকলৰ পৰিমাণ 78 শতাংশত বহু বেছি আছিল।

[50] 91 এচ বি এফ ৰ পৰা কোনো সঁহাৰি হোৱা নগ'ল ।

চিত্ৰ তালিকা 2.13: ভূমি অধিগ্ৰহণৰ শ্ৰেণী অনুসৰি বিগত 5 বছৰত আয়ৰ স্ব-মূল্যায়ণৰ পৰিবৰ্তন



আয় বৃদ্ধি হোৱা বুলি জনোৱা কৃষক সকলৰ 28.1 শতাংশই জনাইছিল যে এনে বৃদ্ধি শস্য উৎপাদনৰ বাহিৰেও অন্যান্য কাৰণত হৈছিল।

সাৰণী 2.19: উল্লেখিত আয়বৃদ্ধিৰ কাৰণ সমূহ

উল্লেখিত আয়বৃদ্ধিৰ কাৰণ	এচ বি কৃষক	এচ বি কৃষক শতাংশ
শস্যৰ উৎপাদন বৃদ্ধিৰ কাৰণে	294	46.7
অন্য উৎসৰ আয়ৰ বাবে	177	28.1
সহাঁৰি নোপোৱা	159	25.2
আয়বৃদ্ধি হোৱা বুলি জনোৱা মুঠ এচ বি কৃষক	**630**	**100.0**

প্ৰায় 72 শতাংশ কৃষকে জনাইছিল যে কৃষিকাৰ্যৰ পৰা অৰ্জন কৰা আয় তেওঁলোকৰ জীৱন নিৰ্বাহৰ বাবে পৰ্যাপ্ত নহয়, যি সমূহ তলৰ *চিত্ৰ তালিকা 2.14* ত দেখুওৱা হ'ল ঃ

চিত্ৰ তালিকা 2.14: পাৰিবাৰিক জীৱন নিৰ্বাহৰ বাবে পৰ্যাপ্ত কৃষি আয়

ওপৰোক্ত সঁহাৰিৰ ধাৰা অব্যাহত ৰাখি, 71.9 শতাংশ কৃষকে জনাইছিল যে তেওঁলোকৰ আয়ৰ পৰিপূৰক হিচাপে অন্য চাকৰি / কাম হাতত লৈছিল। কৃষি আয়ৰ পৰা পাৰিবাৰিক জীৱিকা নিৰ্বাহ কৰাটো যথেষ্ট নহয় বুলি উত্তৰ দান কৰোতা সকলৰ ক্ষেত্ৰত এই শতাংশৰ পৰিমাণটো আছিল 94.3 শতাংশ, যিটোৱে জলসিঞ্চন প্ৰকল্প সমূহ সফল ৰূপায়ন আৰু ফাৰ্মৰ আয় বৃদ্ধি কৰিবলৈ আন সমৰ্থিত ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিয়ে।

সামৰণি বৈঠকৰ সময়ছোৱাত জলসিঞ্চন বিভাগৰ উপসচিবজনে উল্লেখ কৰিছিল যে নদীসমূহ যিহেতু উল্লেখ কৰিছিল যে নদীসমূহ যিহেতু গোটেই বছৰৰ বাবে নহয়, শুকান বতৰত পানীৰ পুখুৰী সম্ভৱ নাছিল।

2.2.8 অন্যান্য অংশীদাৰী সকলৰ সৈতে সমন্বয়

2.2.8.1 কৃষি বিভাগৰ ভূমিকা

দি পি আৰ সমূহত গুৰুত্ব আৰোপ কৰা ধৰণে কৃষি পদ্ধতিৰ উন্নতি সাধন আৰু প্ৰত্যাশিত লক্ষ্যত উপনীত হ'বলৈ জলসিঞ্চন বিভাগ আৰু কৃষি বিভাগৰ কাম-কাজৰ ক্ষেত্ৰত দুয়োটাৰে সু-সমন্বয় থকাটো অত্যন্ত বাঞ্ছনীয়। জলসিঞ্চন প্ৰকল্প সমূহৰ দি পি আৰ প্ৰস্তুতিৰ নীতি-নিৰ্দেশনা অনুসৰি বি চি আৰ গণনা আৰু কৃষি পদ্ধতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত কৃষি বিভাগৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। এই সহযোগিতা অত্যন্ত জৰুৰী যাতে অসম চৰকাৰৰ কৃষি বিভাগে কৃষি কাৰ্যৰ ধৰণ অনুসৰি বীজ আৰু সাৰ বিতৰণ কৰিব পাৰে। ৰাজ্যিক জলসিঞ্চন বিভাগে নিশ্চিত জলসিঞ্চন ব্যৱহাৰ কৰি একাধিক কৃষি কাৰ্য কৰিবলৈ আগ্ৰহী কৃষক সকলক জলসিঞ্চনৰ পানীৰ সৰ্বাধিক ব্যৱহাৰৰ বাবে উদ্‌গনি যোগাবলৈ কৃষি বিভাগ। সংস্থা সমূহৰ কৰ্ম-কৰ্তা সকলকলৈ গঠিত জিলা পৰ্যায়ৰ সমন্বয়ৰক্ষী সমিতি সমুহৰ দৰে ৰাজ্যিক সমন্বয়ৰক্ষী সমিতি সমূহো গঠন কৰিছিল।

হিচাপ পৰীক্ষাত দেখা গৈছিল যে কৃষি বিভাগে সময়ে সময়ে যদিও কৃষিৰ আহিলা-পাতি বিতৰণ কৰিছিল, সেইসমূহ দি পি আৰ সমূহত পৰিকল্পনা কৰা কৃষিকাৰ্যৰ ধৰণ অনুসৰি বিতৰণ কৰা হোৱা নাছিল। তদুপৰি, কৃষিবিভাগে, কৃষি চাৰ্কোল অনুসৰি বিতৰণ আৰু শস্য কটাৰ সম পৰীক্ষণৰ নথি-পত্ৰ ৰাখিছিল যদিও প্ৰকল্প অনুসৰি সবিশেষ উপলব্ধ নাছিল ফলত জলসিঞ্চন প্ৰকল্পৰ লগতে কৃষি সাহৰ্যৰ প্ৰভাৱ মূল্যায়ন নোহোৱাকৈয়ে আছিল।

উত্তৰত, কৃষি বিাগে জনাইছিল যে প্ৰকল্প সমূহৰ কৃষিৰ ধৰণ সমূহ জলসিঞ্চন বিভাগৰ দ্বাৰা প্ৰস্তুত কৰা হৈছিল আৰু কৃষিবিভাগৰ দ্বাৰা প্ৰমাণিত কৰা হৈছিল। কিন্তু, প্ৰভাৱিত এলেকা, সামৰি লোৱা গাওঁসমূহ, লক্ষ্য নিৰ্দ্ধাৰিত কৃষক আদিৰ সূচক যুক্ত প্ৰকল্পসমূহৰ সম্পূৰ্ণ হোৱাৰ পিছৰ সৱিশেষ সমূহৰ বিষয়ে জলসিঞ্চন বিভাগে জনোৱা নাছিল। এই বাবে, তেওঁলোকৰ ফালৰ পৰা প্ৰয়োজনীয় সাহাৰ্য আগবঢ়াবলৈ কৃষি বিভাগৰ তথ্যৰ অভাৱ ঘটিছিল।

তাৰোপৰি, সমন্বয়ৰক্ষী সমিতিৰ সাময়িক সভা, প্ৰশিক্ষণ পৰিচালনা, অনুপ্ৰেৰণামূলক কৰ্মসূচী আদিৰ সমৰ্থন যোগ্য নথি-পত্ৰ সমূহ কৃষি বিভাগ বা জলসিঞ্চন সংমণ্ডল সমূহৰ দ্বাৰা হিচাপ পৰীক্ষাৰ বাবে উপলব্ধ কৰোৱা নাছিল। এনেদৰে, দুয়োটা বিভাগৰ মাজত সু-সম্বন্ধৰ অভাৱ দেখা গৈছিল আৰু শক্তিশালী কৰাটো প্ৰয়োজন।

2.2.8.2 চৰকাৰী বিপণন সহায়তা

কৃষি উৎপাদনৰ বিপণন, কৃষক সকলৰ বাবে এক ডাঙৰ সমস্যা। কৃষকৰ আয় বৃদ্ধি, সঠিক সময় আৰু স্থানত কৃষি উৎপাদন বিক্ৰী কৰাৰ সুযোগৰ ওপৰত নিৰ্ভৰ কৰে। এই উদ্দেশ্যে কৃষক সকলে পৰিবহনৰ সুবিধা আৰু উপযুক্ত কৃষি বজাৰৰ সুবিধাৰ প্ৰয়োজন হ'ব।

উপৰোক্ত বিষয় সমূহৰ সন্দৰ্ভত আমাৰ প্ৰশ্নৰ উত্তৰত, 84.1 শতাংশ কৃষকে জনাইছিল যে তেওঁলোকৰ পছন্দৰ বজাৰ সমুহলৈ কৃষিজাত উৎপাদন সমূহ সৰবৰাহৰ বাবে চৰকাৰে পৰিবহন (ঠেলা, টেক্টৰ আদি) ৰ

সুবিধা প্ৰদান কৰাৰ বিষয়ে তেওঁলোক অৱগত নহয় আৰু মাত্ৰ 1.6 শতাংশই জনাইছিল যে তেওঁলোকে তেনেধৰণৰ পৰিবহনৰ সুবিধা লাভ কৰিছে।

2.2.8.3 অংশ গ্ৰহণমূলক জলসিঞ্চন ব্যৱস্থাপনা (পি আই এম) আৰু জল ব্যৱহাৰকাৰী সংস্থা ডব্লিউ ইউ এৰ ভূমিকা

অংশ গ্ৰহণ মূলক জলসিঞ্চন ব্যৱস্থাপনা (পি আই এম) ৰ লক্ষ্য হ'ল প্ৰভাৱিত এলেকাত মূল্যবান জলসিঞ্চনৰ পানীৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত কৃষক সকলৰ অংশগ্ৰহন বৃদ্ধি কৰা। পি আই এমৰ মাধ্যমেৰে হিতাধিকাৰী কৃষক সকলে জল ব্যৱহাৰকাৰী সংস্থা (ডব্লিউ ইউ এ) গঠন কৰিব যি সকলে বিভাগীয় কৰ্মচাৰী সকলৰ সহযোগত জলসিঞ্চন সেৱাৰ মাচুল সমগ্ৰহৰ লগতে পানীৰ ব্যৱস্থাপনা আৰু বিতৰণ সম্পৰ্কীয় পৰিকল্পনাত অংশ গ্ৰহণ কৰিব। সম্পূৰ্ণ হোৱা সকলো প্ৰকল্প ডব্লিউ ইউ এ ক হস্তান্তৰ কৰিব লাগিব যিয়ে সেই সমূহৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষনৰ বাবে দায়বদ্ধ হ'ব। ৰাজ্যত পি আই এম ৰ কাম- কাজ সমূহ সু-সংগঠিত কৰিবলৈ, অসম জলসিঞ্চনৰ পানী ব্যৱহাৰ আইন 2004 কাৰ্যকৰী কৰা হৈছিল। সম্পূৰ্ণ হোৱা প্ৰকল্পসমূহ ডব্লিউ ইউ এ ক হস্তান্তৰ কৰাটো পি আই এম ৰ পৰিচালনা ৰক্ষণাবেক্ষনৰ পূৰ্বস্বত্ব আছিল।

নমুনাকৃত প্ৰকল্প সমূহৰ ডি পি আৰ সমূহত কোৱা হৈছিল যে প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পিছত ডব্লিউ ইউ এ ক হস্তান্তৰ কৰা হ'ব। কিন্তু, নথি-পত্ৰৰ পৰীক্ষণৰ সময়ত, এইটো দেখা গৈছিল যে প্ৰকল্পৰ সমূহৰ এটাও ডব্লিউ ইউ এ ক হস্তান্তৰ কৰা নাছিল আৰু য'তেই গঠনন হৈছিল পি আই এম এতিয়াও আৰম্ভ হোৱা নাই। দেখা গৈছিল যে ডব্লিউ ইউ এ সমূহ সমবায় পঞ্জীয়কৰ অধীনত পঞ্জীয়ন ভূক্ত হৈছিল, কিন্তু ডব্লিউ ইউ এ সমূহ পি আই এম কাম- কাজ সু-সংগঠিত কৰাৰ বাবে বাধ্যতামূলক ডব্লিউ ইউ এ আইন 2004 ৰ ধাৰা অনুসৰি কাৰ্যকৰী হোৱা নাছিল। সেয়েহে, প্ৰকল্প সমূহৰ দৈনন্দিন পৰিচালনা আৰু ৰক্ষণাবেক্ষনৰ বাবে কৃষকসকলৰ অংশগ্ৰহণৰ মূল লক্ষ্য পূৰণ হোৱা নাছিল।

পানীৰ মাচুল সংগ্ৰহ

অসম জলসিঞ্চন আইন 1983 ৰ ধাৰা 40 (a) আৰু (b) অসম জলসিঞ্চন নিয়মাৱলী 1997 ৰ দফা 25 য়ে পানীৰ যোগান ধৰা মাটিৰ গৰাকীৰ পৰা পানীৰ মূল্য সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰে। ৰাজ্যৰ জলসিঞ্চন বিভাগে 1993 চনৰ পৰাই হিতাধিকাৰী কৃষক সকলৰ পৰা সেৱাৰ মাচুল আদায় কৰাৰ ব্যৱস্থাৰ সূচনা কৰিছে। ৰক্ষণাবেক্ষনৰ ক্ৰমবৰ্দ্ধমান ব্যয় আৰু ৰাজ্য চৰকাৰৰ বিত্তীয় সংস্কাৰ ব্যৱস্থাৰ সৈতে সামঞ্জস্য ৰক্ষা কৰাৰ বাবে 2000-01 ত জলসিঞ্চন সেৱাৰ মাচুলৰ হাৰ সংশোধন কৰা হৈছিল। জলসিঞ্চন সেৱা মাচুলৰ বৰ্তমানৰ হাৰ তলৰ **সাৰণী** *2.20* ত দিয়া হ'লঃ

সাৰণী 2.20: জলসিঞ্চন সেৱা মাচুলৰ হাৰ

শস্য	হাৰ/বিঘা(টকা)	হাৰ/হেক্টৰ(টকা)
খাৰিফ	37.50	281.24
ঘেঁহু আৰু অন্য ৰবি	75.00	562.50
আহু	100.00	751.00
মৰাপাট	20.00	150.00
কুঁহিয়াৰ	29.60	222.00

সেৱাৰ মাচুল আদয় আদায় কৰাৰ অৱস্থাৰ উন্নতি কল্পে ৰাজ্যিক জলসিঞ্চন বিভাগে অসম জলসিঞ্চনৰ পানী ব্যৱহাৰ কাৰী সংস্থা আইন, 2004 প্ৰণয়ন কৰিছিল আৰু সজাগতা সৃষ্টিৰ বাবে জিলা ভিত্তিক কৃষকৰ উদ্‌গনি মূলক কৰ্মসূচীৰ পৰিকল্পনা কৰিছিল।

ৰাজ্য খনত দিবলগীয়া পৰিমাণতকৈ সংগ্ৰহৰ পৰিমাণ অৱশ্যে তলৰ ***সাৰণী 2.21*** ত দেখুওৱা ধৰণে যথেষ্ট কম আছিলঃ

সাৰণী 2.21: পানীৰ মাচুল সংগ্ৰহ

(কোটি টকাত)

বছৰ	বছৰটোত শস্য অনুযায়ী ব্যৱহাৰৰ বাবদ আদায় কৰিবলগীয়াৰ পৰিমাণ	বছৰটোৰ ভিতৰত প্ৰকৃততে আদায় কৰা পৰিমাণ	বছৰটোৰ বাবে আদায় কৰিবলৈ বাকী থকাৰ পৰিমাণ	পুনৰ আদায়ৰ শতাংশ
2014-15	7.87	0.07	7.80	0.92
2015-16	8.06	0.08	7.98	0.95
2016-17	8.55	0.11	8.44	1.29
2017-18	8.82	0.12	8.70	1.36
2018-19	8.58	0.08	8.50	0.93

উৎস: সম্পূৰ্ণ টকাত দাখিল কৰা বিভাগীয় সংখ্যা

নিৰ্বাচিত ছয়টা সংমণ্ডলৰ ভিতৰত, কেৱল মাত্ৰ কোকৰাঝাৰ সংমণ্ডলে 2016-2019 ৰ সময়ছোৱাত লক্ষ্য নিৰ্দ্ধাৰিত 0.09 কোটি টকাৰ বিপৰীতে 0.03 কোটি টকা পানীৰ মাচুল আদায় কৰিছিল। আৰ্বিআংলং স্বায়ত্ব শাষিত পৰিষদৰ সিদ্ধান্ত অনুসৰি স্বায়ত্ব শাসিত জিলা পৰিষদৰ অন্তৰ্গত হোৱা বাবে কাৰ্বিআংলং সংমণ্ডলে পানীৰ মাচুল পৰিহাৰ কৰিছিল। অন্য চাৰিটা সংমণ্ডলে পানীৰ মাচুল সংগ্ৰহৰ কোনো ধৰণৰ নথি-পত্ৰ ৰখা নাছিল। ৰাজ্য চৰকাৰে অৱশিষ্ট দেয়সমূহ পৰীক্ষা কৰা দৰকাৰ আৰু পুণৰুদ্ধাৰৰ কাৰ্যব্যৱস্থা লোৱা উচিত।

হিতাধিকাৰীৰ সমীক্ষাৰ সময়ত হিচাপ পৰীক্ষকে জলসিঞ্চন পানী ব্যৱহাৰৰ বাবদ পানীৰ মাচুল আদায় দিয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে কৃষক সকলক প্ৰশ্ন কৰিছিল। উত্তৰ দাতা সকলৰ মাত্ৰ 27.8 শতাংশই জনাইছিল যে তেওঁলোক সেই সম্পৰ্কে সচেতন। সঁহাৰি সমূহ তলৰ ***সাৰণী 2.22*** ত সংক্ষিপ্ত ভাৱে দিয়া হ'লঃ

সাৰণী 2.22: পানীৰ মাচুল প্ৰদানৰ বিষয়ে সচেতনতা

	এচ বি কৃষকৰ সংখ্যা	এচ বি কৃষকৰ শতাংশ
হয়- সচেতন	316	27.8
নহয় - সচেতননহয়	693	61.1
সঁহাৰি হোৱা নাই	126	11.1
মুঠ	**1,135**	**100.0**

পানীৰ মাচুল আদায় দিয়াৰ প্ৰয়োজন সম্পৰ্কে সচেতন কৃষক সকলৰ ভিতৰত 33.5 শতাংশই ক'ত পানীৰ মাচুল আদায় দিব লাগিব সেই সম্পৰ্কে অজ্ঞ আছিল। এইদৰে, এইটো স্পষ্ট যে জলসিঞ্চন বিভাগে কৃষকৰ পৰা সেৱা মাচুল ঘুৰাই ল'বৰ বাবে যথোপযুক্ত পদক্ষেপ লোৱা নাছিল আৰু কিছুমান প্ৰকল্প পৰিপালনৰ অভাৱৰ বাবে নিষ্ক্ৰীয় ভাৱে পৰি থাকিবলৈ অনুমতি দিছিল।

2.2.9 সামৰণি

জি.অ.এয়ে উন্নত কৃষিৰ বিকাশ, শস্যৰ তীব্ৰতা বৃদ্ধি, শস্যৰ উৎপাদনশীলতা বৃদ্ধি আৰু দাইল আৰু তেলৰ বীজঁ সমূহৰ বৈচিত্ৰকৰণ আৰু সৰ্বশেষত কৃষক সকলৰ উন্নত জীৱন ধাৰণ আদিৰ দৰে ফলাফল সমূহ অৰ্জনৰ বাবে জলসিঞ্চনৰ আঁচনি সমূহ ৰূপায়ন কৰিছে। ৰাজ্যখনৰ 1,144 টা সম্পূৰ্ণ কৰা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প (3.86 লাখ হেক্টৰ জলসিঞ্চন সম্ভাৱনীয়তাৰ সৈতে) আছিল। ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ অধীনত হেক্টৰ সৃষ্টি কৰা মুঠ আই পি আছিল 6,74,117 হেক্টৰ আৰু 2010-17 ৰ সময়ছোৱাত সৃষ্টি কৰা বৃদ্ধি সম্বন্ধীয় আই পি আছিল মুঠ সৃষ্টি আই পি ৰ 20.4 শতাংশ।

কাৰ্য্য সম্পাদন হিচাপ পৰীক্ষাৰ জানুৱাৰী 2011 ৰ পৰা 31 মাৰ্চ 2017 লৈ সময়ছোৱাত সম্পূৰ্ণ হোৱা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সমূহৰ ফলাফলত প্ৰকাশ পাইছিল যে 73 টা নমুনাকৃত প্ৰকল্পৰ 25 শতাংশ (18 টা প্ৰকল্প) বিভিন্ন কাৰণৰ বাবে অ-কাৰ্যকৰী হৈ আছে আৰু তাৰ দ্বাৰা জলসিঞ্চন সম্ভাৱনীয়তা কমি আহিছে। প্ৰকল্পসমূহৰ পৰিপালন পুঁজিৰ অভাৱৰ বাবে ক্ষতিগ্ৰস্থ হয় আৰু সৃষ্ট আৰু জলসিঞ্চন ব্যৱস্থা সম্ভাৱনীয়তাৰ ওপৰত প্ৰতিবেদন অদক্ষ আছিল। জল ব্যৱহাৰকাৰী সংগঠন সমূহ জলসিঞ্চন আঁচনিসমূহৰ পৰিচালন আৰু সেইসমূহৰ পৰিপালনত কৃষকৰ অংশগ্ৰহণৰ নিশ্চিত দিবলৈ যি সমূহৰ ভূমিকা আছিল, সেইসমূহ কাৰ্যকৰী নাছিল। ৰাজ্য চৰকাৰে জলসিঞ্চন সেৱা মূল্যৰ বাকী থকা দেয় সমীক্ষা কৰিবলৈ ৰাজ্য চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল, যিটোৱে প্ৰকল্পসমূহৰ পৰিপালনত প্ৰভাৱ পেলাইছিল।

সৃষ্ট (63 শতাংশ) জলসিঞ্চন সম্ভাৱনীয়তা বৃহৎ পৰিমানে খাৰিফ ঋতুৰ বাবে ব্যৱহৃত হৈছিল আৰু জলসিঞ্চন পানীৰ মাত্ৰ ন শতাংশ যেতিয়া শুকান বতৰত আৰু জলসিঞ্চন পানীৰ দৰকাৰ / চাহিদা থাকে প্ৰাক খাৰিফ / ৰবি শস্যৰ বাবে ব্যৱহৃত হৈছিল। দি পি আৰ সমূহৰ অনুসৰি আশাকৰা ফলাফলসমূহ প্ৰকল্পসমূহ ব্যয় অনুপাতে সুবিধা আৰু কৃষকৰ আয় পৰিমাপ কৰোতে আশাবাদৰ উৰ্দ্ধত আৰু অবাস্তৱ দেখা গৈছিল।

হিচাপ পৰীক্ষাৰ দ্বাৰা কৰা হিতাধিকাৰী সমীক্ষাই প্ৰয়োজনীয় বিষয়সমূহ প্ৰকাশ কৰিছিল যেনে সমীক্ষাকৃত হিতাধিকাৰী কৃষকসমূহৰ মাত্ৰ 23.2 শতাংশই কৈছিল যে তেওঁলোকে খৰাং বতৰত জলসিঞ্চন পাইছিল। সময়মতে আৰু যথেষ্ট পৰিমান জলসিঞ্চনৰ পানীৰ অসন্তুষ্টী আছিল। 88.4 শতাংশৰ এক গৰিষ্ঠ সংখ্যকে জনাইছিল যে তেওঁলোক একাধিক কৃষিকাৰ্য্যৰ বাবে আগ্ৰহী কিন্তু প্ৰকল্প সমূহৰ পানী পৰ্যাপ্ত নোহোৱা বাবে সেইটো কৰিব পৰা নাছিল। গৰিষ্ঠসংখ্যক কৃষকে কৈছিল যে তেওঁলোকৰ কৃষি আয় জীৱন নিৰ্বাহৰ বাবে পৰ্যাপ্ত নাছিল।

এই উদঘাটন সমূহে অধিক জলসিঞ্চনৰ পানী উপলব্ধ কৰি কৃষকৰ কৃষিৰ পদ্ধতি, বিচিত্ৰতাৰ উন্নয়ন আৰু শস্যৰ উৎপাদন বৃদ্ধিৰ দ্বাৰা কৃষকৰ আয় সামগ্ৰীক ভাৱে বৃদ্ধি কৰিবলৈ জলসিঞ্চন প্ৰকল্পসমূহৰ কাৰ্যচালনৰ উন্নয়নৰ প্ৰয়োজনীয়তা গুৰুত্বসহকাৰে দেখুওৱাইছে। জলসিঞ্চন প্ৰকল্প সমূহৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰাৰ সময়ত তেওঁলোকৰ নিজা ডি.পি.আৰবোৰ অনুযায়ী ফলাফলত উপনীত হ'বলৈ এইটো প্ৰয়োজনীয় আছিল।

2.2.10 চুপাৰিছসমূহ

- *প্ৰকল্পৰ সময়মতে সম্পূৰ্ণকৰণ আৰু ব্যৱহাৰিক ফলাফলৰ বাবে কাৰিকৰী আৰু অৰ্থনৈতিক সম্ভাৱনীয়তাৰ অধ্যয়নৰ ওপৰত ভিত্তি কৰি বাস্তৱিক আৰু সম্ভাব্য অনুমানৰ ওপৰত ডি.পি.আৰ সমূহ প্ৰস্তুত কৰিব পাৰে; নমুনাৰ ঘাটি কাৰ্য্যকৰণ সম্পূৰ্ণ কৰাৰ আগতে সংশোধন কৰাৰ বাবে বিভাগৰ দ্বাৰা প্ৰাৰম্ভিক অৱস্থাত চিনাক্ত কৰা দৰকাৰ।*

- *জলসিঞ্চন বিভাগে সম্পূৰ্ণ হোৱা সকলো জলসিঞ্চন প্ৰকল্পৰ কাৰ্যকৰীকৰণ নিশ্চিত কৰিব লাগে আৰু অ-কাৰ্যকৰী প্ৰকল্প সমূহ পুনৰুজ্জীৱিত কৰণৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে।*

- *চৰকাৰে প্ৰকল্প মুল্যৰ কিছু শতাংশ দি পি আৰ সমূহৰ প্ৰকল্প সমূহ পৰিপালনৰ বাবে ব্যৱস্থা ৰাখিবলৈ বিবেচনা কৰিব পাৰে, পথ প্ৰকল্পৰ বাবে ৰখাৰ দৰে, যাতে প্ৰকৃত পৰিপালনৰ ব্যয় বহন কৰিব পাৰে।*

- *আই পি ব্যৱহাৰৰ বাস্তৱ ছবি প্ৰস্তুত কৰাৰ বাবে জলসিঞ্চন সংমণ্ডল সমূহৰ নথি-পত্ৰৰ পৰিপালন উন্নত কৰাটো প্ৰয়োজন।*

- *উত্তৰাখণ্ডৰ ৰাবাবন্দী পদ্ধতিটো*[51] *হৈছে জলসিঞ্চনৰ পানী সমবিতৰণ নিশ্চিত কৰণৰ এক উৎকৃষ্ট উদাহৰণ যাক অসমে অনুকৰণ কৰিব পাৰে।*

- *জলসিঞ্চন বিভাগ আৰু কৃষি বিভাগৰ অন্তিম লক্ষ্য একেধৰণৰ যিয়ে কৃষকসকলৰ জীৱিকা নিৰ্বাহৰ উন্নত কৰে। গতিকে, এইটো আৱশ্যক যে জলসিঞ্চন বিভাগে ইয়াৰ কাম সমূহ কৃষি বিভাগৰ সৈতে মিলাই ল'ব লাগে। পৰামৰ্শ দিয়া হয় যে দুয়োটা বিভাগৰ সৈতে পৰামৰ্শ ক্ৰমে এক আনুষ্ঠানিক বুজা বুজিৰ চুক্তি প্ৰস্তুত কৰিব পৰা যায় যাতে এটা ব্যৱস্থা স্থাপিত হয়।*

- *অংশগ্ৰহণমূলক জলসিঞ্চন ব্যৱস্থাপনাক উৎসাহিত কৰটো উচিত আৰু অসম চৰকাৰৰ দ্বাৰা অসম জলসিঞ্চনৰ পানী ব্যৱহাৰ আইন 2004, কাৰ্যকৰীভাৱে ৰূপায়ন কৰিব লাগে। পানী ব্যৱহাৰৰ মাচুল নিয়মীয়াভাৱে আৰু সংগ্ৰহ কৰিব লাগে যাতে মেৰামতিৰ পুজিৰ অভাৱত জলসিঞ্চন আঁচনিসমূহ ক্ষতিগ্ৰস্ত নহয়।*

[51] দিন, সময়ৰ অৱধি আৰু যোগানৰ সময় নিৰ্দেশ কৰি অনুমোদিত সুচী অনুসৰি পানী আৱন্টনৰ পৰা পানী ব্যৱহাৰকাৰী সকললৈ এটা পদ্ধতি

সন্মতিসূচক হিচাপ পৰীক্ষা

কৃষি বিভাগ

2.3.1 চৰকাৰৰ অতিৰিক্ত ক্ৰয় মূল্য

অসমৰ কৃষি সঞ্চালকে 2016-17 আৰু 2017-18 ৰ সময়ছোৱাত মাটি মাহৰ বীজ আহৰণৰ বাবে মাত্ৰাধিক নিৰিখত ক্ৰয়ৰ দ্বাৰা অসম চৰকাৰৰ অতি কমেও 5.80 কোটি টকাৰ অতিৰিক্ত মূল্যত ক্ৰয়ৰ পথ প্ৰশস্ত কৰে।

অসম বিত্তীয় বিধি 1939 ৰ বিধি 466 (1) য়ে কৈছে যে প্ৰতিজন ৰাজহুৱা বিষয়া ৰাজহুৱা খৰচ আৰু পুঁজিৰ বাবে একেধৰণৰ সতৰ্কতাৰ বাবে জাগ্ৰত হ'ব লাগে যি ধৰণে এনে সাধাৰণ সতৰ্ক ব্যক্তিয়ে খৰচ আৰু নিম্ন কতৃত্ব থকা ধনৰ ওপৰত অৱলম্বন কৰে। অসম ৰাজহুৱা সংগ্ৰহ আইন, 2017 ৰ ধাৰা 4 (1) (c) য়ে কৈছে যে ৰাজহুৱা সংগ্ৰহৰ ক্ষেত্ৰত সংগ্ৰহকাৰী সংস্থাটোৰ নিয়োজিত বিষয়াসকলে পেছাদাৰিত্ব, মিত্যব্যয়িতা আৰু পাৰদৰ্শিতা নিশ্চিক কৰিবলৈ দায়ত্ববোধ আৰু জবাবদিহি হ'ব লাগে।

অসম বীজ নিগম লিমিটেড (এ এচ চি এল) সকলো প্ৰকাৰৰ বীজ সমূহৰ কিনা, বেচা, গোটোৰা বজাৰৰ ব্যৱস্থা কৰা, আমদানি, ৰপ্তানি আৰু বিতৰকৰ বাবে বীজ বেপাৰী হিচাপে কাৰ্যসাধন কৰে। বিভিন্ন ধৰণৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক আঁচনিসমূহৰ প্ৰয়োজনীয়তা অনুসৰি অসম চৰকাৰৰ কৃষি সঞ্চালক (ডি.অ'.এ.) এ বিভিন্ন ধৰণৰ কৃষি উপকৰণ আৰু বীজৰ বাবে এ.এচ.চি.এলক আবেদন দাখিল কৰে। এ.এচ.চি.এলয়ে বিভিন্ন ধৰণৰ বীজ আৰু কৃষি উপকৰণ ক্ৰয় চূড়ান্তকৰণৰ বাবে নিবিদা আহ্বান কৰে।

এই ক্ষেত্ৰত হিচাপ পৰীক্ষাই (অক্টোবৰ - নৱেম্বৰ 2018) লক্ষ্য কৰিছিলঃ

এ এচ চি এল য়ে নিবিদাৰ জৰিয়তে মাটি মাহ বীজৰ (পি ইউ 31) 2016-17 বৰ্ষৰ বাবে প্ৰতি কুইন্টলত 8,301 টকা আৰু 2017-18 বৰ্ষৰ বাবে প্ৰতিকুইন্টল 8,143.97 টকা স্থিৰ কৰিছিল। L1 বিডাৰৰ দ্বাৰা প্ৰদত্ত নিৰিখৰ ভিত্তিত এই নিৰিখৰ ভিতৰত পৰিবহন (এক শতাংশ) মূল সংযোজিত কৰ (ভি.এ.টি.) (পাঁচ শতাংশ)[52] আৰু নিগমৰ লাভ (চাৰি শতাংশ) অন্তৰ্ভুক্ত আছিল।

ডাকৰ স্বৰ্ত আৰু নিৰিখ অনুযায়ী যোগানকাৰী আৰু দামৰ অনুমোদন দিয়োতে য'ত কিনোতাৰ প্ৰয়োজনীয় পৰিমান নিম্ন মূল্যায়নতকৃত দায়ত্বশীল ডাক দিয়োতাই দিয়া পৰিমানতকৈ বেছি হয় (যিটো ডাকোটাই দিয়া দৰে ডাকৰ পৰা ৰ নিৰ্ধাৰণ কৰা হ'ব) পৰৱৰ্তী নিম্ন দায়ত্বশীল ডাকোটা জনক তেওঁ দিয়া পৰিমানৰ বাবে যোগান ধৰিবলৈ সুযোগ দিব লাগে কিন্তু কিনোতাজনে নিম্ন ডাকেটাজনে দিয়া গ্ৰহণ কৰা দামতহে। এনেদৰে L1 নিবিদা দাতাই প্ৰয়োজনীয় পৰিমান জোগাৰ দিবলৈ অসমৰ্থ হ'লে এ এচ চি এল য়ে আন নিবিদা দাতাৰ নিম্নতম চুক্তিবদ্ধ নিৰিখত যোগান দিবলৈ কব পাৰে।

[52] 2017-18 সময়ছোৱাত জি.এচ.টি.ৰ আৰম্ভণিৰ পিছত তাত কোনো ধৰণৰ ভি.এ.টি. নাছিল আৰু সামগ্ৰীটো জি.এচ.টি. ৰেহাইকৃত আছিল।

এইটো দেখা গৈছিল যে এ এচ চি এচ যে বিভাগলৈ দৰকাৰী পৰিমান যোগান দিবলৈ অসমৰ্থ বুলি প্ৰকাশ কৰিছিল (ডিচেম্বৰ 2016) যিহেতু L1 নিবিদাদাতা জন পিছ হুঁহুকি আহিছিল। কোনো নথিভুক্ত কাৰণ অবিহনে দি অ' এ য়ে এ 2017-18 বৰ্ষৰ বাবে এচ চি এল ৰ সৈতে কোনো অনুসন্ধান কৰা নাছিল।

এ এচ চি এল ক নিৰ্দেশ দিয়াৰ পৰিবৰ্তে, যিটো আন নিবিদাদাতাক বীজ যোগান দিয়ে তেওঁলোকৰ নিজৰ ৰাজ্যৰ পি এচ ইউ আন নিবিদাদাতাক বীজ ক্ৰয়ৰ বাবে বিভিন্ন জিলালৈ বীজযোগান কৰিবলৈ 2016-17 বৰ্ষৰ বাবে আৰু এ ইউ চেপ্তেম্বৰ 2017 আঞ্চলিক প্ৰৱন্ধক (আৰ. এম.) ৰাষ্ট্ৰীয় বীজ নিগম লিমিটেড (এন.এচ.চি.এল.), কলকাতা (কেন্দ্ৰীয় পি.এচ.ইউ)ই, যোগানৰ আদেশ দিছিল। (2016-17 বৰ্ষৰ বাবে ফেব্ৰুৱাৰী 17 ত আৰু 2017-18 বৰ্ষৰ বাবে আগষ্ট - চেপ্তেম্বৰ 2017 সময়ছোৱাত)

হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে অসম চৰকাৰৰ কৃষি সঞ্চালক (দি অ' এ) জনে সেই অনুসৰি এন এচ চি এল ৰ পৰা 6.62 কোটি টকা (26,240 টকা নিৰিখত প্ৰতি কুইন্টলত) আৰু 9.61কোটি টকা (19,500 টকা নিৰিখত প্ৰতি কুইন্টলত) মূল্যত 2,524.60 কুইন্টল আৰু 4,928.72 কুইন্টল মাটি মাহৰ বীজ ক্ৰয় কৰিছিল যথাক্ৰমে 2016-17 আৰু 2017-18 সময়ছোৱাত। 26,240 টকা বিক্ৰী মূল্য এন এচ চি এল ৰ দ্বাৰা স্বকীয় ভাৱে 2017-18 ৰ বাবে বীজৰ ওপৰত জি এচ টি ৰেহাইৰ বাবে প্ৰতি কুইন্টলত 19,500 লৈ সংশোধিত কৰিছিল। দি অ এ যে 16.23 কোটি টকা মুঠ ব্যয় কৰি কৰ্তৃত্বপ্ৰাপ্ত ডীলাৰলৈ প্ৰত্যক্ষ ভাৱে পৰিশোধ মুকলি কৰিছিল।

হিচাপ পৰীক্ষাই 2016-17 আৰু 2017-18 ৰ সময়ছোৱাত ডীলাৰে যোগান ধৰা নিৰিখত মাটি মাহৰ বীজৰ বাবে (পি ইউ -31) এ এচ চি এলৰ দ্বাৰা পোৱা নিৰিখ[53] তলত সবিশেষ দিয়া ধৰণে তুলনা কৰিছিল।

বছৰ	এ.এচ.চি.এলয়ে লাভ কৰা নিৰিখ (টকাত/ কুইন্টল)		এন.এচ.চি.এলয়ে প্ৰদান কৰা নিৰিখ (টকাত/ কুইন্টল)	ক্ৰয়ৰ পৰিমাণ (কুইন্টল)	জি.অ'.এৰ অতিৰিক্ত ক্ৰয় মূল্য (কোটি টকাত)	
	এল.2 (নিম্নতম)	উৰ্দ্ধতম			উৰ্দ্ধতম	নিম্নতম
1	**2**	**3**	**4**	**5**	**6 {(4*5)-(2*5)}**	**7 {(4*5)-(3*5)}**
2016-17	8,962	14,000	26,240	2524.60	4.36	3.09
2017-18	8,962	14,000	19,500	4928.72	5.19	2.71
			মুঠ	**7458.32**	**9.55**	**5.80**

ওপৰৰ সাৰণিৰ পৰা এইটো প্ৰমাণিত যে যদি এ এচ চি এল য়ে আন নিবিদাদাতাক বীজ যোগানৰ ধৰিবলৈ তেওঁলোকে প্ৰস্তাৱ কৰা মূল্যতে বিভাগৰ বীজ ক্ৰয় মিতব্যয়ী হ'লহেতেন। যেতিয়া এন এচ চি এল য়ে প্ৰদান কৰা আৰু বিভাগৰ দ্বাৰা গ্ৰহণ কৰা বহু উচ্চ নিৰিখৰ লগত তুলনা কৰিলে হয়, তেওঁলোকে 9.55 কোটি টকা আৰু 5.80 কোটি টকা পৰিসৰলৈ কৰা অতিৰিক্ত ব্যয় ৰাহি কৰিব পাৰিলেহেতেন।

আমোদজনকভাৱে, এন এচ চি এল ৰ বাবে প্ৰতি 26,240 কুইন্টলত টকাত বীজৰ অধিক পৰিমাণৰ যোগান ধৰাজন 2016-17 বৰ্ষৰ বাবে এ এচ চি এল ৰ দ্বাৰা বাচনি কৰা একেজন ডীলাৰ[54], যিজনে সকলো অৰ্ন্তভুক্তিৰে প্ৰতি কুইন্টলত 8,301.7 টকা নিৰিখত 1,100 কুইন্টল মাটি মাহ প্ৰস্তাৱ কৰিছিল।

[53] L1 বিডাৰক বাদ দি নিৰিখসমূহ বিবেচনা কৰা হৈছিল যিহেতু L1 বিডাৰে বীজ যোগন ধৰিবলৈ অসন্মত হৈছিল।

এ.এচ.চি.এলৰ দ্বাৰা প্ৰদান কৰা মূল্য (8,301.70 টকা প্ৰতি কুইন্টল) আৰু এন.এচ.চি.এলৰ দ্বাৰা উল্লেখ কৰা মূল্য (26,240 টকা প্ৰতি কুইন্টল), ৰ মাজত বৃহৎ পাৰ্থক্যৰ বিষয়ে সজাগ হোৱা স্বত্ত্বেও ডি.অ.এ. এ.এচ.চি.এলৰ সৈতে চুক্তি কৰিবলৈ কোনো চেষ্টা কৰা নাছিল বা এ.এচ.চি.এলক 2016-17 ৰ আন নিবিদা দাতাৰ নিৰিখত যোগান ধৰিবলৈ সম্ভাৱনা আশা কৰিবলৈ নিৰ্দেশ দিয়া নাছিল। ডি.অ.এৰ কাৰ্য্যগ্ৰহণ বিত্তীয় নিয়মৰ পৰীপন্থী আৰু এনেদৰে ৰাজ্য চৰকাৰৰ বিত্তীয় স্বাৰ্থৰ বিৰুদ্ধে আছিল। যাৰ ফলত ওপৰৰ সাৰণীত দেখুওৱাৰ দৰে 5.80 কোটি টকাৰ নিম্নতম অতিৰিক্ত ক্ৰয়ত ব্যয় হৈছিল।

বিষয়টো চৰকাৰক মাৰ্চ 2020 ত অৱগত কৰা হৈছিল, কৃষি বিভাগৰ যুটিয়া সঞ্চালকে কৈছিল (আগষ্ট 2020) বৰ্ষটোৰ সময়ছোৱাত নিবিদা কমিটিৰ দ্বাৰা স্থিৰ কৰা নিৰিখ আৰু মাটি মাহৰ বীজৰ নিৰিখ সমূহ বহু গুণে বৃদ্ধি হৈছিল। উত্তৰটো গ্ৰহণযোগ্য নাছিল যিহেতু নিবিদাত এ.এচ.চি.এলৰ দ্বাৰা 2016-17 আৰু 2017-18 বৰ্ষৰ বাবে বীজ যোগন ধৰিবলৈ নিৰিখ প্ৰাপ্তি হৈছিল।

চুপাৰিছ সমূহ ঃ চৰকাৰে ইয়াত নিজৰ ৰাজ্যিক পি.এচ.ইউ, এ.এচ.চি.এল.ৰ গোটেই ক্ৰয় প্ৰক্ৰিয়াটিৰ সমীক্ষা কৰিব পাৰে আৰু নিশ্চিত হ'বলৈ যে তেওঁলোকে নিবিদা আৰু ক্ৰয় নিৰ্দেশনাৱলী কঠোৰভাৱে মানি চলে। নহলে পি.এচ.ইউ সমূহৰ নিজৰ অস্তিত্ব পুনৰীক্ষণ কৰিব লাগিব বীজ ক্ৰয়ত বিভাগক সহায় কৰাত তেওঁলোকৰ অসমাৰ্থতাৰ বাবে যিটো সেই সমূহ আৰম্ভ কৰা মূল উদ্দেশ্য আছিল। চৰকাৰে ডি.অ.এ.ৰ ওপৰত অতিমাত্ৰা নিৰিখত বীজ ক্ৰয়ৰ দ্বাৰা ৰাজ্যিক ৰাজকোষলৈ বিত্তীয় ক্ষতিৰ কাৰণ হোৱাৰ বাবে দায়বদ্ধতা স্থিৰ কৰিব পাৰে।

[54] মেৰ্চাচ এ.জে.বি. মাচেনটাইল, গুৱাহাটী

জলসিঞ্চন বিভাগ

2.3.2 জেদ শ্বীট পাইলচৰ নিস্ক্ৰীয়তা

বড়োলেণ্ড প্ৰদেশীয় পৰিষদে প্ৰকৃত প্ৰয়োজনতকৈ অধিক 6.06 কোটি টকা মূল্যৰ 524.06 এম টি জেদ শ্বীট পাইলচ সংগ্ৰহ কৰাত জেট-শ্বিট পাইলচসমূহ অব্যৱহৃত হৈ থাকিল।

অসম বিত্তীয় বিধি 1939 ৰ বিধি 466 (1) য়ে নিৰ্ধাৰিত কৰি দিছে যে প্ৰতিজন ৰাজহুৱা বিষয়া ৰাজহুৱা খৰচ আৰু ৰাজহুৱা পুঁজিৰ বাবে একেধৰণৰ সতৰ্কতাৰ বাবে জাগ্ৰত হ'ব লাগে যি ধৰণে এজন সাধাৰণ সতৰ্ক ব্যক্তিয়ে খৰচ আৰু নিজৰ কৰ্তৃত্বত থকা ধনৰ ওপৰত অৱলম্বন কৰে। তদুপৰি অসম বিত্তীয় বিধিৰ 219 বিধিৰ অধীনৰ টোকাত বিধিবদ্ধ কৰা হৈছে যে যিকোনো সামগ্ৰীৰ মজুত অদূৰ ভৱিষ্যতৰ প্ৰকৃত প্ৰয়োজনীয়া বিবেচনাৰে আৰু অতীতৰ গড় খৰছ সম্পৰ্কে যথাযথভাৱে নিয়ন্ত্ৰিত হ'ব লাগে।

বড়োলেণ্ড প্ৰদেশীয় পৰিষদ (বি টি চি) কোকৰাঝাৰ জলসিঞ্চন বিভাগে এ আই বি পি[55] ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ অধীনত বি টি চি এলেকাৰ তিনিটা সংমণ্ডলৰ[56] বাবে 2,937.04 এম টি[57] জেদ -টাইপ[58] পাইলচ শ্বীট সংগ্ৰহৰ বাবে প্ৰশাসনিক অনুমোদনে প্ৰদান কৰে (এপ্ৰিল 2013 আৰু ফেব্ৰুৱাৰী 2015)।

বিটিচি কোকৰাঝাৰ জলসিঞ্চন বিভাগৰ বিভাগীয় পৰিষদীয় মুৰব্বীয়ে অসমৰ জলসিঞ্চন বিভাগৰ চি ই ৰ নিৰিখৰ ওপৰত ভিত্তি কৰি আৰু বিটিচি ৰ ক্ৰয় সমিতি দ্বাৰা ঠিক কৰা এজন ঠিকাদাৰক[59] এ আই বি পি 2012-13 আঁচনিৰ অধীনত প্ৰতি এম টি ত 1,02,000 টকা মূল্যত 1,466.46 এম টি জেদ - টাইপ পাইলচ শ্বীট আৰু এ আই বি পি 2013-14 আঁচনিৰ অধীনত প্ৰতি এম টি ত 1,23,500 টকা মূল্যত1,234.64 এম টি জেদ - টাইপ পাইল শ্বীট যোগান ধৰিবলৈ কামৰ আদেশ জাৰি কৰিছিল[60]। কোকৰাঝাৰ জলসিঞ্চন সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাই (ই ই) ঠিকাদাৰ জনক শ্বীট পাইলচ যোগান (আগষ্ট-2013 মাৰ্চ 2016) ধৰাৰ বিপৰীতে 30.21কোটি[61] টকা প্ৰদান (এপ্ৰিল 2018) কৰে।

নথিপত্ৰৰ পৰিনিৰিক্ষণত[62] এইটো দেখা গৈছিল যে যোগান ধৰা 2,701.1 এম টি[63] জেদ- শ্বীট পাইলচৰ 605.55 লাখ[64] টকা মূল্যৰ 524.06 এম টি ডিচেম্বৰ 2019 পৰ্যন্ত কামত নহাকৈ পৰি আছিল। এইটো

---

55 এ আই বি পি 2012-13 ৰ অধীনত 91 টা আঁচনিৰ বাবে 1635.95 এম টি আৰু এ আই বি পি 2013-14 ৰ অধীনত 60 টা আঁচনিৰ বাবে 1301.09 এম টি

56 জেদ-টাইপ শ্বীট পাইলচ হৈছে নিৰ্মাণৰ মজিয়াৰ তলত চিপেজ ফ্লো/ চাব সাৰফেচ ফ্লো বন্ধ কৰিবলৈ পৰ্দাৰ দৰে কাম কৰা নদীৰ উজাই যোৱা আৰু ভতিয়াই যোৱা ঠাইত বান্ধ /তোপাৰে জলসিঞ্চনত নিৰ্মাণত ব্যৱহৃত শ্বীট পাইলচ

57 ক্ষেত্ৰবৰ্ধক জলসিঞ্চন মুনাফা কাৰ্যক্ৰম

58 কোকৰাঝাৰ, বৰোলিয়া আৰু টংলা

59 শ্ৰী মনোৰঞ্জন ব্ৰহ্ম

60 এ আই বি পি 2012-13 ৰ বাবে এপ্ৰিল 2013 নৱেম্বৰ 2014 ৰ সময়ছোৱাত আৰু এ আই বি পি 2013-14 ৰ বাবে ফেব্ৰুৱাৰী 2015

61 1,02,000 টকা মূল্যত 1,466.46 এম টিৰ বাবে 14.96 কোটি টকা যোগ 1,23,500 টকা মূল্যত 1,234.64 এম টিৰ বাবে 15.25 কোটি টকা

62 মজুত, স্থুল হিচাপ, বিন কাৰ্ড

63 এ আই বি পি 2012-13 ৰ বাবে 1466.46 এম টি যোগ এ আই বি পি 2013-14 ৰ বাবে 1234.64 এম টি

64

ক্ৰমিক নং	বিৱৰণ	জেদ-টাইপ পাইলচৰ অৱশিষ্ট পৰিমান	পৰিশোধ ৰচিদ অনুসৰি নিৰিখ	সামগ্ৰীৰ মূল্য (লাখ টকা)
1.	পূৰ্বৰ অৱশিষ্ট	7.91	1.02	8.07
2.	এ.আই.বি.পি. 2012-13	185.91	1.02	189.63
3.	এ.আই.বি.পি. 2013-14	330.27	1.235	407.88
মুঠ		**524.09**		**605.58**

তলত বিশদ ভাৱে দেখুওৱাৰ দৰে 135 টা প্ৰকল্পৰ বিপৰীতে প্ৰয়োজনীয়তাৰ অনুপযুক্ত মূল্যায়নৰ বাবে হৈছিল।

	এ আই বি পি 2012-13			এ আই বি পি 2013-14		
	প্ৰকল্পৰ সংখ্যা	মূল্যায়ন (এম টি ত)	জাৰি কৰা (এম টিত)	প্ৰকল্পৰ সংখ্যা (এম টিত)	মূল্যায়ন (এম টি ত)	জাৰি কৰা (এম টিত)
মূল্যায়ন মতে জাৰি কৰা	10	141.75	141.75	-	-	-
মূল্যায়নতকৈ কমকৈ জাৰি কৰা	36	882.90	665.98	30	1,079.64	679.83
মূল্যায়নতকৈ অধিক ভাৱে জাৰি কৰা	20	356.17	404.59	10	145	224.54
মূল্যায়নত হৈছিল কিন্তু জাৰি কৰা নাছিল	10	148.64	0	11	76.35	0
মূল্যায়নত নকৰাকৈ জাৰি কৰা	8	0	68.23	-	-	-
মুঠ	**84**	**1,529.46**	**1,280.55**	**51**	**1,300.99**	**904.37**

(পৰিশিষ্ট-*2.2* ত বিস্তৃত ভাৱে আছে)

উত্তৰত ই ই য়ে জনাইছিল যে বিটিচি ৰ সকলো সংমণ্ডলৰ সকলো আঁচনি বিবেচনা কৰাৰ পাছত ক্ৰয় কৰা হৈছিল। যাহওঁক পৰৱৰ্ত্তী সময়ত কামৰ বিস্তৃত নিৰ্দেশনা সলনি হোৱাৰ কাৰণে শ্বীটবোৰ ব্যৱহাৰ হোৱা নাছিল। উত্তৰটো গ্ৰহণযোগ্য নাছিল যিহেতু প্ৰকৃত প্ৰয়োজনীয়তাক মূল্যায়ন নকৰাকৈ কৰা ক্ৰয়ে নিস্ক্ৰীয় ভাৱে জমা হৈ থকা পথ মুকলি কৰিছিল।

এনেদৰে 6.06 কোটি টকাৰ 524.06 এম টি জেদ প্ৰকাৰৰ শ্বীট প্লাইৰ প্ৰয়োজনীয়তা অনুচীত মূল্যায়নৰ বাবে বিগত পাঁচবছৰত বিভাগত নিস্ক্ৰীয়ভাৱে পৰি থাকিল আৰু সময়ৰ লগে লগে এই শ্বীট সমূহৰ মানদণ্ডৰ অৱনতি অস্বীকাৰ কৰিব নোৱাৰি।

বিষয়টো চৰকাৰক মাৰ্চ 2020 ত অৱগত কৰা হৈছিল; মূখ্য অভিযন্তাই উল্লেখ কৰিছিল (আগষ্ট 2020) যে বিভাগীয় ক্ৰয় সমিতিৰ দ্বাৰা নিৰিখ সমূহ সাধাৰণতে এবছৰৰ বাবে স্থিৰ কৰা হয় আৰু নিৰিখ সমূহ পৰৱৰ্ত্তী দি পি চি অনুস্থিত হোৱা লৈকে চলি থাকে। যাহওঁক চি ই জনে সবিশেষ জনোৱাৰ আশ্বাস দিছিল।

অধ্যায়-*III*

সাধাৰণ খণ্ড

সন্মতি সূচক হিচাপ পৰীক্ষা

অধ্যায়-III
সাধাৰণ খণ্ড

3.1 সূচনা

সাধাৰণ খণ্ডৰ অধীনত ৰাজ্য চৰকাৰৰ বিভাগ কাৰ্য্যালয় সমূহৰ হিচাপ পৰীক্ষাত হোৱা বিষয় সমূহ এই অধ্যায়ত চিত্ৰিত কৰা হৈছে।

2018-19, ৰ সময়ছোৱাত 15 টা বিভাগে মুঠ বাজেট ব্যৱস্থাৰ 16,858.58 কোটি টকাৰ বিপৰীতে 10,448.92 কোটি টকা খৰচ কৰিছিল। বিভাগ অনুসৰি থকা বাজেট ব্যৱস্থা আৰু তাৰ বিপৰীতে এই বিভাগ সমূহে কৰা খৰচৰ সবিশেষ **সাৰণী 3.1** ত দেখুওৱা হ'ল:

সাৰণী -3.1: বিভাগ অনুযায়ী বাজেট ব্যৱস্থা আৰু ব্যয়ৰ সবিশেষ

(কোটি টকাত)

বিভাগ	অনুদান নং আৰু নাম	বাজেট ব্যৱস্থাপনা		ব্যয়	
		ৰাজহ	মূলধনী	ৰাজহ	মূলধনী
প্ৰশাসনিক সংস্কাৰ আৰু প্ৰশিক্ষণ	22-প্ৰশাসনিক প্ৰশিক্ষণ	19.74	7.86	14.35	1.57
সীমান্ত সুৰক্ষা আৰু উন্নয়ন	50- অন্যান্য বিশেষ এলেকা আঁচনি	6.12	155.27	1.54	36.84
নিৰ্বাচন	4- নিৰ্বাচন	200.86	9.00	185.86	8.89
সাধাৰণ প্ৰশাসন	12-জিলা প্ৰশাসন	535.73	130.20	278.35	81.71
	25- বিবিধ সাধাৰণ সেৱাসমুহ	3467.91	871.00	1846.24	104.53
	47- বানিজ্য উপদেষ্টা	1.49	--	1.23	--
গৃহ আৰু ৰাজনৈতিক	14-আৰক্ষী	5077.49	188.67	3871.12	109.08
	15-কাৰাগাৰ	103.07	25.29	81.40	7.25
	18- অগ্নিসেৱা	132.03	71.33	126.03	33.73
	19- সতকৰ্তা আয়োগ অন্যান্য	475.90	11.05	378.16	3.41
	20- অন্যান্য প্ৰশাসনিক সেৱা	286.90	0.20	239.82	0.19
ন্যায়িক	3- ন্যায়িক প্ৰশাসন	493.58	177.72	335.52	109.24
বিধানমণ্ডল	1- ৰাজ্যিক বিধানমণ্ডল	83.45	57.12	59.16	42.87
ৰাজ্যপালৰ সচিবালয়	ৰাজ্যৰ মুৰব্বী	11.90	--	8.30	--
মুখ্যমন্ত্ৰীৰ সচিবালয়	2-মন্ত্ৰী পৰিষদ	9.61	--	6.88	--
মুদ্ৰন আৰু আচবাব	16- ছপা আৰু আচবাব	45.70	2.64	29.95	1.11
ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা	6- ভূমি ৰাজহ আৰু ভূমি চিলিং	409.84	15.00	257.10	4.85
	41- প্ৰাকৃতিক দুৰ্যোগ	1283.08	--	949.54	--
	72- সামাজিক সুৰক্ষা আৰু কল্যাণ	20.02	--	17.42	--
সচিবালয় আৰু প্ৰশাসন	11- সচিবালয় আৰু সংলগ্ন কাৰ্য্যালয়	1026.37	5.00	786.04	--
তথ্য আৰু জনসংযোগ	35- তথ্য আৰু প্ৰচাৰ	65.58	--	57.91	--
ব্যক্তি বিশেষ	লোকসেৱা আয়োগ	15.20	--	11.42	--
পৰিবৰ্তন আৰু উন্নয়ন	45-জনগণনা, সমীক্ষা আৰু পৰিসংখ্যা	84.06	2.64	38.88	2.64
	44- উত্তৰ পূৰ্ব্বাঞ্চল পৰিষদ আঁচনি	23.96	1249.00	3.06	315.73
মুঠ		**13879.59**	**2978.99**	**9585.28**	**863.64**
সৰ্বমুঠ (ধাৰ্য্য অৰ্ন্তভূক্ত)			**16858.58**		**10448.92**

উৎস ঃ বিনিয়োজন হিচাপ **2018-19**

3.1.1 পৰিকল্পনা আৰু হিচাপ পৰীক্ষাৰ পৰিচালনা

2018-19 ৰ কালছোৱাত, সাধাৰণ খণ্ডৰ অধীনত 436 টা হিচাপ পৰীক্ষা কৰিবলগীয়া গোটৰ ভিতৰত, 183 টা গোটৰ[65] 5,270.13 কোটি টকা (পূৰ্বৰ বছৰৰ ব্যয় সমুহকে ধৰি) ব্যয় সম্পৰ্কীয় হিচাপ পৰীক্ষা কৰা হৈছিল। এই অধ্যায়ত তিনিটা সন্মতি সূচক হিচাপ পৰীক্ষাৰ দফা সন্নিবিষ্ট কৰা হৈছে।

2018-19 বৰ্ষৰ সময়ছোৱাত হিচাপ পৰীক্ষাত পোৱা গৰিষ্ঠ সংখ্যক পৰ্যবেক্ষন সমুহ পৰৱৰ্তী দফা সমুহত আলোচনা কৰা হ'ল।

সন্মতিসূচক হিচাপ পৰীক্ষা

কৰ্মচাৰী বিভাগ আৰু পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগ

3.2 অনুকম্পামূলক নিয়োগৰ সলনি অনুকম্পামূলক পাৰিবাৰিক পেঞ্চন আঁচনি

3.2.1 সূচনা

অসম চৰকাৰ (জি অ' এ) অনুকম্পামূলক নিয়োগ আঁচনিয়ে মৃত্যু বৰণ কৰা বা স্বাস্থ্যসম্বন্ধীয় কাৰণত অৱসৰ লোৱা চৰকাৰী চাকৰিয়ালৰ বিত্তীয় নিঃস্ব অৱস্থাৰ পৰা সকাহ দিবলৈ তেওঁৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ কোনো সদস্যক নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰে। এই আঁচনিৰ উদ্দেশ্য আছিল সংশ্লিষ্ট চৰকাৰী কৰ্মচাৰী জনৰ পৰিয়ালক বিত্তীয় নিঃস্ব অৱস্থাৰ পৰা সকাহ দিয়া। অসমত অনুকম্পামূলক নিয়োগ আঁচনিৰ 1983 চনৰ ছেপ্তেম্বৰৰ পৰা ৰূপায়িত কৰা হৈ আছে। এই আঁচনিৰ নীতি নিৰ্দেশনা অনুসৰি যদি কোনো কৰ্মচাৰীৰ সকৰ্ম অৱস্থাত মৃত্যু হয় বা যিয়ে স্বাস্থ্য জনিত কাৰণত অৱসৰ গ্ৰহণ হয়, আৰু কোনো কৰ্মচাৰীৰ যদি নিৰুদ্দেশ হয় আৰু তেনে কৰ্মচাৰীৰ এক যোগ্য নিৰ্ভৰশীল সদস্যক তৃতীয় শ্ৰেণীৰ চাকৰি (কনিষ্ঠ প্ৰশাসনিক সাহাৰ্য্য উচ্চ পৰ্যায়ৰ হ'ব নোৱাৰিব) বা চতুৰ্থ শ্ৰেণী চাকৰিৰ পদত স্বত্ব সাপেক্ষে নিয়োগ কৰিব পাৰে। ওপৰত উল্লেখিত পদ সমুহ অনুকম্পামূলক নিয়োগত মুঠ কৰ্মচাৰীৰ পাঁচ শতাংশৰ অধিক পূৰ্ণ কৰিব নোৱাৰিব। অনুকম্পামূলক নিয়োগৰ বাবে কৰা আবেদনকাৰীয়ে মাত্ৰ নিযুক্তি প্ৰক্ৰিয়াৰ পৰাহে ৰেহাই পাব।

উচ্চতম ন্যায়ালয়ে অতিৰিক্ত হোৱা কিছুমান বিষয়ত[66] মনোযোগ দিছিল আৰু উল্লেখ কৰিছিল যে অনুকম্পাৰ ক্ষেত্ৰত নিয়োগৰ বিবেচনা সংবিধানৰ অনুচ্ছেদ 14 আৰু 16 ৰ উলংঘন হিচাপে বুজা যাব আৰু ই মাত্ৰ এটা অনুগ্ৰহ আৰু সেইবাবে দাবীদাৰৰ সপক্ষে কোনো ন্যস্ত অধিকাৰ সৃষ্টি নকৰে।

য'ত অনুচ্ছেদ 14 য়ে ভাৰতত আইনৰ চকুত সমনতা বা আইনৰ সমান সুৰক্ষাৰ ব্যৱস্থা কৰিছে, অনুচ্ছেদ 16 য়ে ইয়াৰ ওপৰত বিস্তৃতি দিছে আৰু ৰাজহুৱা নিয়োগৰ বিষয়ত সমান সুবিধাৰ ব্যৱস্থা কৰিছে। বিশেষভাৱে অনুচ্ছেদ 16(2) য়ে কৈছে যে, কোনো নাগৰিকে ধৰ্ম জনগোষ্ঠী, জাতি, লিংগ, বংশ পৰম্পৰা, জন্মঠাই, বাসস্থান বা এই সমূহৰ যি কোনো এটাৰ ভিত্তিত, অযোগ্য বা কোনো বিষয়ত পক্ষপাতিত বা কোনো নিয়োগ বা কোনো বৃত্তি বা নিযুক্তিৰ আগতে ৰাজ্যিক ক্ষেত্ৰৰ অধীনৰ কোনো কাৰ্য্যালয়ত বিবেচিত হ'ব।

[65] উচ্চ সংকটপূৰ্ণ গোটঃ 10, মধ্যম সংকটপৰ্ণ গোটঃ 23 আৰু লঘু সংকটপূৰ্ণগোটঃ 150.

[66] হাৰিয়ানা ৰাজ্য আৰু অন্যান্যৰ বিপৰীতে ৰাণী দেৱী আৰু অন্যান্য (জে.টি. 1996 (6) এচ.চি.চি. 646) আইজি. (কাৰ্ণিক) আৰু অন্যান্যৰ বিপৰীতে প্ৰহ্লাদ মণি ত্ৰিপাঠী (2017) 6 এচ.চি.চি. 162), উমেশ কুমাৰ নাগপালৰ বিপৰীতে হাৰিয়ানা ৰাজ্য (1994)4 এচ.চি.চি. 138).

অনুকম্পামূলক নিযুক্তি বিচৰা আবেদনকাৰীক কেৱল নিযুক্তি প্ৰক্ৰিয়াৰ পৰা ৰেহাই দিয়া হয় কিন্তু আন ক্ষেত্ৰত তেওঁলোক পদটোৰ নিয়োগৰ বাবে যোগ্য আৰু উপযুক্ত হোৱা উচিত। এই নিযুক্তি স্বাভাৱিক পৰিয়াল পেঞ্চন / মৃত কৰ্মচাৰীজনৰ পেঞ্চন অধিকাৰ/ বাধ্যতামুলক অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী আৰু প্ৰযোজ্য মগনীয়া সাহায্য আৰু অসম সেৱা (পেঞ্চন) নিয়মৱালী 1969 অনুসৰি অন্যান্য অধিকাৰ সমূহৰ উপৰিও দিয়া হয়।

অসম চৰকাৰে (জি অ' এ) বৰ্তি থকা অনুকম্পামূলক নিয়োগ আঁচনিয়ে কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা কৰ্মচাৰীৰ পৰিয়ালৰ আয় সমৰ্থন কৰাত সম্পূৰ্ণৰূপে আশানুৰূপ লক্ষ্যত উপনীত হ'ব নোৱাৰাৰ বাবে অনুকম্পামূলক নিয়োগ আঁচনিৰ পৰিৱৰ্তে এটা নতুন আঁচনি, "অনুকম্পামূলক পাৰিবাৰিক পেঞ্চন আঁচনি (চি এফ পি এচ)" আৰম্ভ কৰিছিল (এপ্ৰিল 2017)। এইটো অনুভৱ হৈছিল যে চি এ এচ ৰ চৰ্ত আৰু নিয়মাৱলীৰ ফলত বহু ক্ষেত্ৰত ন্যায্য উত্তৰাধিকাৰীয়ে ব্যৱহাৰিক সমস্যাসমূহ যেনে শৈক্ষিক অৰ্হতা আৰু মুঠ খালী পদৰ পাচ শতাংশৰ ভিতৰত খালী পদ আদি উপলব্ধ নথকাৰ বাবে তৎক্ষণাত নিযুক্তি নাপায়। চি এফ পি এচ ৰ বিষয়ে বিস্তৃতভাৱে এই প্ৰতিবেদনৰ ***দফা 3.2.6*** ত আলোচনা কৰা হৈছে।

3.2.2 হিচাপ পৰীক্ষাৰ উদ্দেশ্য সমূহ

বিষয়ভিত্তিক হিচাপ পৰীক্ষাৰ উদ্দেশ্য সমূহ আছিল নিৰ্ণয় কৰা যে কিমান পৰিসৰলৈ ঃ

- ৰাজ্যখনত অনুকম্পামূলক নিয়োগত বিহিত নীতি নিয়ম আৰু নিৰ্দেশনাৰ লগত সামঞ্জস্য ৰাখি কাৰ্যকাৰী ভাৱে প্ৰৱৰ্ত্তন কৰা হয় ; আৰু
- অনুকম্পামূলক পাৰিবাৰিক পেঞ্চন আঁচনি 2017 অনুকম্পামূলক নিয়োগৰ নিয়ম আৰু আইনৰ নিৰ্দেশনা ৰক্ষা কৰিছিল আৰু সুবিবেচনাপূৰ্ণ আৰ্থিক ব্যৱস্থাপনাৰ নীতিৰ লগত সংগতি ৰাখি কাৰ্যকৰী কৰিছিল আৰু পূৰ্ববতী নিয়োগ সম্বন্ধীয় আঁচনিৰ লগত কেনেদৰে তুলনা কৰা হৈছিল।

3.2.3 হিচাপ পৰীক্ষাৰ মাপকাঠী

যি বিলাক বৈশিষ্ট্যৰ বিপৰীতে হিচাপ পৰীক্ষাৰ ফলাফল মানদণ্ড কৰা হৈছিল সেইসমূহ তলত উৎস সমূহৰ পৰা আহৰণ কৰা হৈছিলঃ

- অসম সেৱা (পেঞ্চন) নীতি, 1969;
- অনুকম্পাৰ ক্ষেত্ৰত নিযুক্তিৰ সম্বন্ধত থকা নীতি, বিধি, নীতি নিৰ্দেশনা;
- চি চি এচ (পেঞ্চন) নীতি, 1972;
- অনুকম্পামূলক পাৰিবাৰিক পেঞ্চন আঁচনিৰ কাৰ্যকাৰিতাৰ বাবে থকা নীতি নিৰ্দেশনা আৰু;
- জি অ' আই / জি অ' এ ৰ দ্বাৰা জাৰি কৰা স্মাৰক পত্ৰ / আদেশ/ অধিসূচনা /পৰি পত্ৰ ইত্যাদি।

3.2.4 হিচাপ পৰীক্ষাৰ পৰিসৰ আৰু হিচাপ পৰীক্ষাৰ কাৰ্য্যপ্ৰণালী

2014-15 ৰ পৰা 2018-19 লৈ সময়ছোৱাক সামৰি বিষয়ভিত্তিক হিচাপ পৰীক্ষা নৱেম্বৰ 2019 ৰ পৰা জানুৱাৰী 2020 ৰ সময়ছোৱাত পৰিচালনা কৰা হৈছিল। চি এ আঁচনি খনৰ বিভাগ অনুযায়ী অনুকম্পামূলক নিযুক্তিৰ নথিপত্ৰৰ বাচনি পৰীক্ষা কাৰ্যকৰী কৰা হৈছিল। সেইদৰে জি অ' এৰ অধীনৰ 56 টা বিভাগৰ সকলোৰে পৰা অনুকম্পামূলক নিয়োগৰ সকলো তথ্য সংগ্ৰহ কৰা হৈছিল। মজুত থকা তথ্য আৰু নথিৰ

ওপৰত ভিত্তি কৰি অনুকম্পামূলক নিযুক্তিৰ তথ্যৰ সাধাৰণ পৰীক্ষা সম্পন্ন কৰা হৈছিল। পেঞ্চন সঞ্চালকালয়, হিচাপ সঞ্চালক আৰু কোষাগাৰ কাৰ্যলয়তো, চি এফ পি সম্বন্ধীয় তথ্য সমুহৰ হিচাপ পৰীক্ষা কৰা হৈছিল।
অসম চৰকাৰৰ কৰ্মচাৰী, পেঞ্চন আৰু ৰাজহুৱা অভিযোগ আৰু বিত্তীয় বিভাগৰ প্ৰতিনিধি সমূহৰ সৈতে বহা প্ৰাৰম্ভিক বৈঠক (নৱেম্বৰ 2019) ত প্ৰসঙ্গসূচক হিচাপ পৰীক্ষাৰ উদ্দেশ্য, হিচাপ পৰীক্ষাৰ মানদণ্ড, পৰিসৰ আৰু কাৰ্য্যপ্ৰণালীৰ বিষয়ে আলোচনা হৈছিল।

হিচাপ পৰীক্ষাই সামৰণি বৈঠক (10 আগষ্ট 2020) ত হিচাপ পৰীক্ষাৰ খচৰা প্ৰতিবেদনখন চৰকাৰৰ সৈতে আলোচনা কৰিছিল। হিচাপ পৰীক্ষাই অসম চৰকাৰৰ পৰা লাভ কৰা নিয়ম অনুযায়ী দিয়া উত্তৰ সমূহক আৰু সামৰণি বৈঠকত অসম চৰকাৰৰ প্ৰতিনিধি সকলে প্ৰকাশ কৰা মন্তব্য সমূহক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন চূড়ান্ত কৰাৰ সময়ত বিবেচনাৰ বাবে লৈছিল।

3.2.5 অনুকম্পামূলক নিয়োগ আঁচনি

3.2.5.1 কাৰ্য্যকৰীকৰণ প্ৰণালী

মৃত্যুবৰণ কৰা অক্ষম হোৱা বা নিৰুদ্দেশ হোৱাৰ তাৰিখৰ পৰা তিনি মাহৰ[67] ভিতৰত তেওঁৰ ওপৰত নিৰ্ভৰশীল সদস্যৰ দ্বাৰা অনুকম্পামূলক নিয়োগৰ বাবে কৰ্মচাৰী জনৰ কৰ্মৰত কাৰ্য্যালয়ত আবেদন পত্ৰ দাখিল কৰিব লাগিছিল। সংশ্লিষ্ট কাৰ্য্যালয়ে আবেদন সমূহ / নথিপত্ৰ পৰীক্ষা কৰিব লাগিছিল আৰু ইয়াক জিলা পৰ্যায় কমিটি (ডি এল চি) [68] ৰ দ্বাৰা মূল্যাংকনৰ বাবে পঠাব লাগিছিল। নিযুক্তি বিষয়ৰ চূড়ান্ত অনুমোদনৰ বাবে ডি এল চিৰ অনুমোদনক ৰাজ্যিক পৰ্য্যায়ৰ কমিটিৰ (এচ এল চি) [69] দ্বাৰা বিবেচনা কৰিব লাগিছিল। ষষ্ঠ অনুসুচী অঞ্চলৰ ক্ষেত্ৰত, অনুকম্পামূলক নিয়োগৰ আবেদন সমূহ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক বাদ দি পৰিষদৰ অধীনৰ তেওঁলোকৰ সমপৰ্য্যায়ৰ সমৰ্থবান বিষয়াৰ নিজ জিলা পৰ্যায়ৰ কমিটিৰ দ্বাৰা গঠিত জিলা আৰু স্বায়ত্ব পৰিষদৰ জৰিয়তে এচ এল চি লৈ আগবঢ়াব লাগিছিল।

জি অ' এ য়ে জুন 2015 ত অনুকম্পামূলক নিয়োগৰ ওপৰত একীকৃত নিৰ্দেশনাসমূহ জাৰি কৰিছিল, যিসমূহ অনুকম্পামূলক নিয়োগৰ ওপৰত সময় আৰু উচ্চতম ন্যায়ালয়/ উচ্চ ন্যায়ালয়ৰ বিভিন্ন আদেশলৈ সমৰ্থন আগবঢ়োৱা সামগ্ৰীক দৰ্শন। ই পুনৰ কৈছিল যে অনুকম্পামূলক নিয়োগ অধিকাৰৰ বিষয় নহয়, আৰু যোগ্যতা আৰু আন চৰ্তসমূহ পূৰণ হ'ব লাগিব যাতে উপযুক্ত আৰু অভাৱীজনকহে ৰাজ্যখনে অনুকম্পামূলক দিয়া দেখুৱাব পাৰি।

3.2.5.2 অনুমোদিত/অস্বীকৃত বিষয়ৰ স্থিতি

2014-19 ৰ হিচাপ পৰীক্ষাৰ সময়ছোৱাত 56 টা বিভাগৰ ভিতৰত 34 টা বিভাগে অনুকম্পাৰ ক্ষেত্ৰত নিয়োগ কৰিছিল আৰু 21 টা বিভাগে নেতিবাচক প্ৰতিবেদন দাখিল কৰিছিল। কাৰ্বিআংলং স্বায়ত্ব পৰিষদ (কে এ এ চি) আৰু উত্তৰ কাছাৰ (পাৰ্বত্য অঞ্চল) স্বায়ত্ব পৰিষদ (এন চি এইচ এ চি) ৰ প্ৰশাসনিক মূৰব্বীৰে

67 মাননীয় উচ্চ ন্যায়ালয়ৰ আদেশৰ পিছত কৰ্মচাৰীজনৰ মৃত্যুৰ তাৰিখৰ পৰা এবছৰলৈ সংশোধিত কৰা হৈছে।
68 ডি এল চি: ইয়াত সংশ্লিষ্ট জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক আছিল, জিলাৰ বিভাগীয় মূৰব্বীক (যত আবেদম সমুহ গ্ৰহণ কৰা হৈছিল) কমিটিৰ অতিৰিক্ত সদস্য হিচাবে লৈছিল।
69 এচ এল চি: অনুকম্পামূলক নিয়োগৰ বিষয়ত চূড়ান্ত অনুমোদনৰ বাবে জি অ আই এ ৰাজ্য পৰ্য্যায়ৰ কমিটি প্ৰস্তাৱ কৰিছিল। অসম চৰকাৰৰ মূখ্য সচিব (অধ্যক্ষা) অসম চৰকাৰৰ আয়ুক্ত আৰু সচিব, বিত্তীয় বিভাগ (সদস্য) আৰু অসম চৰকাৰৰ প্ৰশাসনিক বিভাগৰ (সদস্য সচিব) আয়ুক্ত আৰু সচিব গঠিত হৈছে।

গঠিত বাকী থকা এটা বিভাগে (পাৰ্বত্য অঞ্চল) এই দুই স্বায়ত্ব পৰিষদৰ পৰা ডি এল চি সমিতিৰ কোনো কাৰ্যবিৱৰণী সাৰৰ্মম লাভ কৰা নাছিল।

নিযুক্তি দিয়া 34 টা বিভাগৰ মুঠ 6,161 টা বিষয় এচ এল চি ৰ সভাত পৰ্য্যালোচনা কৰা হৈছিল যাৰ ভিতৰত 3,260 টা (53 শতাংশ) বিষয়ক এচ এল চি এ নিযুক্তিৰ বাবে অনুমোদন কৰিছিল আৰু 2,901 টা বিষয়াক (47 শতাংশ) বিভিন্ন কাৰণে, উদাহৰণ স্বৰূপে, আবেদন পত্ৰ লাভ কৰাত বিলম্ব, খালীপদৰ নাটনি, প্ৰয়োজনীয় তথ্য পাতি প্ৰদান নকৰা ইত্যাদি বিবেচনা কৰা নাছিল।

3.2.5.3 হিচাপ পৰীক্ষাৰ উদ্‌ঘাটন

(i) বিষয় সমূহৰ স্থগিতকৰণ

এচ. এল. চি. ৰ কাৰ্য্যবিৱৰণীৰ সাৰমৰ্মৰ সুক্ষ্ম পৰীক্ষাত দেখা গৈছিল যে তথ্যপাতি দাখিল নকৰা, খালী পদৰ অভাৱ, অধিকতৰ সূক্ষ্ম পৰীক্ষাৰ প্ৰয়োজনীয়তা ইত্যাদিৰ দৰে বিভিন্ন কাৰণবশত 19 টা বিভাগত 371 বিষয়ত পৰৱৰ্তী এচ.এল.চি. সমিতি আলোচনাৰ বাবে স্থগিত ৰখা হৈছিল। কিন্তু দেখা গৈছিল যে এই স্থগিত বিষয় সমূহ পৰৱৰ্তী এচ.এল.চি.ৰ সমিতিত বিবেচনা কৰা হোৱা নাছিল। স্থগিত ৰখা 371 টা বিষয়ৰ ভিতৰত 48 টা বিষয় হৈছে প্ৰয়োজনীয় তথ্য পাতি দাখিল নকৰাৰ বাবে, যিটোৱে দেখুওৱাইছে যে নিয়োগৰ চূড়ান্ত অনুমোদনৰ বাবে ইয়াক এচ.এল.চিত দাখিল কৰাৰ আগতে সংশ্লিষ্ট কাৰ্যালয়, ডি.এল.চি. আৰু লগতে বিভাগ সমূহৰ দ্বাৰা সুক্ষ্ম পৰীক্ষা কৰা নাছিল। কাৰণ নথিভূক্তকৰণ অবিহনে বিষয়সমূহৰ স্থগিতকৰণ যুক্তিসংগত নহয়, যিহেতু এচ.এল.চি.য়ে নিয়োগৰ বাবে পঠোৱা বিষয় সমূহৰ বিপৰীতে অন্তিম মন্তব্য দিব লাগে।

(ii) প্ৰাৰ্থী নিৰ্ব্বাচনত বিলম্বতা

জি অ' এ ৰ অ' এম ৰ (জুন 2015) জৰিয়তে এচ এল চিৰ বৈঠক সম্পৰ্কীত বিভাগৰ সঞ্চালক আৰু সচিবৰ (এচ এল চিৰ সদস্য সচিব) দ্বাৰা তিনি মাহত এবাৰ অনুস্থিত কৰাৰ বাবে নিৰ্দেশ কৰিছিল, য'ত অনুকম্পামূলক নিয়োগৰ বিষয়টো অন্তৰ্ভূক্ত হ'ব। এই এচ এল চি ৰ নিয়মীয়া বৈঠকৰ পৰিচালনাৰ ওপৰত থকা নিৰ্দেশনাটো গুৱাহাটী উচ্চ ন্যায়ালয়ৰ 2006 ৰ 3 আগষ্টৰ আদেশৰ[70] সৈতে ৰখা হৈছিল, যিয়ে এক পৰিবন্ধ সময়ৰ আচৰণৰে অনুকম্পামূলক নিয়োগৰ বিষয়ক সম্বোধি বিত ংভাৱে নিৰ্দেশনা দিছিল।

যাহওঁক, নথি পত্ৰৰ সূক্ষ্ম পৰীক্ষণে প্ৰকাশ কৰিছিল যে এই নিৰ্দেশনাৱলী থকা স্বত্তেও এচ এল চি ৰ বৈঠক বিধিত নিয়মত অনুস্থিত হোৱা নাছিল। 2014-15 ৰ পৰা 2018-19 ৰ সময়ছোৱাত প্ৰত্যক বিভাগত হ'ব লগা 20 খন বৈঠকৰ বিপৰীতে এই সময়ছোৱাত মাত্ৰ একৰ পৰা সাতখন বৈঠক বহিছিল।

তাৰেপৰি, 1 জুন 2015 ৰ জি অ' এ ই স্বৰ্ত আৰোপ কৰিছিল যে যোগ্য প্ৰাৰ্থীৰ যি সমূহ আবেদন নিস্পত্তি নোহোৱাকৈ আছে আৰু যিবিলাক আবেদন দুবছৰ ধৰি, খালী পদৰ অভাৱৰ বাবে পৰি ৰৈছে সেইবোৰ আৰু বিবেচনা কৰা নাযাব, সেইবোৰৰ বিবেচনাৰ প্ৰয়োজন নাই আৰু বুজিব লাগিব যে সেই সমূহৰ প্ৰভাৱ শেষ হৈছে। এই নিৰ্দেশনাও 2006 চনত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ ৰ সৈতে সংগতিপূৰ্ণ আছিল।

হিচাপ পৰীক্ষাই 15 টা বিভাগত থকা তথ্যৰ ভিত্তিত প্ৰাৰ্থী নিযুক্তিৰ সময়োপযগীতা বিশ্লেষণ কৰিছিল। দেখা গৈছিল যে এচ এল চিৰ পৰ্য্যালোচন কৰা 2,905 টা বিষয়ৰ ভিতৰত, 688 টা বিষয় (24 শতাংশ) পৰ্য্যালোচনা কৰা হৈছিল আৰু 442 টা (15 শতাংশ) বিষয়ক নিয়োগৰ বাবে অনুমোদনৰ তাৰিখৰ দুই বছৰৰ

[70] 2005 ৰ ৰীট আবেদন নং 3875 ৰ বিপৰীতে 2006 ৰ আদেশও

পৰা দহ বছৰৰ পাছত ডি এল চি ৰ দ্বাৰা বিষয় সমূহ অনুমোদন দিছিল। পৰ্য্যালোচনা কৰা বিষয় সমূহ, নিযুক্তিৰ বাবে দিয়া অনুমোদন আৰু তাৰ বাবে লোৱা সময়ক **চিত্ৰ তালিকা 3.1**.ত দেখুওৱা হৈছে। বিভাগ অনুযায়ী বিষয় সমূহৰ বিতং আৰু পৰ্য্যালোচনাৰ বাবে লোৱা সময় এচ এল চিত বিষয়াৰ নিযুক্তিৰ বাবে অনুমোদন ***পৰিশিষ্ট 3.1*** ত দেখুওৱা হ'ল ।

এইদৰে বৈঠক অনুস্থিত কৰাত বিলম্বৰ দ্বাৰা আৰু আবেদন দাখিল কৰা তাৰিখৰ পৰা দুই বছৰ অধিক কালৰ পিছত বিভাগৰ নিযুক্তি প্ৰদানৰ সিদ্ধান্তই অসম চৰকাৰৰ অ' এমৰ নীতি অনুপালন হোৱা নাছিল, য'ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ 2006 ৰ আদেশৰ ভিত্তিত মন্তব্য কৰা হৈছিল যে, "তেনে নিযুক্তিৰ বিলম্বতা ভয়াবহ হ'ব; সময় পাৰ হোৱাৰ লগে লগে ৰাজ্য আৰু ন্যায়ালয়ে নিশ্চয় বুজিব যে, পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰীৰ মৃত্যুত হোৱা অভাৱ সমুহৰ সৈতে মোকাবেলা কৰাত সমৰ্থ হৈছে। যদি আবেদন সমূহ বা উপযুক্ত প্ৰাৰ্থী সমূহ খালী পদৰ অভাৱৰ বাবে তেনে আবেদন কৰা দুবছৰৰ বাবে স্থগিত হৈ থাকে, এনে সকলো আবেদন পুনৰ বিবেচনা কৰা নহ'ব আৰু সেই সমূহৰ প্ৰভাৱ শেষ হৈ গ'ল বুলি বুজিব লাগিব।"

চিত্ৰ তালিকা 3.1: এচ এল চিৰ আৰু তাৰিখ[71] আৰু ডি এল চি ৰ সভাৰ সময় পৰিক্ৰমা



অনুকম্পাৰ ক্ষেত্ৰত চৰকাৰী চাকৰিৰ ব্যৱস্থাৰ দ্বাৰা বিত্তীয় নিঃস্ব অৱস্থাৰ পৰা কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা বা স্বাস্থ্যজনিত কাৰণত অৱসৰ গ্ৰহণ কৰা চৰকাৰী কৰ্মচাৰী জুনৰ পৰিয়ালক সকাহ দিয়াৰ উদ্দেশ্য ওপৰৰ চিত্ৰ তালিকাত দিয়াৰ দৰে পলম হোৱা বিষয়সমূহত ফলপ্ৰসুভাৱে উপনীত হোৱা নাছিল।

(iii) চি এ আঁচনিৰ অধীনত নিম্নমানৰ নথিপত্ৰ (প্ৰ পত্ৰ)

এচ এল চি ৰ দ্বাৰা সমীক্ষা কৰা 6,161 টা বিষয়ৰ হিচাপ পৰীক্ষাৰ সুক্ষ্ম নিৰীক্ষণে তলত দিয়াৰ দৰে দেখুওৱাইছিলঃ

a. 1,390 টা বিষয় (23 শতাংশ) ত মৃত্যুবৰণ কৰা চৰকাৰী কৰ্মচাৰীজনৰ নাম উল্লেখ কৰা নাছিল যাৰ ভিতৰত 602 টা বিষয় চুড়ান্তভাৱে এচ এল চি দ্বাৰা চুপাৰিছ কৰা হৈছিল।

b. 6,061 টা বিষয়ত (98 শতাংশ) চৰকাৰী কৰ্মচাৰীজনৰ মৃত্যুৰ তাৰিখ উল্লেখ কৰা নাছিল, যাৰ ভিতৰত. 3,215 টা বিষয় চুড়ান্তভাৱে এচ এল চি ৰ দ্বাৰা চুপাৰিচ কৰা হৈছিল।

c. 3,171 টা বিষয়ত, (51 শতাংশ) চৰকাৰী কৰ্মচাৰীজনৰ কৰ্মৰত থকা কাৰ্য্যলয়ৰ নাম উল্লেখ নাছিল, যাৰ ভিতৰত 1,248 টা বিষয় এচ এল চি ৰ দ্বাৰা চুড়ান্ত ভাৱে চুপাৰিছ কৰা হৈছিল।

[71] সময় পৰিক্ৰমা ব্যৱধান মূল্যাংকন কৰিব লাগিব আবেদনৰ তাৰিখৰ পৰা, কিন্তু এচ এল চিৰ প্ৰতিবেদনত এই তথ্যৰ অভাৱ বাবে, ডি এল চিৰ তাৰিখ বিবেচনা কৰা হৈছে। যদি আবেদনৰ তাৰিখৰ পৰা ব্যৱধানক লোৱা হয় নিৰ্ব্বাচন বিলম্বতা বহল হ'ব।

d. 3,291 টা বিষয়ত, (53 শতাংশ) আবেদনকাৰী জনৰ মৃত্যুবৰণ কৰা কৰ্মচাৰীজনৰ লগত সম্বন্ধ উল্লেখ কৰা নাছিল, যাৰ ভিতৰত 1,424 টা বিষয়ত চূড়ান্ত ভাৱে এচ এল চি ৰ দ্বাৰা চুপাৰিছ কৰা হৈছিল।

e. এচ এল চি ৰ দ্বাৰা অস্বীকৃত 2,260 টা বিষয়ৰ (37 শতাংশ) ভিতৰত 103 টা বিষয়ৰ অস্বীকৃতিৰ কাৰণ উল্লেখ কৰা নাছিল।

f. এচ এল চি ৰ দ্বাৰা স্থগিত 641 টা বিষয়ৰ (10 শতাংশ) ভিতৰত 23 টা বিষয়ৰ স্থগিতকৰণৰ কাৰণ উল্লেখ কৰা নাছিল।

এনেদৰে, সম্পূৰ্ণ নথিপত্ৰৰ অবিহনে আঙুলিয়াই দিয়া ঘাটিসমূহৰ পৰিষদ লক্ষ্য কৰিলে নিয়োগৰ বাবে চূড়ান্তকৃত বিষয়সমূহ আঁচনিটোৰ চৰ্ত আৰু নিয়মাৱলী অনুসৰি হৈছে বুলি আশ্বাস পাব নোৱাৰি।

3.2.6 *অনুকম্পামূলক পাৰিবাৰিক পেঞ্চন আঁচনি- উৎস*

অনুকম্পামূলক নিয়োগ আঁচনিৰ ত্ৰুটি সমূহ ঘাইকৈ নিয়োগত চূড়ান্তকৰণত পলমৰ সমাধান কৰিবলৈ ৰাজ্য চৰকাৰে 2017-18 ৰ বাজেট বৰ্ষত চৰকাৰৰ বাজেট বক্তব্যত অনুকম্পামূলক নিয়োগ আঁচনিৰ সলনি এক নতুন আঁচনি ঘোষণা কৰে, 14 ছেপ্তেম্বৰ 2017 ত এই আঁচনি খনৰ জাননী জাৰি কৰা হয়। পিছত উল্লেখ কৰাৰ দৰে এই আঁচনিৰ বাবে বাজেটত পৃথক ব্যয় ধাৰ্য কৰা নাছিল।

অসম সেৱা (পেঞ্চন) নিয়মাৱলী 1969 অনুসৰি স্বাভাৱিক পৰিয়াল পেঞ্চন (এন এফ পি) ৰ ব্যৱস্থাৰ দৰে 2017 ৰ 1 এপ্ৰিলত / পিছত সকৰ্ম অৱস্থাত মৃত্যু বৰণ কৰা সকলো কৰ্মচাৰীৰ আৰু যিজনে কমেও এবছৰ নিৰৱিচ্ছিন্ন সেৱা কৰিছিল তেনে চাকৰিয়ালৰ বাবে চি এফ পি আঁচনিখনে প্ৰযোজ্য হ'ব। মৃত্যুবৰণ কৰা কৰ্মচাৰীজনৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যই তেওঁৰ অন্তিমটো দৰমহাৰ 100 শতাংশৰ সমান পৰিয়ালৰ পেঞ্চন গ্ৰহণৰ প্ৰাপ্য হ'ব লাগিব, ইয়াক মৃত্যু বৰণ কৰা কৰ্মচাৰীৰ অৱসৰৰ তাৰিখৰ সময়লৈকে দিব লাগিব। ওপৰৰ সমূহৰ উপৰিও, নিৰ্ভৰশীল অসম সেৱা (পেঞ্চন) নীতি, 1969 অনুসৰি সাধাৰণ পৰিয়াল পেঞ্চনৰ আধাৰত গ্ৰাহ্য প্ৰযোজিত মৰণীয়া সহায়ক আৰু অন্যান্য ৰাশি সমূহ লাভ কৰিব। অৱসৰৰ বয়স লাভ কৰা সময়ৰ লগে লগে চি এফ পি ক সাধাৰণ পৰিয়াল পেঞ্চনলৈ পৰ্য্যবেসিত কৰা হ'ব, চি এফ পিৰ 50 শতাংশত স্থিৰ কৰি মৃত চাকৰিয়াললৈ 67 বছৰ পৰ্য্যন্ত। 67 বছৰ পূৰ্ণ হ'লে পেঞ্চনৰ ৰাশি 30 শতাংশলৈ হ্ৰাস কৰা হ'ব।

3.2.6.1 *চিএ আৰু চি এফ পি আঁচনি দুখনৰ চমু ৰিজনি*

চি এফ পি আঁচনিখনে যদি কিছু পৰিমাণৰ চি এ আঁচনিখনৰ সাদৃশ্যতা বহন কৰে তেন্তে, অনুকম্পামূলক নিয়োগৰ পিছত থকা মূখ্য ধাৰণা আছিল প্ৰয়োজনীয় আৰু প্ৰকৃত যোগ্যক যিমান দূৰ সম্ভৱ ৰাজ্যৰ অনুকম্পা আগবঢ়োৱা, চি এফ পি আঁচনিখন হৈছে এক প্ৰাপ্যতা ভিত্তিক আঁচনি। ইয়াক তলৰ **সাৰণী** ***3.2*** ত দেখুওৱা ৰিজনিত দেখা পাব।

সাৰণী- 3.2: চি এ আৰু চি এফ পি আঁচনি সমূহৰ ৰিজনি

মাপকাঠী	অনুকম্পামূলক নিয়োগ আঁচনি(অ' এম জুন 2015 অনুসৰি)		অনুকম্পামূলক পৰিয়াল পেঞ্চন আঁচনি (ছেপ্তেম্বৰ 2017 ৰ অ' এম অনুসৰি)
আচঁনিৰ অধীনত সুবিধা	**অনুকম্পামূলক নিয়োগ**	**পৰিয়াল পেঞ্চন**	**পৰিয়াল পেঞ্চন**
অধিকাৰৰ মাপকাঠী	চি এ এ ৰ অধিকাৰৰ বিষয় নহয়	যিসকল কৰ্মচাৰীয়ে কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰে বা চিকিৎসাজনিত কাৰণত বাধ্যতামূলক অৱসৰ লয় তেওঁলোক যোগ্য হ'ব।	যিসকল কৰ্মচাৰীয়ে কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰে তেওঁলোক যোগ্য হ'ব।
যোগ্যতাৰ মাপকাঠী	**যোগ্যতাৰ মাপকাঠী তলত উল্লেখ কৰা হ'লঃ**	কোনো ধৰণৰ যোগ্যতাৰ মাপকাঠী উল্লেখ কৰা হোৱা নাই	কোনো ধৰণৰ যোগ্যতাৰ মাপকাঠী চি.এত উল্লেখ কৰা হোৱা নাই
খালী পদৰ উপলব্ধতা	মুঠ কৰ্মচাৰীৰ অধিকতম পাচ শতাংশত সীমাবদ্ধ	খালী পদৰ বাবে কোনো ধৰণৰ সীমাবদ্ধতা নাই	খালী পদৰ বাবে কোনো ধৰণৰ সীমাবদ্ধতা নাই
সেৱা ত্যাগ	মৃত্যু হোৱা কৰ্মচাৰীজনৰ নিম্নতম তিনিবছৰৰ সেৱা বাকী থকা উচিত	সকলো কৰ্মচাৰী যিসকলে নিম্নতম এক বছৰৰ সেৱা আগবঢ়াইছে	সকলো কৰ্মচাৰী যিসকলে নিম্নতম এক বছৰৰ সেৱা আগবঢ়াইছে
বিত্তীয় যোগ্যতা	দুৰ্বল বিত্তীয় স্থিতি দেখুওৱাবলৈ কঠিন বিত্তীয় যোগ্যতাৰ চৰ্ত	কোনো ধৰণৰ বিত্তীয় যোগ্যতাৰ চৰ্ত নাই	কোনো ধৰণৰ বিত্তীয় যোগ্যতাৰ চৰ্ত নাই
ডি.চি.আৰ.জি.	নিম্নতম সীমাৰ ক্ষেত্ৰত কোনো চৰ্তৰ আৰোপ নাই। মৃত কৰ্মচাৰীজনৰ সেৱাৰ বছৰৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি মৃতকৰ গ্ৰেচুইটি ধাৰ্য্য কৰা হয়।		নিম্নতম সীমাৰ ক্ষেত্ৰত কোনো চৰ্তৰ আৰোপ নাই। মৃত কৰ্মচাৰীজনৰ সেৱাৰ বছৰৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি মৃতকৰ গ্ৰেচুইটি ধাৰ্য্য কৰা হয়।
বিত্তীয় সুবিধা (অন্তিম বেতন অনুসৰি পেঞ্চনৰ শতাংশ)	প্ৰযোজ্য নহয়	**চৰকাৰী কৰ্মচাৰীজনৰ মৃত্যুৰ পৰা সময়সীমা পৰ্য্যন্ত**	**চৰকাৰী কৰ্মচাৰীজনৰ মৃত্যুৰ পৰা সময়সীমা পৰ্য্যন্ত**
100 শতাংশ		প্ৰযোজ্য নহয়	60 বছৰ
50 শতাংশ		10 বছৰ[72] বা 67 বছৰ যিটো কম	67 বছৰ
30 শতাংশ		10 বছৰৰ[73] ওপৰৰ বা 67 বছৰৰ বয়স, যিটো আগত	67 বছৰৰ পিছত
সুবিধাৰ সীমাবদ্ধতাৰ মাপকাঠী	**মাত্ৰ গ্ৰেড- III আৰু গ্ৰেড -IV পদ সমূহলৈ চি.এ.**	প্ৰাপ্ত অন্তিম দৰমহাৰ ওপৰত ভিত্তি কৰি আৰু গ্ৰেড-III বা গ্ৰেড-IV দৰমহাৰ স্তৰত সীমাবদ্ধ নহয়	প্ৰাপ্ত অন্তিম দৰমহাৰ ওপৰত ভিত্তি কৰি আৰু গ্ৰেড-III বা গ্ৰেড-IV দৰমহাৰ স্তৰত সীমাবদ্ধ নহয়
সময়ৰ সীমাবদ্ধতাৰ মাপকাঠী	চি.এ. আবেদন, যিবিলাক দুবছৰৰ অধিক সময় খালী পদৰ উপলবদ্ধতাৰ বাবে বাকী আছিল সেই সমূহ বিবেচিত নহব যিহেতু সেই সমূহৰ সময়সীমা উকলি যাব।	কোনো ধৰণৰ সময়সীমা নাই	কোনো ধৰণৰ সময়সীমা নাই

[72] এপ্ৰিল 2016, এপ্ৰিল 2016 পূৰ্বৰ, মৃত্যুবৰণ কৰা চৰকাৰী কৰ্মচাৰীজনে 67 বছৰ বয়স যিমান তাৰিখত হ'লহেতেন সেই তাৰিখলৈ।

[73] এপ্ৰিল 2016, এপ্ৰিল 2016 পূৰ্বৰ, মৃত্যুবৰণ কৰা চৰকাৰী কৰ্মচাৰীজনে 67 বছৰ বয়স হোৱাৰ পিছত যিমান অন্তিম দৰমহা পালেহেতেন তাৰ 30 শতাংশ।

3.2.6.2 হিচাপ পৰীক্ষাৰ ফলাফল

চি এফ পি আঁচনিটো 1 এপ্ৰিল 2017 ৰ পৰা কাৰ্যচালন হৈ আছে। এপ্ৰিল 2017 ৰ পৰা অক্টোবৰ 2019 লৈ আঢ়ৈ বছৰৰ সময়ছোৱাত হিচাপ পৰীক্ষাই চি পি এফ মঞ্জুৰীৰ লগত জড়িত তথ্য পৰীক্ষা কৰিছিল। ৰাজ্যখনত আঁচনিটোৰ ৰূপায়নৰ সময়ৰ পৰা মৃত চৰকাৰী কৰ্মচাৰী সমূহ ওপৰত নিৰ্ভৰশীল 2,302 জনক চি এফ পি ৰ ব্যৱস্থা কৰা হৈছিল বিভাগ অনুযায়ী বিষয়সমূহৰ বিতৰণ **পৰিশিষ্ট 3.2** ত দিয়া হৈছে। হিচাপ পৰীক্ষাৰ উৎঘাটনসমূহ তলত আলোচনা কৰা হ'লঃ

(i) চি এফ পি আঁচনিৰ অধীনত বিত্তীয় দায়বদ্ধতা

চি এফ পি আঁচনিয়ে প্ৰধানকৈ কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা কৰ্মচাৰীজনৰ পৰিয়ালক সাধাৰণতে উপলব্ধ পৰিয়াল পেঞ্চনতকৈ উচ্চ হাৰৰ ব্যৱস্থাৰ জৰিয়তে প্ৰত্যক্ষভাৱে বিত্তীয় সাহায্য দিবলৈ ব্যৱস্থা কৰি, এই সুবিধাক অনুকম্পামূলক পাৰিবাৰিক পেঞ্চন হিচাপে অভিহিত কৰিছিল। কাষত দিয়া সাৰণীত বিস্তৃত ভাৱে দিয়াৰ দৰে আৰাম্ভণিৰ পৰা (এপ্ৰিল 2017 ৰ পৰা অক্টোবৰ 2019 লৈ) চি এফ পি আঁচনিত 2302 টা বিষয়ত প্ৰকৃত ব্যয় আছিল 171.55 কোটি টকা। 2018-19 সময়ছোৱাত চি এফ পি আঁচনিৰ অধীনত মুঠ অতিৰিক্ত ব্যয়[74] ৰ (21.45 কোটি টকা) আছিল ৰাজ্যখনৰ ৰাজহ ব্যয়ৰ 0.04 শতাংশ[75]। তাৰ ফলত ৰাজ্যখনৰ ৰাজহ ব্যয় কোটি টকাৰে বৃদ্ধি হৈছিল যিখিনি অন্যথায়, আন উৎপাদনশীল উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন।

বছৰ	চি এফ পিৰ ওপৰত মুঠ ব্যয় (কোটি টকাত)
2017-18	127.94
2018-19	42.89
2019-20 (অক্টোবৰ 2019 লৈ)	0.72
মুঠ	**171.55**

হিচাপ পৰীক্ষাই চি এফ পি আঁচনিৰ কাৰ্যচালনৰ বছৰেকীয়া অতিৰিক্ত দায়বদ্ধতাও 156.91কোটি টকাত নিৰ্ধাৰিণ কৰিছিল। চি এফ পি আঁচনিৰ বাবে দায়বদ্ধতাৰ বিপৰীতে 2,302 টা বিষয়ত মৃত্যুবৰণ কৰা কৰ্মচাৰীৰ 67 বছৰ বয়সলৈ দেয় পৰিশোধ গণনা কৰি 156.91 কোটি টকাৰ বছৰেকীয়া অতিৰিক্ত দায়বদ্ধতা দেখা গৈছিল। এই অতিৰিক্ত দায়বদ্ধতা গণনা কৰা হৈছিল এপ্ৰিল 2017 ৰ পৰা অক্টোবৰ 2019 লৈ(31 মাহ)ৰ ভিতৰত দৃষ্টিগোচৰ হোৱা চি এফ পি আঁচনিৰ বিষয়সমূহৰ বাবে য'ত এই 2,302 টা বিষয়ৰ বাবে 405.34 কোটি টকা লৈ গণনা কৰা হৈছিল। ই প্ৰত্যক বছৰে বিষয়ৰ সংখ্যাৰ হাৰ সমান থাকিব বুলি অনুমান কৰি মুঠ দায়বদ্ধতা 2.58 (2 বছৰ আৰু সাতমাহ বছৰলৈ পৰিবৰ্তন কৰি) ৰে হৰণ কৰাৰ দ্বাৰা, এন এফ পি ৰ বিপৰীতে চি এফ পি আৰম্ভণিৰ বাবে 156.91কোটি টকা অতিৰিক্ত দায়বদ্ধতালৈ পৰিবৰ্তন কৰিছিল।

সম্পূৰ্ণ জীৱনৰ বাবে চি এফ পিৰ সমপৰ্য্যায়ৰ বিত্তীয় সুবিধাৰ ভাগ বিতৰণ **সাৰণী 3.3** ত দিয়া হ'ল।

---

[74] নিয়মিত পৰিয়াল পেঞ্চন (অন্তিম দৰমহাৰ 50 শতাংশ) আৰু CFP (অন্তিম দৰমহাৰ 100 শতাংশৰ পাৰ্থক্যই হৈছে CFP আচঁনিৰ অধীনত অতিৰিক্ত ব্যয়।

[75] 2145 কোটি টকাৰ অতিৰিক্ত ব্যয় আছিল 56899 কোটি টকা ৰাজহ ব্যয়ৰ শতাংশৰ হিচাপত।

সাৰণী 3.3: চি এফ পি ৰ জৰিয়তে লাভ কৰা আৰ্থিক সুবিধা

চি এফ পিৰ সমতুল্য জীৱন কালীন আৰ্থিক সুবিধা	*বিষয়ৰ সংখ্যা*	*মুঠ বিষয়ৰ সংখ্যা*	*মুঠ খৰচ*	*মুঠ খৰচৰ শতাংশ*
0-5 *লাখ*	429	18	10,58,40,223	3
5-15 *লাখ*	698	30	68,43,77,697	17
15-25	544	24	1,07,85,89,157	27
25-50	596	26	1,99,31,89,662	48
50+	35	2	19,14,47,078	5
মুঠ	**2,302**		**4,05,34,43,817**	

ওপৰৰ সাৰণীখনে দেখুৱাইছে যে বিষয়সমূহৰ 48 শতাংশত 15 লাখ টকাতকৈয়ো কম বিত্তীয় সুবিধা দিছিল, য'ত এই বিষয়সমূহৰ 28 শতাংশত 25 লাখ টকা অতিৰিক্ত সুবিধা দিয়া হৈছিল। যি ভাগত মুঠ ব্যয়ৰ 54 শতাংশ সুবিধা দিয়া হৈছিল।

বিত্তীয় বিভাগত উপলব্ধ নথিৰ ওপৰত হিচাপ পৰীক্ষাই অসমৰ চৰকাৰী কৰ্মচাৰীৰ বয়সৰ পাৰ্শ্ব চিত্ৰ বিশ্লেষণ কৰিছিল। তলত দিয়া, কৰ্মচাৰীৰ বয়সৰ হিচাপৰ স্তৰীভূতকৰণত দেখা গৈছিল যে 50 শতাংশৰ অধিক কৰ্মচাৰী 50 বছৰৰ অধিক বয়সৰ। যাহঁওক এই স্তৰত উচ্চ মৃতকৰ হাৰ সুচাই 74 শতাংশ বিষয়ত কৰ্মৰত অৱস্থাত মৃত্যু ঘটিছিল। এনেদৰে এইটো আশা কৰিব পাৰি যে চি এফ পি ৰ ওপৰত আহিব লগা দিনবোৰত চলিত ধাৰা চলি থাকিলে বিত্তীয় ব্যয়ৰ বৃদ্ধি হ'ব।

***চিত্ৰতালিকা 3.2:* অসম চৰকাৰৰ কৰ্মচাৰীসকলৰ বয়সৰ পাৰ্শ্বচিত্ৰ** [76]



এইদৰে চি এফ পি আঁচনিৰ উল্লেখযোগ্য বিত্তীয় বোজাৰ উপৰিও, এই আঁচনিটোৱে যোগ্য কৰ্মচাৰীজনৰ বিধিগত উত্তৰাধিকাৰীলৈ 100 শতাংশ পেঞ্চনৰ আশ্বাস দি অনুকম্পামূলক আঁচনিৰ প্ৰাথমিক পৰিসৰ ভংগ কৰিছিল। চি এ আঁচনিয়ে খালী পদৰ পাঁচ শতাংশ বেছি নিযুক্তি দিব নোৱাৰা আৰু সেৱাও আৱশ্যক বিষয়তহে তাক দোহাৰি কৈছিল। তাৰোপৰি জি অ' আই বা কোনো ৰাজ্য চৰকাৰৰ তুলনামুলকভাৱে কোনো পেঞ্চন আঁচনিয়ে অন্তিম দৰ্মহাৰ 100 শতাংশ অৱসৰৰ তাৰিখলৈ পৰিশোধ নকৰে। **ৰাজ্য চৰকাৰে এনেদৰে নিজৰ ফালৰ পৰা এনে আঁচনি ৰূপায়নৰ দ্বাৰা পৰিহাৰ্য বিত্তীয় বোজা আহ্বান কৰিছিল।**

[76] জি.অ.এৰ বিত্ত বিভাগৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি 4,06,613 জন ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আছিল। যাহওঁক তথ্যৰ অভাৱত চিত্ৰ তালিকা 5 ত 1,678 জন (0.4 শতাংশ) বাদ পৰিছিল।

(ii) ৰাষ্ট্ৰীয় পেঞ্চন পদ্ধতি অধীনৰ আওতাত থকা কৰ্মচাৰীলৈ চি এফ পি আঁচনি সম্প্ৰসাৰণ

অসম চৰকাৰে 1 ফেব্ৰুৱাৰী 2005 ত বা তাৰ পিছত খালী পদৰ বিপৰীতে নিয়মিত ভিত্তিত ৰাজ্য চৰকাৰৰ সেৱাত যোগদান কৰা সকলো নতুন প্ৰৱেশ কৰোতালৈ 'ৰাষ্ট্ৰীয় পেঞ্চন পদ্ধতি' ৰ আৰম্ভণি কৰিছিল (জানুৱাৰী 2010)। ৰাজ্য চৰকাৰে বৰ্তি থকা কৰ্মচাৰীসকলক পূৰ্বৰ প্ৰভাৱৰ সৈতে (ফেব্ৰুৱাৰী 2005 ৰ পৰা) বা জানুৱাৰী 2010 পৰা পদ্ধতিটো বাচনি কৰিব দিছিল। অসম সেৱা (পেঞ্চন) নিয়মাৱলী, 1969 ৰ ব্যৱস্থাসমূহ এন পি এচ ৰ অধীনত নিযুক্ত হোৱা কৰ্মচাৰীসকলৰ বাবে প্ৰযোজ্য নহয়; তেনেদৰে তেওঁলোক নিয়মিত পেঞ্চন দিবলৈ যোগ নহয়।

চৰকাৰী অ'এম খন, যি খনৰ 5.9 ৰ জৰিয়তে চি এফ পি আঁচনি জাৰি কৰিছিল এন পি এচ শ্ৰেণীৰ অধীনৰ সকলো চৰকাৰী কৰ্মচাৰীলৈ সুবিধা সম্প্ৰসাৰণ কৰিছিল। ৰাজ্য চৰকাৰখনে এন পি এচ শ্ৰেণীৰ ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰীসকললৈ চি এফ পি আঁচনিৰ সুবিধা সম্প্ৰসাৰণ দ্বাৰা অতিৰিক্ত বিত্তীয় দায়বদ্ধতাৰ সৃষ্টি কৰিছিল।

(iii) চিএফ পি আঁচনিক এ আই এচ বিষয়ালৈ সম্প্ৰসাৰণ

চি এফ পি আঁচনিখনৰ দফা 5.9 ৰ জৰিয়তে চৰকাৰী অধিসুচনা জাৰি কৰিছিল যে, অসম সংগঠনৰ জন্মপ্ৰাপ্ত সকলো ভাৰতীয় সেৱা বিষয়াক (এ আই এচ) এই আঁচনিৰ অধীনত এই সুবিধা সম্প্ৰসাৰণ কৰিছিল। পেঞ্চন প্ৰাপ্তিত এ আই এচ বিষয়া সকল হৈছে ভাৰত চৰকাৰৰ জন্মপ্ৰাপ্ত। চি এফ পি আঁচনিক এ আই এচ বিষয়ালৈ সম্প্ৰসাৰণৰ দ্বাৰা অসম চৰকাৰে ভাৰত চৰকাৰক অতিৰিক্ত আৰ্থিক বোজা জাপি দিছে, লগে লগে বিভিন্ন সংগঠনত জন্মপ্ৰাপ্ত এ আই এচ বিষয়া সকলৰ সেৱাৰ মাজত বৈষম্য আনিছে। ৰাজ্য চৰকাৰে জি অ' আই ৰ সৈতে পৰামৰ্শ নকৰাকৈ এ আই এচ বিষয়াসকলোলৈ চি এফ পি আঁচনিৰ সম্প্ৰসাৰণ কৰিছিল।

(iv) পেঞ্চনৰ অধীনত লিপিবদ্ধ হোৱা চি এফ পি আঁচনিৰ অধীনৰ মুঠ ব্যয়

হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে ৰাজ্যিক চৰকাৰে চি এফ পি ৰ অধীনত নিয়মিতভাৱে গ্ৰহনীয় নিৰিখতকৈ উচ্চ নিৰিখৰ পেঞ্চনৰ অনুমতি দি, পৃথক বাজেটআৱন্টন বিচৰা নাছিল আৰু চি এফ পি ৰ ওপৰত হোৱা সকলো ব্যয় পেঞ্চন হিচাপে গণ্য কৰিছিল। অতিৰিক্ত বিত্তীয় ব্যয় পেঞ্চনৰ বাবে থকা অনুদানৰ ভিতৰত অৰ্ন্তভূক্ত হৈছিল। ই এটা ভুল দিশ দৰ্শন, যিহেতু এইটো এটা অধিবৰ্ষ আঁচনি নহয় আৰু পৰিকল্পিত উদ্দেশ্যৰ সৈতে এটা পৃথক আঁচনি হোৱাৰ বাবে এটা পৃথক অৰ্থ ব্যয়ৰ বাজেট আৰু আঁচনিটোৰ অধীনত খৰচৰ হিচাপ প্ৰয়োজনীয়। ৰাজ্য চৰকাৰে এই অনিয়মৰ শুধৰণি কৰা দৰকাৰ।

3.2.7 *সামৰণি*

2017 ৰ পূৰ্বকালত জি অ' এ ৰ দ্বাৰা ৰূপায়িত কৰা অনুকম্পামূলক নিয়োগ আঁচনি ফলপ্ৰসুভাৱে নিয়ন্ত্ৰণ কৰিব পৰা নাছিল কাৰণ কৰ্মৰত অৱস্থাত মৃত্যু বৰণ কৰা / চিকিৎসাজনিত কাৰণত বধ্যতামুলক অৱসৰ লোৱা কৰ্মচাৰীসকলৰ যোগ্য উত্তৰাধিকৰী নিযুক্তিত পলম। চি এ আঁচনিৰ অসম্পূৰ্ণ আৰু অদক্ষ তথ্য সহকাৰে প্ৰতিপালন ঘাটিপূৰ্ণ আছিল। এই ঘাটি সমূহ সঠিক কৰাৰ পৰিবৰ্তে ৰাজ্যখনে কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা কৰ্মচাৰীৰ বাবে অনুকম্পামূলক পাৰিবাৰিক পেঞ্চন আঁচনিৰ সূচনা কৰিছিল, যাৰ **'অধিকাৰগত বৈশিষ্ট'** আছে আৰু সেইবাবে চৰকাৰৰ দ্বাৰা অনুকম্পামূলক নিযুক্তি সম্বন্ধীয় বিধিসন্মত নিয়মাৱলী অনুসৰি পৰিচালিত নাছিল।

এপ্ৰিল 2017 ৰ পিছত কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা কৰ্মচাৰীৰ ওপৰত নিৰ্ভৰশীল সদস্যলৈ অসম চৰকাৰে চি এফ পি আঁচনিৰ অধীনত অধিবৰ্ষৰ বয়সৰ সময়লৈ অন্তিম দৰমহাৰ 100 শতাংশ হাৰত পৰিয়াল পেঞ্চনৰ ব্যৱস্থাই ৰাজ্যিক কোষাগাৰৰ ওপৰত অতিৰিক্ত পৰিহাৰ্য্য বোজাৰ সৃষ্টি কৰিছিল। এই আঁচনিৰ অধীনত এই পৰ্যন্ত বিত্তীয় ব্যয় আছিল 171.55 কোটি টকা আৰু হিচাপ পৰীক্ষাই ৰাজ্যিক বাজেটৰ ওপৰত প্ৰতি বৰ্ষত 156.91কোটি টকা অতিৰিক্ত বিত্তীয় বোজা নিৰ্ধাৰণ কৰিছে।

তাৰোপৰি, ৰাজ্য চৰকাৰে চি এফ পি আঁচনিৰ সুবিধাসমূহ জি অ' আই ৰ লগত আলোচনাৰ অবিহনে সৰ্বভাৰতীয় সেৱাসমূহৰ বিষয়াসকললৈ সম্প্ৰসাৰণ কৰিছিল যাৰ পেঞ্চন /পৰিয়াল পেঞ্চনৰ দায়বদ্ধতা জি অ' আই ৰ দ্বাৰা বহন কৰা হৈছিল।

ৰাজ্য চৰকাৰে চি এফ পি আঁচনিৰ বাবে পৃথক বাজেট আৱন্টন কৰা নাছিল আৰু সকলো বায় পেঞ্চন ৰ অধীনত লিপিবদ্ধ কৰি বাজেট আৰু এটা নতুন আঁচনিৰ বাবে প্ৰযোজ্য হিচাপ সম্বন্ধীয় নিয়মাৱলী ভংগ কৰিছে আৰু নিয়মিত পেঞ্চনৰ ভিতৰত ব্যয় লুকুৱাই ৰাখিছিল।

তদুপৰি, চলিত 'ক'ভিড -19' মহামাৰী আৰু উচ্চ হাৰৰ ইতিবাচক সংখ্যা আৰু লগতে মৃত্যুৰ হাৰৰ ঠিক পিছতে ৰাজ্যিক কোষাগাৰৰ ওপৰত বিত্তীয় বোজা আহি থকা বৰ্ষসমূহত বহন কৰিব নোৱাৰা অনুপাতে বৃদ্ধি হ'ব পাৰে। নাটনি হোৱা বিত্তীয় সম্পদ সমূহ ৰাজ্যৰ জনসাধাৰণৰ কল্যাণমূলক আঁচনিৰ বাবে ব্যৱহাৰ কৰা দৰকাৰ আৰু কেৱল কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা চৰকাৰী কৰ্মচাৰীৰ বাবে নহয় যাৰ যত্ন আনহাতে বৰ্তি থকা পৰিয়াল পেঞ্চন আঁচনিৰ অধীনতো লব পাৰি।

3.2.8 *চুপাৰিছ সমূহ*

সেইবাবে চুপাৰিছ কৰা হৈছিল যেঃ

- চৰকাৰে চি এফ পি আঁচনিৰ আৰ্হি, আঁচনিখনৰ অধীনত সুবিধাসমূহ অসম সেৱা (পেঞ্চন) নিয়মাৱলী, 1969 ৰ অধীনত প্ৰযোজ্য হোৱাৰ দৰে নিয়মিত পাৰিবাৰিক পেঞ্চনৰ সৈতে সীমাবদ্ধ কৰিব পাৰে। চলি থকা পৰিয়াল পেঞ্চনতকৈ কোনো অতিৰিক্ত ব্যয়ৰ বৃদ্ধি, পৃথকভাৱে বাজেট ৰাখিব লাগে আৰু শ্ৰেণী বিভাজন কৰা দৰকাৰ।

- আঁচনিটো যদিও ৰাজ্যিক কৰ্মচাৰীৰ বাবে কল্যাণমূলক ব্যৱস্থা হিচাপ আৰম্ভ কৰা হৈছিল, যেতিয়া আন্তঃগাঁঠনিৰ গঠন আৰু মুলধন ব্যয়ৰ ওপৰত অতিৰিক্ত খৰচৰ দৰকাৰ হ'ল, ৰাজহ ব্যয় বৃদ্ধিৰ দ্বাৰা অতিৰিক্ত বিত্তীয় বোজা আৰোপ হৈছিল আৰু সেইবাবে ৰাজ্য চৰকাৰে আঁচনিটো আব্যাহত ৰখা বিষয়টো সমীক্ষা কৰিব পাৰে।

মুদ্ৰন আৰু লেখন বিভাগ

3.3.1 নিস্ফল ব্যয়

যোৰহাট পি ডব্লিউ ডি (গৃহ)বিভাগৰ কাৰ্য্যবাহী অভিযন্তা আৰু সঞ্চালক, মুদ্ৰন আৰু লেখন (পি এচ) প্ৰয়োজনীয় আগ্ৰহৰ অভাৱৰ বাবে 80.45 লাখ টকা খৰচ কৰাৰ পাছত যোৰহাটৰ তিতাবৰত নিৰ্মাণ কৰিবলৈ লোৱা চৰকাৰী ছপাশাল চাৰি বছৰ ধৰি অসম্পূৰ্ণ হৈ আছে। তাৰোপৰি ছপাশালৰ বাবে ভাড়ালৈ লোৱা ভৱন নবীকৰণৰ বাবে 45.82 লাখ টকা ব্যয় হৈছিল।

বিধানসভা সচিবালয়ৰ লগতে অসামৰিক সচিবালয়, দিছপুৰৰ মুদ্ৰন কামৰ কাৰণে আৰু বিভিন্ন চৰকাৰী অফিচৰ বিশেষকৈ উজনি অসমৰ অফিচ সমূহৰ দৰকাৰী তালিকাভুক্ত প্ৰ-পত্ৰ আৰু অনা তালিকাভূক্ত প্ৰ-পত্ৰ মুদ্ৰনৰ বাবে দিছপুৰত দুটা শাখা ছপাশাল আছে।

যোৰহাটত থকা চৰকাৰী ছপাশালটো ছেপ্তেম্বৰ 1990 ৰ পৰা যোৰহাটৰ চিনামৰাত থকা অসম ঔদ্যোগিক আন্তঃগাঠনি উন্নয়ন নিগমত এটা ভাৰাগৃহৰ পৰা চলি আছিল। পি এচ ডি ৰ সচিব, যুটীয়া সচিব আৰু সঞ্চালকৰ বৰ্তমানত, মুদ্ৰন আৰু লেখনৰ মন্ত্ৰীৰ অধ্যক্ষতাত অনুস্থিত হোৱা বৈঠকত (অক্টোবৰ 2012) যোৰহাট শাখা ছপাশাল গৃহ নিৰ্মাণ কৰিবলৈ থিৰাং কৰা হৈছিল। সেই অনুযায়ী জি অ' এৰ মুদ্ৰন আৰু লেখন বিভাগে (পি এচ ডি), যোৰহাটৰ তিতাবৰত অসম চৰকাৰী ছপাশালৰ শাখা নিৰ্মাণৰ বাবে 400.00 লাখ টকাৰ প্ৰশাসনিক অনুমোদন প্ৰদান (ফেব্ৰুৱাৰী 2014) কৰে। উক্ত কামটো ৰাজ্যিক গড়কাপ্তানী বিভাগ(পি.ডব্লিউ ডি) ৰ দ্বাৰা কাৰ্য্যকৰী কৰা হৈছিল।

অসমৰ পি ডব্লিউ ডি ৰ মূখ্য অভিযন্তা (চি ই) জনে কামটো মেচাৰ্চ ইউ চি এন কনষ্ট্ৰাকচন কোম্পানীক 354.26 লাখ টকাৰ নিবিদা মুল্যত কামৰ আৱণ্টন দিয়া তাৰিখৰ পৰা 12 মাহৰ ভিতৰত কামটো সম্পূৰ্ণ কৰাৰ সময়সীমা বান্ধি দি আৱন্টন (জুলাই 2014) দিয়ে। পি ডব্লিউ ডি (গৃহ) সংমণ্ডলৰ যোৰহাটৰ কাৰ্য্যবাহী অভিযন্তা (ই ই) কামটোৰ বাবে নিৰ্মাণকাৰী সংস্থা আছিল। কামটো 10 ডিচেম্বৰ 2014 ত আৰম্ভ কৰা হৈছিল। ডিচেম্বৰ 2015 পৰ্যন্ত কামটোৰ 39 শতাংশ কায়িক অগ্ৰগতি লাভ কৰিছিল আৰু ঠিকাদাৰ জনক 80.45 লাখ[77] টকা প্ৰদান কৰা হৈছিল। ই ই ৰ নথি অনুযায়ী ঠিকাদাৰ জনে কামটো দ- মাটিৰ পথৰ বাবে অক্টোবৰ 2016 ৰ পৰা বন্ধ কৰি থৈছিল। আমাৰ নথিপত্ৰৰ সূক্ষ্ম পৰীক্ষাত (মে' 2019)তলত দিয়া ঘাটি সমূহ প্ৰকাশ পাইছিল ঃ

যদিও প্ৰথম বৈঠকতে (অক্টোবৰ 2012) ছপাশাল ভৱনলৈ প্ৰৱেশৰ এটা পথ দৰকাৰী বুলি স্থিৰ কৰা হৈছিল, কামৰ প্ৰাক্কলন প্ৰস্তুত কৰাৰ সময়ত এই বিষয়টো অন্তৰ্ভূক্ত কৰা নাছিল। চি ই জনে 52.75 লাখ টকাৰ প্ৰাককলন জি অ' এ ৰ আয়ুক্ত আৰু বিশেষ সচিবলৈ অক্টোবৰ 2019 ত অনুমোদনৰ বাবে দাখিল কৰিছিল আৰু সেইয়া এতিয়াও অনুমোদিত হ'বলৈ বাকী আছে (চেপ্তেম্বৰ 2020)। প্ৰাৰম্ভিক অৱস্থাত অন্তৰ্ভূক্ত নকৰা আৰু প্ৰাককলন প্ৰস্তুত কৰাত পলম কৰাৰ কাৰণ লিপিবদ্ধ নাছিল।

[77] 18.70 লাখ টকাৰ সংৰক্ষিত আগধনৰ অৰ্ন্তভূক্তিৰে।

দ' মাটিৰ পথেৰে আগবাঢ়িব লগাৰ বাবে নিৰ্মাণকাৰ্য্যৰ সামগ্ৰী কঢ়িওৱা আৰু কাম কাৰ্যকৰীকৰণ কঠিন হৈছিল যিহেতু পথটো বোকাত পৰিণত হৈছিল আৰু সঘনে বৰষুণৰ পানীত ডুব গৈছিল যাৰ দ্বাৰা কামৰ প্ৰগতিত পলম হৈছিল।

কাৰ্যকৰী কৰা কামৰ বাবে ঠিকাদাৰক পৰিশোধ কৰাত দুবছৰৰ পলম হৈছিল। সীমাৰেখাৰ দেৱালৰ নিচিনা অতিৰিক্ত বিষয়সমূহ, যি বিলাক পি এচ দি ৰ নিৰ্দেশত কাৰ্যকৰী কৰা হৈছিল পি ডব্লিউ ডি ৰ দ্বাৰা অনুমোদন কৰা হোৱা নাছিল।

আলোকচিত্ৰ তাৰিখঃ 20 জুন 2019

কামটো চাৰি বছৰৰ পিছতো অসম্পূৰ্ণ হৈ ৰৈছিল (জুন 2015) আৰু 80.45 লাখ টকাৰ ব্যয় (কাম প্ৰধান বিষয়ঃ আৰ চি চি খুটা শক্তিশালী স্থিতি লোৱাত যোগান, ফিটিং আৰু স্থিৰ কৰাত 25.37 লাখ টকা, সাধাৰণ শক্তিশালী চিমেণ্টৰ কংক্ৰীট কামৰ ব্যৱস্থা আৰু অৱস্থিত কৰাত 22.45 লাখ টকা, সামগ্ৰী-18.70 লাখ টকা) ব্যৱহৃত চৰকাৰী ছপাশাল নিৰ্মাণ নিস্ফল হৈছিল। ছপাশালটোৰ ভাড়ালৈ লোৱা আৱাসতে কাম চলি থাকিল আৰু বিভাগে 45.82 লাখ টকা আবাসটোৰ নবীকৰণত ব্যয় কৰিছিল।

এইদৰে প্ৰকৃত পৰিকল্পনা অবিহনে প্ৰকল্পটো কাৰ্যকৰী কৰা হৈছিল; দৰকাৰী বিষয় অন্তৰ্ভুক্ত নকৰাৰ বাবে প্ৰস্তুত কৰা কাম প্ৰাককলন ত্ৰুটিপূৰ্ণ আছিল, যিটো বিভাগৰ দ্বাৰা আৰাম্ভণিৰ পৰা কৰা প্ৰয়োজনীয় আছিল। প্ৰত্যেক স্তৰতে পলমৰ সৈতে ৰাজ্যিক পি ডব্লিউ ডি ৰ দ্বাৰা প্ৰকল্পটোৰ কাৰ্যকৰীকৰণত আগ্ৰহৰ অভাৱত দেখা গৈছিল আৰু দৰকাৰী অনুমোদন লাভ কৰিবলৈ কোনো অনুবৰ্তী ব্যৱস্থা লোৱা নাছিল। প্ৰশাসনিয় বিভাগেও কামটো সম্পূৰ্ণ কৰিবলৈ আগভাগ লোৱা নাছিল।

বিষয়টো আঙুলিয়াই দিয়াত, সঞ্চালকজনে উল্লেখ কৰিছিল (মে 2019) কামটো সোনকালে সম্পূৰ্ণ কৰিবৰ বাবে বিষয়টো পি ডব্লিউ ডি ৰ সৈতে লোৱা হ'ব।

বিষয়টো চৰকাৰলৈ অৱগত কৰা হৈছিল (নৱেম্বৰ 2019); তেওঁলোকৰ সঁহাৰি প্ৰপ্ত হোৱা নাছিল (চেপ্তেম্বৰ 2020)

চুপাৰিছঃ বিভাগে কামৰ প্ৰাককলন অনুমোদন কৰাবলৈ যথোপযুক্ত পুঁজিৰ ব্যৱস্থা কৰিবলৈ আৰু প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ লব পাৰে।

অধ্যায় - *IV*

সাধাৰণ

অধ্যায়-IV

সাধাৰণ

4.1 চুৰি, আত্মসাৎকৰণ আৰু ক্ষতিৰ বিষয় সমূহ

হিচাপ পৰীক্ষাই চুৰি, আত্মসাৎ আৰু ক্ষতিৰ 257.77 কোটি টকা জড়িত থকা (মাৰ্চ 2019 পৰ্যন্ত) 562 টা বিষয় পৰ্যবেক্ষণ কৰিছিল যিবোৰৰ ওপৰত চূড়ান্ত কাৰ্যব্যৱস্থা লোৱা হোৱা নাছিল। অৱশিষ্ট বিষয়সমূহৰ বিভাগ অনুযায়ী বিশ্লেষণ আৰু সেই বিষয় সমূহৰ প্ৰকৃতি **পৰিশিষ্ট 4.1** ত দিয়া হ'ল।

অৱশিষ্ট বিষয়সমূহৰ অৱধিৰ পাৰ্শ্বচিত্ৰ আৰু প্ৰতিটো বৰ্গত অৰ্থাৎ চুৰি, আত্মসাৎকৰণ আৰু চৰকাৰী সম্পদ ইত্যাদিৰ অৱশিষ্ট বিষয়ৰ সংখ্যা **সাৰণী 4.1** ত দিয়া হ'ল।

সাৰণী 4.1 চুৰি, আত্মসাৎ আৰু ক্ষতিৰ বকেয়াৰ বিষয়সমূহ

(লাখ টকাত)

অৱশিষ্ট বিষয়সমূহৰ অৱধিৰ পাৰ্শ্বচিত্ৰ			অনিশ্চিত বিষয়সমূহৰ প্ৰকৃতি		
বছৰৰ পৰিষৰ	বিষয়ৰ সংখ্যা	জড়িত ধনৰ পৰিমাণ	বিষয় সমূহৰ প্ৰকৃতি /বৈশিষ্ট্য সমূহ	বিষয়ৰ সংখ্যা	জড়িত ধনৰ পৰিমান
0-5	220	12244.60	চুৰি	26	243.40
5-10	207	10295.22			
10-15	106	3039.30	আত্মসাৎ আৰু সম্পদ হানি ইত্যাদি	536	25533.47
15-20	21	179.26			
20-25	6	7.96	মুঠ	**562**	**25776.87**
25 আৰু অধিক	2	10.53	বছৰটোত বাদ দিয়া ক্ষতিৰ বিষয়ৰ সমূহ	1	Nil
মুঠ	**562**	**25776.87**	31 মাৰ্চ 2019 লৈ মুঠ অনিশ্চিত বিষয়	**561**	**25776.87**

উৎস: পৰিদৰ্শন প্ৰতিবেদন

পুনৰ বিশ্লেষণে দেখুৱাইছিল যে যিবোৰ কাৰণত বিষয় সমূহ বকেয়া হৈ আছিল, সেই সমূহক **সাৰণী 4.2** ত দিয়া তালিকাভূক্ত কৰা শ্ৰেণী সমূহত ভাগ কৰিব পৰা যায়।

সাৰণী 4.2 চুৰি, আত্মসাৎ আৰু ক্ষতিৰ বকেয়াৰ কাৰণবোৰ

নিস্পত্তি হ'বলৈ বাকী থকা বিষয় সমূহৰ বিলম্বৰ কাৰণ	বিষয়ৰ সংখ্যা	ধনৰ পৰিমাণ (লাখ টকাত)
(i) বিভাগৰ পৰা উত্তৰৰ অপ্ৰাপ্তি বা অভাৱ	156	8,797.11
(ii) বিভাগৰ দ্বাৰা নিৰ্দিষ্ট / প্ৰকৃত / যথোপযুক্ত উত্তৰ দাখিল নকৰা	406	16,979.76
মুঠ	**562**	**25,776.87**

উৎস: পৰিদৰ্শন প্ৰতিবেদন

ওপৰোক্ত 562 টা বিষয়ৰ ভিতৰত 17.51 কোটি টকা জড়িত থকা কেৱল 30 টা বিষয়ত[78] এটাৰ বিষয়ে চুৰি সামগ্ৰীৰ পৰিমান জনা নাযায় আৰু এজাহাৰত উল্লেখ নাছিল। এজাহাৰত (এফ আই আৰ) দাখিল কৰা হৈছিল যিবোৰৰ অনুসন্ধান প্ৰক্ৰিয়া চলি আছে। চৰকাৰে বাকী থকা বিষয় সমূহৰ ওপৰত তদন্ত এজাহাৰ দাখিল কৰি প্ৰয়োজনীয় কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব পাৰে আৰু যুক্তিপূৰ্ণ ভাৱে আত্মসাতৰ বিষয়সমূহ সমাধান কৰিব পাৰে।
ইয়াৰ উপৰিও চুৰি, আত্মসাত আৰু ক্ষতি সম্পৰ্কিত বিষয়বোৰৰ তদাৰক আৰু ক্ষীপ্ৰ সমাধান নিশ্চিত কৰিবলৈ চৰকাৰে ফলপ্ৰসু ব্যৱস্থাৰে তেওঁলোকৰ নিজৰ স্বাৰ্থত বিবেচনা কৰিব পাৰে।

4.2 হিচাপ পৰীক্ষাৰ প্ৰতিবেদন সমুহৰ অনুগমন

স্বকীয়ভাৱে ব্যৱস্থা গ্ৰহণ টোকা দাখিল নকৰা

ৰাজহুৱা হিচাপ সমিতিৰ (পি এ চি) সংকল্প অনুসৰি (ছেপ্তেম্বৰ 1994) প্ৰশাসনিক বিভাগবোৰ হিচাপ পৰীক্ষা প্ৰতিবেদনবোৰত সন্নিবিষ্ট হোৱা দফা আৰু পুনৰীক্ষণৰ ওপৰত লোৱা কাৰ্যগ্ৰহণ টোকা (এ টি এন), হিচাপ পৰীক্ষাৰ প্ৰতিবেদন বিধানসভাত উত্থাপন কৰাৰ তিনি মাহৰ ভিতৰত পি এ চি ৰ পৰা কোনো জাননী অথবা আহ্বানলৈ ৰৈ নাথাকি, হাতত লোৱা কাৰ্য্য বা লবলৈ বিচৰা কাৰ্য ন্যায্যভাৱে উল্লেখ কৰি প্ৰধান মহাগাননিক (পি এ জি) লৈ এক প্ৰতিলিপিৰ সৈতে পি এ চি ক দাখিল কৰিব লাগে। পি এ চি য়ে ইয়াৰ মতামত আৰু চুপাৰিছৰ আগতে পুণৰীক্ষণৰ এই এ টি এন এ জি (হিচাপ পৰীক্ষা) লৈ শুদ্ধাশুদ্ধ বিচৰাৰ বাবে প্ৰেৰণ কৰিব লাগে। মুখ্য সচিব অসমৰ অধ্যক্ষতাত অনুস্থিত হোৱা ৰাজ্যিক পৰ্য্যয়িৰ এপেক্স কমিতিৰ বৈঠকত (আগষ্ট 2001) সকলো বিভাগক সংসদত হিচাপ পৰীক্ষাৰ প্ৰতিবেদন উপস্থাপনৰ লগে লগে প্ৰতিবেদনত সন্নিবিষ্ট হোৱা দফা আৰু পুনৰীক্ষণৰ উত্তৰ দিবলৈ নিৰ্দেশ দিয়া হৈছিল। অসম বিধান সভাই একে ধৰণৰ নিৰ্দেশনা ছেপ্তেম্বৰ 2014 আৰু অক্টোবৰ 2018 ত বাহাল ৰাখিছিল।

অৱশ্যে সংশ্লিষ্ট বিভাগবোৰৰ পৰা 2017-18 লৈকে সামাজিক, সাধাৰণ আৰু অৰ্থনৈতিক (পি এচ ইউক বাদ দি) খণ্ডৰ ওপৰত হিচাপ পৰীক্ষাৰ প্ৰতিবেদনত অন্তৰ্গত কৰা দফা আৰু পুনৰীক্ষণৰ ক্ষেত্ৰত 1,804 টাৰ ভিতৰত তেনে ধৰণৰ মাত্ৰ সাতটা স্বকীয় উত্তৰ/ বিশ্লেষণমূলক টিপ্পনী লাভ কৰা হৈছিল।

মাৰ্চ 2019 লৈকে পি.এ.চি.য়ে 1983-84 ৰপৰা 2017-18 বছৰবোৰৰ সম্পৰ্কীয় 1,804 টাৰ ভিতৰত 1,203 টা দফা আলোচনা কৰিছিল। গতিকে সেই দফা/ পুনৰীক্ষণবোৰত অন্তৰ্ভূক্ত 601 টা হিচাপ পৰীক্ষা পৰ্যবেক্ষণ/ মতামত মাৰ্চ 2019 লৈকে পি এ চিৰ দ্বাৰা আলোচনা কৰিবলৈ বাকী আছিল।

4.3 পি এ চিৰ চুপাৰীছসমূহৰ ওপৰত হাতত লোৱা কাৰ্য ব্যৱস্থা

পি এ চিয়ে ইয়াৰ 55 তম ৰ পৰা 152 তম ৰ প্ৰতিবেদনলৈ 45 টা বিভাগৰ সম্পৰ্কত 564 টা চুপাৰিছ আগবঢ়াইছিল। পি এ চিয়ে কৰা চুপাৰিছৰ ওপৰত সংশ্লিষ্ট বিভাগবোৰৰ দ্বাৰা গ্ৰহণ কৰা সন্মতি সূচক কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি পি এ চিয়ে 252 টা দফা নিস্পত্তি কৰিছিল আৰু সেইবাবে সেই দফাবোৰৰ বিপৰীতে কোনো কাৰ্য ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন নাছিল। এইদৰে মাৰ্চ 2019 লৈ বিভিন্ন বিভাগ সমূহৰ পৰা এ টি এন/ প্ৰতিবেদন নোপোৱাৰ বাবে 312 টা চুপাৰীছৰ নিস্পত্তিৰ বাবে বাকী আছিল ।

[78] এটা বিষয়ৰ ক্ষেত্ৰত চুৰি কৰা সামগ্ৰীৰ পৰিমাণ জ্ঞাত নাছিল আৰু এজাহাৰত নথিভুক্ত নাছিল।

4.4 হিচাপ পৰীক্ষাৰ পৰ্যবেক্ষণলৈ সঁহাৰি আৰু সেই সমূহৰ অনুপালনত জেষ্ঠ বিষয়াসকলৰ সন্মতি

প্ৰধান মহাগানণিকে (পি এ জি) নিৰ্দ্ধাৰিত বিধি আৰু প্ৰক্ৰিয়া অনুসৰি তাৎপৰ্যপূৰ্ণ হিচাপ নিকাচ আৰু অন্যান্য নথিবোৰৰ পৰিপালন সত্যাপন কৰিবলৈ আৰু লেনদেনবোৰৰ বাছনি পৰীক্ষা কৰিবলৈ চৰকাৰী বিভাগবোৰৰ নিয়মিত ব্যৱধানত পৰিদৰ্শন চলাবলৈ আয়োজন কৰে। যেতিয়া পৰিদৰ্শন কালত ধৰা পেলোৱা অনিয়মসমূহ সেই সময়ত নিস্পত্তি কৰা নহয় তেতিয়া উচ্চতৰ কতৃপক্ষলৈ এক প্ৰতিলিপিৰ সৈতে সংশ্লিষ্ট কাৰ্যালয়ৰ মুৰব্বী সকললৈ পৰিদৰ্শন প্ৰতিবেদন (আই আৰ) জাৰি কৰা হয়। (মাৰ্চ 1986) ৰাজ্য চৰকাৰৰ উপদেশ দিছিল যে পি এ জিৰ দ্বাৰা প্ৰেৰণ কৰা আই আৰ বোৰলৈ কাৰ্যবাহী সকলৰ দ্বাৰা দ্ৰুত সঁহাৰিৰে নিৰ্দ্ধাৰিত বিধি আৰু প্ৰক্ৰিয়াবোৰৰ সৈতে সঙ্গতি ৰাখি শুধৰণীমূলক কাৰ্য নিশ্চিত কৰিবলৈ ব্যৱস্থা কৰাৰ বাবে কাৰ্যলয়ৰ কৰ্তৃপক্ষ আৰু সংশ্লিষ্ট বিভাগে হিচাপ পৰীক্ষই লাভ কৰা আই আৰৰ দফা সমূহৰ পৰ্য্যবেক্ষণ সমূহ পৰীক্ষাৰ প্ৰয়োজন। তেওঁলোকক কৰিব দিয়া ত্ৰূটিৰ শুধৰণী আৰু অসম্পূৰ্ণ কাম সমূহৰ দ্ৰুত সমাধান কৰিব লাগে আৰু তেওঁলোকৰ অনুপালন পি এ জিক দাখিল কৰিব লাগে। পি এ জি য়ে বাকী থকা আই আৰৰ অৰ্ধ বাৰ্ষিক প্ৰতিবেদন সময়ে সময়ে সংশ্লিষ্ট বিভাগৰ আয়ুক্ত আৰু সচিবলৈ প্ৰেৰণ কৰে। এই প্ৰতিবেদন বাকী থকা আই আৰ বোৰত সন্নিবিষ্ট হিচাপ পৰীক্ষা পৰ্যবেক্ষণবোৰ তদাৰকীত সুবিধা কৰিবলৈ প্ৰেৰণ কৰা হয়।

আমি ডিচেম্বৰ 2018 লৈকে অসামৰিক বিভাগ/ জনস্বাস্থ্য কাৰিকৰী বিভাগ/ গড়কাপ্তানি বিভাগ / জলসম্পদ বিভাগ / জলসিঞ্চন আৰু আভ্যন্তৰীণ জল পৰিবহন বিভাগ সম্পৰ্কীত 39,479 টা দফা 6,385 টা আই আৰ সম্পৰ্কত জুন 2019 ৰ শেষলৈকে মীমাংসাৰ বাবে বাকী থকাৰ বিষয়ে আই আৰ প্ৰেৰণ কৰো। এই সমূহৰ 1,208 টা আই আৰত থকা 5,262 টা দফাৰ 10 বছৰৰো অধিক কাল উত্তৰ নিদিয়াকৈ/ মীমাংসা অবিহনে আছে। 1994-95 আৰু 2018-19 ৰ সময়ছোৱাৰ ভিতৰত জাৰি কৰা 20,575 টা দফা সম্বলিত 2,734 টা আই.আৰ.ৰ ক্ষেত্ৰত প্ৰথমে পাবলগা উত্তৰটোও যিটো কাৰ্য্যালয়ৰ মুৰব্বীৰ পৰা জাৰি কৰা তাৰিখৰ পৰা 4 সপ্তাহৰ ভিতৰত পাবলগা আছিল, 55 টা বিভাগৰ পৰা পোৱা হোৱা নাছিল। ফলস্বৰূপে, 39,591 টা দফাৰ জৰিয়তে মন্তব্য কৰা 2,15,285.77 কোটি টকা জড়িত গুৰুতৰ অনিয়ম সমূহৰ জুন 2019 পৰ্য্যন্ত কোনো শুংসূত্ৰ নাই, যাক **চিত্ৰ তালিকা- 4.1** ত দেখুওৱা হ'ল।

চিত্ৰ তালিকা- **4.1**
(কোটি টকাত)



55 টা বিভাগৰ ক্ষেত্ৰত আই আৰ বোৰৰ কোনো উত্তৰ নোপোৱাটোৱে বিভাগবোৰৰ মুৰব্বী সকলৰ ফালৰ পৰা (সঞ্চালক/ কাৰ্যবাহী অভিযন্তা) হিচাপ পৰীক্ষাৰ দ্বাৰা আঙুলিয়াই দিয়া সন্দৰ্ভত ত্ৰুটি,বাদ পৰা আৰু অনিয়মীতা সমুহৰ বিপৰীতে কাৰ্য্য ব্যৱস্থা হাতত লোৱাৰ ব্যৰ্থতাকে সুচাইছিল। অৰ্ধবাৰ্ষিক প্ৰতিবেদনৰ জৰিয়তে যি সকল সংশ্লিষ্ট আয়ুক্ত আৰু সচিবক স্থিতি প্ৰদান কৰা হৈছিল তেওঁলোকেও সংশ্লিষ্ট বিভাগবোৰৰ বিষয়াসকলৰ দ্বাৰা দ্ৰুত আৰু সময়োচিত কাৰ্যকৰণ নিশ্চিত কৰাত ব্যৰ্থ হৈছিল।

উপৰোক্ত তথ্য সমুহে দোষী বিষয়াসকলৰ বিৰুদ্ধে কাৰ্য্যব্যৱস্থা নোলোৱাৰ দ্বাৰা গুৰুতৰ বিত্তীয় অনিয়মসমূহ ধাৰাবাহিকতা আৰু চৰকাৰৰ সম্ভাব্য ক্ষতি হোৱাত সুবিধা প্ৰদান কৰিছিল, যদিও এইবোৰ হিচাপ পৰীক্ষাত আঙুলিয়াই দিয়া হৈছিল।

অসামৰিক আৰু গড়কাপ্তানি বিভাগ সমুহৰ সম্পৰ্কিত নিস্পত্তি হ'বলৈ বাকী থকা হিচাপ পৰীক্ষা পৰ্যবেক্ষণ বোৰৰ বিবেচনা আৰু নিস্পত্তিৰ বাবে চৰকাৰৰ দ্বাৰা প্ৰতিবছৰে হিচাপ পৰীক্ষা আপত্তি সমিতি (এ অ' চি) গঠন কৰা হয়। 2017-18 পৰ্যন্ত চৰকাৰে বাকী থকা হিচাপ পৰীক্ষাৰ আপত্তি সমূহ আলোচনাৰ বাবে এখন এ অ' চি গঠন কৰিছিল (মে 2018) সমিতি খনৰ সমুদায় 159 খন বৈঠক (সামাজিক খণ্ডঃ 93, অৰ্থনৈতিক খণ্ডঃ 39, আৰু সাধাৰণ খণ্ডঃ 27) মাৰ্চ 2019 লৈ বিভিন্ন তাৰিখত পতা হৈছিল। এ অ' চিয়ে মুঠ 1,102 টা আই আৰ আৰু 5,512 টা দফাৰ আলোচনা কৰিছিল যাৰ পৰা 91 টা আই আৰ আৰু 981 টা দফা নিস্পত্তি হৈছিল।

এইটো চুপাৰিছ কৰা হৈছে যে চৰকাৰে বিষয়বোৰ পুনৰীক্ষণ কৰিব লাগে আৰু নিশ্চিত হ'ব লাগে যে (a) যি সকলে নিৰূপিত সময়সূচী অনুসৰি আই আৰ/ দফা বোৰৰ উত্তৰ পঠোৱাত ব্যৰ্থ হয় তেনে বিষয়াসকলৰ গাফিলতিৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ; (b) সময়বদ্ধ ভাৱে ক্ষতি/ বাকী থকা আগধন/ উপৰুৱা আদায় দিয়াবোৰৰ পুনৰুদ্ধাৰ কৰিবৰ বাবে কাৰ্যব্যৱস্থা ; আৰু (c) হিচাপ পৰীক্ষা পৰ্যবেক্ষণ বোৰলৈ খৰতকীয়া আৰু সময়োচিত সঁহাৰি নিশ্চিত কৰিবলৈ পদ্ধতিটো সূচাৰুৰূপে গঢ়ি তোলাৰ বাবে ফলপ্ৰসু পদ্ধতি আছে।

স্থানঃ গুৱাহাটী
তাৰিখঃ 23 ফেব্রুয়ারী 2021

(কে এচ গোপীনাথ নাৰায়ণ)
প্ৰধান মহাগাণনিক (হিচাপ পৰীক্ষা), অসম

প্ৰতিস্বাক্ষৰিত

স্থানঃ নতুন দিল্লী
তাৰিখঃ 03 মার্চ 2021

(গিৰীশ চন্দ্ৰ মুৰ্মু)
ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক

পৰিশিষ্ট

পৰিশিষ্ট -2.1

((দ্ৰষ্টব্য দফা – 2.2.4.4)

প্ৰকল্প সমূহৰ নমুনা আৰু শ্ৰেণী বিভাজন

হিচাপ পৰীক্ষকে অসমৰ ছয়টা কৃষি জলবায়ু অঞ্চলৰ গোটেই কেইটাৰ পৰা 73 টা প্ৰকল্পৰ নমুনা হিচাপ লৈছিল। তলৰ সাৰণিত বাচনিকৃত প্ৰকল্প সমূহৰ সংক্ষিপ্ত বিৱৰণী দাঙি ধৰা হ'ল।

ক্ৰমিক নং	কৃষি জলবায়ু মণ্ডল	সংমণ্ডল	প্ৰকল্পৰ পৰিমাণ
1	বৰাক উপত্যকা	শিলচৰ	5
2	পৰ্বত	কাৰ্বিআংলং	12
3	নামনি ব্ৰহ্মপুত্ৰ	কোকৰাজাৰ	22
4	উত্তৰ সমতল	টংলা	25
5	সমতল	মৰিগাওঁ	6
6		যোৰহাট	3
মুঠ			73

আকাৰ অনুযায়ী প্ৰকল্প সমূহৰ শ্ৰেণী বিভাজন তলৰ সাৰণীত সংখ্যাৰে সৈতে দেখুৱা হৈছেঃ

(পৰিমাণ লাখ টকাত)

প্ৰকল্পৰ আকৃতি	প্ৰকল্পৰ পৰিমাণ	গড় ব্যয়	মুঠব্যয় (প্ৰকৃত)	পৰিমাণ (টি এচ)
0-250 হেক্টৰ	23	94.41	2,171.38	2,494.85
250-500 হেক্টৰ	34	505.41	17,184.05	18,464.01
500-750 হেক্টৰ	8	408.00	3,263.99	3,407.67
750-1000 হেক্টৰ	3	790.87	2,372.62	2,438.85
1000-1250 হেক্টৰ	0	0.00	0.00	0.00
1250-1500 হেক্টৰ	3	1,122.48	3,367.44	3,407.38
1500-1750 হেক্টৰ	1	665.72	665.72	665.72
1750-2000 হেক্টৰ	1	945.05	945.05	981.00
মুঠ	**73**	**410.55**	**29,970.25**	**31,859.48**

পৰিশিষ্ট -2.2

(দ্ৰষ্টব্য দফা-2.3.2)

প্ৰকল্পৰ ভিত্তিত মূল্যায়ন আৰু জেদ - শ্বীট পাইলচৰ যোগান প্ৰবিৰণ

ক্ৰ. নং	প্ৰকল্পৰ নাম	মেট্ৰিক টনত মূল্যায়নৰ পৰিমান	মেট্ৰিক টনত যোগান ধৰাৰ পৰিমান	মেট্ৰিক টনত ব্যৱধান
2012-13 ৰ বাবে এ আই বি পি				
মুল্যায়ন কৰাতকৈ অধিক পৰিমান বিতৰণ কৰা				
সংমণ্ডলৰ নাম: বৰলীয়া				
1.	এক নং কোৱালি এল আই এচ	19.63	21.09	1.46
2.	উলুবাৰীত আজলাদং এফ আই এচ	10.53	12.12	1.59
3.	সাৰেনদং এফ আই এচ	12.28	12.94	0.66
4.	মায়ানদি এফ আই এচ	11.60	14.36	2.76
5.	হাৰাংপাৰা সিমুহাঠাই	47.09	51.08	3.99
6.	আহ্‌পা ডেকাদং জালাগাওঁ	22.42	25.58	3.16
	A) উপ মুঠ	**123.55**	**137.17**	**13.62**
সংমণ্ডলৰ নাম: কোকোৰাঝাৰ				
1.	ওদালগুৰি এফ আই এচ	8.00	18.11	10.11
2.	দাওবোবিল এফ আই এচ	8.00	14.35	6.35
3.	সিমবাৰ গাঁও এফ আই এচ	15.00	18.11	3.11
4.	দাঙৰাখুতি এফ আই এচ	17.36	17.55	0.19
5.	খালাচি এফ আই এচ	18.00	18.72	0.72
6.	মাজতি ৰাভাপাৰা এফ আই এচ	8.00	9.60	1.60
7.	হেল এফ আই এচ	16.18	16.61	0.43
8.	তিনমুখি এফ আই এচ	20.00	23.70	3.70
9.	ঔগুৰি এফ আই এচ	24.97	25.95	0.98
10.	লাউকুৰিগুৰি এফ আই এচ	27.76	32.00	4.24
11.	লক্ষীপুৰ এফ আই এচ	21.83	22.05	0.22
12.	ভুতনী এফ আই এচ	18.50	20.71	2.21
13.	দাদৰিঝৰা এফ আই এচ	21.02	21.05	0.03
14.	জুইলাগা এফ আই এচ	8.00	8.91	0.91
	B) উপ মুঠ	**232.62**	**267.42**	**34.80**
মুল্যায়ন নকৰাকৈ বিতৰণ				
সংমণ্ডলৰ নাম: বৰলীয়া				
1	বাহবাৰী দং এফ আই এচ	0	9.58	9.58
2.	লালদং এফ আই এচ কাচুবাৰী	0	9.00	9.00
3.	মৰাদং এফ আই এচ বৰঙাবাৰী	0	6.73	6.73
4.	হাওলিকাদং এফ আই এচ	0	8.36	8.36
5.	বঞ্চলা দেওজাৰা	0	7.83	7.83
6.	আলাগ্‌জাৰ- কমলকুৰপাল্লাম	0	7.98	7.98
	C) উপ মুঠ	**-**	**49.48**	**49.48**
সংমণ্ডলৰ নাম: কোকোৰাঝাৰ				
1.	বিলও বুদাঙ এফ আই এচ	0	9.43	9.43
2.	কাৰিগাঁও বালাজান এফ আই এচ	0	9.32	9.32
	D) উপ মুঠ	**-**	**18.75**	**18.75**
মুল্যায়নতকৈ কম পৰিমানৰ বিতৰণ				

ক্র. নং	প্ৰকল্পৰ নাম	মেট্ৰিক টনত মুল্যায়নৰ পৰিমান	মেট্ৰিক টনত যোগান ধৰাৰ পৰিমান	মেট্ৰিক টনত ব্যৱধান
সংমগুলৰ নাম: বৰলীয়া				
1.	গৰৈমাৰী এফ আই এচ	12.46	9.62	2.86
2.	খানাকুৰাজান এফ আই এচ	9.71	9.43	0.28
3.	মৌজি এফ আই এচ	11.45	10.09	1.36
4.	বাথৌপুৰি চুইবাৰী এফ আই এচ	15.15	12.36	2.79
5.	দঙ্গৰবিমা এফ আই এচ	12.65	9.60	3.05
6.	দিগালদং-উজিৰবাৰী তিহুনাদি এফ আই এচ	28.82	20.99	7.83
7.	চিৰিচবাৰী এফ আই এচ	12.29	9.71	2.58
	E) উপ মুঠ	**102.53**	**81.8**	**20.75**
সংমগুলৰ নাম: কোকোৰাঝাৰ				
1.	হুমাশ্ৰী এফ আই এচ	48.00	47.21	0.79
2.	দক্ষিণ কাজলগাঁও এফ আই এচ	120.00	101.71	18.29
3.	মহামায়া এফ আই এচ	86.00	30.52	55.48
4.	বুৰিচত্তম পলাশগুৰি এফ আই এচ	30.00	25.00	5.00
5.	নাওদ্ৰাদুইচা এফ আই এচ	12.00	9.46	2.54
6.	পশ্চিম ভান্দ্ৰাপুৰ এফ আই এচ	18.00	13.82	4.18
7.	ছাতাগুৰি এফ আই এচ	15.00	13.78	1.22
8.	দুদুমাৰি এফ আই এচ	8.00	6.00	2.00
9.	বনচ্ঝাৰা এফ আই এচ	15.00	7.42	7.58
10.	লালপুৰ এফ আই এচ	7.40	6.20	1.20
11.	দাওমাচা দুইচা এফ আই এচ	6.00	4.50	1.50
12.	উত্তৰ মালিগাঁও এফ আই এচ	18.00	9.46	8.54
13.	কমলসিং এফ আই এচ	16.00	12.87	3.13
14.	লাপতি জাম্ফা ৰাজা এফ আই এচ	20.00	18.00	2.00
15.	আকাইচিকা এফ আই এচ	30.00	26.57	3.43
16.	আই-ভানৰি এফ আই এচ	22.00	18.52	3.48
17.	আমিনপাৰাডেমডেমা এফ আই এচ	20.00	18.20	1.80
18.	গাগ্ৰা দুইচা এফ আই এচ	31.27	28.50	2.77
19.	ৰামপতি এফ আই এচ	20.00	17.73	2.27
20.	তিংখাং গুৰি জিলিং এফ আই এচ	39.25	31.01	8.24
21.	ৰাঙিঝাৰা এফ আই এচ	30.00	23.64	6.36
22.	হাৰচা এফ আই এচ	14.99	13.80	1.19
23.	ওদালগুৰি এফ আই এচ	11.00	9.19	1.81
24.	কুমবুন্দ এফ আই এচ	31.04	17.95	13.09
25.	সামপতি এফ আই এচ	30.00	20.80	9.20
26.	দুব্ৰিবাৰী এফ আই এচ	9.68	9.67	0.01
27.	শিলবাৰী উলুবাৰী এফ আই এচ	32.56	20.96	11.60
28.	নাৰাং দুইচএফ আই এচ	23.27	13.55	9.72
29.	কালিবাহাদুৰ এফ আই এচ	15.91	8.14	7.77
	F) উপ মুঠ	**780.37**	**584.18**	**196.19**
মুল্যায়নৰ পৰিমাণ হৈছে কিন্তু বিতৰণ হোৱা নাই				
সংমগুলৰ নাম: বৰলীয়া				
1.	ইকৰাবিল পাতালাদং এফ আই এচ	21.03	0	21.03
2.	বগুলামাৰী এফ আই এচ (পি এইচ -II)	8.11	0	8.11

ক্ৰ. নং	প্ৰকল্পৰ নাম	মেট্ৰিক টনত মুল্যায়নৰ পৰিমান	মেট্ৰিক টনত যোগান ধৰাৰ পৰিমান	মেট্ৰিক টনত ব্যৱধান
	G) উপ মুঠ	**29.14**	**-**	**29.14**
সংমগুলৰ নাম: কোকোৰাঝাৰ				
1.	খমাবাৰী এফ আই এচ	12.50	0	12.50
2.	লেতুমচৰা এফ আই এচ	12.00	0	12.00
4.	সিতকা এফ আই এচ	8.00	0	8.00
5.	ডেমডেমা সোনামুখি এফ আই এচ	7.00	0	7.00
6.	গাঙ্গীয়া এফ আই এচ	40.00	0	40.00
7.	ভুৰপাৰ এফ আই এচ	18.00	0	18.00
8.	দৰোগাঁও এফ আই এচ Ph II	22.00	0	22.00
	H) উপ মুঠ	**119.50**	**-**	119.50
মুল্যায়ন অনুযায় বিতৰণৰ পৰিমাণৰ				
সংমগুলৰ নাম: বৰলিয়া				
1.	ভেহ্‌গুৰিদং এফ আই এচ	9.91	9.91	0
2.	ভুইদং এফ আই এচ	11.67	11.67	0
3.	বেকাৰবুন্দ এফ আই এচ	12.81	12.81	0
4.	ভেতেৰকুৰ এফ আই এচ	9.76	9.76	0
5.	থাংগুৰি লক্ষীবুন্দ এফ আই এচ	10.76	10.76	0
	I) উপ মুঠ	**54.91**	**54.91**	**-**
সংমগুলৰ নাম: কোকোৰাঝাৰ				
1.	তিনতিলা এফ আই এচ	11.75	11.75	0
2	বৰঝৰা ৰাভাপুৰ এফ আই এচ	11.35	11.35	0
3	বাঘমাৰা এফ আই এচ	24.60	24.60	0
4	বালদী এফ আই এচ	23.93	23.93	0
5	দেবৰবিল এফ আই এচ	15.21	15.21	0
	J) উপ মুঠ	**86.84**	**86.84**	**-**
	মুঠ (A+B+C+D+E+F+G+H+I+J)	**1,529.46**	**1,280.55**	**-**

মুঠ পৰিমান যোগান : 1,466.46 MT,
মুঠপৰিমান বিতৰণ : 1,280.55 MT,
বাকী : 185.91 MT

পৰিশিষ্ট -3.1

(দ্ৰষ্টব্য দফাবোৰ 3.2.5.3 (ii))

এচ এল চি ৰ অনুস্থিত বৈঠক, পুনৰীক্ষণৰ বিষয়, নিযুক্তিৰ বাবে অনুমোদিত বিষয় আৰু এচ এল চি ৰ দ্বাৰা নাকচ কৰা বিষয়ৰ বিভাগ অনুযায়ী বিতং সংখ্যাৰ বিৱৰণ

ক্ৰমিক নং	বিভাগৰ নাম	এচ এল চি ৰ দ্বাৰা পুনৰীক্ষণকৰা বিষয় সমূহ	এচ এল চি ৰ দ্বাৰা নিযুক্তিৰ বাবে কৰা অনুমোদিত বিষয় সমূহ	এচ এল চি ৰ দ্বাৰা নাকচ / পলম কৰা বিষয় সমূহ	2014-15 ৰ পৰা 2018-19 সময়ছোৱাত অনুস্থিত এচ এল চি ৰ বৈঠক সমূহ	খালী পদৰ অভাৱৰ বাবে নাকচ হোৱা বিষয় সমূহ	বিলম্ব কৰি পিছলৈ আলোচনা নকৰা বিষয়সমূহৰ সংখ্যা
1	প্ৰশাসনিক সংস্কাৰ আৰু প্ৰশিক্ষণ	1	1	0	01	00	**00**
2	কৃষি	83	50	33	03	18	**05**
3	সমবায়	36	31	5	03	01	**04**
4	সাংস্কৃতিক প্ৰৰিক্ৰমা	5	5	0	04	00	**00**
5	প্ৰাথমিক শিক্ষা	1608	737	871	04	260	**212**
6	পৰিবেশ আৰু বন	857	250	607	04	00	**01**
7	আবকাৰী	35	5	30	02	28	**05**
8	মীন	11	10	1	01	00	**00**
9	খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা	6	1	5	01	00	**04**
10	সাধাৰণ প্ৰশাসন	68	57	11	02	00	**04**
11	হস্ততাঁত বস্ত্ৰ আৰু ৰেচম	72	30	42	02	29	**00**
12	স্বাস্থ্য আৰু পৰিয়াল কল্যাণ	170	73	97	05	83	**01**
13	উচ্চ শিক্ষা	39	25	14	01	02	**07**
14	গৃহ	1020	714	306	04	78	**41**
15	উদ্যোগ আৰু বাণিজ্য	6	4	2	01	00	**00**
16	জলসিঞ্চন	261	216	45	06	08	**02**
17	শ্ৰম আৰু কল্যাণ	18	13	5	03	05	**00**
18	দক্ষতা,নিয়োগ আৰু শিল্প উদ্যোগ						
19	খনিজ আৰু খনিজাত	1	1	0	01	00	**00**
20	পঞ্চায়ত আৰু গ্ৰামোন্নোয়ন	240	101	139	04	33	**01**
21	ছপা আৰু আচবাব	1	1	0	01	00	**00**
22	জনস্বাস্থ্য কাৰিকৰী	107	62	45	02	08	**22**
23	গড়কাপ্তানি (পথ)	171	43	128	04	67	**01**

24	গড়কাপ্তানি ৰাষ্ট্ৰীয় ঘাইপথ আৰু গৃহ	106	55	51	03	30	**12**
25	ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা	72	61	11	04	00	**00**
26	সচিবালয় প্ৰশাসন	19	10	9	04	04	**00**
27	মাধ্যমিক শিক্ষা	486	333	153	06	17	**36**
28	ভূমি সংৰক্ষণ	87	20	67	03	13	**06**
29	পৰিবৰ্তন আৰু উন্নয়ন	22	9	13	02	12	**00**
30	পৰিবহন	44	31	13	03	11	**00**
31	নগৰ উন্নয়ন	2	2	0	01	00	**00**
32	পশু চিকিৎসা	205	82	123	02	121	**00**
33	জলসম্পদ	268	215	53	07	13	**06**
34	ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ	34	12	22	02	01	**01**
	মুঠ	**6161**	**3260**	**2901**		**842**	**371**
35	পাৰ্বত্য এলেকা	412	229	183			

পৰিশিষ্ট -3.2

(দ্ৰষ্টব্য দফাবোৰ 3.2.6.2)

বিভাগ অনুযায়ী চি.এফ.পি.ৰ অধীনত থকা হিতাধিকাৰীৰ তালিকা

বিভাগ	চি.এফ.পি.ৰ বিষয়ৰ সংখ্যা
প্ৰাদেশীক কৰ্মচাৰী	654
গৃহ বিভাগ	386
গড়কাপ্তানী বিভাগ	230
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ	158
জনস্বাস্থ্য প্ৰকৌশল বিভাগ	153
জলসিঞ্চন বিভাগ	138
বন বিভাগ	77
হস্ততাত, বস্ত্ৰ আৰু ৰেচম বিভাগ	49
কৃষি বিভাগ	48
শিক্ষা (সাধাৰণ) বিভাগ	47
পৰিবহন বিভাগ	47
জল সম্পদ বিভাগ	46
শশু পালন আৰু পশু চিকিৎসা বিভাগ	33
সাধাৰণ প্ৰশাসন বিভাগ	24
বিচাৰ বিভাগ	17
পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগ	17
শিক্ষা (কাৰিকৰী) বিভাগ	15
ভূমি সংৰক্ষণ	13
সমাজ কল্যাণ বিভাগ	12
সচিবালয় প্ৰশাসন বিভাগ	12
বিত্ত বিভাগ	12
উদ্যোগ আৰু বাণিজ্য বিভাগ	12
শ্ৰমিক আৰু কৰ্মচাৰী বিভাগ	11
ৰাজহ বিভাগ	10
প্ৰত্যেকতে 10 টা বিষয়ৰ কম থকা আন বিভাগসমূহ (24)	81
সৰ্বমুঠ	**2302**

পৰিশিষ্ট -4.1

((দ্ৰষ্টব্য দফা: *4.1)*

পুঁজিৰ আত্মসাৎ, অপব্যৱহাৰ আদি বিষয়সমুহ বিভাগ ভিত্তিক/সময়ভিত্তিক শ্ৰেণী বিভাজন (যিবোৰ ঘটনা 31 মাৰ্চ 2019 ৰ শেষলৈকে যি সমুহৰ বিষয়ৰ ক্ষেত্ৰত চুড়ান্ত কাৰ্য্য ব্যৱস্থা গ্ৰহন কৰিবলৈ বাকী আছিল)

(লাখ টকাত)

ক্ৰমিক নং	বিভাগৰ নাম /সঞ্চালকালয়	5 বছৰলৈকে		5 ৰপৰা 10 বছৰলৈকে		10 ৰপৰা 15 বছৰলৈকে		15 ৰপৰা 20 বছৰলৈকে		20 ৰপৰা 25 বছৰলৈকে		25 বছৰতকৈ অধিক		মুঠ		চুৰিৰ বিষয়		চৰকাৰলৈ আত্মসাতকৰণ/ ক্ষতি	
		N	A	N	A	N	A	N	A	N	A	N	A	N	A	N	A	N	A
1	কৃষি	0	0	3	60.25	2	1.69	2	53.43	5	6.63	2	10.53	14	132.53	**5**	**7.31**	**9**	**125.22**
2	পশুপালন আৰু পশুচিকিৎসা	**2**	57.04	4	8.67	0	0	3	10.20	0	0	0	0	9	75.91	**3**	**15.07**	**6**	**60.84**
3	স্বায়ত্ব শাসিত পৰিষদ[79]	**26**	672.34	32	1794.44	0	0	0	0	0	0	0	0	58	2466.78	**1**	**5.95**	**57**	**2460.83**
4	সীমান্ত এলেকা	**0**	0	1	22.41	0	0	0	0	0	0	0	0	1	22.41	**0**	**0**	**1**	**22.41**
5	সমবায়	**7**	23	2	34.03	0	0	0	0	0	0	0	0	9	57.03	**0**	**0**	**9**	**57.03**
6	সাংস্কৃতিক পৰিক্ৰমা	**1**	2.96	1	65.28	0	0	0	0	0	0	0	0	2	68.24	**1**	**2.96**	**1**	**65.28**
7	সাংস্কৃতিক পৰিক্ৰমা(পুথিভৰাল)	**1**	89.72	0	0	0	0	0	0	0	0	0	0	1	89.72	**0**	**0**	**1**	**89.72**
8	দুগ্ধ উন্নয়ন	**0**	0	1	301	0	0	0	0	0	0	0	0	1	301	**0**	**0**	**1**	**301**

[79] সৰ্বশিক্ষা অভিযান প্ৰাথমিক শিক্ষাৰ অন্তৰ্ভূক্ত, গুৱাহাটী বিশ্ববিদ্যালয়ে উচ্চশিক্ষাৰ অন্তৰ্ভৰ্ক্ত, নগৰ উন্নয়নৰ অন্তৰ্ভূক্ত, অসম ৰাজ্যিক গৃহ নিৰ্মাণ ৰোৰ্ড ক্ৰীয়া আৰু যুৱকল্যানৰ অন্তৰ্ভূক্ত, ৰাষ্ট্ৰীয় ক্ৰীয়া সচিবালয়, (এন জি এচ) পঞ্চায়ত আৰু গ্ৰামোন্নোয়নৰ অন্তৰ্ভূক্ত জিলা আৰু নগৰ উন্নয়ন সংস্থা, গুৱাহাটী উন্নয়ন বিভাগৰ অন্তৰ্ভূক্ত, গুৱাহাটী নগৰ উন্নয়ন,চিকিৎসালয় পৰিচালনা সমিতি, ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান, স্বাস্থ্য আৰু পৰিয়াল কল্যানৰ অন্তৰ্ভূক্ত, জিলা স্বাস্থ্য সমিতি, অসম শক্তি উন্নয়ন অনুষ্ঠান (এ ই ডি এ),অসম এপেক্স শিপিনি আৰু কলাকাৰ সমবায় সমিতি(এ আৰ তি এ ফ ই ডি)

ক্ৰমিক নং	বিভাগৰ নাম /সঞ্চালকালয়	5 বছৰলৈকে		5 ৰপৰা 10 বছৰলৈকে		10 ৰপৰা 15 বছৰলৈকে		15 ৰপৰা 20 বছৰলৈকে		20 ৰপৰা 25 বছৰলৈকে		25 বছৰতকৈ অধিক		মুঠ		চুৰিৰ বিষয়		চৰকাৰলৈ আত্মসাতকৰণ/ক্ষতি	
		N	A	N	A	N	A	N	A	N	A	N	A	N	A	N	A	N	A
9	সাধাৰণ প্ৰশাসন(ডি চি এচ)	**36**	1670.78	7	220.12	4	453.45	5	50.47	0	0	0	0	52	2394.82	**0**	**0**	**52**	**2394.82**
10	শিক্ষা (প্ৰাথমিক)	**6**	33.33	2	57.75	0	0	0	0	0	0	0	0	8	91.08	**0**	**0**	**8**	**91.08**
11	শিক্ষা (মাধ্যমিক)	**4**	73	2	109.16	0	0	0	0	0	0	0	0	6	182.16	**1**	**106.30**	**5**	**75.86**
12	শিক্ষা (উচ্চ)	**1**	963.30	2	21.61	0	0	0	0	0	0	0	0	3	984.91	**0**	**0**	**3**	**984.91**
13	শিক্ষা (কাৰিকৰী)	**2**	5.51	1	2.43	0	0	0	0	0	0	0	0	3	7.94	**0**	**0**	**3**	**7.94**
14	শিক্ষা (এচ চি ই আৰ টি)	**2**	477.50	1	0.37	0	0	0	0	0	0	0	0	3	477.87	**1**	**0.37**	**2**	**477.50**
15	মীন	0	0	0	0	2	1.55	0	0	0	0	0	0	2	1.55	**1**	**0.75**	**1**	**0.80**
16	খাদ্য আৰু অসামৰিক যোগান	**3**	101.99	2	133	0	0	0	0	0	0	0	0	5	234.99	**0**	**0**	**5**	**2394.99**
17	গুৱাহাটী উন্নয়ন	**2**	186.91	0	0	0	0	2	34.83	0	0	0	0	4	221.74	**0**	**0**	**4**	**221.74**
18	হস্ততাঁত আৰু বস্ত্ৰ	**0**	0	2	11.65	2	9.10	1	8.57	0	0	0	0	5	29.32	**2**	**9.10**	**3**	**20.22**
19	স্বাস্থ্য আৰু পৰিয়াল কল্যান	**14**	584.49	5	37.26	0	0	0	0	0	0	0	0	19	621.75	**0**	**0**	**19**	**621.75**

ক্ৰমিক নং	বিভাগৰ নাম /সঞ্চালকালয়	5 বছৰলৈকে		5 ৰপৰা 10 বছৰলৈকে		10 ৰপৰা 15 বছৰলৈকে		15 ৰপৰা 20 বছৰলৈকে		20 ৰপৰা 25 বছৰলৈকে		25 বছৰতকৈ অধিক		মুঠ		চুৰিৰ বিষয়		চৰকাৰলৈ আত্মসাতকৰণ/ ক্ষতি	
		N	A	N	A	N	A	N	A	N	A	N	A	N	A	N	A	N	A
	(সাধাৰণ)																		
20	স্বাস্থ্য আৰু পৰিয়াল কল্যান (মেডিকেল শিক্ষা গোট)	**6**	209.60	3	50.50	0	0	0	0	0	0	0	0	9	260.1	**0**	**0**	**9**	**260.10**
21	স্বাস্থ্য আৰু পৰিয়াল কল্যান (পৰিয়াল কল্যান)	**2**	2.75	4	91.65	0	0	0	0	0	0	0	0	6	94.40	**0**	**0**	**6**	**94.40**
22	পাৰ্বত্য এলেকা	**7**	71.26	22	1162.92	0	0	0	0	0	0	0	0	29	1234.18	**0**	**0**	**29**	**1234.18**
23	উদ্যোগ	2	68.32	0	0	1	505.19	0	0	0	0	0	0	3	573.51	**0**	**0**	**3**	**573.51**
24	তথ্য আৰু জনসংযোগ	0	0	2	797	0	0	0	0	0	0	0	0	2	797	**1**	**N/A**[80]	**1**	**797**
25	অভ্যন্তৰীন জলপৰিবহন	3	9.75	1	12.29	0	0	0	0	0	0	0	0	4	22.04	**0**	**0**	**4**	**22.04**
26	জলসিঞ্চন	**5**	205.56	2	98.91	5	71.67	0	0	0	0	0	0	12	376.14	**4**	**16.78**	**8**	**359.36**
27	দক্ষতা, নিয়োগ আৰু শিল্প উদ্যোগ বিভাগ	**4**	314.05	1	249.66	0	0	0	0	0	0	0	0	5	563.71	**0**	**0**	**5**	**563.71**
28	হিচাপ পৰীক্ষা	**0**	0	0	0	0	0	1	1.51	0	0	0	0	1	1.51	**0**	**0**	**1**	**1.51**

[80] এফ.আই.আৰত নথিভুক্ত নকৰা আৰু চুৰি কৰা জ্ঞাত নোহোৱা সামগ্ৰী পৰিমাণ

ক্ৰমিক নং	বিভাগৰ নাম /সঞ্চালকালয়	5 বছৰলৈকে		5 ৰপৰা 10 বছৰলৈকে		10 ৰপৰা 15 বছৰলৈকে		15 ৰপৰা 20 বছৰলৈকে		20 ৰপৰা 25 বছৰলৈকে		25 বছৰতকৈ অধিক		মুঠ		চুৰিৰ বিষয়		চৰকাৰলৈ আত্মসাতকৰণ/ ক্ষতি	
		N	A	N	A	N	A	N	A	N	A	N	A	N	A	N	A	N	A
	সঞ্চালক, স্থানীয় পুঁজি																		
29	পঞ্চায়ত আৰু গ্ৰামোন্নোয়ন	**33**	4097.03	60	2222.8	60	1675.41	0	0	0	0	0	0	153	7995.24	**2**	**30.16**	**151**	**7965.08**
30	জনস্বাস্থ্য কাৰিকৰী	**1**	293.50	0	0	0	0	0	0	0	0	0	0	1	293.50	**0**	**0**	**1**	**293.50**
31	পি ডব্লিউ ডি (গৃহ)	**1**	11.80	0	0	0	0	0	0	0	0	0	0	1	11.80	**0**	**0**	**1**	**11.80**
32	পি ডব্লিউ ডি (ৰাষ্ট্ৰীয় পথ)	**1**	97.09	0	0	0	0	0	0	0	0	0	0	1	97.09	**0**	**0**	**1**	**97.09**
33	পি ডব্লিউ ডি (পথ)	**7**	737	8	2073.89	0	0	0	0	0	0	0	0	15	2810.89	**0**	**0**	**15**	**2810.89**
34	সাধাৰণ প্ৰশাসন (এচ ডি অ’) (অসামৰিক)	**0**	0	0	0	2	66.25	4	9.18	1	1.33	0	0	7	76.76	**0**	**0**	**7**	**76.76**
35	ৰেচম	**1**	3.55	1	5.19	0	0	0	0	0	0	0	0	2	8.74	**1**	**5.19**	**1**	**3.55**
36	সমাজ কল্যাণ	**11**	387.63	4	176.62	0	0	0	0	0	0	0	0	15	564.25	**0**	**0**	**15**	**564.25**
37	ক্ৰীয়া আৰু যুৱকল্যাণ	**0**	0	1	5.92	0	0	0	0	0	0	0	0	1	5.92	**0**	**0**	**1**	**5.92**
38	গৃহ (কমাডেন্ট, চতুৰ্থ এ পি বি এন)	**0**	0	1	4.87	0	0	0	0	0	0	0	0	1	4.87	**0**	**0**	**1**	**4.87**

ক্ৰমিক নং	বিভাগৰ নাম /সঞ্চালকালয়	5 বছৰলৈকে		5 ৰপৰা 10 বছৰলৈকে		10 ৰপৰা 15 বছৰলৈকে		15 ৰপৰা 20 বছৰলৈকে		20 ৰপৰা 25 বছৰলৈকে		25 বছৰতকৈ অধিক		মুঠ		চুৰিৰ বিষয়		চৰকাৰলৈ আত্মসাতকৰণ/ ক্ষতি	
		N	**A**	**N**	**A**	**N**	**A**	**N**	**A**	**N**	**A**	**N**	**A**	**N**	**A**	**N**	**A**	**N**	**A**
39	পৰ্যটন	**1**	0.89	1	0.48	0	0	0	0	0	0	0	0	2	1.37	**0**	**0**	**2**	**1.37**
40	নগৰ উন্নয়ন (নগৰ আৰু নগৰ পৰিকল্পনা)	**2**	4.37	1	4.30	0	0	0	0	0	0	0	0	3	8.67	**0**	**0**	**3**	**8.67**
41	নগৰ উন্নয়ন(পৌৰ প্ৰশাসন)	**9**	424.12	19	376.04	27	243.06	3	11.07	0	0	0	0	58	1054.29	**0**	**0**	**58**	**1054.29**
42	জল সম্পদ	**1**	18.31	2	31.53	1	11.93	0	0	0	0	0	0	4	61.77	**3**	**43.46**	**1**	**18.31**
43	ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ	**10**	236.45	0	0	0	0	0	0	0	0	0	0	10	236.45	**0**	**0**	**10**	**236.45**
44	ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ(বি টি চি)	**6**	109.70	6	51.22	0	0	0	0	0	0	0	0	12	160.92	**0**	**0**	**12**	**160.92**
	মুঠ	**220**	**12244.60**	**207**	**10295.22**	**106**	**3039.30**	**21**	**179.26**	**6**	**7.96**	**2**	**10.53**	**562**	**25776.87**	**26**	**243.40**	**536**	**25533.47**

N-সংখ্যা; *A*-মুঠ

উৎসঃপৰিদৰ্শন তথ্য

সংক্ষিপ্তকৰণৰ পৰিভাষিক শব্দ তালিকা

সংক্ষিপ্তকৰণৰ পৰিভাষিক শব্দ তালিকা	
বি টি চি	বড়োলেণ্ড প্ৰাদেশীয় পৰিষদ
ডব্লিউ পি টি এণ্ড বি চি	ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ
এন চি এইচ এ চি	উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ
কে এ এ চি	কাৰ্বিআংলং স্বায়ত্ব শাসিত পৰিষদ
জি অ' ডি	গুৱাহাটী উন্নয়ন বিভাগ
জি অ আই	ভাৰত চৰকাৰ
এন এইচ এম	ৰাষ্ট্ৰীয় স্বাস্থ্য মিচন
জি অ এ	অসম চৰকাৰ
ডি চি	উপায়ুক্ত
এম ডি	মিচন সঞ্চালক
ডি এইচ এচ	স্বাস্থ্য সেৱা সঞ্চালক
ডি চি এইচ	ধুবুৰী অসামৰিক হস্পিটাল
এম ডি অ' এন ই আৰ	উত্তৰ পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰালয়
চি- এন ই এচ	উত্তৰ পূৱ অধ্যয়ন আৰু নীতি সমীক্ষা
ডি এম ই	মেডিকেল শিক্ষাৰ সঞ্চালক
এচ এম চি এইচ	শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়
এইচ এম এচ	চিকিৎসালয় ব্যৱস্থাপনা সমিতি
এ এফ আৰ	অসম বিত্তীয় নিয়মাৱলী
বি আৰ এম	বিষ্ণু ৰাম মেধি
এ ডি এম বি	অসম সংখ্যালঘু উন্নয়ন পৰিষদ
পি ডি চি	প্ৰত্যক্ষ পৰিশোধ কাৰ্ড
আই পি	জলসিঞ্চন সম্ভাৱনীয়তা
পি ডি এম চি	কম পানী প্ৰয়োগেৰে অধিক শস্য
এফ আই এচ	বৰষুণৰ পানীৰ জলসিঞ্চন আঁচনি
এল আই এচ	নদীৰ পানীৰ উৎসৰ পৰা জলসিঞ্চন আঁচনি

অ ডব্লিউ আৰ	জল সম্পদ মন্ত্ৰালয়
চি ডব্লিউ চি	কেন্দ্ৰীয় জল আয়োগ
চি ই	মুখ্য অভিযন্তা
ই ই	কাৰ্য্যবাহী অভিযন্তা
এ এ	প্ৰসাশনীয় অনুমোদন
টি এচ	কাৰিকৰী মঞ্জুৰী
এ আই বি পি	বৰ্ধিত জলসিঞ্চনৰ সুবিধাৰ কাৰ্য্যসূচী
পি এম কে এচ ৱাই	প্ৰধান মন্ত্ৰী কৃষি সঞ্চয় যোজনা
এন এল চি পি আৰ	সম্পদৰ তামাদিবিহীন কেন্দ্ৰীয় পুল
আৰ আই ডি এফ	গ্ৰামীন আন্তঃগাঁথনি উন্নয়ন পৰিষদ
এন এ বি এ আৰ ডি	কৃষি আৰু গ্ৰামোন্নয়নৰ ৰাষ্ট্ৰীয় বেংক
চি এ ডি ডব্লিউ এম	নিয়ন্ত্ৰিত একেলা উন্নয়ন আৰু জল ব্যৱস্থাপনা
এন ই চি	উত্তৰ পূৰ্ব পৰিষদ
এ আৰ আই এ এচ	কৃষি সেৱা কৰ্মসূচীৰ বাবে অসম গ্ৰামীন আন্তঃগাঁথনি
বি চি আৰ	সুবিধা মূল্যৰ অনুপাত
এচ বি এফ	সমীক্ষাকৃত হিতাধিকাৰী কৃষক
পি আই এম	অংশগ্ৰহণকাৰী জলসিঞ্চন ব্যৱস্থাপনা
ডব্লিউ ইউ এ	পানী ব্যৱহাৰকাৰীৰ সংস্থা
এ এচ চি এল	অসম বীজ নিগম লিমিটেড
ভি এ টি	মূল্য সংযোজিত কৰ
ডি অ এ	কৃষি সঞ্চালক
আৰ এম	আঞ্চলিক প্ৰবন্ধক
চি এইচ এচ	বিভাগৰ পৰিষদীয় মূখ্য
চি এ এচ	অনুকম্পামূলক নিয়োগ আঁচনি
এচ চি	উচ্চতম ন্যায়ালয়
চি এফ পি এচ	অনুকম্পামূলক পৰিয়াল পেঞ্চন আঁচনি
টি এ	বিষয় ভিত্তিক হিচাপ পৰীক্ষা

এফ ডি	বিত্তীয় বিভাগ
ডি এল চি	জিলা পৰ্য্যায়ৰ সমিতি
এচ এল চি	ৰাজ্যিক পৰ্য্যায়ৰ সমিতি
এন এফ পি	স্বাভাৱিক পৰিয়াল পেঞ্চন
এ আই এচ	সৰ্বভাৰতীয় সেৱা সমূহ
পি এচ ডি	মুদ্ৰন আৰু লেখন বিভাগ
এফ আই আৰ	এজাহাৰ
এ টি এন	কাৰ্য্যব্যৱস্থা গ্ৰহণ টোকা
পি এ চি	ৰাজহুৱা হিচাপ সমিতি
এ অ’ চি	হিচাপ পৰীক্ষা আপত্তি সমিতি

© ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক
www.saiindia.gov.in